
ৰঙিয়া
মহাবিদ্যালয়
আলোচনী
বিদেশী সমস্যা
আন্তঃ ৰাজ্যিক সীমা সমস্যা
ষষ্ঠদশ সংখ্যা
সম্পাদক
সুকৃতানন্দ ভট্টাচাৰ্য্য

# ৰঙিয়া মহাবিদ্যালয় আলোচনী

## ইং ১৯৮৬–৮৭ চন

## ষষ্ঠদশ সংখ্যা


তত্বাৱধায়ক—

**শ্ৰীউমেশ চন্দ্ৰ গোস্বামী**

সম্পাদক—

**শ্ৰীমুকুতানন্দ ভট্টাচাৰ্য্য**

## সম্পাদনা সমিতি ঃ—

সভাপতি ঃ শ্ৰীযুত নীলকান্ত মহন্ত ( অধ্যক্ষ )

তত্বাৱধায়ক ঃ—শ্ৰীযুত উমেশ চন্দ্ৰ গোস্বামী (অধ্যাপক)

সদস্য ঃ—শ্ৰীযুত নৰেন্দ্ৰ কলিতা (অধ্যাপক)
শ্ৰীদীপক দাস
শ্ৰীলীলাধৰ শালৈ
শ্ৰীসীমান্ত শালৈ

সম্পাদক ঃ- শ্ৰীমুকুতানন্দ ভট্টাচাৰ্য্য

বেটুপাত ঃ—শ্ৰীপ্ৰদীপ কুমাৰ দত্ত

অঙ্গসজ্জা ঃ—শ্ৰীলীলাধৰ শালৈ, শ্ৰীকিশোৰ কলিতা

কৃতজ্ঞতা স্বীকাৰ ঃ—

শ্ৰীযুত হৰেণ শৰ্মা, শ্ৰীযুত সঞ্জয় তালুকদাৰ, শ্ৰীযুত নৰেন্দ্ৰ কলিতা, শ্ৰীযুত ওচমান গণি শ্ৰীসমীন্দ্ৰ ডেকা, শ্ৰীপ্ৰসন্ন বৈশ্য, শ্ৰীজনেক বৈশ্য, শ্ৰীঅৱনী কলিতা, শ্ৰীযোগেন শৰ্মা, দীপক দাস, সীমান্ত শালৈ, লীলাধৰ শালৈ, নয়ন, কিশোৰ, অঙ্কুৰ, ব্ৰজেন, নৱজ্যোতি ৰাপজ্যোতি, দেৱ, জ্যোতিৰ্ময়, ৰামু, ৰমেন আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ বঙিয়া আঞ্চলিক সমিতি আৰু বঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্যবৃন্দৰ লগতে জয়ন্তী প্ৰেছৰ স্বত্বাধীকাৰ ও কৰ্মী বৃন্দলৈ ।

মুদ্ৰণত ঃ—জয়ন্তী প্ৰেছ, ষ্টেচন ৰোড ঃ বঙিয়া



এই সংখ্যা আলোচনী অসম মাতৃৰ
হকে মৃত্যু বৰণ কৰা বীৰ
শ্বহীদ সকলৰ পূণ্য স্মৃতি
যুগমীয়া কৰাৰ অৰ্থে
অৰ্পণ কৰিলো ।

## শ্ৰদ্ধাঞ্জলি

গজেন কুমাই, ৰাজ কাপুৰ, কিশোৰ কুমাৰ, চৈয়দ মোদী, ত্ৰৈলোক্য নাথ গোস্বামী, বৰপেটা ৰোড আৰু নগাওঁৰ বোমা বিস্ফোৰণত নিহত লোক সকলোলৈ।

## অভিনন্দন

জাহ্নু বৰুৱা, ৰাজেন ৰাভা, মিঠু বৰুৱা, মাধবী গগৈ, নীল বাহাদুৰ ছেত্ৰী, হৰেকৃষ্ণ ডেকা ইত্যাদিলৈ।

## শুভেচ্ছা বাণী

সম্পাদক / ৰঙিয়া মহাবিদ্যালয় আলোচনী।

॥ শুভেচ্ছা সহ ॥

নতুন পুৰুষে কৰিব নোৱাৰা কাম একো নাই। যি কামকেই কৰা হয়, আন্তৰিকতা, নিষ্ঠা আৰু সৃষ্টিশীল মনোভাব নিহিত থাকিলে সকলো গঠন মূলক কামৰে সুফল পোৱা যায় বুলি মোৰ বিশ্বাস ॥

সেই আশাকেই মোৰ আন্তৰিক শুভেচ্ছা জনাইছো, ৰঙিয়া মহাবিদ্যালয়ৰ আশাভৰা উজ্জ্বল যুগৰ নতুন পুৰুষসৱক ॥

নিৰোদ চৌধুৰী।

॥ নিৰোদ চৌধুৰী ॥ আসাম ট্ৰিবিউন / অসম বাণী / গুৱাহাটী-৩ ॥

## ঃ এই সংখ্যাত ঃ

সম্পাদক—ক,

### প্ৰবন্ধ লিখিছে—

শ্ৰীকনক চন্দ্ৰ ডেকা—১, শ্ৰীদিলীপ কুমাৰ শৰ্মা—৬, শ্ৰীবিজুলি চক্ৰৱৰ্ত্তী—১০ শ্ৰীৰজত চন্দ্ৰ ডেকা—১?, শ্ৰীযোগেন চন্দ্ৰ ৰাজবংশী—২২, শ্ৰীঅশোক কুমাৰ শৰ্মা—২৫ শ্ৰীউমেশ কলিতা—৩২, নীলিমা ডেকা—৩৬

### কবিতা লিখিছে—

ভাস্কৰ কলিতা—১, কিশোৰ কলিতা—২, শ্ৰীপৰমেশ্বৰ শৰ্মা—৩ ফ্ৰিৰোজ হুছেইন—৪, শ্ৰীহলধৰ দাস—৫, শ্ৰীপবিন শৰ্মা—৬ শ্ৰীধনেশ্বৰ ৰয়—৭, মিছ অঞ্জলী ডেকা—৮, শ্ৰীহিৰেন্দ্ৰ কলিতা—৯, শ্ৰীৰমেশ ও'ৱাৰী—১০

### গল্প লিখিছে—

শ্ৰীদীপক দাস—১, শ্ৰীদিনমণি ডেকা—৮, শ্ৰীনিৰোদ কুমাৰ শৰ্মা—১৩ শ্ৰীঅঞ্জুমণি ডেকা—১৭, শ্ৰীজয়ন্ত কুমাৰ শৰ্মা—২০, শ্ৰীঅজিত কুমাৰ চেত্ৰী—৩০, বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন—১ ৰ পৰা ১৬ লৈ

## সম্পাদনা সমিতি



বাওঁফালৰ পৰা (বহি)— শ্ৰীনৰেন্দ্ৰ কলিতা (সদস্য), শ্ৰীনীলকান্ত মহন্ত (সভাপতি), শ্ৰীউমেশ চন্দ্ৰ গোস্বামী (তত্ত্বাৱধায়ক), ।

বাওঁফালৰ পৰা থিয় হৈ — শ্ৰীদীপক দাস (সদস্য), শ্ৰীলীলাধৰ শালৈ (সদস্য), শ্ৰীসীমান্ত শালৈ (সদস্য), শ্ৰীমুকুতানন্দ ভট্টাচাৰ্য্য (সম্পাদক)

# সম্পাদকীয়

সম্পাদকীয় কাপ তুলি লৈ কি ক'ম কেনেকৈ ক'ম এই চিন্তাতকৈ 'বৰ্তমান' কি কৰা উচিত এই প্ৰশ্নইহে মনত ঝুমুৰি দি ধৰিছে— হেমকোষৰ জটিল শব্দৰ কুচ-কাৱাজ কৰাৰ প্ৰয়োজন আজি কালিৰ সম্পাদকীয়ত শোভা নাপায়।

—অসমৰ ৰাইজে ১৯৮৫ চনৰ শেষৰ ভাগত ক্ষমতালোভী ঔপনিবেশকতাবাদী কংগ্ৰেছ (ই) দলৰ ক্ষমতাৰ অন্ত পেলাই এখন ৰাইজৰ চৰকাৰ গঠন কৰি দিছে। এই চৰকাৰৰ পৰা অসমৰ ৰাইজে বিশেষ একো নিবিছাৰিলেও কিন্তু এটা সমস্যাৰ অন্ততঃ অন্ত হোৱাটো বিছাৰিছিল— "বিদেশী নাগৰিকৰ সমস্যা"। বৰ্তমান চৰকাৰৰ প্ৰায় তিনি বছৰ পূৰ্ণ হোৱাৰ পথত, কিন্তু এই চৰকাৰখনে বিদেশী নাগৰিকৰ সমস্যাটো কিমানদূৰ সমাধানৰ বাবে অগ্ৰসৰ সেয়া চিন্তনীয়।..................

.................. অসমত আকৌ বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে —অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন জনগোষ্ঠীৰ পৰা বিভিন্ন দাবীৰ উদ্ভাৱন তথা উত্থাপন হৈয়েই আছে। সেই দাবী-বোৰৰ ভিতৰত বড়ো সকলৰ সুকীয়া গৃহভূমিৰ দাবী, কাৰ্বি সকলৰ স্বায়ত্ব-শাষিত ৰাজ্যৰ দাবী, ইত্যাদি ইত্যাদি.................. যাৰ ফলত জনজাতি আৰু অজনজাতি লোকসকলৰ মাজত এক ভাঙোনমুখী প্ৰক্ৰিয়াই বাহ লৈছে। এই সমস্যাবোৰৰ প্ৰতিও ৰাজ্য চৰকাৰ কিমানদূৰ আগ্ৰহী তথা সমস্যাবোৰ সমাধান কৰাত কিমানদূৰ সফল হৈছে সেয়াও সচেতন ৰাইজৰ অজ্ঞাত নহয়। অসমৰ এনেবোৰ জটিল পৰিস্থিতিটো বৰ্তমান চৰকাৰৰদ্বাৰা বিভিন্ন সমস্যাবোৰ সমাধানতকৈ স্বজন-তোষণ ধাবাৰ দুৰ্নীতি তথা তদৰ্থ ৰাজ ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা গৈছে। যিহেতু বিভিন্ন জনগোষ্ঠীৰদ্বাৰা বৃহৎ অসমীয়া জাতিৰ সৃষ্টি হৈছে, সেয়েহে বৰ্তমান চৰকাৰে এই সমস্যাবোৰ সমাধানৰ পিনে মনোনিবেশ কৰি বৃহৎ অসমীয়া জাতিক এই ভাঙোনমুখী প্ৰক্ৰিয়াটোৰ পৰা ৰক্ষাৰ প্ৰচেষ্টাহে সমীচিন।

অসমৰ বানপানী এক ৰাষ্ট্ৰীয় সমস্যা। কিন্তু যি সময়ত অসমৰ ৰাইজক বানপানীয়ে জুৰুলা কৰিছে, সেই সময়ত ৰাজীৱ চৰকাৰে ভাৰত মহোৎসৱ অথবা শ্ৰীলংকাত শান্তি স্থাপনৰ নামত এক বৃহৎ পুঁজি উৎসৰ্গ কৰি তেওঁৰ ভাৱমূৰ্ত্তি উজ্বল কৰাৰ বাবে যেন নিপীড়িতৰ বিৰুদ্ধে শীতল যুদ্ধ'ত মত্ত..................

বৰ্ত্তমান যুৱ মানসিকতা কোন পথে সেয়া সৰ্বসাধাৰণৰ জ্ঞাত। আমাৰ পঙ্গু মানসিকতাৰ বাবেই এইবোৰ শোষিত নিপীড়িতৰ হকে মাত মতাৰ আত্মবল তথা সৎ-সাহসকণো যেন আজিৰ যুৱ সমাজে হেৰাই পেলাইছে।

ৰঙিয়া মহাবিদ্যালয়ৰ এই ষষ্ঠদশ সংখ্যাটো প্ৰকাশৰ ভাৰ মোৰ ওপৰত অৰ্পণ কৰা হৈছিল। কিন্তু এই ভাৰ মই কিমানদূৰ সফলতাৰে চলাব পাৰিছো সেয়া আলোচনী-খনৰ আখৰবোৰৰ পৰা অনুমান কৰিব পৰা যাব। আলোচনী সম্পাদক হৈয়ে মই কিবা এটা নতুনত্বৰ সৃষ্টি কৰিম বুলি ভাবিছিলো। কিন্তু সেয়া আছিল অলীক কল্পনাহে— কাৰণ ৰঙিয়া মহাবিদ্যালয়ৰ ষষ্ঠদশ সংখ্যা আলোচনীখনৰ সম্পাদক হৈ আলোচনী প্ৰকাশৰ বাবে যিখিনি অসুবিধা ভোগ কৰিব লগীয়া হৈছে সেয়া সম্ভৱত বিগত সম্পাদক সকলৰ জ্ঞাত। আলোচনী প্ৰকাশৰ বাবে উপযুক্ত লিখনিৰ অভাৱ; ৰঙিয়া মহাবিদ্যালয়ৰ ২৫ বছৰ পূৰ্ণ হোৱাৰ সময়তো লিখনিৰ এনে অভাৱৰ কথা অতি দুখ জনক। ৰঙিয়া মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশৰ বাবে যি সীমিত পৰিমাণৰ ধন ধাৰ্য্য কৰা হৈছিল সেইখিনি ধনেৰে ৰঙিয়া মহাবিদ্যালয়ৰ দৰে মহাবিদ্যালয় এখনৰ মুখপত্ৰ এখন প্ৰকাশ কৰাটো অসম্ভৱ। আকৌ কিছুমান অসুবিধাৰ সন্মুখীন হব লগা হৈছে, যিবোৰ প্ৰকাশ কৰাটো লজ্জাজনক। মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত মই কাতৰ ভাৱে অনুৰোধ জনাইছো, যাতে ভৱিষ্যতৰ সম্পাদক সকলে আলোচনী প্ৰকাশৰ বাবে এই অসুবিধাবোৰ ভোগ কৰিবলগীয়া নহয়।

ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ নিযুক্তিৰ এক বিতৰ্কিত অধ্যায়নৰ সামৰণি পৰাৰ পিছতে আৰম্ভ হৈছে উপাধ্যক্ষৰ অধ্যায়। ৰঙিয়া মহাবিদ্যালয়ৰ সচেতন ছাত্ৰ-ছাত্ৰী তথা ৰঙিয়াৰ সচেতন মহলে যোগ্যতাৰ ভিত্তিত উপাধ্যক্ষ এজন নিযুক্তি দিয়াটো বিচাৰে। এই সম্পাদকীয়ৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাওঁ যেন যোগ্যতাৰ ভিত্তিত ৰঙিয়া মহা-বিদ্যালয়ৰ উপাধ্যক্ষজনক নিযুক্তি দি বহ বিতৰ্কিত এই অধ্যায়ৰো সামৰণি পেলায়।

শেষত, আলোচনীখন প্ৰকাশৰ বাবে যি সকল অধ্যাপক / অধ্যাপিকাই আৰু বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে তেখেত সকলৰ বহুমূলীয়া লিখনিৰে সহায় কৰিলে তেখেত সকললৈ আৰু যি সকল জাতীয়তাবাদী ভাৱধাৰাৰে উদ্বুদ্ধ বন্ধু-বান্ধৱীয়ে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পতাকাৰ তলৰ পৰা নিৰ্বাচিত কৰি মোক এই মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগকণ দিলে সেই সকললৈ মই মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

আলোচনীখন প্ৰকাশ হোৱাত কিছু পলম তথা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিছাৰিছো।

সদৌ শেষত দেশ মাতৃৰ হকে নিজকে উৎসৰ্গা কৰা জ্ঞাত অজ্ঞাত শ্বহীদ সকললৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো।

ৰঙিয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে সম্পাদকীয়ৰ সামৰণি মাৰিছোঁ।

মুকুতানন্দ ভট্টাচাৰ্য্য
ইং ১৯৮৬-৮৭ চন



# প্ৰবন্ধ

# আজিৰ সমাজৰ লক্ষ্য

শ্রীকনক চন্দ্র ডেকা
টি. ডি. চি. (বিজ্ঞান) প্রথম বাৰ্ষিক

আমাৰ সন্মুখত বহুতো বস্তু বা বিষয় আছে, আছে বহুতো পথ। সেইবোৰৰ সকলোকে আমাৰ দৰকাৰ নাই যেন লাগে। তাৰে যিবোৰে আমাক আপেক্ষিকভাবে বেছি আকৰ্ষিত কৰিব পাৰিছে ; সেইবোৰেহে আমাক কিবা অলপ দি অন্তৰত সন্তুষ্টি দিব পাৰিব যেন লাগে। সেইবাবে সেইবোৰ বস্তু বা বিষয়হে আমাৰ আকাঙ্খিত হোৱা উচিত, আৰু তাক লাভ কৰিবলৈ একেবাৰে ঋজু পথটিৰেহে আমি যাত্ৰা কৰা উচিত। নহলে যাত্ৰা পথত মাজতে আউল লাগিব পাৰে।

আমি যিটো বস্তুৰ ফালে এক পৰম আগ্রহেৰে ধাবিত হওঁ, সেই বিষয় বা বস্তুটোকেই আমি আমাৰ "লক্ষ" বুলি কওঁ। অৱশ্যে তাৰ বাবে উপযুক্ত ঋজুতম্ পথটিৰে আগ নাবাঢ়িলে আনে তাক সহজে আমাৰ লক্ষ্য বুলি স্বীকৃতি নিদিয়ে আৰু সহানুভূতিৰে সহযোগিতাও আগ নবঢ়ায়। যিহেতু বিভিন্ন জনৰ লক্ষ্য বিভিন্ন বুলি কব পাৰি। বৰ্ত্তমান মানৱ সমাজখন বৰ জটিল হৈ পৰিছে। মানৱ সমাজে বৰ্ত্তমান প্ৰকৃতিৰ পৰা বিভিন্ন বস্তু বা বিষয়ৰ আৱিষ্কাৰ বা অৱতাৰণা কৰিছে। সেয়ে বিভিন্ন জনে বিভিন্ন লক্ষ্য বাচি লৈ বিভিন্ন দিশত ধাবিত হৈছে। কিন্তু এইদৰে বিভিন্ন জনে বিভিন্ন লক্ষ্যৰ প্ৰতি বিভিন্ন দিশত ধাবিত হলেও প্ৰত্যেক মানুহৰে চৰম লক্ষ্য একেটাই। সেয়া হৈছে জীৱনত এক পৰম প্ৰশান্তিময় মুহূৰ্ত্ত প্ৰাপ্তি। গতি.ক প্ৰত্যেকৰে এই চৰম লক্ষ্যাই মানৱ সমাজৰো চৰম লক্ষ্য হোৱা উচিত।

কিন্তু আপাত দৃষ্টিত বৰ্ত্তমান মানৱ সমাজৰ বা মানৱ মনৰ এক নিৰ্দিষ্ট চৰম লক্ষ্য নাই যেনেই লাগে।

কিন্তু বিজ্ঞসকলৰ সূক্ষ্ম অন্তদৃ ষ্টিত এই চৰম লক্ষ্য সদায় জল্ জল্ পট্ পট্ কৈ জিলিকিয়ে আছে। তেওঁলোকে সমাজৰ আন সকলোকো সেই লক্ষ্যৰ পিনেহে একেবাহে একাগ্ৰতাৰে আগবাঢ়িবলৈ সদায় ৰিঙিয়াই ৰিঙিয়াই কৈ আহিছে। কিন্তু আজিৰ সমাজৰ উধাতুৱা, ওগৰচকুৱাবোৰে কিহৰ বাবে হাবাথুৰি খাই মৰিছে বাৰু ? কিছুমানে কব মানুহক আজিকালি টকা লাগে মাথোন। আজিৰ মানুহে কেৱল টকাহে চিনে। বোলে "ধনেই ধৰ্মৰ মূল, ধন নহলে যায় জাতি কুল। ধনৰ নাম জয়ৰাম ধনেই কৰে সকলো কাম।"

কিন্তু এইটোওঁটো কব পৰা যায় যে—কিছুমান মানুহে যে ওৰে জীৱন জুৰি ধনেই

অৰ্জন কৰি আছে। অজস্ৰ ধন আৰ্জি ভঁৰাল উপচাই পেলাইছে। তথাপিও সিহঁতক আৰু ধনেই লাগে। একৰ পৰা দুই—দুইৰ পৰা তিনি—তিনিৰ পৰা আৰুনো কি কি নেলাগে। ঠিক তেনেকৈয়ে।

বিন্তু বৰ্ত্তমান যুগৰ এই বিৰাট বিৰাট ধনী লোকসকলেও যদিও ধনৰ লেংটি এৰা নাই, কিন্তু তেওঁলোকে সেই ধনবোৰ ব্যৱহাৰ কৰিছে ক'ত ? অকল সুখ সম্ভোগৰ বাবেইনে আৰু আন কিবাৰ কাৰণে ? কৰিছে সময়ৰ বালুকাত অকল নিজৰ যি কোনো স্মৃতি চিহ্ন এটি ৰাখি থৈ যোৱাৰ উদ্দেশ্যেওঁ হয়তো পাৰ্য্যমানে চেষ্টা কৰিছে, আৰু তাৰ বাহিৰে আন কি কৰিছে ? নাই নাই।

তাৰ বাবেই তেওঁলোকে অসাৰ্থক যি কোনো কামকে হয়তো কৰিবলৈ চেষ্টা কৰিছে। হয়তো তেওঁলোকে কোনো দুখীয়া-দুৰ্ভগীয়াৰ কলিজাৰ পৰা শুহি শুহি খোৱা তেজৰ বিনিময়ত হতভগীয়াহঁতক একোটা "চম্পাৱি মিঠাই" যাচিবলৈও লজ্জা কৰা নাই সেইখিনিকে কৰি তেওঁলোকে নিজকে বৰ বুদ্ধিমান বুলি ভাবি জীৱনত অফলতাৰ আশা কৰি অপাৰ আনন্দ কৰিছে। কিন্তু তথাপিওঁ তেওঁলোকৰ অন্তৰত নিশ্চয় এটি খু-দুৱনি ৰৈ গৈছে। অশেষ সুখ-সম্ভোগেও তেওঁলোকৰ সেই খু-দুৱনি মাৰিব পৰা নাই কিয় ? আচল কথা তেওঁলোকে জীৱনত পৰম প্ৰশান্তি লাভ কৰিব পৰা নাই। মানুহে জন্মান্তৰৰ পৰা যি চৰম লক্ষ্য অন্তৰত লৈ পৃথিৱীত জন্ম গ্ৰহণ কৰিছে—তাকে যদি জীৱন কালত পাহৰি যায়, তেন্তে সেই খু-দুৱনি কেনেকৈ পলাব। তেনেহলে ধনক লৈ আমাৰ আগত অহংকাৰ কৰাটো নিৰৰ্থক। অকল ধনেই মানুহৰ জীৱনত প্ৰকৃত সফলতা কঢ়িয়াই আনিব নোৱাৰে।

অকল ধনেৰেই নহয়, মানুহে আজি-কালি শাৰীৰিক, মানসিক আদি সৰ্ব্বশক্তি আহৰণ কৰিবলৈও মাত্ৰ কি হব বিচাৰে ? Successful, জীৱনত মিছা সফলতাৰ কাৰণেই মানুহে আজি অনেক ধন অনেক কষ্ট স্বীকাৰ কৰিব পাৰে। আজিকালি মানুহে নিজকে successful কৰিবলৈ বিভিন্ন প্ৰতিযোগিতাত নামে। কিন্তু সেইবোৰত successful হোৱাৰ পিচতো সেই মহাবীৰসকলে আৰু কিবা বিচাৰে নেকি ? বিচাৰে—প্ৰতিপত্তি। তেওঁ-লোকে বিভিন্ন ক্ষেত্ৰত প্ৰতিপত্তি লাভ কৰিব বিচাৰে। অখণ্ড প্ৰতাপ দেখুৱাই তেওঁলোকে পৃথিৱী জয় কৰিব বিচাৰে। তেওঁলোকে বিশ্বৰ সকলো মানুহ জীৱ-জন্তুৰ ওপৰত 'দাদাগিৰি' চলাব বিচাৰে, সেই সকলোবোৰক নিজৰ দাস হিচাবে ব্যৱহাৰ কৰিব খোজে। অকল ইতৰ প্ৰাণীবোৰকে নহয়, সমগ্ৰ পৃথিৱীৰ বায়ু-পানী, মাটি সম্পত্তি আনকি ভূগৰ্ভৰ নিউ-ক্লিয়াচটিকো। তেওঁলোকে জোন, বেলি, গ্ৰহ নক্ষত্ৰকে ধৰি গোটেই বিশ্বব্ৰহ্মাণ্ডখনকে নিয়ন্ত্ৰণ কৰিবলৈও ইচ্ছা কৰে। পৃথিবীখনক আনকি আঙুলিৰ মূৰতে লৈ ঘূৰাব বিচাৰে—প্ৰতিপত্তি ; মানে দাদাগিৰি। সকলোতে আনৰ বৈশিষ্ট ওফৰাই পেলাই সৰ্ব্বশক্তি প্ৰয়োগ কৰি হলেও নিজৰ স্বকীয়তা আৰোপ কৰিব বিচাৰে।



তেহেলৈ বিশ্বৰ চিৰন্তন সত্যবোৰ উলংঘাই হওঁক লাগে। শক্তি স্থাপনৰ চেষ্টাত, সফ-লতাৰ নামত এইবোৰে বৰ্ত্তমান মানৱ সমাজ-খনক কোন পথে টানি নিছে বাৰু ?

কিন্তু যি মানুহে আজি বিশ্বব্ৰহ্মাণ্ডৰ চাৰি সীমাক চুকি পোৱা নাই; 'সেই মানুহ' নামৰ প্ৰাণীৰ ক্ষুদ্ৰ শক্তিৰে অসীম বিশ্বৰ অনন্ত শক্তিক নিয়ন্ত্ৰণ কৰিব কেনেকৈ ? সেয়ে আজি এই বোৰ ভাবি ভাবি আমাৰ দাদাবোৰৰ মূৰৰ কামোৰণি উঠিলে, তেওঁলোকেই কব "এই বোৰ ভাবিনো আৰু কি লাভ হব ? এই বোৰ ভাবি একো কাম নাই। তেন্তে তেওঁলোকৰ কাম কত, লাভ কত ? কি তেওঁলোকে বাৰু ইমান চেষ্টা অথলে দলিয়ালে !

গতিকে তেওঁলোকে পুনৰ সুখ সম্ভোগলৈ ঘূৰি আহক। পুনৰ হেপাহ পলুৱাই খাওঁক। কিন্তু আচলতে প্ৰকৃত মানুহে জানো অকল নিজে খাই বৈয়েই তৃপ্তি পায়। তেনেহলে তেওঁলোকে কৰিব কি ? তেওঁলোকে এইবাৰ অনাচাৰী অঘৰী হৈ মনৰ ইচ্ছাৰে ভ্ৰমি ফুৰক। আৰু ফুৰিছেও। অনেকে আজি উদণ্ড দতাঁলৰ দৰেকৈ বাটৰ কঁচু গাত ঘহিলৈ স্ফূৰ্তি কৰি ফুৰিছে। সেয়েহে মই কব বিচাৰো আজিৰ মানুহৰ এক ব্যক্তিগত বা সামাজিক চৰম লক্ষ্য নাই বুলি। কিন্তু কিছুমানে কব খোজে যে আমি সকলোৱে শান্তিয়ে বিচাৰো। বিচাৰক বাৰু। কিন্তু তেওঁলোকে সৎকাম কৰিবলৈ, সজ ভাৱ, সজ আচৰণ অনুশীলন কৰিবলৈ কুণ্ঠাবোধ কৰে কিয় ? সম্পূৰ্ণ সচা কথা এটিকো আজিৰ মানুহে মিছাৰ ৰহন লগাইছে কবলৈ ভাল পায় কিয়। সত্য কথা এটাতো মিছাৰ চেকা লগাই মানুহে কাৰ বাৰু মতিভ্ৰম কৰিব খোজে। যি সত্য তাক প্ৰথমতে অস্বাভাৱিক যেন লাগিলেও পিচত সুস্থ বিবেকেৰে জুকিয়াই চাই সত্য সুন্দৰ বুলি মনে প্ৰাণে গ্ৰহণ কৰিবই। কিন্তু যি অসত্য, তাৰ অস্থায়ী মিছাৰ প্ৰলেপত এটি বিন্ধা পালেই মানুহে তাক বিদাৰি চাব আৰু চিৰ ঘৃনণীয় হিচাপে দলিয়াই পেলাব। মিছা কথা কৈ নিজৰ দোষ এটি আনৰ ওপৰত জাপি দিয়া মানে কি ? আনকো মিছাৰ জগতলৈ টানি অনা। আনৰ শান্তি স্থাপনৰ যাত্ৰাত বাধা দিয়া বা নিজৰ এজন শত্ৰু-বঢ়োৱা। গতিকে লাভৰ মূৰত আহিব তাৰ এজন ভাগ কাঢ়ি খোৱা সঙ্গী। এই দৰেই মানুহে একউশৃঙ্খলিত সু-নিয়ন্ত্ৰিত বিশ্বত শান্তি পাবলৈ চেষ্টা কৰাটো বৃথা। গতিকে মই আকৌ কব বিচাৰো যে—আজিৰ মানুহৰ এক চৰম সত্য লক্ষ্য নাই বুলি। কিন্তু নহয়। আজিৰ ঘুনে ধৰা—জৰা জীৰ্ণ, কোৱা ভাতুৰী সদৃশ মানৱ সবেও এক দৃঢ় লক্ষতে বান্ধ খাই আছে। যি লক্ষ্য তাহাতৰ বুকুত আজন্মৰে পৰা লুকাই আছে। গান্ধীজীৰ ভাষাত সেয়া আছিল ৰাম ৰাজ্য স্থাপন কৰা। পণ্ডিত সমাজৰ ভাষাত সেয়া হব পাৰে আত্ম স্বৰাজ্য তথা স্বৰাজ। কিন্তু সেই লক্ষ্য কি ? আপাত দৃষ্টিত তাক চিনা টান। বৰ্তমান মানুহ বোৰে কৃত্ৰিমতাৰ বিত চকু লগাই খোজ কাঢ়োতে কাঢ়োতে মানৱ সমাজৰ আপাত লক্ষ্য বোৰহে দেখা পায়। যেনে—ধনী হোৱা, Successful হোৱা, প্ৰতি পত্তি শালী হোৱা

ইত্যাদি। আৰু সেয়ে আমি সদায় আপাত দৃষ্টি এৰাই প্ৰকৃত দৃষ্টিৰেহে (পৰীক্ষা মূলক গভীৰ সূক্ষ্ম দৃষ্টি ভঙ্গিৰে) মানৱ সমাজখনক নিৰিক্ষণ কৰা উচিত। তেতিয়া আমি মানৱ মন তথা মানৱ সমাজৰ অন্তৰ্নিহিত প্ৰকৃত লক্ষ্যটো উদ্ঘাটন কৰিব পাৰিম। আৰু সেই প্ৰকৃত লক্ষ্যৰ প্ৰতি নিজেও ধীৰে স্থিৰে আগবাঢ়িব পাৰিম। অনুসন্ধি সুজ্ঞানী, সুধী সমাজে গোটেই বিশ্ব পাত পাতকৈ ভ্ৰমি তাৰ বিভিন্ন ব্যক্তি বস্তু, বিষয়, ঠাই পৰি ঘটনা আদি গভীৰভাৱে নিৰিক্ষণ কৰি আহিও আমাক সেই উপদেশকে দিব যে—"নিজকে এজন প্ৰকৃত মানুহ হিচাবে জন্ম গ্ৰহণ কৰি হঠাতে অতিমানৱ (Super man) লৈ ৰূপান্তৰ হব খুজিলে অনেক বাধা পাম। যিটো অনতিক্ৰাস্য নাইবা আমি হঠাতে পূৰ্ব পুৰুষৰ আদৰ্শক বাদদি অধঃ মানৱ বা দানৱলৈ পৰ্য্যবসিত হবলৈ গলেও অনেক বিপত্তি মিলিব। গতিকে আমি যিহেতু শাৰিৰীক ভাৱে মানুহ হিচাবে জন্ম গ্ৰহণ কৰিলোৱেই, সেয়ে আমি মানৱীয় গুণ সমূহো আহৰণ আৰু অনুকৰণ কৰি প্ৰকৃত মানুহৰ পৰিচয় দিয়া উচিত। আজিৰ মানুহ তথা মানৱ সমাজৰ মূল লক্ষ্য সেইটোৱে হোৱা উচিত; যিদৰে আমৰ পুলি এদালৰো উদ্দেশ্য হল ক্ৰমে ক্ৰমে ডাঙৰহৈ ডাল-পাত, ফুল-ফল ধাৰণ কৰি জ্যাতিস্কাৰ হৈ পূৰ্ব পুৰুষৰ অন্তৰ্নিহিত আচল লক্ষ্য পূৰণ কৰা, লগতে আনৰো উপকাৰ কৰা এনে কুৱাহে হব লাগে আজিৰ মানৱ সমাজৰো লক্ষ্য যিদৰে আমাৰ পৰম উপকাৰী সুৰ্য্যটোৱেও ৰাতিপুৱা পুৱ আকাশত উদয় হৈ সোণালী কিৰণ বিকিৰণ কৰি লাহে লাহে ওপৰলৈ উঠি দুপৰীয়া জীৱ জগতৰবাবে প্ৰচুৰ তাপ আৰু পোহৰ দান কৰে আৰু সন্ধিয়া পৰত পশ্চিম আকাশত হেঙুলি বহন সানি আমাৰ মনত পুলক জগাই থৈ, কোমল মেঘালিৰ কোলাত ডুব মাৰে। এনেকুৱাহে হব লাগে আমাৰো কৰ্ম। যিদৰে বৰ বৃক্ষ এডালে নিজক প্ৰয়োজনীয় ঠাই খিনিহে দখল কৰে আৰু সেই ক্ষেত্ৰৰ চাৰিসীমাৰ ভিতৰত থাকিয়ে তাৰ জীৱনৰ কৰ্তব্য কৰিব পাৰে। আৰু লগতে আনকো নিজৰ শীতল ছাৰ আশ্ৰয় দিব পাৰে। আৰু তেনেকৈয়ে তা বিশ্ব-প্ৰকৃতিৰ চিৰন্তন সত্যবোৰ মানি চলি থকা কাৰণে বিশ্ব তথা বিশ্ব ব্ৰহ্মাণ্ডখন সু-শৃঙ্খলিত ভাৱে পৰম প্ৰশান্তিত আজিলৈ চলিয়ে আছে। আমিও আমাৰ কৰ্তব্যখিনি সময়মতে সুচাৰুৰূপে কৰি অটাবলৈ সক্ষম হলেই আমি প্ৰকৃত মানুহ বুলি পৰিগণিত হম। আৰু তেতিয়াহে আমাৰ প্ৰকৃত লক্ষ্য সফল হব। নহয় জানো? তেতিয়াহে আমাৰ মাজত পৰম প্ৰশান্তি বিৰাজ কৰিবহি। আমাৰ প্ৰত্যেকে প্ৰকৃত মানুহ হলেহে আমি প্ৰকৃততে সাৰ্থক হম আৰু মনত প্ৰকৃত শান্তি পাম। আমাৰ সাৰ্থক জীৱনেহে আমাৰ উত্তৰ—পুৰুষ সকলোকো সাৰ্থক জীৱন গঢ়াত সহায় কৰিব। তেতিয়াহে তেওঁলোকৰ দ্বাৰাও বিশ্বৰ চিৰন্তন সত্যবোৰ উলংঘন হৈ বিশ্বত খেলিমেলি হৈ তেওঁলোকৰ পৰস্পৰৰ মাজতো খোৱা-কামোৰা নালাগিব। আৰু তেতিয়াটো সংসাৰখন সুখৰ অমৰাপুৰী যেন হব। যেতিয়া ঈশ্বৰৰ



সৃষ্টি কৰ্মৰ সাৰ্থক ৰূপায়ন হব। আৰু আমাৰ ওপৰত তেওৰ কৰুণা বৰষিব। কোনে বাৰু তেনেকুৱা এখন সমাজৰ কল্পনা নকৰে—যত নেথাকিব দুখ-দীনতা, অভাৱ-অনাটন, যুদ্ধ-ব্যাধি, হিংসা-কপটতা। গতিকে আমি তেনেকুৱা এটা কল্পনাক বাস্তৱ ৰূপ দিবলৈ চেষ্টা কৰাহে উচিত। গতিকে আমি প্ৰত্যেকে একোজন প্ৰকৃত মানুহ হবলৈ, সমাজত থাকি পৰম প্ৰশান্তি পাবলৈ জীৱনত সাৰ্থকতা লভিবলৈ ডঃ ভূপেন হাজৰিকাৰ কল্পনাৰ সোণতকৈ মানুহৰ দাম বেচি থকা এখন সমাজ গঢ়িবলৈ আমি সংকল্পবদ্ধ হও আহক। পাঠক সমাজে যদি বেয়া নেপায় তেন্তে মই আমাৰ মহা পুৰুষ সকলে উদ্ঘাটন কৰি থৈ যোৱা কিছুমান শাশ্চত সত্য উনুকিয়াব খুজিছো, যিবোৰ হব প্ৰকৃত মানুহ গঢ়াৰ প্ৰাথমিক সমল। সেইবোৰ হল—দয়া ক্ষমা, প্ৰেম, ভক্তি, অহিংসা ন্যায় বিনয়, সংযম, সত্যবাদিতা আদি মানৱীয় গুণ সমূহ ধৰক চোন যিবোৰ গুণ আহৰণেই হব আমাৰ লক্ষ্য মূল অৱস্থান। যিটো আস্থানৰ পৰা মহাপুৰুষ সকলে সফল জীৱন যাত্ৰা আৰম্ভ কৰিছিল।

১। সত্যমেব সাধয়েৎ।
২। অহিংসা আচৰেৎ।
৩। জ্ঞানম্ লভেৎ।

ওপৰোক্ত শাশ্চত বাক্য তিনিটাই হওঁক চোন আমাৰ আস্থানটোৰ কেন্দ্ৰ স্তম্ভ। আৰু সেই স্তম্ভৰ গুৰিৰ পৰাই আমি আমাৰ শান্তি যাত্ৰা কৰো আহক—

১। গোনতে আমি বিশ্ব-বসুন্ধৰা খনকে আপোন মাতৃভূমি বুলি ভাবো আহক।

২। তাৰপিচত বিশ্ব প্ৰকৃতিৰ প্ৰতিটো অংশকে সুৰক্ষা দি সুন্দৰকৈ অলংকৃত কৰাৰ সংকল্প গ্ৰহণ কৰো আহক।

৩। প্ৰত্যেক একোজন সৎসাহসী, শক্তিশালী বুদ্ধিমান ব্যক্তি হৈ আমাৰ লক্ষ্যৰ কথা আনৰ আগতো প্ৰচাৰ কৰো আহক।

৪। মহাপুৰুষ সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাজ্ঞাপন কৰি তেওঁলোকৰ সত্যবোৰ উপলব্ধি কৰো আহক।

৫। আমাৰ যথা শক্তিৰে, ঈশ্বৰক সাৰথি কৰি সত্য সুন্দৰৰ সাধনাত একগ্ৰতাৰে মনোনিবেশ কৰো আহক। আমাৰ সমাজৰ প্ৰত্যেককে যদি লৰালিকালৰে পৰা এনে চেষ্টাত উদ্বুদ্ধ কৰিব পৰা যায়; তেন্তে আমাৰ লক্ষ্য-প্ৰাপ্তি বৰ টান নহব পায়। কিন্তু বৰ্তমান উদত্তলিপ্সু জঘন্য মানৱ সমাজত থাকি এইটো অনুশীলন কৰা বৰ জটিল হৈ পৰিছে। যাক সকলোৱে হয়তো মূৰ্খামী বুলিহে কব। কিন্তু আমি আমাৰ শক্তিশালী জাৰকেৰে জটিলক সৰল কৰিব লাগিব। নহলে আজিৰ এই আধুনিক সমাজখন দিনে দিনে মূল লক্ষ্যৰ পৰা পিছুৱাই গৈয়ে থাকিব। আমি চকুৰ আগতে সমাজলৈ পৰম প্ৰশান্তিৰ সলনি ধ্বংসৰ দাবানল নামি আহিব দিম নেকি? সেয়া আমাৰ কুৰি শতিকাৰ চফল ডেকা বিলাকৰ বাবে চৰম ব্যৰ্থতাৰ পৰিচায়ক নহব জানো।

# গীতাৰ যৌগিক ব্যাখ্যা

শ্ৰীদিলীপ কুমাৰ শৰ্মা
স্নাতক মহলা (বিজ্ঞান শাখা)
প্ৰথম বাৰ্ষিক।

ওঁ নাৰায়ণং নমস্কৃত্যং নৰঞ্চৈৱ নৰোত্তমং,
দেৱীং সৰস্বতীং ব্যাসং ততো জয় মুদি ৰয়েৎ ।।

শ্ৰেষ্ঠ শাস্ত্ৰ ভগৱত গীতাক মানৱ সমাজত ব্যৱহাৰ কৰাৰ বাবে গীতা শাস্ত্ৰৰ বহু ব্যাখ্যা পোৱা যায়। ইয়াৰ ভিতৰত দ্বৈত বাদী ব্যাখ্যা সকলোৰে বাবে প্ৰনিধান যোগ্য।]

গীতা শাস্ত্ৰ হ'ল-কুৰুক্ষেত্ৰ সমৰত ভগবান ৰূপী শ্ৰীকৃষ্ণই মানৱ ৰূপী অৰ্জুনৰ লগত বন্ধুত্ব স্থাপন কৰি, সাৰথি ৰূপে অৱতীৰ্ণ হৈ অৰ্জুনক নিজৰ কৰ্ম সম্পৰ্কে দিয়া উপদেশ সমূহকেই গীতা শাস্ত্ৰ বুলি কোৱা হয়। গীতা শাস্ত্ৰ অধ্যয়ন কৰিব লাগিলে ভগবানৰ স্বৰূপ আৰু মানৱ সমাজৰ সৃষ্টিৰ বিষয়ে কিছু পৰিমানে জনাৰ প্ৰয়োজন হয়। এই সম্পৰ্কে দ্বৈতবাদী ব্যাখ্যা তলত দিয়া ধৰণে আগবঢ়াব পাৰি।

ভগবানে অপাৰ সমুদ্ৰৰ অনন্ত শয্যাত শুই থাকি সৃষ্টিৰ চিন্তা কৰিলে। তেওঁৰ নাভি কমলত ব্ৰহ্মাৰ আবিৰ্ভাৱ হ'ল। ভগবানে জীৱ সৃষ্টিৰ বাবে ব্ৰহ্মাক আদেশ দিলে আৰু তেওঁ অগনন জীৱৰ সৃষ্টি কৰিলে। এই অক্ষয় জীৱৰ সংহাৰৰ বাবে শিৱৰ আবিৰ্ভাৱ হ'ল। জীৱ নিয়ন্ত্ৰনৰ বাবে সৃষ্টি কৰিলে মহাকালৰ। প্ৰকৃতি অবিহনে সৃষ্টিৰ বৰ্ধন সম্ভৱ নহয়, সেই বাবে ভগবানৰ দেহৰ আধা অংশৰ পৰা সৃষ্টি কৰা হ'ল প্ৰকৃতিৰ! তেওঁ পৰম পুৰুষ অৰ্থাৎ পুৰুষোত্তম আৰু এই প্ৰকৃতি পুৰুষৰ সমষ্টিয়ে মাধৱ। ভগবানক নিৰাকাৰ বুলি কৈছে। কোনেও ভগবানক দেখা নাই। মহাপুৰুষ শংকৰ দেৱে কৈছে "কুকুৰ, শৃগাল গৰ্দভৰো আত্মা ৰাম"। সংস্কৃতত কৈছে, "যত্ৰজীৱ তত্ৰ শিৱ"। আমি কিন্তু পৃথিবীত জন্ম পোৱাৰ পিচত মাঁ আৰু পিতাক প্ৰথম দেখিছো। পিতা কোন মই নাজানো, মাই দেখুৱাই দিছে—সেইজন তোমাৰ পিতা। এই গুহ্যতম্ কথাৰ সত্যৰ সন্ধান দিয়া মাঁ আমাৰ আদি গুৰু। পৰমং তপঃ স্বৰূপ পিতাৰ সন্ধান বা পৰিচয় মাত্ৰ মাই হে জানে।

এতিয়া কথা হ'ল—আমাৰ পৰম পুৰুষৰ দহোতা অৱতাৰ আছে। যেনেঃ—মৎস্য, কুৰ্ম, বৰাহ, নৰসিংহ, বামন, পৰশুৰাম, শ্ৰীৰাম, হলিৰাম, বুদ্ধ আৰু কল্কি। তেনেকৈ প্ৰকৃতিৰো দহোতা অৱতাৰ আছে, সেই বোৰ হ'ল—তাৰা, মহাবিদ্যা, ভূৱনেশ্বৰী, ভৈৰৱী, কমলা, ষোড়শী, ছিন্নমস্তা, মাতঙ্গী আৰু ধূমাৱতী। এই পৰম পুৰুষক আমাৰ চৰ্ম চকুৰে বীজ ৰূপে দেখো আৰু প্ৰকৃতিক বসুমতী (পৃথিবী, ক্ষেত্ৰ) ৰূপে দেখি আছো। সৃষ্টিত এই ক্ষেত্ৰ আৰু বীজেই হৈছে মূল বস্তু। ভগবানে ভাবিছিল যে অকল পুৰুষেৰে সুন্দৰ সৃষ্টি নহয়। পুৰুষ অৰ্থাৎ বীজ সংৰক্ষিত কৰি ৰাখিলে (বাকচত ভৰাই থলে) নাবাঢ়ে অৰ্থাৎ সৃষ্টি নহয়। প্ৰকৃতিত অৰ্থাৎ মাটিত বা ক্ষেত্ৰত স্থাপন কৰিব লাগিব। আকৌ স্থাপনৰ আগতে চহাব (কৃষ + ষ্ণ) লাগিব। অন্যাৰ্থত সঙ্গম, কৃঢ়া আদি। কৃষ্ ধাতু ষ্ণ প্ৰত্যয় হৈ কৃষ্ণ হয়। এই কৃষ্ণ দ্বাপৰৰ অবতাৰ নহয় চাৰি যুগে কৃষ্ণ। এই সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি যুগ চাৰিটাও এক জন্মতে পোৱা যায়। পুৰুষ আৰু প্ৰকৃতি উভয়ৰে দহোটাকৈ অৱতাৰ আছে আৰু সেইবোৰ চাৰিটা যুগৰ মাজত দেখা যায়।

## সত্যযুগঃ— ৫ বছৰ বয়সলৈ।

১ম অৱস্থাঃ— মাতৃৰ গৰ্ভত স্থিতি হোৱাৰ পৰা বহিৰ পৰা হোৱালৈকে–মৎস্য অৱতাৰ। শৰীৰৰ অংগ চালনা মাছৰ দৰে আৰু এইটোৱেই পুৰুষৰ প্ৰথম অৱতাৰ।

২য় অৱস্থাঃ—তপিনা, হাত আৰু আঠুৰ সহায়ত পৰিভ্ৰমন কৰিব পাৰে, স্বভাৱ বা চালনা কাছৰ দৰে, সেয়ে কুৰ্ম অৱতাৰ।

৩য় অৱস্থাঃ—গাহৰীৰ দৰে নিজৰ শৌচ প্ৰস্বাবত ঘৃণাহীন ভাবে লাৰি-চাৰি গাত সানি লেতেৰা হৈ থকা অৱস্থা; চতুস্পদৰ দৰে আঠু আৰু হাতৰ সহায়ত পৰিভ্ৰমন আৰু মাজে মাজে ওখ ঠাইৰ আশ্ৰয়ত থিয় হোৱাৰ প্ৰয়াস। এইটোৱেই বৰাহ অৱতাৰ।

৪ৰ্থ অৱস্থাঃ—এই অৱস্থাত দৌৰি ফুৰিব পৰা হয়। চূড়াকৰণ, বৈদিক সংস্কাৰ কৰ্ম আদি সম্পন্ন নোহোৱা বাবে কেশ অৰ্থাৎ চুলি বোৰ দীঘল হৈ পিঠিত পৰে আৰু মনোমত কৰ্মত বাধা প্ৰাপ্ত হলে খঙতে দাঁতেৰে কামোৰে বা হাতেৰে খামুচি শত্ৰুক দমন কৰে। দীঘল কেশ যুক্ত বাবে দেখিবলৈ সিংহৰ দৰে হয়, সেয়াই নৰসিংহ অৱতাৰ।

এই চাৰিটা অৱতাৰ সত্যযুগৰ ভিতৰত। এইখিনি সময়ত পাপ-পূণ্য, কৰ্ম অকৰ্ম একো বুজা নহয় আৰু শতকৰা এশভাগেই নিৰ্মল সত্য।

ত্ৰেতাযুগঃ ৬ বছৰ বয়সৰ পৰা প্ৰাপ্ত বয়সলৈ।

৫ম অৱস্থাঃ— চূড়াকৰণ আদি বৈদিক সংস্কাৰৰ পিচত পৰি-পাতিকৈ পোছাক পৰিধান কৰি স্কুললৈ যোৱা শিশুটিলৈ মন কৰিলে দেখা যায় যে সম্পূৰ্ণ আৱয়বৰে একজন চুটি চাপৰ মানুহ। বিভিন্ন জনৰ লগত বন্ধুত্ব কৰি ভাল পায় আৰু অকাতৰে দান দিয়া বা লোৱা কাম বোৰ কৰে; কিন্তু বাওনা বা বাসন অৱতাৰ।

৬ষ্ঠ অৱতাৰঃ—লাহে লাহে শিশু ডাঙৰ হৈ আহি কিশোৰ কাল পালে। এই সময় ছোৱাত শিকাৰ আদম্য হেপাহ, কিন্তু দোষ-গুণ বিচাৰ নকৰাকৈ, কাৰো পৰামৰ্শ নোলোৱাকৈ, নিজ ইচ্ছামতে কাম কৰি ভাল পোৱা বয়স বা অৱস্থা। এই বয়সত জেদ, প্ৰতি হিংসা, কাজিয়া-কণ্ডল কৰি ভাল পায়। এয়াই পৰশুৰাম অৱতাৰ।

৭ম অৱস্থাঃ— এই চোৱা সময় সম্পূৰ্ণ যৌৱনৰ কাল। প্ৰকৃতিক বিচৰাৰ সময়। ধৰ্ম-কৰ্ম, বিচাৰ-বিবেচনাৰ সময়। শ্ৰীৰাম অৱতাৰতেই প্ৰকৃতি ৰূপী গীতাক গ্ৰহণ কৰে।

এই ত্ৰেতা যুগত শতকৰা ৭৫ ভাগেই পূণ্য বা ধৰ্ম।

দ্বাপৰ যুগঃ—মধ্য বয়সৰ সময় চোৱা।

৮ম অৱস্থাঃ—যৌৱনৰ শেষভাগ আৰু প্ৰৌঢ়ৰ প্ৰথম অংশ বৰ সমস্যাৰ, বহুত চিন্তাৰ, বহু সংগ্ৰামৰ যুগ আৰু এইটো হলিৰাম অৱতাৰ। কান্নত যাৰ নাওন কমযুদ্ধ। এই যুগতেই ভগবান পূৰ্ণব্ৰহ্ম কৃষ্ণই নৰ-নাৰায়ণ ৰূপে আবিৰ্ভাৱ হব লগা হৈছিল। সথা অৰ্জুনক কৰ্মযোগেই শ্ৰেষ্ঠ যোগ বুলি গীতাত কৈছিল। কৰ্মৰ মাজেৰেই ধৰ্ম ৰক্ষাৰ পথ দেখুৱাইছিল। এই যুগত শতকৰা ৫০ ভাগ মাত্ৰ পূণ্য বা ধৰ্ম আছিল। সেই বাবে এই যুগত পাপ বা কলিৰ লগত ধৰ্মৰ যুদ্ধ হৈছিল। এয়েই অষ্টম অৱতাৰ হলিৰাম। এই অৱতাৰক লৈয়েই মহাকাব্য মহাভাৰত। ইয়াক মুখেৰে কৈ বা লিখি শেষ কৰিব নোৱাৰি।

কলিযুগঃ প্ৰৌঢ়ৰ শেষ অৱস্থা আৰু আচল বৃদ্ধ কাল।

৯ম আৰু ১০ ম অৱস্থাঃ এই কালত বুদ্ধ আৰু কল্কি অৱতাৰক কল্পনা কৰা হৈছে। বুদ্ধ অৱতাৰত কৰ্ম বা ধৰ্মত অস্থিৰতা, বহু সৰু সৰু বিধৰ্ম বা অকৰ্মেৰে পৰি বেষ্টিত। আগৰ পৰা কৰি অহা সৰু-ডাঙৰ ভুল বোৰৰ বাবে অনুশোচনা হয়। ধৰ্ম আৰু কৰ্মৰ বহুখিনি বেমেজালি হয়। তথাপি শতকৰা ২৫ ভাগ ধৰ্মই যুদ্ধ কৰি থাকিব সত্য তথা শান্তিৰ বাবে।

আনপিনে কলিৰ শেষ অৱস্থাকেই আচল বৃদ্ধ কাল বুলিব পাৰি। শ্ৰুতিহীন, দৃষ্টিহীন, স্মৃতিহীন, পৰনিৰ্ভৰশীল, মহাকষ্ট বা প্ৰলয়ৰ দিন। এই দিনত "হৰিনাম" বিনে অন্য গতিনাই। সেয়েহে পণ্ডিত সকলে কৈছে—"কলিত হৰি নাম সে কেবলম্"।

এতিয়া কথা হল যোগীয়ে গীতাৰ তত্ব কেনেকৈ উপলব্ধি কৰিছে, সেই বিষয়ে শব্দ-বোৰৰ যৌগিক অৰ্থবোৰ আলোচনা কৰা হ'ল।

## পৰিচয়ঃ

কুৰুক্ষেত্ৰ : কুৰু কুৰু যঃ ক্ষেত্ৰ, কৰ্ম ক্ষেত্ৰ।

ধৃতৰাষ্ট্ৰ : ধৃত + ৰাষ্ট্ৰ=দেশৰূপী দেহ, দৃষ্টি-হীন শৰীৰ।

দুৰ্য্যোধন : দুৰ্জেয় যঃ ধন=যাক জয় কৰিবলৈ কঠিন, অৰ্থাৎ 'মন'।

দুঃ শাসন : দুঃশাসনং যস্য, যাক শাসন কৰিব নোৱাৰি, দৃষ্টি শক্তি।

ভীষ্ম : স্থিৰ, ইচ্ছামৃত্যু-ব্ৰহ্মচৰ্য্য, শুক্ৰবাবীৰ্য্য।

দ্ৰোনচাৰ্য্য : জ্ঞান, সন্মান, সুভবুদ্ধি।

কৰ্ণ : শ্ৰুতি শক্তি, দেখাত বাহিৰত, সম্বন্ধ বা গুণ ভিতৰত বা গোপন।

শৈল্য : অশেষ ধৈৰ্য্য, আশা বা শেষ আকাঙ্খা।

শকুনি : কুবুদ্ধি, কুমন্দ্ৰনা, মনৰ লগত সম্পৰ্ক।

যুধিষ্ঠিৰ : যুদ্ধত স্থিৰ, ধৰ্মৰ যুদ্ধ, কৰ্মক্ষেত্ৰত মনৰ লগত কৰা যুদ্ধ, ধৰ্ম পুত্ৰ, প্ৰাণ। অৰ্থাৎ প্ৰজ্ঞা।

ভীমঃ বলৰ প্ৰতীক, ধৰ্মক ৰক্ষা কৰা বা প্ৰতিষ্ঠা কৰাৰ বল, বায়ু পুত্ৰ বা অংশ।

অৰ্জুন : সৎ বুদ্ধি, কৌশল, ধৰ্মৰ ৰক্ষাৰ বাবে ৰজো গুণ।

নকুল : বিদ্যা, জ্ঞান, ধৰ্মক প্ৰতিষ্ঠাৰ বাবে।

সহদেৱঃ ধৰ্ম ৰক্ষাৰ বাবে স্থিৰ বুদ্ধি, দূৰদৃষ্টি।

কৃষ্ণ : পৰম আত্মা ৰূপ, বিবেক, ধৰ্মক ৰক্ষা কৰ্তা, কৰ্মক্ষেত্ৰত বা কুৰুক্ষেত্ৰত সাৰথি হৈছিল, পৰিচালক।



কুৰুক্ষেত্ৰত কৌৰৱ আৰু পাণ্ডৱৰ যুদ্ধ হৈছিল। এওঁলোক ধৃতৰাষ্ট্ৰৰ পুত্ৰ আৰু ভাতৃ পাণ্ডুৰ পুত্ৰ। মন (দুৰ্য্যোধন) ৰ ভাতৃসকল আৰু প্ৰাণ (যুধিষ্ঠিৰ) ৰ ভাতৃ সকল। কুৰু-ক্ষেত্ৰৰ যুদ্ধ ১৮ দিন হৈছিল। অৰ্থাৎ আমি দিনটোত ১৮ ঘণ্টা কৰ্ম (যুদ্ধ) কৰোঁ আৰু বাকী ৬ ঘণ্টা বিশ্ৰাম লওঁ। কৌৰৱৰ ৰজা মনে সশগৰা পৃথিবীৰ সকলো সম্ভোগ বিচাৰে, আনপিনে প্ৰাণে বিচাৰে কীৰ্ত্তি, যশ, ধৰ্মক জীয়াই ৰাখিবলৈ।

দিব্য চক্ষুহীন শৰীৰৰ ভিতৰত থকা ইন্দ্ৰিয় বোৰৰ মাজত কৰ্মৰত অৱস্থাত লাগি থকা অবিৰত যুদ্ধ। এই ১৮ ঘণ্টা বা ১৮ দিনৰ মাজতে অতিৰথী ৪ জনে ধৰ্মৰ বিৰুদ্ধে সেনাপতিত্ব কৰিছিল। প্ৰথম সেনাপতি ভীষ্ম= ব্ৰহ্মচাৰী= প্ৰকৃতি গ্ৰহণৰ আগমুহূৰ্ত্তলৈকে। ভীষ্মক বধ কৰিবলৈ দৰকাৰ হৈছিল নাৰী মূৰ্ত্তিৰ শিখণ্ডীৰ। ব্ৰহ্মচৰ্য্য বা বীৰ্য্য ধ্বংশ কৰিবলৈ শিখণ্ডীক ৰথৰ আগত বহুৱা হৈছিল। দ্বিতীয় সেনাপতি দ্ৰোনচাৰ্য্য=শ্ৰেষ্ঠ জ্ঞান। এই জ্ঞান ধ্বংশ বা ভ্ৰষ্ট কৰিবলৈ দৰকাৰ হৈছিল পুত্ৰ শোকৰ। অৰ্থাৎ একমাত্ৰ সন্তান অশ্বত্থামাৰ মৃত্যু সংবাদ। পুত্ৰ শোক অতীব ভয়ানক, ই মানুহক জ্ঞান হাৰা কৰিব পাৰে। তৃতীয় সেনাপতি কৰ্ণ=শ্ৰুৰ্ত্তিশক্তি, মাৰ সথা, কিন্তু প্ৰাণ (যুধিষ্ঠিৰ) ইন্দ্ৰিয়ৰ জেষ্ঠ ভাতৃ বা সহোদৰ। ই ৰোগাগ্ৰস্ত হৈ (অভিশপ্ত) অধিৰ হব পাৰে বা নিষ্ক্ৰিয় হয়। চতুৰ্থ সেনাপতি-শৈল্য=শেষ ধৈৰ্য্য বা শেষ আশা, কিন্তু ধৰ্মবলৰ ওপৰত পৰাভূত।

শকুনি : মন্ত্ৰী, কুপৰামৰ্শ দাতা (মামা) কুবুদ্ধি স্থিৰ বুদ্ধি সহদেৱৰ হাতত পৰাভূত।

দুঃশাসন : মনৰ ভাতৃ, শাসনৰ বাহিৰত, দৃষ্টি শক্তি। ইয়াৰ হৃদয় অৰ্থাৎ মধ্য মনি বাহিৰ নকৰিলে অন্ধ নহয় বা মৃত্যু নহয়।

দ্ৰোপদীঃ মায়া, মোহ, প্ৰেম, মহাশক্তি, প্ৰকৃতি, পাচঁ পাণ্ডৱৰ পত্নী বা প্ৰাণৰ সহচৰী এই প্ৰকৃতিৰ বাবেই কৰ্ম বা যুদ্ধ কৰিব লাগে।

এতিয়া আমি এই অন্ধ জ্ঞানহীন ধৃত-ৰাষ্ট্ৰ ৰূপী শৰীৰৰ শ্ৰেষ্ঠ প্ৰথম ইন্দ্ৰিয় (পুত্ৰ) মনৰ কথা কব ওলাইছো। এওঁ ৰাজ চক্ৰ-বৰ্ত্তী, মহা মানীয়ে কুশবনৰ সুতীক্ষ্ণ আগটো থব পৰা ঠাইখিনিও ধৰ্মৰ নামত দিব নোখোজে। সৃষ্টিৰ সকলো ভোগ তেওঁ অকলে কৰিব। এই অতি বেগী মনৰ আধাৰ উৰু (গাড়ীৰ চকাৰদৰে) গতিকে তেওঁৰ গতি বেগ কমাবলৈ অৰ্থাৎ পৰাভূত কৰিবলৈ উৰুভঙ্গ কৰিব লগা হ'ল আৰু ইয়াতেই সকলো যোগ মাৰ্গৰ শত্ৰু ৰূপী ইন্দ্ৰিয়ৰ নিঃশেষ হল, ধৰ্মৰ প্ৰতিষ্ঠা হল অৰ্থাৎ যুধিষ্ঠিৰ ৰজা হ'ল।

---

এই প্ৰবন্ধটো যুগুত কৰোতে গীতা সম্পৰ্কীয় ভালেমান কথাৰ বাবে লিখক বিভিন্ন ব্যক্তিৰ ওচৰত ঋণী।

# বিহু ঃ প্ৰেম আৰু আৰ্থ সামাজিক ব্যৱস্থা

বিজুলি চক্ৰৱৰ্তী
দ্বিতীয় বাৰ্ষিক (কলা)

শীতত ঠেঁৰেঙা লগা পৃথিৱীখনিয়ে এজামুৰি দি উঠিছে। বসন্তৰ আগমনিয়ে প্ৰকৃতিৰ নিৰস হৈ থকা প্ৰাণত মধু বিলাইছে। বহাগীজনীয়ে সাজি-কাচি বিশ্ব প্ৰাণত আনন্দৰ হিল্লোল তুলিছে। প্ৰকৃতিৰ কাননে বিভিন্ন ৰঙেৰে সুন্দৰৰ আলোকমালা বিকিৰণ কৰিছে। শুকান পাতে কুঁহি মেলি বসন্তক স্বাগতম জনাইছে। বহাগী আহিছে সেউজী হৈ। ক্ৰমে প্ৰকৃতি গাভৰু হৈ অহাৰ লগে লগে ডেকা-গাভৰুৰ মনবোৰো ঠন ধৰি উঠিছে। পৰস্পৰে পৰস্পৰক পাবলৈ আকুল হৈ পৰিছে। বৰদৈচিলাজনীৰ দৰে বিহুৰ বতৰত কি গাভৰু কি বোৱাৰী সবাৰো মন হয় একেবাৰে কমোৱা তুলা যেন। এফালে ৰঙালী বিহুটিক আদৰাৰ প্ৰস্তুতি আনফালে প্ৰিয়জনক দেখা পোৱাৰ বাবে অধীৰ অপেক্ষা। উগুল-থুগুল সেই মুহূৰ্ত্তত আশাবোৰে ভাষা পায়। গীত হয় আকুল উৎকণ্ঠা।

আগলি বাহৰে লাহৰি গগনা
বহি তাঁতৰ পাটত বাওঁ।
আহে কি নাহে ঐ মোৰেনো চেনাই ধন
চিৰি পাতি মঙ্গলখন চাওঁ।।

ফাগুনৰ বতাহৰ লগে লগে প্ৰাণ পায় অসমৰ শিপিনীৰ তাঁতশালবোৰে। কৃষ্টি হয় ইয়াত ফুলাম বিহুৱান, চেনেহৰ গৰাকীৰ ওচৰলৈ কঢ়িয়াই নিবলৈ, বিহুৰ সুযোগতে হিয়াৰ গুপুত মৰম যাচিবলৈ বিহুৱানখনি উলিয়াবলৈ শিপিনীৰ গাত যেন তত্ নাই। খোপাত কপৌফুল গুজি বিহুতলীত ককাল ভাঙি নচা গাভৰুহঁতৰ মন উৰা মাৰে নতুন জীৱন গঢ়াৰ সন্ধানত। বিহুতলীত কেতিয়াবা ডেকা-ডেকেৰীয়ে জীৱন লগৰীৰ গোন্ধ পায়। মিলন হয় চাৰি চকুৰ। এনে মিলনত বিপদৰ সম্ভাৱনাও নথকা নহয়। পৰিয়ালৰ মনঃপুত নহ'ব পাৰে কথাটো। তেতিয়াই আহি পৰে এছাটি প্ৰবল বতাহ। সেই সময়ত কাৰোবাৰ কাণত হয়তো পৰিব এনেকুৱা সকিয়নি—

বাঁহৰে আগতে কপৌ চৰাই হালি
ধেনু নামাৰিবা টানি।
শতুৰুৰ ছোৱালীক চকুঐ নিদিবা
দেহাক নকৰিবা পানী।।

প্ৰেমিকাৰ হাতৰ পৰশত সকলো বস্তুৱেই সুন্দৰ হৈ উঠে। থুৰিয়াই কাটি দিয়া তামোলখনিৰ কি যে মাদকতা! এনে এখনি তামোল কি যে আনন্দৰ উৎস। নহলেনো বিহুৱা ডেকাই কণ্ঠ উজাৰি গাব কিয়—

বাঁহৰে আগলিত পৰি কামে চৰাই
উভতি কোঁটালে পাখি।
আমাৰ চেনেহীয়ে দিয়ে তামোল কাটি
পাণতে বাবৰি বাছি।।



বিহুগীতৰ মূল সুৰেই হৈছে প্ৰেম। ডেকা-গাভৰুৰ পৰস্পৰ দৰ্শন, কথোপ-কথন, মিলন-বাসনা, বিৰহ-বেদনা আদিকৈ ভালেমান প্ৰেমজনিত মানসিক চিত্ৰ বিহুগীতত পোৱা যায়।

এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে বিহুগীতৰ নায়ক-নায়িকা কোনো ৰাজকুমাৰ বা ৰাজকুমাৰী নহয়, কোনো অভিজাত পৰিয়ালৰো নহয়; নগৰীয়া জীৱনৰ লগতো তেওঁলোকৰ সম্পৰ্ক নাই, নাইবা আধুনিকতাৰ কৃত্ৰিম বতাহেও তেওঁলোকক আপ্লুত কৰিব পৰা নাই। তেওঁলোকৰ সহজ-সৰল গাৱলীয়া জীৱন, উন্মুক্ত প্ৰকৃতিৰ বুকুত লালিত-পালিত হোৱা মুকলিমুৰীয়া তেওঁলোকৰ চহা-জীৱন। এনে এটি জীৱন লৈয়ে ডেকা-গাভৰুৱে পৰস্পৰক দেখা পায় নৈৰ পাৰত, পানী ঘাটত, চাপৰিত, ধাননি পথাৰত, আঁহতৰ তলত, ঘৰৰ নঙলামুখত, আৰু যে কিমান ঠাইত! তথাপি প্ৰেমাস্পদৰ দৰে দ্বিতীয়জন যেন আৰু কতো দেখা নাই।

তোকে চাই ৰাঙলী ৰান্ধি যাওঁ ডাঙৰী
গড়া চপাই বান্ধি যাও নাওঁ।...

০ ০ ০ ০

গাতে জুই জ্বলে সৰিয়হ বাগৰে
ধনক পানীঘাটত দেখি।...

০ ০ ০ ০

তোমাৰে নিচিনা কতো নেদেখিলো
উজনি-নামনি ফুৰি।...

বিহু অহাৰ লগে লগে ঢোল, পেঁপা, গগণা, টকা, তাল, বাঁহী বজাবলৈ ডেকাবোৰৰ গাত তত্ নাইকীয়া হয়। এইবোৰ বাদ্য-ধ্বনীয়ে প্ৰেমিক-প্ৰেমিকাৰ অন্তৰতো পূৰ্বৰাগ সঞ্চাৰ কৰে। প্ৰেমিকৰ ঢোলৰ চেও, পেঁপাৰ মাত শুনি প্ৰেমিকাৰ অন্তৰত জুই জ্বলে।

পেঁপাটি বজাবৰ তিনিটি আঙুলি
মাজৰটি আঙুলি লৰে।
বহোঁ তাঁতৰ পাটত চকু আলিবাটত
মাকো সৰি সৰি পৰে।।

০ ০ ০ ০

ম'হৰ শিঙৰ পেঁপাটি থহকৈ আনাগৈ
দুয়ো একেলগে বাম।...

০ ০ ০ ০

টকাৰ মাতে শুনি ৰৰকে নোৱাৰো
এৰি যাওঁ পেটৰে ভাত।...

বিহু বতৰত প্ৰকৃতিৰ লগে লগে প্ৰেমিকা-জনীও যেন অধিক সুন্দৰ হৈ উঠে। প্ৰেমিকাৰ ৰূপৰ অন্ত নাই। তেওঁ যেন 'পূৰ্ণিমাৰ জোন' নহলে 'গজে কি মুকুতা চিনিব নোৱাৰি হেঙুল হাইতালৰ বৰণ।' তেওঁ পদুমী হাতত খাৰুযোৰ পিন্ধি, গলধনত পেলাই এহাত-এমুঠন কৰি খোপাটি বান্ধি, কাণত জাংফাই কেৰুযোৰ পৰিধান কৰি, বীণৰে গোট যেন লাহী কঁকালত ৰঙা ফুলবছা ৰিহা-মেখেলা পিন্ধি গধূলি বেলিকা যেতিয়া বাজলৈ ওলাই আহে, তেতিয়া তেওঁৰ ৰূপ দেখি প্ৰেমিক উদ্বাউল হৈ পৰে—

আহোতে দেখো ধন যাওঁতে দেখো ধন
বগী জামুকৰ পুলি।
খোৱাবো নহ'লি পিন্ধাবো নহ'লি
চকুৰে পোৱণি হ'লি।।

০ ০ ০ ০

চেন.ইটীৰ ফ্ৰালকে চাবকে নোৱাৰি
হিয়াত খুন্দা মাৰি ধৰে।...

কটাক্ষ চাৱনিয়ে প্ৰেমিক বা প্ৰেমিকাৰ অন্তৰত প্ৰেমভাৱ তীব্ৰৰূপে জগাই তোলে। সেইহে প্ৰেমিক-প্ৰেমিকাৰ যদি ভৱিষ্যতে মিলন নহয়, তেন্তে সেই চাৱনিৰে বা মূল্য ক'ত? এনে এটি আশংকা ৰাখিয়ে প্ৰেমাস্পদে কৈছে—

গালে, কাতিকৈ নেচাবা মইনা
মোৰ শপত লাগিব বেয়া।..
o o o o
চকুৰে চকুৰে নেচাবি মইনা
মই চালে তলমূৰ কৰ।..
o o o o
তুমি চোৱা আমালৈ আমি চাওঁ তোমালৈ
চাইনো চাই কৰিবা কি?
এদিন এবেলা ৰাখিব নোৱাৰো
কোনোবা কাৰোবাৰ জী।

মুঠতে বিহুগীতবোৰত ডেকা-গাভৰুৰ বিভিন্ন প্ৰেমৰ চিত্ৰ পোৱা যায়। কেতিয়াবা প্ৰেমিক ডেকাই সুঁহৰি মাৰি লুইতৰ বুকু-ৰেদি নাওঁ বাই যায় আৰু সেই সুঁহৰি শুনি প্ৰেমিকা চঞ্চল হৈ উঠে। কেতিয়াবা ডেকাই প্ৰেমিকাৰ পদূলিলৈ আহি সুঁহৰি মাৰি ইঙ্গিত দিয়ে যে দুয়ো একেলগে ওলাই যাব। সুঁহৰি শুনি প্ৰেমিকা যাবলৈ উদ্বাউল হয়; কিন্তু তেতিয়া ঘৰত ভাত ৰান্ধি থকা কাৰণে যাব নোৱাৰি কান্দে আৰু আনে সুধিলে ধোঁৱাৰ কাৰণে চকুলো ওলাইছে বুলি উত্তৰ দিয়ে। কেতিয়াবা প্ৰেমিকাই লুইতলৈ চাই চাই পাৰত কাপোৰ ধুই থাকে আৰু তেতিয়া "চিৰি লুইতত কিৰিলি মাৰিয়ে চেনাই নাৱে মেলি যায়।" কেতিয়াবা নাম গাই গাই প্ৰেমিক ডেকাৰ মন ভুলাই নিয়াৰো উল্লেখ আছেঃ

তুমি নাম গালা উৰাই ঘূৰাই
লৈ গ'ল বতাহে পাইঃ
মই নাম গালো উৰাই ঘূৰাই
তোমাকো আনিলে ভুলাই।
o o o o

এতিয়া বিহুৰ লগত সমাজ আৰু অৰ্থ-নৈতিক ব্যৱস্থাৰ সম্পৰ্ক কেনে, সেই বিষয়ে কিছু আলোচনা কৰা হওঁক।

জীৱন ধাৰণৰ বাবে মানুহে খাদ্য খায়। খাদ্যৰ বাবে শ্ৰম্ কৰে। শ্ৰমত সৃষ্টি হয় সৌন্দৰ্য্য। এতেকে থাওকতে কবলৈ গ'লে শ্ৰম আৰু সৃষ্টিৰ সমন্বয়েই সংস্কৃতি।

বিহু অসমীয়া জাতীয় জীৱনৰ সাংস্কৃতিক পৰম্পৰা। ইতিহাসৰ চকৰিত ঘূৰোতে ইয়াৰ ৰূপান্তৰ ঘটিলেও এটা নিৰ্দিষ্ট সময়ত এক নিৰ্দ্ধাৰিত জাতীয় কৰ্মসূচীত প্ৰতি অসমীয়াই ইয়াক পালন কৰি আহিছে আৰু কৰি থাকিব। অসমীয়া মানুহৰ বিহু কৃষিভিত্তিত উৎপতি হোৱা। কেউটা বিহুতে কৃষিজীৱী অসমীয়াৰ অসমীয়াত্ব বজাই ৰাখি আমি পালন কৰি আহিছো। কিন্তু আজি বিহুৰ সেই আগৰদৰে আনন্দ মুখৰ স্বচ্ছলতা নাই। কিয়নো অৰ্থ-নৈতিক সংকটৰ বোজা বৰ্তমান কৃষিজীৱী ৰাইজৰ ওপৰতেই সৰ্ব্বাধিক। মহাযুদ্ধৰ পিছৰ সময়-ছোৱাত যি হাৰে আৰু যিমান ক্ষীপ্ৰগতিত দেশৰ ঘাইকৈ-কৃষিজীৱী জনগণৰ সন্মুখত আৰ্থিক দুৰৱস্থাই, দেখা দিলে সি অভূতপূৰ্ব। দেশ



স্বাধীন হোৱাত শিক্ষা ব্যৱস্থা খৰতকীয়া গতিত বাঢ়িল। বৰ দ্ৰুতগতিত সামাজিক বিভাজন ঘটিল। এটা শ্ৰেণী দোপতদোপে ধনী হ'ল আৰু আন এটা শ্ৰেণী ক্ৰমাগত-ভাৱে দৰিদ্ৰৰ পৰা দৰিদ্ৰতৰ হ'ল। কৃষি-জীৱি ৰাইজৰ দুৰৱস্থাই আটাইতকৈ শোচনীয় হ'ল। প্ৰতিদ্বন্দিতাৰ বজাৰত তেওঁলোক হাৰি গ'ল।

কৃষিৰ ক্ষেত্ৰত দেখ দেখকৈ জমিদাৰী প্ৰথা উচ্ছেদ কৰা হ'ল যদিও আওপকীয়াকৈ এক-শ্ৰেণী ধনী কৃষকৰ সৃষ্টি হ'ল। এই শ্ৰেণী কৃষকে বৈজ্ঞানিক সা-সুবিধাবোৰ উপভোগ কৰিবলৈ পালে। দেশৰ বৃহৎ অংগ কৃষিজীৱী ৰাইজ সকলো সুবিধাৰ পৰা বঞ্চিত হৈ দৰিদ্ৰ সীমাৰেখাৰ তললৈ গ'ল।

এনে এটা আৰ্থ সমাজ ব্যৱস্থাত প্ৰকৃতিৰ স্বাভাৱিক বিহু বিভিন্ন পাকত পাকঘূৰণি খাবলৈ বাধ্য। বহাগ বিহুৰ প্ৰাকৃতিক পৰিবেশত ডেকা গাভৰুৰ হিয়া ইছাট-বিছাট হোৱাটো স্বাভা-ৱিক। বিহুৰ পিছতেই খেতিৰ বতৰ। খেতিয়কে যা-যোগাৰ কৰাৰ এয়ে সময়। কৃষিৰ পয়ো-ভৰৰ বাবে বৰ্ষাৰ আগমনিক আহ্বান জনোৱা লৌকিক গীত-মাতেৰে বিহুৰ পাতনি মেলে। অসমীয়া পুৰুষ-মহিলা সকলোৱেই খেতিত মন-প্ৰাণ ঢালি দিয়ে। প্ৰয়োজনীয় কাপোৰ কানি অসমীয়া শিপিনীয়ে নিজে বৈ কাটি ঠিক কৰে। সেয়ে ডেকাক লাগে বোৱাই-কটাই কাজী তিৰোতা, গাভৰুক লাগে খেতি-পথাৰে, মাছে-খৰিয়ে, ঢোলে-ডগৰে পাকৈত পাহোৱাল ডেকা। মন কুহকত উগুল থুগুল কৰা প্ৰেম পীৰিতিৰ অব্যক্ত গোপন কথা বিহু নামৰ কৰুণ ভাষাৰে ইজনে, সিজনক ব্যক্ত কৰে। প্ৰকৃতিৰ সৈতে একাকাৰ স্বৰূপ সহজ-সৰল ডেকা-গাভৰুৰ প্ৰেম অকৃত্ৰিম আছিল। বিহুৰ অন্তত দঙীয়া মন বান্ধি ডেকা-গাভৰুৱে পথাৰলৈ ঢাপলি মেলিছিল। ৰানপানীয়ে পলস পেলাই সাৰুৱা কৰা পথাৰত বতৰৰ ধান, মাহ, সৰিয়হ, আলু-কচু, শাক-পাচলি উৎপাদন কৰি জীৱন যৌৱনৰ সপোন ৰচিছিল।

কিন্তু আজি কুৰি শতিকাৰ চতুৰ্দশ শতাব্দী মানৰ পৰা বিহুৰ স্বাভাৱিক ৰং-ৰহইচ ক্ৰমে লোপ পাই অহা চকুত পৰে। জনসংখ্যাৰ বৃদ্ধি, বহিৰাগতৰ প্ৰব্ৰজনে দেশৰ মাটি, হাবি বননি শেষ কৰিলে। আনহাতে আধুনিক শিক্ষাৰ পোহৰত যুৱক-যুৱতীৰ ৰাতি বিহু, মুকলি বিহু লুকাই পৰিল। ঢোল, পেঁপা, গগণা মিউজিয়ামৰ বস্তু হবৰ উপক্ৰম হ'ল।

বানপীড়িত কৃষিজীৱী অসমীয়াৰ ভৰালৰ বৰা-জহা-মালভোগ ধান লুপ্ত হ'ল। নদীৰ কাষৰ হাবি বন শেষ হৈ অহাত মাছ-কাছও অন্তৰ্দ্ধান হ'ল।

যি সময়ত প্ৰতি অসমীয়াৰ ঘৰে ঘৰে আৰু হাবিয়ে বননিয়ে বিহুৰ উৎসসমূহ নদন বদন আছিল। তেতিয়া মানুহৰ মন-চিতো আছিল অকৃত্ৰিম। সেইহে ল'ৰা-বুঢ়া, ডেকা-গাভৰু সকলোৱে বিহুৱলীয়া মনৰ উলাহত নাচি-বাগি প্ৰিয়পৰিজনক এসাজ খুৱাই তৃপ্তি পাইছিল। দুৱনিৰ কুটুমলৈ ভাত-মাছৰ টোপোলা বান্ধিছিল। সাঁচি থোৱা জলপান মলভিছিল। টেকেলিৰ দৈত মোলান পৰিছিল। পকাকল

ন্বহিছিল।

আজি ধনাঢ্য এমুঠিমান মানুহে বিহু পাতিব পাৰে-তাকো বজাৰৰ বিজতৰীয়া আৰু ভেজাল সামগ্ৰীৰে। কৃষিজীৱী বুজন অংশই- যিসকলে দেহৰ ৰক্তে ৰক্তে বিহুক উপলব্ধি কৰিব পাৰে, বিহুগীত, বিহুনাচ গাই চৰম আনন্দ উপভোগ কৰিব পাৰে, যিসকল জাতীয় সংস্কৃতিৰ ধ্বজাবাহী, সঁচা অৰ্থত সংস্কৃতিৰ বিকাশক সেই সকলৰ আৰ্থিক অৱস্থা আজি হাঁহাকাৰ। ওৰেদিন হাড় ভঙা পৰিশ্ৰম কৰি যি মজুৰি পায়, তাৰে কোনোমতে খাবলৈহে পাৰে; আনন্দ উৎসৱ কৰিব নোৱাৰে। বিকাশ-মান সাংস্কৃতিক ধাৰাত যিসকল আছে— যাক আমি সৰ্বসাধাৰণ ৰাইজ বুলি কওঁ সেই সকল আজি শোষিত-বাঞ্চিত। সেয়েহে আমাৰ বিহু আজি সামাজিক ভাবে ৰুগ্ন, জৰাজীৰ্ণ হা- হুতাশেৰে জৰ্জৰিত এক বেদনাসিক্ত বিহু।

'বিভিন্ন লোক সমষ্টিৰ পৰা সংৰক্ষণৰ দাবী উঠিছে। সংৰক্ষণে যাদুকৰৰ প্ৰভাৱেৰে সংৰক্ষিত লোকৰ যে প্ৰকৃত উপকাৰ সধা নাই- সেই কথা স্বীকাৰ কৰিব লাগিব। তথাপি ৰাজ-নৈতিক কাৰণত এই প্ৰসংগই প্ৰাধান্য পাইছে আৰু লগতে এটা গোঁজ পোতা স্বাৰ্থয়ো গঢ় লৈছে।'

কীৰ্ত্তিনাথ হাজৰিকা



# গণতন্ত্ৰ আৰু স্বাধীন ভাৰতবৰ্ষ

অধ্যাপক শ্ৰীৰজত চন্দ্ৰ ডেকা

গণতন্ত্ৰ এনে এটি পাদ শব্দ যি আজি সৰ্বজনশ্ৰুত, ইয়াৰ ধ্বনি বিশ্বজুৰি ব্যাপ্ত, নিনা-দিত। গতিকে 'সৰ্বজনবিদিত'। কাৰণ, যদিও ভাৰতীয় ৰাইজ স্বাধীনতা সংগ্ৰামৰ কালৰ পৰা এই শব্দৰ লগত পৰিচিত হোৱা এটি তৰল ধাৰণাৰ দ্বাৰা প্ৰভাৱান্বিত, তথাপি ৰাজ-নৈতিক ইতিহাসৰ পাত লুটিয়াই চালে দেখা যাব, গণতন্ত্ৰৰ বীজ আজিৰ পৰা কমেও ৭/৮ শতিকা পূৰ্ব্বে পৃথিৱীৰ বুকুত অঙ্কুৰিত হৈছিল; গ্ৰেট বৃটেন হ'ল বিশাল পৃথিবী নামধাৰী সুবিশাল অৱয়বৰ এটুকুৰা নিৰ্দ্দিষ্ট ব্ৰণ স্বৰূপ অপৰিসৰস্থান। এই গ্ৰেট বৃটেনকে বিশ্বত গণতন্ত্ৰ, সংসদীয়, সাংবিধানিক চৰকাৰ প্ৰক্ৰিয়াৰ জন্মদাতা বুলি কোৱা হয়—মানৱ জাতিক দেখুৱাই দিলে ৰাজতন্ত্ৰত গণতন্ত্ৰ সাঙোৰ খাই থাকিব পাৰে। অৱশ্যে এই ৰাজতন্ত্ৰ হ'ল সীমিত তথা সাংবিধানিক। ৰাষ্ট্ৰ শাসনৰ মন্ত্ৰ হিচাপেই একে দিনাই উৎপত্তি হোৱা নাছিল। সুদীৰ্ঘ কালৰ ক্ৰমবিকাশ আৰু তাৰ লগতে একাধিক ঐতিহাসিক ঘটনা আৰু বৈপ্লৱিক কাৰ্য্যৰ অৱিহণা উল্লেখনীয়। যেনে—মেগ্নাকাৰ্টা, (১২১৫); পিটিচন অৱ ৰাইটচ, (১৬২৮); বন্দো-ৱস্তী বিধেয়ক (Act of Settlement), ১৭০১ বৃহৎ সংস্কাৰ বিধেয়ক (Great Reform Act), ১৮৩২; সংসদীয় বিধেয়ক, ১৯১১ আৰু ১৯৪৯ ইত্যাদি। দেশখন গণতন্ত্ৰৰ গুৰিধৰোতা, গতিকে উন্নত। সেই একে কাৰণতে, আমি কব পাৰোনে সুসভ্যও। বিনা দ্বিধাই কিন্তু এই প্ৰশ্নৰ ইতিবাচক মতৰ অংশীদাৰ হব নোৱাৰি। কিয়নো আজিৰ পৰা মাত্ৰ ৪০ বছৰ আগতেহে সেইদেশত পুৰুষৰ সৈতে নাৰীক সমভোটাধিকাৰ প্ৰদান কৰা হৈছে—স্বাধীন ভাৰতবৰ্ষৰ সংবিধান কাৰ্য্যকৰী হোৱাৰ ঠিক দুবছৰ আগত। সদ্যজাত স্বাধীন গণতান্ত্ৰিক ভাৰতবৰ্ষত কিন্তু সংবিধান গ্ৰহণৰ লগে লগে এই গুৰুতৰ সাৰ্ব্বজনীন প্ৰাপ্তবয়স্ক ভোটা-ধিকাৰ নাগৰিকক প্ৰদান কৰা হৈছে। সেই কাৰণে এই সন্দৰ্ভত ভাৰতবৰ্ষক সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্য হিচাপে সৰ্বতোপ্ৰকাৰে আগবঢ়া বুলি ধৰিব নোৱাৰিলেও সুসভ্য বুলি ধৰিব নোৱাৰিনে?

আমেৰিকা ঔপনিবেশিকতাৰ কবলৰ পৰা মুক্ত হয় স্বাধীনতা ঘোষণা (Declaration of Independence) যোগে, জুলাই ৪, ১৭৭৬। স্বাধীন সাৰ্ব্বভৌম গণতান্ত্ৰিক যুক্তৰাজ্যিক গণৰাজ্য গঠিত হয় ফিলাডেলফিয়া মহাসভাৰ সিদ্ধান্ত মৰ্মে, (মাৰ্চ ৪, ১৭৮৯)। পোন প্ৰথম বাৰৰ বাবে, জৰ্জওৱাশ্চিংটনক এই নৱগঠিত

যুক্তৰাজ্যৰ ৰাষ্ট্ৰপতিৰ আসনত বহুৱা হয়।

ওপৰৰ কথাখিনিৰ পৰা এটি তথ্য পালোঁযে গণতান্ত্ৰিক অৱধাৰণাৰ পিঠিত আছে এটি সুদীৰ্ঘ ইতিহাসৰ বোজা, যাৰ গতিধাৰা একাবেকাঁও। যি গণতন্ত্ৰৰ কথা কোৱা হৈছে ই হ'ল ৰাজনৈতিক ভাব প্ৰৱণতাশীল। এই শিতানত ৰাষ্ট্ৰৰ এবিধ চৰকাৰ প্ৰণালীক বুজায় আৰু প্ৰণালীৰ লগত জড়িত আছে বিভিন্ন শাখা প্ৰশাখা যি বিলাক ইয়াত আমাৰ বিচাৰ্য্য নহয়। অৱশ্যে এইখিনিতে এইটো জানি থোৱা ভাল যে বৰ্তমান কালত গণতন্ত্ৰ উত্তম বিধৰ চৰকাৰ বুলি পৰিগণিত। যদিহে ইয়াৰ নিৰ্দ্ধাৰিত নীতি আৰু স্বৰ্ত্তসমূহ ঠিকঠিক ভাবে পালিত হয়। সেই কাৰণে নিৰ্দ্ধাৰিত নীতি-নিয়ম আৰু স্বৰ্ত্তসমূহ কি বিচাৰ্য্য। এৰিষ্টটোলে হ'লে গণতন্ত্ৰক নিকৃষ্ট চৰকাৰ বুলি অভিহিত কৰিছিল। গণতান্ত্ৰিক চৰকাৰত লিপ্ত বহুজন শাসকমণ্ডলীৰ কু অভিপ্ৰায়ৰ দৃষ্টিকোণৰ পৰা এৰিষ্টটোলে গণতন্ত্ৰৰ প্ৰতি এই বিৰূপ মন্তব্য দাঙি ধৰিছিল। আজিৰ পৰা প্ৰায় ২,৩০০ বছৰ আগৰ গ্ৰীক সমাজৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই মন্তব্য আচৰিত নহয়।

আহক এতিয়া আগত দাঙি ধৰা এটি "সৰ্ব্বজন বিদিত" প্ৰশ্নৰ তাৎপৰ্য্য, সম্ভাব্য, সম্পৰ্কে আলোচনা আগবঢ়োৱাৰ চেষ্টা কৰা হওঁক। প্ৰথম কথা, গণতন্ত্ৰয়ে একমাত্ৰ ৰাজনৈতিক এনে নহয়, ইয়াৰ সামাজিক, অৰ্থনৈতিক হে নালাগে আধ্যাত্মিক দৃষ্টিকোণৰ পৰাৰ বুজিব লগা আছে। গণতন্ত্ৰত আকৌ আধ্যাত্মিকতা কি প্ৰকাৰে সংযুক্ত থাকিব পাৰে? এই প্ৰশ্নকৈলে সমাজৰ শতকৰা ৯৯ কিয় হাজাৰৰ ভিতৰত ৯৯৯ জন লোকেই স্তম্ভিত হব পাৰে বুলি ঠাৱৰ কৰিব পাৰি। কিয়নো বৰ্তমান আমি এনে এটা যুগত বাস কৰিছো যত নৈতিকতা, ধৰ্ম তথা আধ্যাত্মিকতা যৱনিকাৰ ক'লা আৰকাপোৰে ঢাকি ধৰি আছে। অৰ্থাৎ আৰকাপোৰ দাঙি ধৰিলে আকৌ আধ্যাত্মিক দৃশ্য দৰ্শিত হব পাৰে। আমাৰ মানুহক অধাৰ্মিক বুলি কলে মান্তি হব নোৱাৰো। কাৰণ ধৰ্মীয় কাৰ্য্য নকৰাকৈ নাথাকো। কিয়নো, বিবাহৰ অন্তত নৱ দম্পতিয়ে গুৰু ঘৰীয়া গোঁসাইৰ ওচৰত শৰণ লও, দুৰ্গা পূজা, কালী পূজা, সত্য নাৰায়ণ পূজা, ঝুলন যাত্ৰা, দৌল মহোৎসৱ আদি ব্যক্তি খণ্ডত বা সমূহীয়াকৈ আনুষ্ঠানিক ভাৱে উদ্‌যাপন কৰো। তেন্তে কেনেকৈ আমি অধাৰ্মিক নাইবা বিধৰ্মিক হলো? এনে মন্তব্য পোষণকাৰীক খৰ্গহস্ত হৈ প্ৰাণ নাশ কৰিব পাৰিলেহে চূড়ান্ত খংক্ষোভৰ সাম কটাব পৰা যায়।

অলপ থমকি ৰৈ, মন্তব্যটিৰ বিষয়ে, অলপ তাৎপৰ্য্য বিচাৰ কৰি চোৱাটো উচিত নহবনে? ধৰ্ম চৰ্চাৰ উদ্দেশ্য কি আৰু ইয়ে মানুহক কি শিকায়? ধৰ্মই শিকাই বিনয়, নম্ৰতা, সৰলতা, বুদ্ধি বিকাশ, চৈতন্য, জাগৃতি, জ্ঞান, প্ৰেম, ভক্তি মানৱ ভাতৃত্ববোধ, জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা, সৎকাৰ্য্য সাধনৰ বাবে প্ৰতিবোধীকো অসন্মান নকৰাকৈ সুকৌশলী হোৱা, সত্যবান হোৱা, চৌৰপ্ৰবৃত্তি নিৰ্মূল কৰা অৰ্থাৎ অসৎ বিৰোধী গুণ আহৰণ কৰা ইত্যাদি। কিন্তু ক'ত, আমাৰ পাৰম্পাৰিক আনুষ্ঠানিক ধৰ্মকাৰ্য্য পালন



কৰিয়ে আছোঁ—অথচ উক্ত গুণবোৰৰ বিপৰীত ধৰ্মী কুফল বিলাকৰহে ব্যপক হাৰত সন্মুখীন হব লাগিছো। এয়া জানো ধৰ্মৰ নামত কুসংস্কাৰৰ পূৰ্ণ পয়োভৰ নহয়? এই পৰম্পৰাগত ধৰ্মীয় অনুষ্ঠানৰ মাজেৰে আমাৰ সাময়িক আত্মৰঞ্জন উপভোগ কৰো, কিন্তু আত্মৰঞ্জন নহয়। আমি ধৰ্মীয় গ্ৰন্থ তথা শাস্ত্ৰও অধ্যয়ন কৰো। কিন্তু তাৰ ফল কি দেখো? ৰামায়ণ পঢ়ি দুৰ্দ্ধৰ্ষ ৰাক্ষস ৰাজ ৰাৱণৰ "মূৰ্খ বন্ধুতকৈ জ্ঞানী শত্ৰুয়ে শ্ৰেয়" উক্তিৰ বিষয়ে তিলমাত্ৰও চিন্তা নকৰো। মহাভাৰত পঢ়ি ওলট-পালট কৰো, অভিমন্যু কোন তাৰ সূক্ষ্ম বিচাৰ নকৰো; পঞ্চপাণ্ডৱৰ যুধিষ্ঠিৰত বাজে বক-ৰূপী যম ৰজাৰ (ধৰ্মৰাজ) প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ সৰোবৰৰ পানী খাই ভীম, অৰ্জুন আদি সকলো ভ্ৰাতা মৃত্যুমুখত পৰিল, কিন্তু যুধিষ্ঠিৰে কি কৰিলে? সকলো প্ৰশ্নৰ যেনে কিমাশ্চৰ্য্যম, কঃ পন্থা ইত্যাদি প্ৰশ্নৰ যথাযথ উত্তৰ দি পৰীক্ষাত উত্তীৰ্ণ হৈ নিজকেতো বচালেই, আন সকলো মৃত ভাতৃকো বচালে, লগতে এই যুগমীয়া মহান আদৰ্শৰো চানেকী ৰেখাপাত কৰি থলে যে স্বগৰ্ভী ভাই-ভনীতকৈও বিমাতাৰ সন্ততীৰ প্ৰতিও আমাৰ কম মৰম হব নালাগে তথা, বিশ্বৰ সকলো নৰ-নাৰী আমাৰ ভাইভনী। এইখিনিতে উল্লেখ কৰি থও যে, যদিও পণ্ডিত, মহাপণ্ডিতসকলে বিশ্ব ভাতৃত্বকে প্ৰমুখ্যে আন নানা উচ্চ আদৰ্শৰ কথা উচ্চস্বৰে গাই নাথাকক কিয় বিশ্ব পিতৃ চিন্তাৰ অবিহনে এই আদৰ্শবোৰ ফলৱতী হোৱাৰ সম্ভাৱনা নাই। সেই সকলো আকাশলঙ্বা উক্তি দুষ্ট বুদ্ধিৰ মুক্ত আত্মা প্ৰকাশময়ী বায়ুত বিলিপ্ত হৈ যাব, ই ধ্ৰুৱ।

গণতন্ত্ৰৰ বিষয়ে কব গৈ, ধৰ্ম, নৈতিকতা, আধ্যাত্মিকতা, শিতানৰ ব্যাপক আলোচনাৰ স্থল নিশ্চয় এয়া নহয়। কিন্তু এই কথা হলে ঠিক, যদি গণতন্ত্ৰই জনতা অৰ্থাৎ জনগণৰ যি চৰকাৰ তাকে গণতন্ত্ৰ বোলা হয়, সেই জনতা অৱশ্যে আদৰ্শনিষ্ঠা, সত্যবাদী, পৰিশ্ৰমী, ত্যাগী, জ্ঞানী, সৎপুৰুষ, ভক্ত আদি সৎগুণৰ অধিকাৰী হবই লাগিব। যুগে যুগে যুগ পুৰুষোত্তমৰ সেৱা পূজা কৰি মানৱ জাতি সভ্য আৰু যথাৰ্থ মানৱতাবোধ পুষ্ট মহৎ হিচাপে পৰিগণিত হৈ আহিছে। দ্বাপৰ যুগত পৰম কৰুণাময়ী অৱতাৰী অতিমানৱ শ্ৰীশ্ৰীকৃষ্ণ মহাপ্ৰভুয়ে প্ৰৱৰ্ত্তোৱা আৰ্য্য কৃষ্টিক লৈ তেওঁৰ জীৱন কালৰ পৰা আজি ৪,০০০ (চাৰি হাজাৰ) বছৰ পিচঃতা আমি ভাৰতবাসী পৃথিৱীৰ ভিতৰত এটি সমূজ্জল, সুসভ্য আৰু উন্নত জাতি বুলি স্বীকৃত আৰু গৌৰৱান্বিত। যুগ পুৰুষোত্তমৰ ভাৱ আৰু কৰ্মত কেন্দ্ৰায়িত হব লাগিব। তেতিয়াহে আমি লাভ কৰিব পাৰিম,

"নিষ্ঠ, আনুগত্য কৃতি সম্বেগ।
ধাৰণ পালন সম্বেগ-সিদ্ধি ॥"

পুৰুষোত্তমে বিচাৰে,—

"নমৰিবা, নামাৰিবা যদি পাৰা মৃত্যুকে অৱলুপ্ত কৰা ॥" আৰু কয়, নিজেই বাচে, অন্যকো বচাই, ঠিকেই জানিবা ধৰ্মৰ ধৰ্ম সেই।"

সেয়ে আমি দ্বাপৰ যুগৰ কৃষ্ণ ভগৱানক বন্দনা কৰো,—

“মুকং কৰোতি বাচালং পঙ্গুম লঙ্ঘয়তে গিৰিম্ ।
যৎ কৃপা ত্বমহং বন্দে পৰমানন্দ মাধবম্ ॥”

জীৱন-ধৰ্মৰ সকলো তথ্য যথাস্থানত বিচাৰ কৰিলে ইয়াৰ সম্যক জ্ঞান পতুৱৈ সমাজে পাবই। তাৰ কাৰণে লাগে ঐকান্তিকতা আৰু জ্ঞান পিপাসা। ভগৱানক জনা মানে সমস্তকে জানা। ভগৱত জ্ঞান অবিহনে ব্যক্তি দম্পতি গৃহ-সমাজ, ৰাষ্ট্ৰ উদ্ধাৰৰ পথ কতো বিচাৰি পোৱা নাযায়। সৰ্ব্বশেষত, এই সন্দৰ্ভত ইয়াকে উনুকিয়াই থোৱা হওঁক যে ভগৱৎ জ্ঞান নিষ্ঠাহীন হোৱা বাবে বিশ্বাসহীন। কোনোৱে আন এজন মানুহক বিচৰাৰ গুৰিতে হ’ল কিবা এটা বস্তু লাগে, যেনে— চাকৰি লাগে,— কিন্তু মানুহ হিচাপে মানুহজনক নালাগে। গতিকে বিচৰা বস্তুটো পোৱাৰ পিচত, মানুহজনক নিবিচাৰে; সি হৈ পৰে অকৃতজ্ঞ। মানুহৰ মাজত সম্পৰ্ক হব লাগিছিল চিৰস্থায়ী, নিষ্কাম।

আধ্যাত্মিকতাৰ মৰ্ম বুজিয়েই মহাত্মা গান্ধীয়ে দৃঢ়তাৰে কৈছিল ধৰ্ম আৰু ৰাজনীতিৰ মাজৰ সম্পৰ্ক ওতঃপ্ৰোতঃ নিবিড়। যিয়ে কয় ৰাজনীতিৰ লগত ধৰ্মৰ কোনো সম্পৰ্ক নাই, সেই ব্যক্তিয়ে ধৰ্ম কাক বোলে নাজানে। এৰিষ্টটোলৰ মতে যি মানুহ আইন আৰু ন্যায় বিবৰ্জিত তেওঁ নেহাত পশু। আমি এই তথ্যৰ লগত যোগ দি কওঁ—ধৰ্ম আৰু সংস্কৃতিও বিবৰ্জ্জিত হলে তেওঁ হব নেহাত, জঘন্য নৰভোজী ৰাক্ষস, পশু।

তাৰ পৰা সাৱধান।

আজিৰ পৰা ১৫ / ২০ বছৰ অতীতৰ সময়সীমা ধৰি স্বাধীনোত্তৰ কালত প্ৰাথমিক পৰ্য্যায়ৰ পৰা উচ্চ শিক্ষাৰ অনুষ্ঠান অপৰ্য্যাপ্ত সংখ্যক পৰিমানে যে বৃদ্ধি হৈছে এই কথা কোনেও নুই কৰিব নোৱাৰে। কব গ’লে অসমানুপাতিক হাৰত বঢ়া বুলি কলেও বঢ়াই কোৱা নহব। গতিকে শিক্ষাৰ সম্প্ৰসাৰণ ঘটিছে আৰু শিক্ষিতৰ হাৰ অৱশ্যে বাঢ়িছে। এখন স্বাধীন সাৰ্ব্বভৌম গণতান্ত্ৰিক দেশত স্বাভাৱিকতে ই এটা শুভ লক্ষণ। কিন্তু ক’তা? দেশবাসীকতো কোনো দিশৰ পৰা সন্তুষ্ট আৰু সুখী হোৱা দেখা নাযায়। হিংসা, দ্বেষ, বিশ্বাসহীনতা, দাৰিদ্ৰ্য বাঢ়িছে আৰু ক্ৰমবৰ্দ্ধমান গতিত আগবাঢ়িয়েই আছে আৰু আগবাঢ়িয়েই থাকিব—যদি তাৰ বাবে বুজন নাগৰিক সকল সচেতনতা অৱলম্বন কৰি প্ৰতিকাৰৰ বাবে আগবাঢ়ি নাহে, মানুহৰ জীৱনৰ সৎগুণ অৱলম্বন পূৰ্ব্বক। মহান যিজন তাৰ অনুকৰণ মাধ্যমেৰেহে কিন্তু সৎগুণৰ অধিকাৰী হব পাৰে।

শিক্ষিত সমাজত আৰু শিক্ষা জগতত বাৰু এই দাৰুণ অৱনতিৰ কাৰণ কি হব পাৰে? কাৰণ সমূহ অৱশ্যে বাচি উলিয়াবলৈ বৰ বেছি কষ্ট কৰিব নালাগিব। বহুতো কাৰণৰ ভিতৰত গুৰুত্বপূৰ্ণ ২/৩ টা উল্লেখ কৰা হ’ল।

১) স্বাধীনোত্তৰ কালৰ পৰা আজি ৪০ বছৰ কালেও ভাৰতবৰ্ষত এটি সুস্পষ্ট সু-উদ্দেশ্যধৰ্মী এক সংহত শিক্ষানীতি গ্ৰহণ কৰা হোৱা নাই।
(সদ্যঘোষিত ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ কাৰ্য্যকাৰিতা প্ৰক্ৰিয়া আৰু ফলশ্ৰুতি ব্যগ্ৰতাৰে লক্ষ্য কৰা হওঁক)

২) নতুনকৈ গঢ়ি উঠা শিক্ষানুষ্ঠান সমূহ ঘাইকৈ দুটা ন্যস্ত স্বাৰ্থ চৰিতাৰ্থে প্ৰতিষ্ঠিত (ক) স্থানীয় নিয়োগ সমস্যা সমাধান, (খ) ক্ষুদ্ৰ তথাকথিত ৰাজনৈতিক নেতৃত্বৰ আত্মপ্ৰকাশ।

৩) উক্ত কাৰণৰ লগত জড়িত কাৰণবসতঃ অযোগ্যৰ হাতত শিক্ষাদানৰ নিচিনা গধুৰ দায়িত্ব অৰ্পণ।

৪) উচ্চ আদৰ্শৰ দ্বাৰা প্ৰেৰণা বিবৰ্জন। শিক্ষা জগতত আধ্যাত্মিকতা বিহীনতাকো বুজায়। শৰীৰ, মন ৰাজ্যত সীমিত বাচক জ্ঞান প্ৰৱন যিয়ে মানুহক নেহাত স্বাৰ্থপৰ হবলৈ হে শিকায়।

এনে ধৰণৰ পাৰ্থিৱ শিক্ষা ব্যৱস্থাৰ পটভূমিত আমি কি পালো? আটাইতকৈ অতি প্ৰয়োজনীয় প্ৰতিফল হ’ল জ্ঞান আৰু জ্ঞানীৰ পৰা দুৰত থকা নাইবা জ্ঞান আৰু জ্ঞানীক দুৰলৈ ঠেলি দিয়া। মানৱতাবোধ হেৰুৱা হ’ল। ধন-ধান, টকা-পইচা, বস্তু সম্পদ আপোন হৈ উঠিল। দুৰ্ঘোৰ স্বাৰ্থান্ধতাৰ কবলত পৰি জীৱনসত্বা ক্ষয়িষ্ণু ব্যধি গ্ৰাসত পৰাটোহে অধ্যাধিক সৰ্ব্বনাশৰ কাৰণ হ’ল। আমি হলো বাহ্যজগতৰ মোহ মুগ্ধ। আকৌ ভাৰতীয় ৰাজনীতিয়ে হলে এই অৱনতিৰ গতি আগবঢ়াই নিয়াত বাৰুকৈয়ে অৰিহনা যোগালে।

এই অৱনতি ৰোধ কৰিবলৈ আৰম্ভণিৰ পৰা গান্ধীবাদক সাৰোগত কৰি শিক্ষাৰ লগত আধ্যাত্মিকতা সংযুক্তি ৰখা নিতান্ত প্ৰয়োজন আছিল। এই বিষয়ত ১৯৭৪—৭৫ চনৰ অসম মহাবিদ্যালয় শিক্ষক সন্থাৰ আলোচনীত প্ৰকাশিত অধ্যাপক দি, এন, শৰ্মাৰ—“Let Education spiritualize politics” নামৰ শিতানৰ প্ৰৱন্ধটি বিশেষভাৱে মননীয়।

ভাৰতীয় সংবিধান প্ৰণেতাসকলে সংবিধান প্ৰস্তুতি প্ৰক্ৰিয়াৰে কিছুমান আকৰ্শনীয় নীতি সন্নিবিষ্ট কৰিছিল। যেনে প্ৰস্তুতি তেনে কাম। সেই নীতি সম্বলিত পৃথিৱীৰ ভিতৰত দীৰ্ঘতম লিখিত ভাৰতীয় সংবিধান গৃহীত কৰাও হ’ল। সম্বলিত সেই নীতি সমূহৰ ভিতৰত কেইটামান নীতি উল্লেখনীয়, গণতন্ত্ৰ, সমতা, স্বতন্ত্ৰতা, আইনৰ অনুশাসন সাংবিধানিক সাৰ্ব্বভৌমত্ব, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ন্যায়, মৌলিক অধিকাৰ, নিৰ্দ্দেশাত্মক নীতি অন্তৰ্ভূক্তিৰ যোগে অৰ্থনৈতিক অধিকাৰ প্ৰদান, কাৰ্য্যপালিকাৰ পৰা ন্যায় পালিকাক সম্পূৰ্ণ উমুক্তি আৰু পৃথকীকৰণ, পিচলৈকে আকৌ সংবিধান সংশোধন যোগে সমাজবাদ প্ৰতিষ্ঠা আৰু ধৰ্মনিৰপেক্ষতাৰ প্ৰতিশ্ৰুতি।

এই নীতি সমূহৰ পৰা এবিধ নীতিৰ বিষয়ে সংক্ষিপ্ত আলোচনা কৰা হওঁক। সেয়া সমতা, সমতা মানে নাগৰিক সকলৰ মাজত সমতা স্থাপন আৰু লগতে ৰাজ্যসমূহৰ মাজতো সম মৰ্য্যদা বুজাব লাগে। নাগৰিকৰ মাজৰ সমতাৰ ভিতৰত ৰাজনৈতিক আৰু সামাজিক সমতা কিছু পৰিমানে সামান্য বাস্তৱ ৰূপত দেখিবলৈ পালেও অৰ্থনৈতিক সমতাৰ পথ একেবাৰে দেখা নাযায়। কিয়নো সমাজ-

বাদ প্ৰতিষ্ঠাৰ পৰিবৰ্তে এটি বিকৃত ধনতন্ত্ৰবাদহে দকৈ খোপনি পুতি ললে। ৰাজ্যিক সমতাৰ ক্ষেত্ৰত দেখা যায়, সংবিধান প্ৰণেতা সকলে এটি বৃহৎ ভাৰতীয় চাতুৰ্বীৰ দেশ বাসীক প্ৰতাৰণা কৰিলে। ভাৰতীয় জাতীয় কংগ্ৰেছে (জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত) স্বাধীনতা সংগ্ৰামৰ কালত ভাৰতৰ সকলো প্ৰদেশক সম মৰ্য্যদাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু সেয়া জানো ফলৱতী হ'ল? ৰাজ্যিক সম মৰ্য্যদাৰ ঠাইত ৰথা হ'ল সমানু পাতিক প্ৰতিনিধিত্ব। ক্ষুদ্ৰাকায় ৰাজ্যবোৰ হৈ পৰিল্ল কৰতলীয়া, দুৰ্ব্বল, গতিকে বহতীয়া। কাৰণ, অসম, মিজোৰাম, মেঘালয়, ত্ৰিপুৰা আদি ৰাজ্যবোৰ হৈ পৰিল সংসদত সংখ্যালঘু। সাম্প্ৰদায়িক জনগোষ্ঠীবোৰক ভোট বেঙ্ক হিচাবে ব্যৱহাৰ কৰা হ'ল।

স্বতন্ত্ৰতাৰ কথা কোৱা হওক। নাগৰিকক আমোদজনক কিছুমান স্বতন্ত্ৰতা দিয়া হ'ল (সাতপ্ৰকাৰৰ) তাৰ ভিতৰত উল্লেখনীয় ৰাজনৈতিক অধিকাৰ যেনে বাক স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ, সমবেতহৈ সভা-সমিতি কৰাৰ অধিকাৰকে ধৰা হওক। ইয়াত দেখাযায় যি কোনো অজুহাতত অনা শাসকীয় দলৰ সভা-সমিতি অনুষ্ঠিত কৰিবলৈ অনুমতি পালেও মাইক্ৰোফোন ব্যৱহাৰ কৰাৰ অনুমতি নেপায়। ৰাষ্ট্ৰীয় খণ্ডত ৰাষ্ট্ৰপতিৰ এটি মহাস্ত্ৰবান নিক্ষেপৰ ক্ষমতা আছে সেয়া হ'ল জৰুৰী কালীন অৱস্থা ঘোষণা। এই অৱস্থা চলি থকা সময়ত মৌলিক অধিকাৰৰ বিলুপ্ত ঘটে। জৰুৰী অৱস্থা ঘোষণা কৰা হয় আভ্যন্তৰীণ নাইবা বাহ্যিক কাৰণত সঙ্কটাকীৰ্ণ হোৱা ৰাষ্ট্ৰৰ নিৰাপত্তা ৰক্ষাৰ বাবে। এই প্ৰয়োজনীয়তা কোনেও উলাই কৰিব নোৱাৰে আৰু নালাগেও। কিন্তু দকৈ বিশ্লেষণ কৰি চালে দেখা যায় ৰাষ্ট্ৰৰ নিৰাপত্তাৰ নামত শাসকগোষ্ঠীৰ নিৰাপত্তাৰ প্ৰয়োজনীয়তা ঘাই কাৰণ। ১৯৭৫–৭৬ ৰ জৰুৰীকালীন অৱস্থা ঘোষণাই তাৰেই প্ৰমাণ দাঙি ধৰে। মিছা (M,I,S,A) এন, ছা (N,S,A) আদি কলা আইন সমূহ উক্ত অভিপ্ৰায়ৰে সাৰথি।

নিৰ্বাচনৰ সময়ত ভোট বিচাৰি গাৱে ভূয়ে সকলো প্ৰান্তত সকলো দল, উপদল বা নিৰ্দ্দলীয় প্ৰাৰ্থীৰ সমৰ্থকে নিজৰ নিজৰ মতামত প্ৰচাৰ কৰা অধিকাৰ আছে আৰু থাকিব লাগে; কিন্তু দলে বলে এচাম লোকে আন এচামক ঠাই বিশেষত প্ৰৱেশ কৰিবলৈও বাধা কৰা দেখা যায়; ব্যাপক হাৰত। মনত লুকাই থকা কু অভিপ্ৰায়ৰ গোমৰ ফাক হৈ যোৱা আশঙ্কাৰ কাৰণেই এনে পৰিস্থিতিৰ উদ্ভৱ হব পাৰে বুলি সকলোৱে কব।

আনপিনে আহক, ধৰ্ম নিৰপেক্ষতা নীতিৰ ফালে এবাৰ ভূমুকি মাৰো। অলপতে সংঘটিত হৈ যোৱা মিৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষ। সাম্প্ৰদায়িক কিয় কোনো ধৰণৰ ভেদাভেদেই সমাজত থাকিব নেলাগে। কিন্তু দুঃখৰ কথা শাসকীয় মহলৰ ফালৰ পৰাই বিভেদৰ বীজ সিচি দিয়া বুলি ভূৰথা মহলে কয়। ইও এক গাদী সুৰক্ষাৰে আওপকীয়া কৌশল। সতে বিচাৰে অভেদৰ মাজত শান্তিৰে বাস কৰিবলৈ; অসতে বিচাৰে বিভেদৰ



মাজত জীয়াই থাকিবলৈ। আৰু বহুত কথা আছে কৈ অতাব নোৱাৰি। তথাপি আজিৰ পৰা ২০ বছৰ আগত (১৯৬৭ চন) এজন ৰাজনৈতিক পাৰদৰ্শীয়ে মন্তব্য দি কৈছিল দক্ষিণ পূব এচিয়াত নতুনকৈ সৃষ্টি হোৱা স্বাধীন ৰাষ্ট্ৰ বিলাকৰ ভিতৰত ভাৰতবৰ্ষ হ'ল এখন সাৰ্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ যি স্থায়ী সংবিধানিক আৰু শান্তিপূৰ্ণ। ব্ৰহ্মদেশত একনায়কত্ববাদ শাসন চলে, নেপাল হ'ল গণতান্ত্ৰিক প্ৰক্ৰিয়া আৰম্ভণিৰে ৰাজতান্ত্ৰিক আৰু পাকিস্থানত গণতন্ত্ৰ থাকিলেও অস্থিৰ।
উক্ত মন্তব্যৰ প্ৰতিচ্ছবি অৱস্থিতিৰ বিচাৰ বুজন শ্ৰেণীৰ ৰাইজে কৰিব।

অৰ্থনৈতিক দিশত স্তম্ভিত হব লগীয়া নিৰ্দেশাত্মক নীতিৰ ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা পৰামৰ্শ মন কৰিবলগীয়া। অৰ্থনৈতিক স্বতন্ত্ৰতাৰ ক্ষেত্ৰত চৰকাৰ তেনেই ব্যৰ্থ হৈছে। কৰ্মৰ অধিকাৰ দিয়া দূৰৰ কথা শিক্ষিত নিবনুৱাৰ সংখ্যা আকাশ লংঘা পৰ্য্যায় পাইছে। অৰ্থনৈতিক অপৰাধ, দুৰ্ব্বলতা ঢাকিবলৈ সকলো ধৰণৰ কৌশল অৱলম্বন কৰা অথবা, যো-জা কৰা একো আচৰিত নহয়। কাৰ্য্যপালিকাৰ পৰা ন্যায় পালিকাক পৃথক কৰা আৰু স্বাধীনভাৱে স্থাপিত কৰাৰ পৰিবৰ্তে একত্ৰি কৰণৰ প্ৰক্ৰিয়াহে দৃশ্যমান।

উপৰোক্ত ব্যতিক্ৰমৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ ভাৰতবাসী নাগৰিকৰ প্ৰতি নাগৰিকত্ব সচেতনতাক আহবান জনোৱা নিতান্ত প্ৰয়োজন। কাৰণ, লৰ্ড ব্ৰাইছৰ সকিয়নি "অহৰহ নজৰ" দৃষ্টিয়ে হ'ল স্বতন্ত্ৰতাৰ উচিত মূল্য" চিৰসত্য।

"অসতো মা সৎগময়,
তমসো মা জ্যোতিৰ্গময়া;
মৃৰ্ত্যোমাং অমৃতং গময়।
ওঁম শান্তি, ওঁম শান্তি, ওঁম শান্তি॥

## দৃষ্টিভঙ্গী

মোৰ ৰাজনৈতিক আদৰ্শ গণতন্ত্ৰ। প্ৰতিজন মানুহেই ব্যক্তি হিচাপে সন্মানিত হওঁক আৰু কোনো লোককেই দেৱতা হিচাপে পূজা কৰা নহওঁক।

—এলবাৰ্ট আইনষ্টাইন

# অসমীয়া লোক সংস্কৃতিত তামোল-পাণৰ ভূমিকা

শ্ৰীযোগেন চন্দ্ৰ ৰাজবংশী
স্নাতক মহলা দ্বিতীয় বাৰ্ষিক

এখন সমাজৰ জন জীৱনত কিছুমান লোক সংস্কৃতি বাৰুকৈয়ে মন কৰিবলগীয়া। অসমীয়া সমাজৰ জন জীৱনতো ইয়াৰ ব্যতিক্ৰম দেখিবলৈ পোৱা নাযায়। অসমীয়া লোক সংস্কৃতিত তামোল-পাণৰ ভূমিকা অন্য-তম। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই অসমীয়া সমাজত তামোল-পাণৰ ভূমিকা পূৰনি অসমৰ বাসিন্দা অষ্ট্ৰিকসকলৰ অৱদান বুলি উ.ল্লখ কৰিছে। ষোড়শ শতিকাৰ শ্ৰেষ্ঠ কবি ৰাম সৰ-স্বতীয়ে তেওঁৰ বধকাব্য 'ভীমচৰিত্ৰ' ত তা.মালৰ উল্লেখ কৰিছে এইদৰে-''দশ ভাৰ গুৱা থৈলা মুখ শুদ্ধি লাগে।'' ইয়াৰ দ্বাৰা আমি অনুমান কৰিব পাৰো যে আদিম কালৰে পৰা অস-মীয়া সমাজত তামোলৰ ব্যৱহাৰ আছিল। ইয়াৰ পৰা এইটো জানিব পাৰি যে অসমীয়া সকলে আহাৰ খোৱাৰ পিছত নিজকে অশুচি অশুচি লাগে আৰু এখন তামোল খোৱাৰ পিছতহে নিজকে শুদ্ধ বুলি ভৱা হয়। মহা পুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৱেও 'ৰুক্মিনী হৰণ নাটত তামোল-পাণৰ উল্লেখ কৰিছে। ইয়া পৰাও পূৰণি সময়ৰ পৰা অসমীয়া মানু তামোল-পাণৰ ব্যৱহাৰ কৰাৰ নিদৰ্শন পোৱ যায়।

যদি কোনো অসমীয়াৰ ঘৰত আলহী আহে তেতিয়া সেই অতিথি সৎকাৰৰ আগ বস্তু হৈছে তামোল-পাণ। বহিবলৈ আসন খন দিয়াৰ পিছত তামোলৰ শৰাইখন আগ বঢ়াই দিয়াটো এটা সকলোৰে নিত্য নৈমিত্তিক ঘটনাৰ দৰে দেখা যায়। যদি কোনো গৃহস্থই নিজৰ আলহীক তামোলখন দিব নোৱাৰে তেতিয়া নিজকে বৰ দুৰ্ভগীয়া বুলি অনুভৱ কৰে। আনহাতে অতিথিয়েও তামোল এখন নাপালে অতিথি সৎকাৰ একেবাৰে নিকৃষ্ট বুলি কয়। সেইবাবে নিজৰ নাথা-কিলে আনৰ পৰা হলেও তামোল এচালি যোগান ধৰা দেখা যায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে প্ৰতিঘৰ অসমীয়া মানুহৰ বাৰীত এডাল হলেও তামোল গছ দেখা যায়। অসমীয়া সকলে বিয়ানামত গায়—
"আগফাল শুৱনি বৰ ধানৰ ভাথৰি, ঐ ৰাম পিছফাল শুৱনি পাণ।" অসমীয়া সকলে পাণ আৰু ধান এই দুয়োটাকে লখিমী বুলি জান কৰে। সেয়েহে ভোজন কৰাৰ পিছত মুখ শুদ্ধি নকৰাকৈ পাণ, ধান আদি স্পৰ্শ কৰা নিসিদ্ধ। সেইকাৰণে পাণ ছিঙা, ধান কটা আদি কাম নকৰে। এইদৰে অসমীয়া সমাজৰ দৈনন্দিন জীৱনত তামোল-পাণৰ ভূমিকা অন্যতম।



এখন ঘৰত শিশু এটি জন্ম লাভ কৰাৰ পিছতে যেতিয়া ছদিনৰ দিনা প্ৰথম অশুচি স্তৰ শেষ হয় তেতিয়া শিশু জন্মা ঘৰত আন আন বস্তুৰ সৈতে তামুলী পীৰাত তামোল-পাণ থোৱা হয়। ইয়াৰ পিছত ছোৱালী সদ্য পুষ্পিতা হোৱাৰ সময়ত ওচৰ চুবুৰীয়াই 'কণাই' বন্ধাৰ সময়ত ফুলাম গামোছা এখনত তামোল বান্ধি দিয়া হয়। নামনি অসমত এই কনাই শব্দৰ সলনি 'জপা' শব্দ ব্যৱহাৰ কৰে। ইয়াৰ পিছতে বিয়া সবাহৰ ক্ষেত্ৰতো তামোল-পাণৰ অন্যতম ভূমিকা দেখিবলৈ পাওঁ। যেতিয়া ইষ্ট-কুটুম্ব বা চুবুৰীয়া ৰাইজক বিয়ালৈ নিমন্ত্ৰণ জনায় তেতিয়া তামোল–পাণ এযোৰেৰে নিমন্ত্ৰণ জনাইছিল। অসমীয়া মানুহ সকলে এনে নিমন্ত্ৰণ বৰ সন্মানজনক বুলি বিবেচনা কৰে। বৰ্ত্তমান সময়তো কিছুমান বিশেষ ঠায়ে ঠায়ে এনে নিমন্ত্ৰণ ব্যৱস্থা দেখা যায়। ইয়াৰোপৰি দৰাঘৰ আৰু কইনাঘৰৰ কিছুমান সৰু সৰু অনুষ্ঠান থাকে। এইবোৰতো তামোল-পাণৰ ভূমিকা অন্যতম। অধিবাস, জোৰণ পিন্ধোৱা আদি কাৰ্য্যত আন আন বস্তুৰ সৈতে কেচা তামোলৰ ঠোঁক নিয়া নিয়মৰ দৰে। তাৰো-পৰি এই তামোলৰ ঠোঁক সম্পূৰ্ণ আৰু অক্ষত হোৱা বাঞ্চনীয়। তামোলৰ ঠোঁক অসম্পূৰ্ণ হলে দৰাঘৰীয়া হেয় প্ৰতিপন্ন হয়। জোৰণৰ দিনা কইনাৰ গৃহস্থই দৰাক কইনা গ্ৰহণ কৰিবলৈ ফুলাম গামোছাত তামোল পাণ বান্ধি নিমন্ত্ৰণ জনায়। আনহাতে দৰাঘৰেও বিয়াৰ দিনা শৰাইত তামোল-পাণ আগবঢ়ায় আয়তী-সকলক কইনা ভিক্ষা কৰে।

অসমীয়া সকলৰ জাতীয় উৎসৱ বিহু। এই বিহুৰ ক্ষেত্ৰতো তামোল-পাণৰ ভূমিকা অন্যতম। যেতিয়া বিহুত নাচিবলৈ যুৱতী ছোৱালী মুগাৰ মেখেলা পিন্ধি পাণ-তামোলৰ লগত চূণ খাই নিজৰ ওঠ দুটি তীব্ৰ ৰঙা কৰি লয় তেতিয়া নাচনীৰ মুখখনে এক বিতোপন ৰূপ ধাৰণ কৰে। পথাৰত ধান থকা সময়ত মৰমৰ কটা তামোলখন চেনে-হৰ জনক দিবলৈ বিচাৰে তেতিয়া এইদৰে গায়—

"থুৰিয়াই কাটিলো তামোল তিনিখনি
নুৰিয়াই বান্ধিলো পাণ
পথাৰে পথাৰে বিচাৰি ফুৰিছোঁ
ক'তে দাই আছিলা ধান।"

যিসকল অসমীয়া মানুহে তামোলৰ মোল নুবুজে তেওঁক অনা অসমীয়া বুলি এইদৰে ইতিকিং কৰে—

"তামোলৰ আমোল মোলে ঐ নাচনী
তামোলৰ আমোল মোল
কৰপৰা পালাহি দেৱা চালি খোৱাটো
তালোলৰ নেজানা মোল।"

অতীতত এই তামোল-পাণৰ মাজেদি অসমীয়া ডেকা-গাভৰুৰ মাজত প্ৰেম-প্ৰীতি আৰু বন্ধুত্বৰ ভাৱ গঢ়ি উঠিছিল। তাকে বিহুগীতত গাইছে–

"কিনো তামোলখনি দিলা মোৰ চেনাই ঐ
অতি যতনেৰে খালো
সেইনো তামোলখনি খাবৰে পৰাই
তোমাৰ লগত চিনাকি হলো।"

অসমীয়া সমাজ ব্যৱস্থাটো তামোল-পাণৰ

ভূমিকা অন্যতম। অসমীয়া জনসাধাৰণে পাণ আৰু ধান একেলগে অইনক নিদিয়ে আৰু বজাৰলৈও বিক্ৰী কৰিবলৈ নিনিয়ে। এনে কাৰ্য্যত ঘৰৰ পৰা লখিমী ওলায় যায় বুলি বিশ্বাস আছে। সাধাৰণতে অসমীয়া সমাজত কোনোৱে কিবা অপৰাধ কৰিলে পঞ্চায়ত গোটায় দোষীৰ বিচাৰ কৰে আৰু দোষীক দণ্ড কৰে। এই দণ্ড দিবলৈ দোষীয়ে অপৰাগ হলে তেওঁ এযোৰ তামোল-পাণ দি সমাজৰ ওচৰত ক্ষমা ভিক্ষা কৰিলে তেওঁৰ সকলো দোষ মৰিষণ কৰি দণ্ডৰ পৰা ৰেহাই দিয়ে। এইবোৰৰ উপৰিও নিজৰ ঘৰলৈ কোনোবা নতুন আলহী আহিলে সেই অতিথিক শৰাইত নতুন কাপোৰৰ সৈতে তামোল পাণ দি সন্মান জনোৱা হয়।

অসমীয়া সমাজৰ লোকাচাৰৰ ক্ষেত্ৰতো তামোল-পাণৰ ভূমিকা তেনেই নগণ্য নহয়। গছত কোমল তামোল লাগিলে কাতি বিহুত যেতিয়া তুলসীগুৰিত থাপনা পাতে তেতিয়া বাৰীত থকা তামোল-পাণৰ গুৰিতো থাপনা দিয়ে। এই থাপনাত কুহি তামোল-পাণ দিয়া হয়। সেইদিনাৰ পৰাহে কোমল তামোল খোৱা আৰম্ভ কৰে। এইবোৰৰ উপৰিও আন পূজা-পাতল, থাপনা আদিত গোটা তামোল-পাণ দিয়াটো মনকৰিবলগীয়া। এই তামোলৰ আগ-গোৰ কাটি দিয়া হয়। এই তামোল-পাণৰ পৰা অসমীয়া ভাষাত বহুতো নতুন নতুন শব্দ ব্যৱহাৰ হোৱা দেখা যায়। যেনে— থুৰীয়া তামোল, কাকিনী তামোল, ইত্যাদি।

### দৃষ্টিভঙ্গী

যি জাতিয়ে জাতীয় সাহিত্য গঢ়ি তুলিবগৈ নোৱাৰে, সেই জাতিৰ প্ৰাণ নাবাচেগৈ, সি কোনো এটা সাহিত্যবান বলী চুবুৰীয়া জাতিত লয় হৈ আপোনাৰ অস্তিত্ব হেৰুৱায়।

—পদ্মনাথ গোহাঞি বৰুৱা



# স্বাধীন ভাৰত আৰু শিক্ষা

শ্ৰীঅশোক কুমাৰ শৰ্মা
স্নাতক ২য় বাৰ্ষিক (কলা)

বৃটিছ শিক্ষানীতিৰ লক্ষ্য সন্দৰ্ভত মেক্লেই ১৮৩৫ চনত উনুকিয়াইছিল— "শাসক আৰু শাসিতৰ মাজত যোগাযোগ ৰক্ষাকাৰী এক শ্ৰেণীৰ অনুগত বুদ্ধিজীৱী আৰু কোৰ্ট কাছাৰী চিৰস্তাৰ কামত পাকৈত কেৰাণী তৈয়াৰ কৰা উদ্দেশ্যেৰে শিক্ষাৰ গঠন, ভাষা, মাধ্যম, বিষয় আৰু পদ্ধতি প্ৰস্তুত কৰা প্ৰয়োজন।"

পৰিতাপৰ কথা, মেক্লে অনুসৃত যি শিক্ষানীতি স্বাধীনতাৰ সময়লৈকে প্ৰবৰ্ত্তন কৰি ইংৰাজ সাম্ৰাজ্যবাদী সকলে আমাৰ দেশত আধুনিক শিক্ষাৰ পাতনি মেলিছিল আজি দেশ স্বাধীন হোৱাৰ ৪০ বছৰ পাছতো এই ঔপনিবেশীয় শিক্ষাকে অপৰিবৰ্ত্তিতভাৱে বাহাল ৰখা হৈছে। ফলত আমাৰ চৰকাৰে শিক্ষাৰ প্ৰসাৰত গুৰুত্ব দিয়াৰ কথা পবিত্ৰ সংবিধানত স্বীকাৰ কৰি লোৱা স্বত্বেও আজিলৈকে কোনো ধৰণৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা নাই। ভাৰতীয় সংবিধানৰ ৪৫ নং ধাৰাত এই কথা স্বীকাৰ কৰি লোৱা হৈছে যে সংবিধান গৃহীত হোৱা সময়ৰ পৰা ১০ বছৰৰ ভিতৰত ১৪ বছৰ বয়সলৈকে শিক্ষাক সাৰ্ব্বজনীন, বাধ্যতামূলক আৰু বিনামূলীয়া কৰা হব। সংবিধান গৃহীত হোৱাৰ পৰা দুকুৰি বছৰ অতীত হ'ল—অথচ এতিয়ালৈকে জন সাধাৰণৰ ৬৪ শতাংশই এনেকি প্ৰাথমিক আখৰ বোৰ চিনি পোৱাৰ সুযোগৰ পৰা বঞ্চিত। বিশ্বৰ সৰ্ব্বমুঠ জন সংখ্যাৰ ১৫ শতাংশই বাস কৰে ভাৰত বৰ্ষত। অথচ সমগ্ৰ বিশ্বৰ নিৰক্ষৰ মানুহৰ শতকৰা ৫৪.৮ ভাগ আছে এইখন দেশতে।

প্ৰতিদিনে অশিক্ষা বাঢ়িছে। কিন্তু চৰকাৰ মুঠেই উদ্বিগ্ন নহয়। যিমান দিনলৈকে চৰকাৰৰ বৰ্ত্তমান নীতি অব্যাহৃত থাকিব সিমান দিনলৈকে সাৰ্ব্বজনীন শিক্ষাৰ প্ৰচলন নহব। শিক্ষা এটি অধিকাৰ, ই কাৰো দয়া দক্ষিণাৰ বাবে ৰৈ থাকিব নোৱাৰে। শ্ৰেণী শোষণৰ পৰিবৃতি স্বৰূপেই কোনো এখন দেশত শিক্ষা মৌলিক অধিকাৰ ৰূপে স্বীকৃত নোহোৱাকৈ থাকিব পাৰে।

আমাৰ দেশত বৰ্ণাশ্ৰমৰ যুগত শূদ্ৰসকলক শিক্ষা অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছিল। আনকি নীচকুলীয়া হোৱাৰ অপৰাধত একলব্যক অস্ত্ৰ বিদ্যাৰ শিক্ষা দিয়া হোৱা নাছিল। সাম্ৰাজ্যবাদ আৰু ঔপনিবেশবাদৰ যুগত সেই একেই ঘটনা ঘটিছিল। শিক্ষাৰ অধিকাৰৰ প্ৰশ্ন তেতিয়া জাতীয় মুক্তি আন্দোলনৰ লগত যুদ্ধ হৈ পৰিছিল। ইংৰাজ সকলে শিক্ষাক এটি সংকীৰ্ণ গোষ্ঠীৰ মাজত সীমাবদ্ধ কৰি ৰাখিব বিচাৰিছিল আৰু ভাৰতীয় সকলৰ মাজৰ পৰাই আচাৰ ব্যৱহাৰ আৰু মানসিকতাৰ

দিশৰ পৰা এচাম “ইংৰাজ” সৃষ্টি কৰিব বিচাৰিছিল। এই বাবেই কেৱল ইংৰাজী মাধ্যমত শিক্ষা দিয়া হৈছিল। মাতৃভাষাৰ উন্নতিৰ কোনো ব্যৱস্থাই নাছিল। সেই যুগত মাতৃভাষাৰ মাধ্যমত জাতীয় শিক্ষাৰ দাবী শক্তিশালী হৈ উঠে।

জাতীয় কংগ্ৰেছে ১৯০৬ চনত প্ৰস্তাৱ গ্ৰহণ কৰিছিল ‘এই দেশৰ মানুহৰ বাবে জাতীয় শিক্ষাৰ প্ৰশ্নটো তুলি ধৰা, লৰা ছোৱালীহতক এনে শিক্ষা দিয়া যি শিক্ষা হব জাতীয় চৰিত্ৰৰ, জাতীয় কৰ্তৃত্বত পৰিচালিত আৰু জাতীয় প্ৰয়োজনত উৎসৰ্গীকৃত।” এই প্ৰস্তাৱৰ অৰ্থই হৈছে শিক্ষাৰ অধিকাৰক জাতীয় অধিকাৰ ৰূপে স্বীকৃতিৰ দাবী। কিন্তু ইংৰাজ আমোলত এই অধিকাৰ স্বীকৃত নহল। আশা আছিল স্বাধীনতাৰ লগে লগে এই অধিকাৰ পোৱা যাব।

ভাৰতীয় শিক্ষা আয়োগৰ ওচৰত দাদা ভাই নেটৰজীয়ে ১৮৮২ চনতে সকলো লৰা ছোৱালীক শিক্ষা দিয়াৰ বাবে আবেদন জনাইছিল। ১৯১১-১২ চনত কেন্দ্ৰীয় আইন পৰিষদত শ্ৰীগোপাল কৃষ্ণ গোখলে সাৰ্বজনীন শিক্ষাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিছিল। কিন্তু সেই প্ৰস্তাৱ জমিদাৰ বৰ্গ আৰু ইংৰাজৰ বিৰোধিতাৰ ফলত বাতিল হয়।

শিক্ষাৰ অধিকাৰৰ প্ৰশ্নত মহাত্মা গান্ধীয়ে কৈছিল, যিদৰে সূৰ্য্যৰ পোহৰ বৰষুণৰ পানী সকলোৰে বাবেই, তেনেদৰে শিক্ষাও সকলোৰে বাবে হব লাগিব। শিক্ষা অৰ্থৰ ওপৰত নিৰ্ভৰশীল হোৱা উচিত নহয়।” অথচ ভাৰতবৰ্ষত শিক্ষা কি সূৰ্য্যৰ পোহৰৰ দৰে পৰ্য্যাপ্ত? ৬৪ শতাংশ এতিয়াও নিৰক্ষৰ ৬৪ শতাংশ মানুহ এতিয়াও দাৰিদ্ৰ সীমাৰেখাৰ তলত। দৰিদ্ৰ সকলেই নিৰক্ষৰ।

যি জাতীয় কংগ্ৰেছে স্বাধীনতাৰ আগ মূহূৰ্তত আৰু তাৰ পাছতো সময়ে সময়ে “জাতীয় স্বাৰ্থৰ প্ৰতি” লক্ষ্য ৰাখি “জাতীয় শিক্ষা ব্যৱস্থা” প্ৰৱৰ্তনৰ বাহুল্য পূৰ্ণ উক্তি কৰি আহিছে, সেই কংগ্ৰেছৰে অবিচ্ছিন্ন শাসন দেশত বৰ্তমান। কিন্তু পৰিতাপৰ কথা এইটোৱে যে বিভিন্ন সময়ত বিভিন্ন শিক্ষা আয়োগ আদি গঠন কৰা স্বত্বেও উক্ত জাতীয় স্বাৰ্থক প্ৰতিনিধিত্ব কৰা জাতীয় লক্ষ্যত এতিয়ালৈকে উপনীত হব পৰা নাই। বহু বিশিষ্ট শিক্ষাবিদৰ অমূল্য চিন্তা ৰাজিৰে আমাৰ শিক্ষা আয়োগ সমূহ পৰিপুষ্ট হোৱা স্বত্বেও দেশৰ শিক্ষা ব্যৱস্থাৰ ৰূপ অতি শোচনীয়। উপযুক্ত পৰিকল্পনা আৰু আন্তৰিকতাৰ অবিহনে স্বাভাৱিকতে শিক্ষাৰ ব্যাপক প্ৰসাৰ অসম্ভৱ। ১৯৪৪ চনত গান্ধীজীৰ পৰিকল্পনাত কমেও ১০ শতাংশ ব্যয় কৰাৰ কথা কোৱা হৈছিল। পণ্ডিত জৱহৰলাল নেহেৰু আৰু সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ আদিক লৈ কংগ্ৰেছৰ যি শিক্ষা আয়োগ গঠন হৈছিল তাতো কেন্দ্ৰীয় বাজেটৰ অন্ততঃ দহ শতাংশ শিক্ষাৰ শিতানত ব্যয় কৰাৰ বাবে পৰামৰ্শ দিয়া হৈছিল। প্ৰখ্যাত শিক্ষাবিদ ড. জে পি নায়কে A Student's History of education in India নামৰ কিতাপ খনত কৈছে যে, ১৪ বছৰ বয়সীয়া লৰা ছোৱালীৰ বাবে সাৰ্বজনীন শিক্ষাদানৰ প্ৰতিশ্ৰুত পালনৰ বাবেও অন্ততঃ বাজেটৰ ৪ শতাংশ ধন কেৱল প্ৰাথমিক শিক্ষাৰ শিতানত ব্যয় কৰা প্ৰয়োজন। চৰকাৰে পাতি দিয়া বি, জে, খেৰ কমিটিয়েও চৰকাৰক শিক্ষাৰ শিতানত বাজেটৰ অন্ততঃ দহ শতাংশ ব্যয় মঞ্জুৰীৰ পৰামৰ্শ দিছিল। বৰ্তমানৰ পৰিকল্পনা কমিচনৰ অন্যতম সদস্য মেন নে পৰিকল্পনা কমিচনে শিক্ষাৰ প্ৰসাৰত প্ৰয়োজনীয় গুৰুত্ব নিদিয়া বুলি ক্ষোভ প্ৰকাশ কৰিছে। প্ৰথম পাঁচ বছৰীয়া পৰিকল্পনাত শিক্ষাৰ বাবে মুঠ ধাৰ্য্য টকাৰ ৭·৬ শতাংশ ব্যয় কৰা হৈছিল, পিছত এই পৰিমাণ কমি গৈ সপ্তম পৰিকল্পনাত ১'৫ শতাংশ হয়গৈ।

চৰকাৰে শিক্ষা প্ৰসাৰৰ অৰ্থে দিয়া নানা বাক চাতুৰিপূৰ্ণ প্ৰতিশ্ৰুতিৰ অন্তৰালত দেখা গৈছে যে চৰকাৰে প্ৰতিৰক্ষাৰ শিতানত বাজেটৰ সৰ্বাধিক অংশ ব্যয় কৰি শিক্ষাৰ শিতানত তেনেই কম অংশ খৰছ কৰে। গতিকে ই জন সাধাৰণক অজ্ঞ কৰি ৰখাৰ ষড়যন্ত্ৰহে মাথোন। ইয়াৰ পৰাই চৰকাৰৰ শিক্ষাৰ প্ৰতি থকা আন্তৰিকতা সম্বন্ধে জানিব পাৰি। লাজ লাগে ইয়াকে ভাবি যি সময়ত নেপালৰ দৰে অনগ্ৰসৰ দেশ এখনে শিক্ষাত কেন্দ্ৰীয় বাজেটৰ ৮ শতাংশ খৰছ কৰে, সেই সময়ত আমাৰ দেশত খৰছ কৰা হয় মাত্ৰ ১'৫ শতাংশ।

আমাৰ দেশ বাসীয়ে যেতিয়া বৃটিছ ৰাজত্বৰ বিৰুদ্ধে যুঁজিছিল সেই সময়ত জাতীয় শিক্ষাৰ অধিকাৰ প্ৰসঙ্গত মহাত্মা গান্ধীয়ে কৈছিল, “এই চৰকাৰে আমাৰ সন্মান কাঢ়িনিছে। কোনো ডকাইতে যদি আমাক লুণ্ঠন কৰি পিছত সেই অৰ্থেৰে আমাৰ বাবে পাঠশালা তৈয়াৰ কৰে তেনেহলে আমি তেওঁক কম যে তেওঁ দিয়া শিক্ষাৰ আমাৰ প্ৰয়োজন নাই।”

বৰ্তমান চৰকাৰক বৃটিছ চৰকাৰৰ সৈতে ৰিজাব বিচৰা নাই। কিন্তু শিক্ষাৰ ক্ষেত্ৰত ফল একেই হৈছে। জন গণক লুণ্ঠন কৰিছে তাৰ পিছত জনসাধাৰণৰ বাবে যৎকিঞ্চিত শিক্ষাৰ ব্যৱস্থা কৰিছে। গান্ধীৰ নিচিনাকৈ বৰ্জন কৰাৰ কথা কোৱা নাই। কংগ্ৰেছে এই দেশৰ চৰকাৰ কিন্তু কংগ্ৰেছে বৃহৎ পুঁজিপতি আৰু জমিদাৰ বৰ্গই যাতে জন সাধাৰণক লুট কৰিব পাৰে তাৰেই ব্যৱস্থা কৰিছে। কিন্তু শিক্ষাক কংগ্ৰেছৰ দয়া দক্ষিণা ৰূপে আমি গ্ৰহণ কৰিব নোৱাৰো।

স্বাধীনতাৰ পিছত নতুন আশাৰ সঞ্চাৰ হ'ল কিন্তু তিতিয়াৰ সেই উৎসাহ উদ্দীপনা আজি নাই। ১৪ বছৰ বয়সলৈ বিনামূলীয়া বাধ্যতামূলক শিক্ষা প্ৰবৰ্তনৰ প্ৰতিশ্ৰুতিও প্ৰহসনত পৰিণত হ'ল। ১৯৮৪ চনৰ ১১ জুলাইৰ এম, পি ক্ৰনিকলৰ পৰা জানিব পৰা গৈছে যে আমাৰ দেশত ৪, ৭৪, ৬৩৬ খন প্ৰাথমিক স্কুলৰ ভিতৰত ৫২ ভাগৰে কোনো পকীঘৰ নাই। শতকৰা ৭৭ ভাগৰে পুথিভঁৰাল নাই। ৩৬ ভাগৰ কোনো আচবাব পত্ৰ নাই। ৫৪ ভাগৰ খোৱা পানীৰ ব্যৱস্থা নাই আৰু ১৬ লাখ শ্ৰেণী কোঠাৰ চাল নাই। শিক্ষা আৰু গবেষণা পৰিষদে যুগুত কৰা পৰিসংখ্যা অনুযায়ী দেশৰ ৪'৭৫ লাখ বিদ্যালয়ৰ ভিতৰত ২৫% ত মাত্ৰ এজনকৈ শিক্ষক আছে, ৪০% ত পাঠদান চলে আকাশৰ তলত। পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ভিতৰত ৮০ শতাংশই

আৰু নৱম আৰু দশম শ্ৰেণীত ৯৭ শতাংশই স্কুল ত্যাগ কৰে। চৰকাৰে সৰ্ব্ব সাধাৰণক অগ্ৰগতিৰ প্ৰক্ৰিয়াৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছে। বৰ্ত্তমান অৱস্থাত জন গণৰ অংশ গ্ৰহণ স্বতঃস্ফূৰ্ত হব নোৱাৰে।

জৱহৰলাল নেহেৰুৱে শিক্ষা মন্ত্ৰী সকলৰ সন্মিলনত কৈছিল, "আমাৰ প্ৰথম পৰিকল্পনাত শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগিব । কিন্তু এইটো কৰিব লাগিব গণ শিক্ষাৰ প্ৰেক্ষাপটত।" আমি আজি উচ্চ শিক্ষাৰ প্ৰসাৰ ঘটোৱাৰ ভাওঁ জুৰিছো। কিন্তু প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণ অবিহনে উচ্চ শিক্ষাৰ প্ৰসাৰ কি সম্ভৱ?

প্ৰাথমিক শিক্ষাৰেই যত এনে দুৰৱস্থাতাত উচ্চ শিক্ষাৰ অৱস্থা কি হব পাৰে সি সহজে অনুমেয়।

১৯৮২-৮৩ চনৰ ৰিপোৰ্টত ইউ জি চিয়ে উচ্চ শিক্ষা সংকোচনৰ কথা কৈছে। তেওঁলোকে যুক্তি দিছে যে পৰিমাণ বাঢ়ি যোৱাৰ ফলত গুণগত মানৰ অৱনতি ঘটিছে। এই কথাৰ অৰ্থ আমি বুজা নাই। আমি জানো পৰিমাণ বৃদ্ধিৰ ফলত গুণগত মান উন্নত হয়। তেওঁলোকে আকৌ কৈছে যে জনশক্তিৰ চাহিদা অনুযায়ী উচ্চ শিক্ষাক নিয়ন্ত্ৰণ কৰা হব। এই নীতি অনুসৰণ কৰিলে আমাৰ পৰা উচ্চ শিক্ষাই বাতিল হৈ যাব। কাৰণ, চাকৰিৰ অৱস্থাটো কি? ২২, ৭০০ ইঞ্জিনিয়াৰ ১৭, ১০০ ডাক্তৰ আৰু ১৭৩'৫৩ লাখ স্নাতক; ৭৭ লাখ মেট্ৰিক পাচ কৰা ছাত্ৰ-ছাত্ৰীয়ে কোনো কাম পোৱা নাই।

ইয়াৰোপৰি আছে মগজুৰ ৰপ্তানি । হেজাৰ হেজাৰ ডাক্তৰ, ইঞ্জিনিয়াৰে ভাৰত ত্যাগ কৰি গুছি যায়। বৰ্তমানে প্ৰায় ১৫,০০০ ডাক্তৰে বিদেশত কাম কৰি আছে। ৬৯,০০০ হাজাৰ ভাৰতীয় যুৱকে আৰৱ সাগৰীয় দেশ সমূহলৈ কৰ্ম সংস্থাপনৰ বাবে যাবলগীয়া হৈছে, ৩৫,০০০ বিজ্ঞানীয়ে দেশৰ বাহিৰত কৰ্ম সংস্থাপন বিচাৰি যাব লগীয়া হৈছে। ইয়াৰ ফলত ভাৰতৰ বহুশ বিলিয়ন ডলাৰ ক্ষতি হৈছে। চৰকাৰে কব পাৰে এই মগজু ৰপ্তানি আন্তৰ্জাতিক সংহতিৰ প্ৰমাণ। কিন্তু আন্তৰ্জাতিক সংহিতৰ অৰ্থটো জাতীয় ৰক্ত শূন্যতা নহয়।

ইয়াৰ উপৰি ১৯৮৪ চনত ইন্দিৰা গান্ধীৰ মৃত্যুৰ পিছত নতুন যুৱ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী শাসনত আহিল। শাসনত আহিয়ে তেওঁ দেশক একবিংশ শতিকালৈ নিয়াৰ শ্লোগানেৰে এক জন বিৰোধী নতুন অৰ্থনীতি প্ৰবৰ্ত্তন কৰিলে আৰু এই অৰ্থনীতিৰে পৰিপূৰক হিচাবে ১৯৮৫ চনৰ আগষ্ট মাহত কেন্দ্ৰীয় চৰকাৰে "শিক্ষাৰ প্ৰত্যাহবান এক নীতি সম্পৰ্কীয় সৃষ্টি কোন" নামৰ এখন দলিল উত্থাপনৰ জৰিয়তে ভাৰতবৰ্ষত এক নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰিব বিচাৰিছে। ইতিমধ্যে যোৱা এপ্ৰিলত অনুষ্ঠিত শিক্ষামন্ত্ৰী সকলৰ সন্মিলনত উত্থাপিত দলিল আৰু জাতীয় উন্নয়ন পৰিষদত উত্থাপিত "জাতীয় শিক্ষানীতি, ১৯৮৬ এটি উপস্থাপন" শীৰ্ষক দলিলখন গৃহীত হৈছে।

এই শিক্ষানিতীৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে প্ৰতিখন জিলাতে একোখন 'মডেল' স্কুল স্থাপন কৰিব বিচাৰিছে। কেন্দ্ৰীয় চৰকাৰে 'মডেল'



স্কুলৰ ৰূপ আৰু চৰিত্ৰ সম্পৰ্কে এখন দলিল প্ৰকাশ কৰি কৈছে যে, সপ্তম যোজনাৰ ভিতৰত ভাৰতবৰ্ষৰ প্ৰতিখন জিলাতেই একোখনকৈ বিশেষ সুবিধা যুক্ত বিদ্যালয় প্ৰতিষ্ঠা কৰা হব। বিদ্যালয় বিলাকত ৬ষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণী পৰ্য্যন্ত পাঠদান কৰা হব।

প্ৰস্তাৱিত নবোদয় বিদ্যালয় বিলাক হব আবাসিক আৰু ল'ৰাছোৱালী উভয়ে শিক্ষা লাভ কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীৰ থকা-খোৱা, পোচাক-পৰিচ্ছদ, পাঠ্যপুথিসহ কৰ্ম-শিক্ষা আৰু পৰীক্ষাগাৰৰ কাৰণে প্ৰয়োজনীয় সমস্ত খৰছ চৰকাৰে বহন কৰিব। বন্ধৰ দিনত নাইবা শিক্ষাবছৰ আৰম্ভ আৰু শেষ হোৱাৰ সময়ত, ছাত্ৰ-ছাত্ৰীসকলে ঘৰলৈ অহা যোৱাৰ ৰেল বা বাছ ভাড়াও চৰকাৰে অনুদান হিচাবে দিব।

প্ৰত্যেক নবোদয় বিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীত দুটাকৈ শাখা থাকিব আৰু প্ৰতি শাখাত ৪০ জন ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব অৰ্থাৎ প্ৰতি শ্ৰেণীত ৮০ জনকৈ আৰু সাতটি শ্ৰেণীত মুঠ ৮০ × ৭ = ৫৬০ জন ছাত্ৰ-ছাত্ৰীক এটি বিদ্যালয়ত পঢ়াৰ সুযোগ পাব। প্ৰতিবছৰে একোখন জিলাত ৮০ জনকৈ ছাত্ৰ-ছাত্ৰীয়ে এই বিদ্যালয়ত ভৰ্ত্তিৰ সুযোগ পাব।

উন্নত মানৰ শিক্ষাৰ সুযোগ সুনিশ্চিত কৰাৰ কাৰণে নবোদয় বিদ্যালয়ত ৰেডিঅ' টি-ভি, মাইক্ৰ কম্পিউটাৰ প্ৰভৃতি আধুনিকতম শিক্ষাৰ উপকৰণ আৰু সা-সজুলি পৰ্য্যাপ্ত পৰিমাণে সৰবৰাহ কৰা হ'ব। শৰীৰ শিক্ষা, খেলা-ধূলা, ক্ৰীড়ানুষ্ঠান, যোগব্যায়াম, সাংস্কৃতিক অনুষ্ঠান, চাৰুকলাৰ অনুশীলন, প্ৰজেক্ট, হাইকিং, শিক্ষামূলক ভ্ৰমণ প্ৰভৃতিৰো পৰ্য্যাপ্ত ব্যৱস্থা থাকিব।

শিক্ষক নিয়োগ হব সৰ্ব্বভাৰতীয় ভিত্তিত। বিশেষ উদ্যোগী আৰু মেধাসম্পন্ন যোগ্যতম ব্যক্তিক এই বিদ্যালয় বিলাকত শিক্ষকতাৰ কাৰণে আকৃষ্ট কৰাৰ উদ্দেশ্যে অধিকতৰ আৰ্থিক সুযোগ সুবিধা থাকিব বুলি দলিলখনত কোৱা হৈছে। অৰ্থাৎ নবোদয় বিদ্যালয়বোৰৰ জৰিয়তে যেনেকৈ একশ্ৰেণী সুবিধা ভোগী ছাত্ৰ-ছাত্ৰীৰ সৃষ্টি হব তেনেকৈ সৃষ্টি হব এক বিশেষ সুবিধা ভোগী একোটা ক্ষুদ্ৰ শিক্ষক গোষ্ঠী।

এই বিদ্যালয় সমূহত যিবিলাক ল'ৰা-ছোৱালীৰ মাতৃভাষা হিন্দী বা ইংৰাজী নহয় তেওঁলোকে মাতৃভাষা তৃতীয় ভাষা হিচাবে চৰ্চ্চা কৰিব লাগিব। প্ৰকৃততে মাতৃভাষাৰ মাধ্যমত শিক্ষা লোৱাৰ অধিকাৰ ত্যাগ কৰি হিন্দী নাইবা ইংৰাজীত লিখা পঢ়া শিকিব লাগিব। ষষ্ঠ আৰু সপ্তম শ্ৰেণীত হিন্দী আৰু ইংৰাজী খুউব ভালকৈ পঢ়ুৱা হব আৰু এই সময়ত অহিন্দী ভাষী ছাত্ৰ-ছাত্ৰীৰ মাতৃভাষা বা আঞ্চলিক ভাষাৰ লগতে হিন্দী আৰু ইংৰাজী ভাষাৰ মাধ্যমত পাঠদান কৰা হব। নৱম শ্ৰেণীৰ পৰা সকলোৰে কাৰণে হিন্দী / ইংৰাজীত পাঠদান কৰা হব। প্ৰতিজন ছাত্ৰই ইংৰাজী আৰু হিন্দী সহ তিনিটা ভাষাত দক্ষতা অৰ্জন কৰিব লাগিব। প্ৰসংগত উল্লেখ কৰিব পাৰি যে কোনো প্ৰাচীন ভাৰতীয় ভাষা বা ইংৰাজীৰ বাদে

অন্য কোনো আধুনিক ইউৰোপীয় ভাষা শিক্ষাৰ সুযোগ নবোদয় বিদ্যালয়ৰ পাঠ্যক্ৰমত ৰখা হোৱা নাই। এই সকলোবোৰ হেনো জাতীয় সংহতিৰ খাতিৰত কৰা হৈছে।

প্ৰতি বছৰে প্ৰতি বিদ্যালয়ত ষষ্ঠ শ্ৰেণীত ৮০ জনকৈ ছাত্ৰ-ছাত্ৰী ভৰ্ত্তিৰ কাৰণে জিলা ভিত্তিত নিৰ্বাচনী পৰীক্ষা হ'ব। আৰ্থিক সামাজিক আৰু শিক্ষাগত প্ৰভাৱ নিৰপেক্ষ ভাৱে যি কোনো পটভূমিৰ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰী নিৰ্বাচিত কৰা হব বুলি অবাস্তৱ দাবী কৰা হৈছে। নবোদয় বিদ্যালয়ত চহৰ বাসীৰ কাৰণে এক পঞ্চমাংশ ছোৱালীৰ কাৰণে এক তৃতীয়াংশ আৰু তপশীলভুক্ত জাতি উপজাতিৰ ল'ৰা ছোৱালীৰ কাৰণে প্ৰচলিত হাৰত আসন সংৰক্ষণ থাকিব।

নবোদয় বিদ্যালয়বিলাক কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত থাকিব। এই বিলাক ৰাজ্যিক মাধ্যমিক শিক্ষা পৰিষদ সমূহৰ লগত সম্পৰ্কবিহীন, ৰাজ্যিক পৰিবেশ আৰু শিক্ষা ব্যৱস্থাৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন কেন্দ্ৰীয় ভাৱে নিয়ন্ত্ৰিত সংস্থা। এটি কেন্দ্ৰীয় সংস্থাই বিদ্যালয় বিলাক প্ৰতিষ্ঠা আৰু পৰিচালনা কৰিব। অৱশ্যে এই সমস্ত ব্যয় বহুল বিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰাথমিক দায়িত্ব ৰাজ্য চৰকাৰ সমূহক দিয়া হৈছে।

মোটামুটি হিচাব কৰি দেখা গৈছে যে একোখন বিদ্যালয় স্থাপন কৰিবলৈ দুই কৌটি টকা লাগিব। ইয়াবোপৰি আচবাব পত্ৰ, পৰীক্ষাগাৰ, আধুনিক যন্ত্ৰপাতিৰ বাবে লগা খৰছ আছেই। নবোদয় বিদ্যালয় সমূহ

প্ৰতিষ্ঠা আৰু পৰিচালনাৰ কাৰণে ১৯৯
চনৰ ভিতৰত ১৫০০ কৌটি টকা খৰ
কৰিবই লাগিব। আনহাতে কৌটি কৌটি
ল'ৰা-ছোৱালী পঢ়িব সাধাৰণ বিদ্যালয়ত,
বিশ্ববিদ্যালয়ত আৰু অন্নান্য শিক্ষা প্ৰতিষ্ঠানত
আৰু ইয়াৰ বাবে চলিত পাচঁ বছৰীয়া
পৰিকল্পনাত খৰচ হব অতি সামান্য টকা

উলেখযোগ্য যে আমাৰ সংবিধানত
লিপিবদ্ধ হৈ আছে যে আমাৰ দেশ সমাজ-
তান্ত্ৰিক। কিন্তু সেয়া সত্য নহয়। এইটো
আনন্দৰ কথা যে মহাকাশযাত্ৰী ৰাকেশ শৰ্মা
নিৰাপদে ঘূৰি আহিছে। কিন্তু এবাৰ উভতি
চাওকচোন সেই দেশ ছোভিয়েট ইউনিয়নত
কি কি শিক্ষা ব্যৱস্থা চলিছে। আমি তেওঁ
লোকৰ লগত যৌথ মহাকাশযাত্ৰা কৰি
পাৰো তেনেহলে শিক্ষা ব্যৱস্থাৰ আহি
শিক্ষা প্ৰৱৰ্ত্তন কৰাত দোষ ক'ত ?

ছোভিয়েট ইউনিয়নকে ধৰি পৃথিবী
প্ৰত্যেকখন সমাজতান্ত্ৰিক দেশতে শিক্ষা
অধিকাৰ মৌলিক অধিকাৰৰূপে স্বীকৃত
কিন্তু নিজকে সমাজতান্ত্ৰিক বুলি দাবী কৰা
ভাৰতবৰ্ষত মাথো 'শিক্ষা' অধিকাৰৰূপে
স্বীকৃত নহয়।

ভাৰতবৰ্ষত চৰকাৰে কয় যে জনবিস্ফো
ৰণৰ ফলতেই এই অৱস্থা। তেনেহলে আমা
দেশতকৈ বহু বেছি লোকসংখ্যাৰ দেশ চীনে 
ভাবে সাৰ্ব্বজনীন শিক্ষাৰ ব্যৱস্থা কৰিছে
দাৰিদ্ৰই কি প্ৰশ্ন ? তেনেহলে মাৰ্কিন সাম্ৰাজ্য
বাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ সময়তেই ভিয়েট
নামে কেনেকৈ নিৰক্ষৰতাৰ বিৰুদ্ধে যুদ্ধ



লৈছিল। ভিয়েটনামে ঘোষণা কৰিছিল, "অশিক্ষাৰ বিৰুদ্ধে জয়লাভ নকৰিলে আমি মাৰ্কিন সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জয়লাভ কৰিব নোৱাৰিম।" পশ্চিম জাৰ্মানী, আফ্ৰিকাৰ ইকুৱেটৰিয়েল গিনি আনকি পেলেষ্টানী মুক্তি যুঁজৰ লগত বিশ্বাসঘাটকতা কৰা ইজিপ্তৰ দৰে ধনতান্ত্ৰিক দেশবোৰেও শিক্ষাৰ অধিকাৰক স্বীকৃতি দিছে। গতিকে দেখা যায় সমাজতন্ত্ৰৰ দৰে বহু ক্ষেত্ৰত ধনতন্ত্ৰতো শিক্ষাৰ অধিকাৰ স্বীকৃত। কিন্তু ভাৰতবৰ্ষত এই অধিকাৰ নাই। কাৰণ আমি মিশ্ৰ। যি কোনো মানুহৰ পক্ষে পুৰুষ কিম্বা নাৰী হোৱাটোৱে স্বাভাৱিক। সেয়া নহৈ মিশ্ৰ হলে যি দুৰ্দশা হয়। ভাৰতবৰ্ষতো আমাৰ সেই দুৰ্দশাই হৈছে।

এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত কেইটিমান সু-নিৰ্দিষ্ট দাবী কৰিব পাৰি—

১। শিক্ষা আৰু কৰ্মসংস্থানৰ অধিকাৰক সকলো ভাৰতীয় নাগৰিকৰে মৌলিক আৰু অবিছেদ্য অধিকাৰ হিচাবে সংবিধানত সন্নিবিষ্ট কৰক।

২। প্ৰতিখন জিলাতে মাত্ৰ একোখনকৈ 'নবোদয় বিদ্যালয়' প্ৰতিষ্ঠাৰ জৰিয়তে শিক্ষাৰ সুযোগ সমূহ এমুঠিমান সুবিধাভোগী ছাত্ৰ-ছাত্ৰীৰ বাবে সীমিত কৰি ৰখাৰ পৰিবৰ্ত্তে প্ৰতিখন গাওঁতে একোখনকৈ স্কুল স্থাপনৰ মাধ্যমত গুণগত শিক্ষাৰ সুবিধা সকলো অংশৰ জনসাধাৰণৰ মাজলৈ প্ৰসাৰিত কৰক।

৩। সকলো স্থানীয় ছাত্ৰ-ছাত্ৰীৰ বাবে বিনা-মূলীয়াকৈ পাঠ্যপুথি, ইউনিফৰ্ম, দুপৰীয়াৰ আহাৰ আদি সুবিধা সমূহ প্ৰদান কৰি 'দ্ৰপ আউতৰ' সমস্যা ৰোধ কৰাৰ ব্যৱস্থা কৰক।

৪। শিক্ষাৰ এই সুবিধা সমূহ প্ৰদান কৰাৰ বাবে কেন্দ্ৰীয় বাজেটৰ ১০ শতাংশ আৰু ৰাজ্যিক বাজেটৰ ৩০ শতাংশ শিক্ষাৰ শিতানত ব্যয় কৰক।

৫। মাতৃভাষাৰ জৰিয়তে শিক্ষাদান কৰক।

## দৃষ্টিভঙ্গী

সাহিত্যৰ অবনতিয়ে জাতিৰ অবনতি প্ৰকাশ কৰে।

—গ্যাটে

# বৰ্ত্তমান সমাজ সংগঠনত ন লেখক লেখিকাৰ ভূমিকা

শ্ৰীউমেশ কলিতা
স্নাতক ২য় বাৰ্ষিক
( বিজ্ঞান শাখা )

স্বাধীনোত্তৰ কালত জন্ম গ্ৰহণ কৰা নতুন অসমীয়া লেখক-লেখিকা সকলে যৌৱনৰ মাদকতা, প্ৰেমৰ পেণ পেণী, আভিজাত্যৰ বিলাস, অবাধ প্ৰণয়ৰ নগ্নতা, ব্যক্তিমনৰ ৰহস্য উৎঘাটন আদিৰ ঠাইত তথা কথিত গণতান্ত্ৰিক নিবাচনৰ অসাৰতা, সামাজিক কুসংস্কাৰ, অন্যায় অবিচাৰ, ধনী, অধিক ধনী, দুখীয়া, অধিক দুখীয়া হোৱাৰ বাস্তৱতা, সমাজৰ কৰ্ণ ধাৰ ভালে সংখ্যাক ৰাজনীতি বিদৰ ভণ্ডামি, চহৰৰ চোৰাং বেপাৰীৰ লগত গাৱৰ মহাজন ঠিকাদাৰৰ মিতিৰালি, নিবনুৱা সমস্যা, বানপানীৰ সমস্যা, নাৰীক লৈ আৰম্ভ কৰা বেশ্যা ব্যৱসায়ীৰ স্বৰূপ উৎঘাটন, চৰকাৰী ধনৰ অপচয় আদি এশ এবুৰি সমস্যাই নতুন গল্পকাৰ সকলক আকৰ্ষণ কৰি আহিছে আৰু তাকে লৈ গল্পকাৰ তথা সাহিত্যিক সকলে সাহিত্য ৰচনা কৰি আহিছে।

মানুহৰ চিন্তা জগত আৰু মনো জগতত বৰ্তমান সময়ে সজোৰে আঘাট কৰি বাস্তৱতাৰ প্ৰকৃত সত্যক গভীৰ ভাবে অন্বেষণ কৰিবলৈ কবি সাহিত্যিক সকলক উদ্বুদ্ধ কৰি আহিছে। ইতিহাস চেতনা আৰু মানবীয় মূল্য:বোধৰ প্ৰতিশ্ৰুতিৰে সকলো দেশৰ সাহিত্যিকে তেওঁ:লোকৰ সাম্প্ৰতিক সময়ৰ সৃষ্টিক উজ্বল আৰু প্ৰখৰ কৰি তুলিছে। কবি সাহিত্যিক সকলৰ নতুন মানসিকতা আৰু সবল দৃষ্টি ভংগীত সাম্প্ৰতিক সময়ৰ সমাজ চেতনা তথা বিপ্লৱী সাহিত্যৰ সৃষ্টি হৈছে। বিশেষকৈ দ্ৰুত গতিত বিশ্বৰ বিভিন্ন স্থানৰ কবি সমাজে পুৰণি কাব্য ৰীতিৰ পৰা আতঁৰি আহি নতুন চিন্তা আৰু ধ্যান ধাৰণাৰে কবিতাক মানৱ জীৱনৰ প্ৰয়োজনীয় শিল্প কৰ্ম হিচাবে গঢ় দিয়াৰ প্ৰৱল প্ৰচেষ্টা চলাইছে। এই ক্ষেত্ৰত আজিৰ কবি সকলে বাস্তৱ জগতৰ পৰা কবিতাৰ বিষয় বস্তু গ্ৰহণ কৰি মানুহৰ জীৱন যাত্ৰাৰ সৈতে সাঙোৰ খাই থকা ৰাজনৈতিক অৱস্থা আৰু ব্যৱস্থাক সাম্প্ৰতিক কবিতাত প্ৰকাশ কৰি আহিছে আৰু লগতে আঙুলিয়াই দিছে কেনেকৈ এখন শ্ৰেণীহীন সমাজ গঢ়িব লাগে। অৱশ্যে আমাৰ জাতীয় জীৱনত দৃশ্যমান হোৱা সাম্প্ৰতিক যুগৰ ছবি কিছুমান নতুন কবিয়ে কলাৰ ৰূপত স্পষ্টতৰ ভাবে চিত্ৰিত কৰিব পৰা নাই। যুগৰ শঙখ ধ্বনিৰ দ্বাৰা অনুপ্ৰাণিত হৈ কাব্য সৃষ্টিৰ প্ৰয়াস নকৰি তেওঁলোকে মাথোন যুগ চেতনাৰ প্ৰতিকুলে ক্ষয়িঞ্চু ৰোমান্তিক ভাৱ বিলাসিতা আৰু মধ্য যুগীয়া মানসিকতাই আলধৰা বুৰ্জোৱা কল্পনাৰ বিলাস বৈভৱৰ মাজতে পৰিভ্ৰমণ কৰি আছে। যুগ চেতনাৰ দীনতাৰ হেতুকেই এই:টা হোৱা যেন অনুমান হয়।

সময় গতিশীল। সমাজ পৰিবৰ্তন শীল। যুগ আৰু সমাজৰ পৰিবৰ্তনত সাহিত্য, সংস্কৃতি ভাষা আদিয়েই প্ৰভুত্ব বিস্তাৰ কৰে। আজিৰ লেখক-লেখিকা সকলেওঁ সেইটোকে লক্ষ্য কৰি আহিছে। বৰ্তমান যুৱ সমাজে বিচাৰে সুস্থ, সুন্দৰ আৰু প্ৰকৃত সংস্কৃতিৰে ভৰা এখন শুদ্ধ সমাজ। সেয়ে ন লেখক বিপুল খাটনিয়াৰৰ গল্পও সমাজবাদী চিন্তা আৰু স্বাভাৱিক সমাজ বিবৰ্ত্তনৰ প্ৰতি বিশ্বাসৰ ভেটি গঢ় লৈ উঠা দেখা যায়।

সাম্প্ৰতিক কালত যুৱ সমাজৰ দ্বাৰা পৰিচালিত বহুটো আন্দোলন সফল হোৱা পৰিলক্ষিত হৈছে। এজন সমালোচকৰ মতে— “সৰ্ব্বাত্মকবাদী রাষ্ট্র গুলির যুব সমাজের কার্য্য কলাপ সম্বন্ধে এটতা সচেতন হওয়ার কারণ যুব সমাজের মধ্যেই নিহিত। যুব সমাজ মানুষের অগ্রগতির এমন এক পর্য্যায় আজ অতিক্রম করে চলেছে যেখানে নতুন অভিজ্ঞতা এবং সম্পর্ক স্থাপনের মূল্য অসাধারণ বলে [illegible]মান”। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত আমি নিঃসন্দেহে কব পাৰো যে যুৱ শক্তি জনতাৰ শক্তি। আজিৰ ন লেখক-লেখিকা সকলেওঁ সমাজ ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখে আৰু সেই মতে সাহিত্য ৰচনা কৰে। গল্পকাৰ সৌৰভ কুমাৰ চলিহাই গল্পত আধুনিক জীৱনৰ জটিলতা আৰু মনৰ বিশৃঙ্খল ক্ৰিয়া কাণ্ডক মুখ্য স্থান দিছে।

বুদ্ধোত্তৰ যুগত অসমীয়া গ্ৰাম্য জীৱনলৈ নামি অহা শঠতা, ভণ্ডামি, নৈতিক আৰু আধ্যাত্মিক স্খলনৰ কুটিল ছায়া লক্ষী নন্দন বৰাৰ গল্পত স্পষ্ট। নগৰীয়া জীৱনৰ নাৰী আৰু সুৰা কেন্দ্ৰীক এই দিশটো তেওঁৰ গল্পত প্ৰাঞ্জল হৈছে। এইবোৰত উদগ্ৰ জৈৱিক কামনা জুৰি আছে; মোপাছাঁৰ দৰে সুখ; বদ্ধ সাহিত্যিক মূল্য প্ৰতিবেদনৰ স্পৃহা নাই। প্ৰকট অৰ্থনৈতিক সংস্কাৰ আৰু প্ৰচ্ছন্ন অৰ্থনৈতিক কাৰ্য্যকৰণেৰে দৌৰা আৰু কবলত তেওঁৰ সৰহ সংখ্যাক কল্পৰ পুৰুষ-নাৰী দিগ ভ্ৰষ্ট।

আমাৰ অতীতে আমাৰ বৰ্ত্তমান আৰু বহু পৰিমাণে ভৱিষ্যতকো ৰূপ দিয়ে। এই কথাখিনি প্ৰায় সকলোৱে জানে, মানিও লয়। কিন্তু কেনেদৰে অতীতে আমাৰ আজিৰ আৰু অহাকালিৰ দিনবোৰ গঢ় দিয়াত ভূমিকা লয় সেই কথা বুজিবৰ বাবে কিছু চিন্তা কৰাৰ প্ৰয়োজন। মানৱ সমাজৰ বিকাশ এটা নিৰবচ্ছিন্ন প্ৰক্ৰিয়া আৰু ই নিৰ্ভৰ কৰে সমাজৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিবৰ্ত্তনবোৰৰ ওপৰত। দৰাচলতে অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত তিনিটা সুকীয়া

আৰু বিচ্ছিন্ন পৰ্য্যায় নহয়। ই এক চলন্ত আৰু সামগ্ৰিক জীৱনৰ আপেক্ষিক ৰূপহে। অৱশ্যে কিছু লেখক লেখিকাই এইটো লক্ষ্য কৰিব পৰম্পৰাগতভাৱে সাহিত্য ৰচনা কৰিছে। মতুনৰ আভা যে তাত নাই সেইটো নহয়। কিন্তু সেইটো চলন্ত ৰূপতহে আছে।

হোমেন বৰগোহাঞিঁ, কৌস্তুভমণি শইকীয়া, নয়ন কুমাৰ মেধি, বিৰিঞ্চি কুমাৰ মেধি, শৈলেন কুমাৰ ভট্টাচাৰ্য্য আদি ন লেখক সকলৰ লেখনিত পৰিৱৰ্তিত সমাজ ব্যৱস্থা পৰিস্ফুত হৈ আছে। প্ৰায়বোৰে শ্ৰেণীহীন সমাজ ব্যৱস্থাক লেখনিত স্থান দিছে। লেখনিৰ মাজেৰে অতীতৰ পৰা চলি অহা এলান্ধু কলীয়া সমাজ ব্যৱস্থাক পৰিহাৰ কৰি নৱ আলোকেৰে প্ৰতিভাত কৰাৰ মানস কৰিছে।

আজিৰ ন লেখক লেখিকা সকলক পৰোক্ষভাৱে মহাযুদ্ধয়ো প্ৰেৰণা দিছে। এই প্ৰেৰণাই অসমীয়া মানুহৰ বৌদ্ধিক চেতনাৰ জগতত নৱ দিগন্তৰ সূচনা কৰিছে।

আধুনিক জীৱনৰ যন্ত্ৰনা আৰু বিশৃঙ্খলাৰ ছবি অংকনৰ ৰীতিৰ প্ৰৱৰ্তক হোমেন বৰগোহাঞিঁদেৱে বিজ্ঞান আৰু মনোবিজ্ঞানৰ সত্যক জীৱনৰ সত্য বুলি গ্ৰহণ কৰা প্ৰথম গৰাকী আধুনিক গল্পকাৰ।

ভূৱন মহন্ত এনে এজন ন লেখক যি জনে গাওঁ অঞ্চলৰ পৰা অহা বাবে আজিৰ পৰিবৰ্তিত পৰিস্থিতিত গাওঁবোৰৰ মানুহ আৰু সমাজত কি দুখ বেদনাৰ উদ্ভৱ হৈছে তাক ভালেমান গল্পৰ মাজেৰে ফুটাই তুলিছে।

লোভ লালসা কেৱল যে নগৰতে সীমাবদ্ধ নহৈ গাৱঁটো বিয়পি পৰিছে। তাক সুন্দৰ পটন্তৰৰ সৈতে বুজাই দিছে।

আজিৰ সাহিত্য সম্ভাৰলৈ লক্ষ্য কৰিলে এইটো কথা স্পষ্ট হয় যে সাহিত্যৰ বিভিন্ন বিভাগৰ ভিতৰত গল্পতেই সমকালীন সমাজ আৰু জীৱনৰ প্ৰতিচ্ছবি উজ্জ্বল হৈ পৰে। এই দ্ৰুত পৰিবৰ্ত্তনৰ মূল কাৰণ হ'ল মানুহৰ মনতকৈ চাৰিওফালৰ ঘটনাৰাজীয়ে তীব্ৰভাৱে প্ৰবাহিত হৈ দাপোণৰ দৰে গল্পত প্ৰতিবিম্বিত হবলৈ ধৰে। দেৱব্ৰত দাসৰ "চালাক মানুহৰ" গল্পত শোষণধৰ্মী সমাজ কিদৰে শোষণ আৰু দমনৰ ভিত্তিত স্তৰে স্তৰে গঠিত, কিদৰে সাত ঠাইত লাঠি খোৱা কেৰাণীজনো পকেটমাৰৰ ওপৰত ৰজা, কিদৰে হৃদয়ৰ সকলো উত্তাপ এই অমানুষিক সমাজত কেন্দ্ৰীভূত হৈছে তাকে পাঠকৰ মনোগ্ৰাহীকৈ ফুটাই তুলিছে। আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আদি লেখক-লেখিকা সকলেও সমকালীন সমাজ ব্যৱস্থাক উপলব্ধি কৰি ক্ষুদ্ৰ আৰু মানৱ জীৱনৰ মাজত মহান আৰু পূৰ্ণ মনুষ্যত্বৰ সন্ধানত সন্ধানী হৈ কৃষক শ্ৰমিকৰ মাজত সম্বন্ধ ৰাখিছে। ন লেখিকা স্নেহ দেৱীয়ে পৰাম্পৰাগত দৃষ্টিত নাৰী হৃদয়ৰ খবৰ আমাক গল্পৰ মাজেৰে দিছে, আৰু নাৰীৰ মাজত থকা সমস্যাৰ সমাধানো দিছে নাৰী সুলভ বিচাৰ বিবেচনাৰে। আন এজন গল্পকাৰ উদয়াদিত্য ভড়ালীয়ে মাটিহীন গাওঁবাসী বা গৃহহীন নগৰবাসী বনুৱাৰ পক্ষাৱলম্বন কৰি, তেওঁয়ে নিঃস্বজনৰ দুৰ্দশা উপলব্ধি কৰি তাৰবাবে জগৰীয়া কৰি ধনী মানুহক কঠোৰ ভাৱে সমালোচনা কৰি আহিছে।

অৱশ্যে বিভিন্ন প্ৰবন্ধপাতিটো সমাজ গঠনৰ প্ৰতি প্ৰবন্ধাকাৰসকলে স্পষ্টমত প্ৰকাশ কৰি আহিছে। ড° সুচিত্ৰা কাকতীয়ে যুৱ মানসিকতা আৰু আমি" নামৰ প্ৰবন্ধটোত সুন্দৰভাৱে যুৱক যুৱতী সকলৰ বৰ্ত্তমানৰ মানসিক অৱস্থাৰ বিষয়ে ফহিয়াই দিছে আৰু যুৱ মানসিকতাৰ নিম্নগামী গতিয়ে সমাজত যে এক ভয়ঙ্কৰ ভয়াবহতাৰ সৃষ্টি কৰাৰ সম্ভাৱনা আছে তাকে আঙুলিয়াই দি সুস্থ পৰিবেশৰ সৃষ্টি কৰিবলৈ সমাজক আহবান জনাইছে। সাহিত্যিক ভৱগিৰী ৰায় চৌধুৰীয়ে "অসমীয়া ভাষা-সাহিত্য আৰু জাতি সত্বাৰ চেতনা" নামৰ এটি প্ৰবন্ধত অসমীয়া জাতি সত্বাৰ মৰ্য্যদা, সমৃদ্ধি আৰু সন্মান বৃদ্ধিৰ উদ্দেশ্য আগত ৰাখি প্ৰতিজন অসমীয়াই অসমীয়া ভাষা সাহিত্যক কালজয়ী কৰিবৰ বাবে দৃঢ় সংকল্প লবলৈ আহবান জনাইছে।

আজিৰ সমাজে নতুন পুৰুষৰ ওপৰত বহুতো আশা কৰে। সমাজে ভাবে নতুন পুৰুষৰ লেখনিৰ যোগেদি সমাজ অগ্ৰসৰ হওঁক, সেয়ে নতুন লেখক-লেখিকাক পৰিবৰ্ত্তিত সমাজৰ লগত সংগতি ৰাখি সাহিত্য ৰচনা কৰিবলৈ সমাজে আহবান জনায়।

বিঃ দ্ৰঃ-প্ৰবন্ধটো ১৯৮৭ চনৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰবন্ধ প্ৰতিযোগিতাত ২য় পুৰস্কাৰপ্ৰাপ্ত।

'সিঁচৰিত হৈ থকা জনজাতীয় ৰাইজক সামৰি এখন জনজাতীয় ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল গঠন কৰাটো সম্ভৱো নহ'ব। মেঘালয়লৈ চাওঁ তাত কি পৰিস্থিতিৰ সৃষ্টি হৈছে। একেলগে থাকোতে যি পৰিস্থিতি হোৱা নাছিল, আজি সেই পৰিস্থিতিৰ সন্মুখীন হৈছে, খাছী, জয়ন্তীয়া আৰু গাৰো ৰাইজে।'

—কীৰ্তিনাথ হাজৰিকা

# আজিৰ উদ্‌ভ্ৰান্ত যুব-মানসিকতাৰ উৎপত্তি
## আৰু
# ইয়াৰ প্ৰতিকাৰৰ উপায়

নীলিমা ডেকা
প্ৰবক্তা, শিক্ষা বিভাগ

মন শব্দৰ পৰাই উৎপত্তি হোৱা মানসিক শব্দৰেই ৰূপান্তৰ মানসিকতা। আকৌ যুবক-যুবা-যুব বুলিলে মনলৈ আহে জীৱনৰ উজ্জ্বলতম সেই সমুখখিনি যত, ফুল-পখিলা আৰু গানৰ মিশ্ৰনেৰে উৎফুল্লিত হৈ থকা সূৰ্য্যসম শক্তি আৰু সাহসৰ মূৰ্ত্তমান প্ৰতীক, হাঁহিভৰা মুখেৰে এদল তৰুণ-তৰুণী—এচাম নতুন পুৰুষ।

কিন্তু যুব-মানসিকতা বোলা শব্দটোৰ মন আৰু যুবক বা নতুন পুৰুষৰ সৈতে সম্পৰ্ক থাকিলেও আজি সেই উৎফুল্লিত যৌবন, ফুল-পখিলা আৰু গানৰ মধুৰ লগনৰ পৰিবৰ্ত্তে কিন্তু আমাৰ মনলৈ ভাঁহি আহে সেইখন ছবি য'ত আমি দেখা পাওঁ এজাক উদ্‌ভ্ৰান্ত, উশৃঙ্খল, হতাশাগ্ৰস্ত, শক্তি আৰু সাহসৰ পৰিবৰ্ত্তে শঙ্কা, সুস্থিৰতাৰ পৰিবৰ্ত্তে অস্থিৰতা আৰু পলে পলে নিঃশেষ হৈ যাব ধৰা এজাক বিপথগামী তৰুণ-তৰুণীৰ দল। আজি দেশে দেশে চৰ্চ্চিত এই বিষয়, সুধী সমাজ আতঙ্কিত আৰু অস্থিৰ এই যুব-মানসিকতাৰ অধঃপতনৰ গুৰি ক'ত এই [illegible] অহৰ্নিশে চিন্তা-চৰ্চ্চা আৰু আলোচনা-পৰ্য্যা[illegible]লোচনাৰ অন্ত নাই। এনেবোৰ চিন্তা-চৰ্চ্চা[illegible] মূৰত আবিৰ্ভূত হোৱা কেইটামান বিশে[illegible] কথাৰ আলোচনা ইয়াত আগবঢ়োৱা হ'ল।

ঘৰখনকেই শিশু এটাৰ জীৱনৰ প্ৰথ[illegible] আৰু প্ৰধান শিক্ষাকেন্দ্ৰ বুলি ধৰা হয় শিশুৱে জন্ম হৈ ডাঙৰ হোৱালৈকে পে[illegible] ঘৰখনৰ পৰিবেশ আৰু ঘৰখনত পোৱা বিভিন্ন অভিজ্ঞতাই তাৰ জীৱনৰ পূৰ্ণ বিকাশৰ প্ৰতি পদে পদে প্ৰভাব পেলায়। সেয়েহে মাক দেউতাকৰ বাদেও ঘৰখনৰ সুস্থ পৰিবে[illegible] ৰক্ষনাবেক্ষণৰ ক্ষেত্ৰত ঘৰখনৰ প্ৰত্যেকজন ব্যক্তিৰেই দায়িত্ব ও কৰ্ত্তব্য অপৰিসীম। ঘৰখনৰ পৰা ওলায়েই শিশুৱে জীৱনৰ দ্বিতীয় পদক্ষেপত পোৱা বিদ্যালয়খনৰ পৰিবেশ যদি ঘৰখনৰ পৰিবেশৰ অনুৰূপ নহয় তেতিয়াই তাৰ কুমলীয়া মনে দুয়োটা পদক্ষেপৰ ভাৰ[illegible] সাম্য বজায় ৰাখিব নোৱাৰি ক্ৰমে ক্ৰমে সকলোকে অবিশ্বাসৰ চকুৰে চাবলৈ আৰম্ভ কৰে। শিশুটোৱে বিদ্যালয়ত শিকিছে 'মদ এবিধ মাদক দ্ৰব্য, মদ খোৱা বেয়া, চুৰ কৰা মহাপাপ' ইত্যাদি। কিন্তু ঘৰলৈ আহি যদি ঠিক তাৰ ওলোটাটোহে দেখিহে অৰ্থাৎ যদি দেখে সন্ধ্যা অৱসৰ বিনোদনৰ নামত দেউতাকৰ হাতত মদৰ পিয়লা আৰু দেউতাকৰ বন্ধুবৰ্গৰ সৈতে ঘৰতেই বহিছে যুৱাৰ আড্ডা নাইবা ল'ৰা-ছোৱালীৰ মৰমতেই সুবিধামতে কাৰ্য্যালয়ৰ পৰা কাগজ, পেঞ্চিল আদি সৰকাই সিহঁতক যোগান ধৰিছেহি নাইবা যিকোনো কথাকে লৈ মাক-দেউতাকৰ মাজত হোৱা বাক্‌বিতণ্ডাই আনকি ঘৰখনৰ সীমা চেৰাই গৈ চুবুৰী পাইছেগৈ আৰু শাসনৰ নামত শিশুটোৰ ওপৰত চলে জধেমধে শাৰীৰিক অত্যাচাৰ, ইত্যাদিবোৰ কথাই কোমলমনৰ শিশুটোৰ মনত প্ৰথমে মানসিক সংঘাট, তাৰ পাছত শংকা দ্বিধাবোধ আৰু শেষত ক্ৰমে ক্ৰমে 'ডাঙৰ হলে ইহতক চাই লম', ইহতক ঠিক মজা দিম আদি নানান ভাবে খেলি মেলিৰ সৃষ্টি কৰি তাক খিঙ্ খিঙীয়া, খিট্ খিটীয়া আৰু পাছত কাৰো কথা মানিব নোখোজা বিদ্ৰোহী ভাবাপন্ন হৈ পৰাত সহায় কৰে। সি হৈ পৰে দুৰ্দ্দান্ত। আমি সততে মনত ৰখা উচিত যে ঘৰখনত মাক-দেউতাক বা ডাঙৰ সকলৰ আৰু বিদ্যালয়ত শিক্ষকজনৰ প্ৰতিটো কথা, শিষ্টাচাৰ, আচাৰ ব্যৱহাৰ আদিয়ে শিশুৰ মনত দকৈ সাঁচ বহুৱায় আৰু সময়ত সেইবোৰৰ প্ৰতিফলন দেখা পোৱা যায়। অৱশিষ্ট আচৰণৰ বিষয়টো আজি বহুজন চৰ্চ্চিত এটা বিষয় হৈ পৰিছে।

সৰুয়ে ডাঙৰৰ কথা নুশুনে, ছাত্ৰই শিক্ষকক অপমান কৰে, ৰাস্তাত আগৰখন যানে বাট আগুৰি গৈ থাকি পিছৰ যান-বাহনবোৰৰ গতিৰোধ কৰাৰ ফলত হোৱা সংঘৰ্ষ, বাটে পথে মহিলাৰ প্ৰতি কৰা অশালীন ব্যৱহাৰ ইত্যাদিবোৰ আজি কালি নিত্যনৈমিত্তিক ঘটনা বা কাৰ্য্যত পৰিণত হৈছে। কিছুদিনৰ আগতে 'আজিৰ অসম' নামৰ বাতৰি কাকতখনৰ বিশেষ শিতান 'বিষয় মানুহ'ৰ যোগেদি প্ৰথিতযশা সাহিত্যিক শ্ৰীহোমেন বৰগোহাঞিদেৱে… 'তুমি আৰু আপুনি' সম্বোধনৰ ব্যৱহাৰৰ কথা উল্লেখ কৰোতে এটি অশিষ্টাচাৰৰ ঘটনাৰ ইঙ্গিত আমাক দিছে যদিও এই কেৰোণটোৰ গুৰি ক'ত বা তাৰ প্ৰতিকাৰৰ উপায় কি সেই বিষয়ে লিখক নিমাত। আমাৰ বোধেৰে এনে মানসিকতাৰ বাবে আমি কেৱল কাৰোবাক দোষাৰোপ কৰিবলৈ নগৈ প্ৰতিকাৰৰ উপায় উলিয়াই কেৰোণবোৰ শুধৰাবলৈ চেষ্টা কৰা উচিত। আমি যথাস্থানত এই বিষয়ে নিজা বক্তব্য দাঙি ধৰাৰ প্ৰয়াস কৰিছোঁ। মূঠতে এটা কথা আমি সততে মনত ৰখা উচিত যে 'জন্ম হওঁতে কোনো শিশুৱেই অপৰাধী হিচাবে জন্ম গ্ৰহণ নকৰে' তাক অপৰাধী হিচাবে সজায় তোলে তাৰ চাৰিওফালৰ অসুস্থ বাতাবৰণ বা পৰিবেশে। প্ৰতিটো মানসিক বিকাৰগ্ৰস্ত আৰু উদ্‌ভ্ৰান্ত, বিপথগামী ল'ৰা-ছোৱালীকেই পৰীক্ষা নিৰিক্ষাৰ পাছত মনোবৈজ্ঞানিক সকলে এই সূত্ৰত উপনীত হৈছে।

আজিৰ যুৱ সমাজক উদ্‌ভ্ৰান্ত কৰিব

পৰা আনবোৰ আহিলা হ'ল যেনে—সস্তীয়া কথাছবি, সস্তীয়া যৌনগন্ধি গল্প-উপন্যাস, Video ৰ মাধ্যমেদি পৰিবেশন কৰা দেশী বিদেশী Blue Film বোৰ, কম আয়াসতে ধন ঘটিব পৰা তীৰ, কাণিভেল, হাউচী, ঝাণ্ডীমুণ্ডা আদি খেলবোৰ আৰু দেশে দেশে নানান ৰূপত, নানান নামেৰে পৰিচিত স্মেক, এল্ এচ্ ডি কেনেবিণ, হাচিচ্, হিৰইন, ককেইন, মাৰিজুৱানা (মেৰী-জেনী) ব্ৰাউন চুগাৰ, ব্লেক পার্ল, মেন্‌ড্ৰেক্স, ভাং আৰু কাণি ইত্যাদি। তাৰোপৰি দিল্লী, বোম্বে আদি মহানগৰী সমূহত গঢ় লৈ উঠা Music School. Dancing School, Massage parlour আদি নামধাৰী বিভিন্ন লোকালয়ত কম আয়াসতে পাব পৰা সুৰা আৰু কামিনীৰ সঙ্গসুখেও যুব-মানসিকতাক বিপথগামী কৰাত যথেষ্ঠ অৰিহণা যোগাইছে। (এইখিনিতে ৩০ অক্টোবৰ, ১৯৮৭ চনৰ 'অসমবাণী'ৰ চিঠিৰ শিতানত দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ জনৈক অৰ্ণৱজ্যোতি ডেকাই লিখা চিঠিখনৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰা হ'ল) আৰু লগে লগে বিশ্বৰ আতঙ্ক A I D S জাতীয় সৰ্ব্বগ্ৰাসী ৰোগে এফালৰ পৰা সমাজখন পঙ্গু কৰি আহিছে। (পৰিসংখ্যা মতে সমগ্ৰ বিশ্বত A I D S ৰোগীৰ সংখ্যা দহ নিযুত জন)

এইবোৰৰ ওপৰিও যুব-মানসিকতাই বিভ্ৰান্ত হৈ হিংসাৰ পথ বাচি লোৱাৰ মূলতেই কব লাগিব যে তেওঁলোকে আজিকালি পদে পদেই অনুভৱ কৰে নিৰাপত্তাৰ অভাব। ছাত্ৰ-শক্তি তথা যুব শক্তিক স্বীকৃতি দিয়াৰ অজুহাতত বিভিন্ন ৰাজনৈতিক দল তথা নেতা সকলৰ দ্বাৰা প্ৰলোভিত আৰু শেষত প্ৰৰোচিত হৈ অনুশোচনাৰ দ্বাৰা নিজৰ কৃতকৰ্মৰ প্ৰায়শ্চিত্ত কৰাৰ মানসিক ভাৰসাম্যতাকনো হেৰুৱাই পেলাইছে ওপৰত উল্লেখ কৰা বিষাক্ত মাদক দ্ৰব্য সমূহ সেবনৰ দ্বাৰা। গতিকে প্ৰতিবাদৰ একমাত্ৰ পথ শাৰীৰিক শক্তিৰ প্ৰদৰ্শন বুলি ভাবি হিতাহিত জ্ঞান শূন্য হৈ যি কোনো হিংসাত্মক কাৰ্য্য কৰিবলৈ কুণ্ঠাবোধ নকৰে। আনহাতেদি আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাও যুব-মানসিকতাক ক্ষিপ্ত কৰি তোলাত আৰু অন্ধকাৰ ভবিষ্যতৰ চিন্তাত হতাশাগ্ৰস্ত হোৱাত অৰিহণা যোগোৱা বুলি বিভিন্ন শিক্ষাবিদ সকলে একমত পোষণ কৰিছে। বিশ্ববিদ্যালয়ৰ উচ্চতম ডিগ্ৰী লোৱাৰ পাছতো কোনো কোনো ক্ষেত্ৰত সেই ডিগ্ৰীয়ে কামত নহাৰ বাবে জন্ম হোৱা মানসিক প্ৰতিক্ৰিয়া আৰু নিৰাপত্তাহীন অন্ধকাৰ ভৱিষ্যতৰ চিন্তাত মুহ্যমান হৈ মানসিক বিকাৰগ্ৰস্ত ৰোগীত পৰিণত হোৱা কিম্বা নিজৰ অস্তিত্ব বাহাল ৰাখিবলৈ প্ৰতিবাদৰ কণ্ঠ ধ্বনিত কৰাৰ বাহিৰে তেওঁৰ সম্মুখত আৰু আন উপায় নাথাকে। দিল্লী বিশ্ববিদ্যালয়ৰ এম, এ (ইংৰাজী) পাঠ্যক্ৰমৰ শ্ৰীসঞ্জীৱ ৰঞ্জন ওজাই Sun কাকতৰ এটা সমীক্ষাত নিজৰ মত দৃঢ়ভাবে আৰু ক্ষোভেৰে ব্যক্ত কৰিছিল এইদৰে— "Large scale frustrations among the students witnessed in their indulgence in various destructive activities bear testimony to this. This waste of



creativity is largely a result of the faulty educational system which produces multilated personalities. Our University education needs a radical charge, not a face-lift." তাৰোপৰি আন এগৰাকী ছাত্ৰ শ্ৰীঅমিল কুমাৰৰ মতে—The University syllabi today is the same as it was ten years ago though the demands of today's world are very different from what day were a decade ago. Today we need people with initiative and practical foresight."

আজিৰ যুব মানসিকতা আৰু আজিৰ পৰা তিনিকুৰি বছৰৰ আগৰ যুৱ মানসিকতাৰ মাজত পাৰ্থক্য, এইখিনি লক্ষ্য কৰা যায় যে তিনিকুৰি বছৰৰ আগৰ যুৱক এজনে চাকৰি এটা গোটাব নোৱাৰিলেও ধন-বিত ভাৰ্ডি, বিষয়াৰ পদুলিয়ে পদুলিয়ে ঘূৰি ফুৰাতকৈ ঘৰত যি এহালিচা মাটি আছে তাতে চন নপৰাকৈ খেতি কৰি যাব। কিন্তু সময়ৰ পাকচক্ৰত পৰি যথাসৰ্ব্বস্ব সেই হালিচা মাটিও নোহোৱাকৈ সৰ্ব্বস্ব হেৰুৱাই নিজৰ অস্তিত্ব বিপদাপন্ন হোৱাৰ পৰত আজিৰ যুৱক এজনে যেনেকৈয়ে নহওঁক কিয় চাকৰিটো লবই লাগিব বুলি 'পিছদুৱাৰ পন্থা' লবলৈও কুণ্ঠা-বোধ নকৰে। কাৰণ চাকৰি এটা নোহোৱা মানেই জীৱিকা নোহোৱা, জীৱিকা নোহোৱা মানেই সমাজৰ চকুত হেয় আৰু অস্তিত্বহীন এক জীৱ আৰু চাকৰি নোহোৱাকৈ নিজৰ অস্তিত্ব জাহিৰ কৰিবলৈ হলে আৱশ্যক হব কোনো 'ঈশ্বৰ পিতৃ' বা 'God father' ৰ কৃপা। এনেদৰেই আৰম্ভ হয় দুৰ্নীতি আৰু শোষণৰ। চৰকাৰে যিমানেই ঘোষণা নকৰক যে যুৱক-যুৱতী সকলক উপযুক্ত ঋণদানেৰে উদ্যোগ গঢ়ি তোলাত সহায় কৰা হব। হতাশাগ্ৰস্ত যুৱক সকলে, আমাৰ অলসতাৰ সুযোগ লৈ আমাৰ চাৰিওফালে গঢ় লৈ উঠা বৃহৎ বৃহৎ শিল্প-প্ৰতিষ্ঠান বিলাকৰ লগত ফেৰ মাৰিব পৰাকৈ মানসিক প্ৰস্তুতিকণো সংগ্ৰহ কৰিব নোৱাৰে। আমাৰ মতে জধেমধে ঋণ বা অনুদান আগবঢ়োৱাৰ আগতে সেই ঋণ বা অনুদান কি উদ্যোগত কেনেকৈ খটুৱাব আৰু নিৰ্দিষ্ট উদ্যোগৰ বিষয়ে উপযুক্ত প্ৰশিক্ষনৰ ব্যৱস্থাহে কৰিব লাগে। নহলে তেনেবোৰ ঋণ বা অনুদানৰ দ্বাৰা আমাৰ প্ৰদেশৰ বাহিৰৰ কিছুমান বিশেষ উদ্যোগ যেনে টি, ভি, ফ্ৰিজ, স্কুটাৰ মটৰ চাইকেল আদিকহে সহায় কৰা হব।

আজিৰ যুব-মানসিকতাই কেৱল দুৰ্নীতি-গ্ৰস্তনে? চাকৰি লোৱা বা বিভিন্ন ঋণ অনুদান আদি লোৱাৰ ক্ষেত্ৰতে কেবল দুৰ্নীতি আৰু অপচয় নে? আৰু এই দুৰ্নীতিপৰায়ণ মনোভাব আজিৰ যুব মানসিকতাৰ এক অঙ্গ হবলৈ পালে কেনেকৈ বা সেই দুৰ্নীতিৰ মাজলৈ যুৱকসকলক যাবলৈ বাধ্য কৰালে কোনে? এই কথাওঁ আমি সুস্থিৰ মস্তিস্কৰে বিবেচনা কৰি চোৱা উচিত।

আমাৰ চাকৰি সমূহ ডিগ্ৰী সৰ্ব্বস্ব হোৱাৰ বাবে যি কোনো প্ৰকাৰে এটা ডিগ্ৰী

লব পাৰিলেই হ'ল এনে মনোবৃত্তিয়ে গঢ় লৈ উঠিছে সমাজত আৰু তাৰেই সুযোগ বা সুবিধা গ্ৰহণ কৰিছে এচাম দুৰ্নীতিপৰায়ণ কৰ্মচাৰীয়ে। পৰীক্ষাৰ প্ৰশ্নকাকতৰ চোৰাং ব্যৱসায় নাইবা ভুৱা প্ৰমাণ পত্ৰ আৰু ভুৱা নম্বৰ তালিকা যোগানৰ দ্বাৰা পৰীক্ষাত অকৃতকাৰ্য্য হোৱা ছাত্ৰ-ছাত্ৰীয়ও কৃতকাৰ্য্যতা লাভ কৰা আদি ঘটনা ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰে আমাৰ অসমতো আজিকালি সঘনে ঘটিবলৈ লৈছে। অলপতে, উজনি অসমৰ এখন মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯ গৰাকী ছাত্ৰ-ছাত্ৰীক এনে ভুৱা প্ৰমাণ পত্ৰৰ দ্বাৰা নাম ভৰ্তি কৰোৱাৰ অপৰাধত দোষী সাব্যস্ত কৰা হৈছে আৰু বিদ্যালয়ৰ পৰা বিদায় লৈ হাজোতত বাস কৰিব লগাত পৰিছে। শিক্ষা জগতত ই এটি কলঙ্কিত অধ্যায়। এনে দুৰ্নীতিৰ কথা আগতে আমি অসমৰ বাহিৰৰ অন্যান্য প্ৰদেশৰ ক্ষেত্ৰতহে শুনিবলৈ বা কাকতে পত্ৰে পঢ়িবলৈ পাইছিলোঁ। এই সন্দৰ্ভত ১৯৮৫ চনৰ ১৯ মে' তাৰিখৰ 'Sunday' আলোচনীত প্ৰকাশিত How Education Ruins Merit in Bihar নামৰ বিশেষ নিবন্ধটিৰ কথা উল্লেখ কৰাতো সময়োচিত হব বুলি ভাবিলোঁ।

আজিৰ যুৱক-যুৱতী বা ছাত্ৰ-ছাত্ৰীসকলেই যিহেতু ভবিষ্যতৰ দেশৰ ধৰণী স্বৰূপ গতিকে দেশৰ মঙ্গলা-মঙ্গল চিন্তা কৰাৰ দায়িত্ব আৰু কৰ্তব্য তেওঁলোকৰো। আকৌ আনহাতেদি ভবিষ্যতৰ এই নাগৰিক সকলৰো থাকিব পৰা নিজা বক্তব্য বা মতামতৰ প্ৰতিও কৰ্ণপাত কৰিব লাগি আৰু তেওঁলোকৰ সুস্থ চিন্তাধাৰা বা বলিষ্ঠ মতবাদক শ্ৰদ্ধা জনাব প মানসিকতা আমাৰ থাকিব লাগিব তেতিয়া এটা বুজাপৰাৰ মাজত সমাজখন সুন্দৰভা সজাব পৰা যাব। এই সম্পৰ্কত ভাৰত প্ৰাক্তন শিক্ষামন্ত্ৰী শ্ৰীযুত এম্ চি, চাগ মহোদয়ৰ মতামত এনে ধৰণৰ—"Studen (youths) are the bed rock of o country's progress. Only redres of their grivences can put an en to the vieious circle of studen unrest." আৰু "The inability of th authorities both public and academi results in students induiging in ac of hooliganism and restoring t strikes and destruction."

তাৰোপৰি carriers or courses নাম আলোচনীখনৰ প্ৰাক্তন সম্পাদক Mr. A.C goyle এ আজিৰ পৰা প্ৰায় ২৫ বছৰ মান আগতেই ভাৰতত ক্ষিপ্ৰ গতিৰে গঢ়লৈ উঠ ছাত্ৰ আন্দোলন তথা পৰিবৰ্ত্তিত যুব মানসি কতালৈ লক্ষ্য ৰাখি এইদৰে মন্তব্য কৰিছিল —"There are only two ways to dea with and check the student indis cipline. Firstly, all their legilimat demands should be met forthwit and their grievances redressed a soon as possible. Secondly, the should not be treated as a privilege group if they resort to acts o violence." ছাত্ৰ সকল বা যুবক সকল প্ৰতিবাদ বা আন্দোলনৰ প্ৰতি সমৰ্থিত তেখেতৰ আন্তৰিকতাপূৰ্ণ মন্তব্যৰ লগতে দেশৰ আইন শৃংখলা আৰু নীতি নিয়ম ৰক্ষাৰ ক্ষেত্ৰত যুবক তথা ছাত্ৰ সমাজো সচেতন থাকিব লাগে তাৰ ইঙ্গিত দিছিল এইদৰে— "To agitate peacefully for bringing demands or grievances to the notice of the administration is the right of everyone. Resorting to vandalism becomes a law order problem and the police has to deal with it. Let the students understand that they get no sympathy to their cause if they resort to hooliganism and destroy public or private property. The students are future guardians of the nation and they should feel this responsibility. They must respect the role of law."

আজিৰ এই বিপথ গামী যুব মানসিকতাৰ বিপৰীতে যে অতি প্ৰতিভাবান যুবক যুবতীৰ আবিৰ্ভাব হোৱা নাই আৰু তেনে প্ৰতিভাবান যুবক যুবতীৰ দ্বাৰা সৃষ্ট বস্তুৱে পৃথিবীৰ দৃষ্টি আকৰ্ষণ কৰা নাই এনে নহয়। এই ক্ষেত্ৰত নিঃসন্দেহে চণ্ডীগড়ৰ যুবক ছাত্ৰ শ্ৰীপ্ৰশান্ত পুৰীৰ নাম উল্লেখ কৰিব পাৰি, যি অতি কম বয়সতে ইনডৰ টি, ভি এণ্টেনা, বাৰ্গলাৰ এলাৰ্ম, এচেমবলড্ ৱায়াৰলেছ ছেট আদি বিভিন্ন বস্তু আবিষ্কাৰ আৰু প্ৰস্তুত কৰি সমগ্ৰ বিশ্বকেই চমক খুৱাইছে। অসমতো শিক্ষা-দীক্ষা আৰু খেলা-ধূলাৰ জগতখনতো নতুন নতুন সৰ্ব্বভাৰতীয় প্ৰতিভাৰ উদয় হোৱা পৰিলক্ষিত হৈছে। ই আমাৰ বাবে অতি সুখৰ বিষয়। এইদৰে দেশৰ চুকে কোণে থকা হেজাৰজন প্ৰতিভাশালী যুবক-যুৱতী বিচাৰি উলিয়াই উপযুক্ত প্ৰশিক্ষন আৰু সাহাৰ্য্য দিব পাৰিলে আমাৰ দেশে বিভিন্ন ক্ষেত্ৰত আগুৱাই যাব পাৰিব।

আজিৰ যুব-মানসিকতা কিয় বিপথ গামী হবলৈ পালে সেই কথা ভালদৰে বিচাৰ কৰি চাই তাৰ প্ৰতিকাৰৰ উপায়ো যদি লগতে বিচাৰি উলিয়াবলৈ যত্নবান হওঁ তেতিয়াহলে অহা একবিংশ শতিকাটো আমাৰ বাবে অতি সুন্দৰ আৰু মধুৰ হৈ পৰিব। প্ৰতিজন অভিভাবকৰে কৰ্তব্য আৰু দায়িত্ব হ'ল নিজ নিজ সন্তানৰ পঢ়া-শুনা, চাল-চলন, আচাৰ ব্যৱহাৰ আৰু স্বাস্থ্যৰ প্ৰতি নজৰ ৰখা। যদি উপযুক্ত সময়ত উচিত ব্যৱস্থা লোৱা নহয়, যদি Go of the day বা যুগৰ লগত খাপ খাবলৈ ৰুচি বিগহিত হলেও সাজ পোছাক পিন্ধিবলৈ, নিজৰ সংস্কৃতিৰ কথা পাহৰি আনৰ সংস্কৃতি আৰু আদব কায়দাৰ অক্ষম অনুকৰণ কৰিবলৈ এৰি দিয়া হয় তেতিয়া নিজৰ সৰ্ব্বস্ব হেৰুৱাই, ভুচুংপহু সাজি সৰ্ব্বহাৰাৰ দৰে হিয়া ধুনী "কওঁ কোন স'তে, নিজৰে ঘৰতে আলহী হলো মই কিয় ? বুলি গীত জোৰাৰ বাদে অন্য উপায় নাথাকিব। কিন্তু তাকে হবলৈ নিদি যদি নিজৰ সংস্কৃতি ৰক্ষাৰ লগতে আনৰ সংস্কৃতিৰ প্ৰতিও শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ আজিৰ যুবক যুবতী সকলক

লব পাৰিলেই হ'ল এনে মনোবৃত্তিয়ে গঢ় লৈ উঠিছে সমাজত আৰু তাৰেই সুযোগ বা সুবিধা গ্ৰহণ কৰিছে এচাম দুৰ্নীতিপৰায়ণ কৰ্মচাৰীয়ে। পৰীক্ষাৰ প্ৰশ্নকাকতৰ চোৰাং ব্যৱসায় নাইবা ভুৱা প্ৰমাণ পত্ৰ আৰু ভুৱা নম্বৰ তালিকা যোগানৰ দ্বাৰা পৰীক্ষাত অকৃতকাৰ্য্য হোৱা ছাত্ৰ-ছাত্ৰীয়ও কৃতকাৰ্যতা লাভ কৰা আদি ঘটনা ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰে আমাৰ অসমতো আজিকালি সঘনে ঘটিবলৈ লৈছে। অলপতে, উজনি অসমৰ এখন মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯ গৰাকী ছাত্ৰ-ছাত্ৰীক এনে ভুৱা প্ৰমাণ পত্ৰৰ দ্বাৰা নাম ভৰ্তি কৰোৱাৰ অপৰাধত দোষী সাব্যস্ত কৰা হৈছে আৰু বিদ্যালয়ৰ পৰা বিদায় লৈ হাজোতত বাস কৰিব লগাত পৰিছে। শিক্ষা জগতত ই এটি কলঙ্কিত অধ্যায়। এনে দুৰ্নীতিৰ কথা আগতে আমি অসমৰ বাহিৰৰ অন্যান্য প্ৰদেশৰ ক্ষেত্ৰতহে শুনিবলৈ বা কাকতে পত্ৰে পঢ়িবলৈ পাইছিলোঁ। এই সন্দৰ্ভত ১৯৮৫ চনৰ ১৯ মে' তাৰিখৰ 'Sunday' আলোচনীত প্ৰকাশিত How Education Ruins Merit in Bihar নামৰ বিশেষ নিবন্ধটিৰ কথা উল্লেখ কৰাতো সময়োচিত হব বুলি ভাবিলোঁ।

আজিৰ যুবক-যুবতী বা ছাত্ৰ-ছাত্ৰীসকলেই যিহেতু ভবিষ্যতৰ দেশৰ ধৰণী স্বৰূপ গতিকে দেশৰ মঙ্গলা-মঙ্গল চিন্তা কৰাৰ দায়িত্ব আৰু কৰ্তব্য তেওঁলোকৰো। আকৌ আনহাতেদি ভবিষ্যতৰ এই নাগৰিক সকলৰো থাকিব পৰা নিজা বক্তব্য বা মতামতৰ প্ৰতিও কৰ্ণপাত কৰিব লাগি আৰু তেওঁলোকৰ সুস্থ চিন্তাধাৰা বা বলিষ্ঠ মতবাদক শ্ৰদ্ধা জনাব প[...] মানসিকতা আমাৰ থাকিব লাগিব তেতিয়া[...] এটা বুজাপৰাৰ মাজত সমাজখন সুন্দৰভা[...] সজাব পৰা যাব। এই সম্পৰ্কত ভাৰত[...] প্ৰাক্তন শিক্ষামন্ত্ৰী শ্ৰীযুত এম্ চি, চাগ[...] মহোদয়ৰ মতামত এনে ধৰণৰ—"Student (youths) are the bed rock of ou[r] country's progress. Only redress of their grivences can put an en[d] to the vicious circle of student unrest." আৰু "The inability of th[e] authorities both public and academi[c] results in students indulging in act[s] of hooliganism and restoring t[o] strikes and destruction."

তাৰোপৰি carriers or courses নাম[ৰ] আলোচনীখনৰ প্ৰাক্তন সম্পাদক Mr. A.C[...] goyle এ আজিৰ পৰা প্ৰায় ২৫ বছৰ মান আগতেই ভাৰতত ক্ষিপ্ৰ গতিৰে গঢ়লৈ উঠ[া] ছাত্ৰ আন্দোলন তথা পৰিবৰ্তিত যুব মানসি[...] কতালৈ লক্ষ্য ৰাখি এইদৰে মন্তব্য কৰিছিল [...] —"There are only two ways to dea[l] with and check the student indiscipline. Firstly, all their legilimat[e] demands should be met forthwit[h] and their grievances redressed a[s] soon as possible. Secondly, the[y] should not be treated as a privileged group if they resort to acts o[f] violence." ছাত্ৰ সকল বা যুবক সকল[...] প্ৰতিবাদ বা আন্দোলনৰ প্ৰতি সমৰ্থিত তেখেতৰ আন্তৰিকতাপূৰ্ণ মন্তব্যৰ লগতে দেশৰ আইন শৃঙ্খলা আৰু নীতি নিয়ম ৰক্ষাৰ ক্ষেত্ৰত যুবক তথা ছাত্ৰ সমাজো সচেতন থাকিব লাগে তাৰ ইঙ্গিত দিছিল এইদৰে— "To agitate peacefully for bringing demands or grievances to the notice of the administration is the right of everyone. Resorting to vandalism becomes a law order problem and the police has to deal with it. Let the students understand that they get no sympathy to their cause if they resort to hooliganism and destroy public or private property. The students are future guardians of the nation and they should feel this responsibility. They must respect the role of law."

আজিৰ এই বিপথ গামী যুব মানসিকতাৰ বিপৰীতে যে অতি প্ৰতিভাবান যুবক যুবতীৰ আবিৰ্ভাব হোৱা নাই আৰু তেনে প্ৰতিভাবান যুবক যুবতীৰ দ্বাৰা সৃষ্ট বস্তুৱে পৃথিবীৰ দৃষ্টি আকৰ্ষণ কৰা নাই এনে নহয়। এই ক্ষেত্ৰত নিঃসন্দেহে চণ্ডীগড়ৰ যুবক ছাত্ৰ শ্ৰীপ্ৰশান্ত পুৰীৰ নাম উল্লেখ কৰিব পাৰি, যি অতি কম বয়সতে ইনডৰ টি, ভি এণ্টেনা, বাৰ্গলাৰ এলাৰ্ম, এচেমবলড্ ৱায়াৰলেছ ছেট আদি বিভিন্ন বস্তু আবিষ্কাৰ আৰু প্ৰস্তুত কৰি সমগ্ৰ বিশ্বকেই চমক খুৱাইছে। অসমতো শিক্ষা-দীক্ষা আৰু খেলা-ধূলাৰ জগতখনতো নতুন নতুন সৰ্ব্বভাৰতীয় প্ৰতিভাৰ উদয় হোৱা পৰিলক্ষিত হৈছে। ই আমাৰ বাবে অতি সুখৰ বিষয়। এইদৰে দেশৰ চুকে কোণে থকা হেজাৰজন প্ৰতিভাশালী যুবক-যুবতী বিচাৰি উলিয়াই উপযুক্ত প্ৰশিক্ষন আৰু সাহাৰ্য্য দিব পাৰিলে আমাৰ দেশে বিভিন্ন ক্ষেত্ৰত আগুৱাই যাব পাৰিব।

আজিৰ যুব-মানসিকতা কিয় বিপথ গামী হবলৈ পালে সেই কথা ভালদৰে বিচাৰ কৰি চাই তাৰ প্ৰতিকাৰৰ উপায়ো যদি লগতে বিচাৰি উলিয়াবলৈ যত্নবান হওঁ তেতিয়াহলে অহা একবিংশ শতিকাটো আমাৰ বাবে অতি সুন্দৰ আৰু মধুৰ হৈ পৰিব। প্ৰতিজন অভিভাবকৰে কৰ্ত্তব্য আৰু দায়িত্ব হ'ল নিজ নিজ সন্তানৰ পঢ়া-শুনা, চাল-চলন, আচাৰ ব্যৱহাৰ আৰু স্বাস্থ্যৰ প্ৰতি নজৰ ৰখা। যদি উপযুক্ত সময়ত উচিত ব্যৱস্থা লোৱা নহয়, যদি Go of the day বা যুগৰ লগত খাপ খাবলৈ ৰুচি বিগৰ্হিত হলেও সাজ পোছাক পিন্ধিবলৈ, নিজৰ সংস্কৃতিৰ কথা পাহৰি আনৰ সংস্কৃতি আৰু আদব কায়দাৰ অন্ধ অনুকৰণ কৰিবলৈ এৰি দিয়া হয় তেতিয়া নিজৰ সৰ্ব্বস্ব হেৰুৱাই, ভুচুংপহু সাজি সৰ্ব্বহাৰাৰ দৰে হিয়া ধুনী "কওঁ কোন স'তে, নিজৰে ঘৰতে আলহী হলো মই কিয়? বুলি গীত জোৰাৰ বাদে অন্য উপায় নাথাকিব। কিন্তু তাকে হবলৈ নিদি যদি নিজৰ সংস্কৃতি ৰক্ষাৰ লগতে আনৰ সংস্কৃতিৰ প্ৰতিও শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ আজিৰ যুবক যুবতী সকলক

শিক্ষা দিও তেতিয়া হলে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ পৰিকল্পনাৰ 'বৃহত্তৰ সোণৰ অসমখন আমিয়েই বাস্তৱত ৰূপ দিবলৈ সক্ষম হম। উঠি অহা যুৱক যুৱতী সকলে যাতে সময়ৰ অপব্যৱহাৰ কৰিবলৈ নিশিকে আৰু অলস মগজুত যাতে 'ভূতে বাহ সাজিবলৈ সুবিধা নাপায় তাৰ প্ৰতি পদে পদে সজাগ দৃষ্টি ৰখা উচিত আৰু অভিনয়, নৃত্য-গীত, ছবি আঁকা মূৰ্তিসজা আদি সুকুমাৰ কলাৰ লগতে খেলা-ধূলা আদিৰ প্ৰতিও তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিব লাগে। দেশে দেশে পতা যুৱ-মহোৎসৱ, সাংস্কৃতিক বিনিময় শিবিৰ আৰু যুৱক যুৱতী সকলৰ আগবঢ়োৱা Package tour আদিয়েও মনৰ দিগন্ত প্ৰসাৰিত হোৱাত সহায় কৰাৰ লগতে বিশ্ব-প্ৰেম তথা বিশ্ব ভ্ৰাতৃত্ব গঢ়ি তোলাত ইন্ধন যোগায়। এনে মহৎ কাৰ্য্য ফলৱতী কৰিবলৈ হলে সকলোৰে সজ্ঞ প্ৰচেষ্টাৰ আৱশ্যক কাৰণ দেশখন সৰ্ব্বাঙ্গ সুন্দৰ কৰি ৰখাৰ দায়িত্ব আৰু কৰ্ত্তব্য আমাৰ সকলোৰে।

সময়ে সময়ে কলিকতাৰ কাকত সমূহত, দি থকা 'আপনাৰ সন্তানটি কি ড্ৰাগ এডিকটেড ? জাতীয় বিজ্ঞাপনৰ লেখিয়া সতৰ্কবাণীৰ দৰে আমাৰ কাকত সমূহেও আগ ভাগ ললে মাদক দ্ৰব্যৰ অপকাৰিতাৰ প্ৰতি যুৱ সমাজক সচেতন কৰিব পৰা যাব বুলি আশা কৰিব পাৰি। এই ক্ষেত্ৰত অৱশ্যে অসমৰ এখন দৈনিক কাকত 'আজিৰ অসমে' কিছুদিন ধৰি এই বিষয়টো লৈ চিন্তা-চৰ্চ্চা কৰা পৰিলক্ষিত হৈছে। তাৰে'পৰি যোৱা ২০ নৱেম্বৰ '৮৭ তাৰিখে ড° এচ্, চি দত্তৰ পৰিচালনাত গুৱাহাটীৰ কটন কলেজত মাদক দ্ৰব্যৰ আসক্তি, আৰু শিক্ষা' আৰু লায়ন্স ক্লাবচ্ ইণ্টাৰনেচনেল'ৰ আহবান ক্ৰমে Drugs awarenen and education" শীৰ্ষক এলানি আলোচনা চক্ৰ হৈ যায়। আকৌ United social cultural society Guwahati ৰ উদ্যোগত যোৱা ৩০ জানুৱাৰী তাৰিখে হৈ যোৱা ড্ৰাগ বিৰোধী অভিযানে' বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতী সকলক মাদক দ্ৰব্যৰ অপকাৰিতা সম্পৰ্কে সচেতন কৰিবলৈ চেষ্টা কৰে। আন ৰাজ্যৰ তুলনাত কিছু পলমকৈ হলেও হোৱা এনে সচেতনতা বা জাগৰণে যে আমাৰ সমাজৰ মহৎ উপকাৰ সাধিব তাত কোনো সন্দেহ নাই।

যুৱ মানসিকতা উদ্ভ্ৰান্ত নহৈ শান্ত, উৎশৃঙ্খল নহৈ শৃংঙলাবদ্ধ আৰু হতাশা গ্ৰ নহৈ আশাৰে পৰিপূৰ্ণ আৰু সজীৱ হলেহে গোটেই জগতখন মঙ্গলময় আৰু সৰ্ব্বাঙ্গ সুন্দ হব সেই কথা তেওঁলোকক হৃদয়ঙ্গম কৰি দিব লাগে আৰু তেওঁলোকক বুজাব লাগে—

'Laugh, and the world laugh with you
weep and you weep alone.'

❋





# ঃ এমুঠি কবিতা ঃ

## পৰাধীন

শ্ৰীভাস্কৰ কলিতা
স্নাতক ২য় বৰ্ষিক (কলা)

তাইৰ ঠেটুঁৱৈ ধৰা অনুযোগত সিহঁতে বিলাই নিজকে
একে সাঁচত কটা সিহঁতৰ দেহ
সিহঁতে আজি বুজে বন্ধ পৃথিৱীৰ বতাহ
সিহঁতৰ হৃৎপিণ্ডত খামোচি আছে।
কিমান বতাহৰ সূতিক ভেটা দিব
একোটা জীয়া মানুহৰ নেলু কাটি,
যি বতাহত মিহলি হয় উন্মীলিত আকাশ,
অব্যক্ত কথাৰ প্ৰতিধ্বনি আকাশৰ স্পন্দনত বাজে
যি আকাশ চাই চাই সিহঁতে শিকে অতীত।

## যোগসূত্ৰ

যুদ্ধ লাগিলে যোগসূত্ৰ আহি পৰে
অতীতৰ পৰা বৰ্ত্তমান,
বহু হেপাহৰ অন্তত ইতিহাসৰ
পাঠোদ্ধাৰ নেওচা দি সাহিয়াল কৰে।
কণ্ট আজিত যুদ্ধৰ সোৱাদত
মেঠোন শিঙিয়া পাহাৰ গহবৰত পূৰ্বপ্ৰতিধ্বনিৰ ৰিং
ওলাই আহে ন-ন মৰণাস্ত্ৰৰ প্ৰয়োগত।
যুদ্ধ সি দেখা পায় অবুজ মৃত্যুত,
যোগসূত্ৰ ৰাখি শ্ৰুতলিপি লিখে ইতিহাসৰ,
সাঁচি ৰাখে বংশ বিৱৰ্তনৰ বিহকাঁড়ত।

## উদ্ধৃতিৰ পৰা

যুদ্ধ এখনত সত্যৰ মৃত্যু আৱশ্যম্ভাৱী
সাতামপুৰুষীয়া খাৰঘৰীয়াৰ বাৰুদৰ চোতাল,
সূৰ্য্যৰ পিচত লৰি চোলাধৰাৰ বিষাল ঠেঙাল,
আৱহমানৰ পিছ দুৱাৰত তোৰণ জাতিস্মৰ।
কীচক অস্ত্ৰৰ প্ৰতিবিম্বত মৃত্যুৰ ছাঁ
সেই মৃত্যুত ক'লা আখৰৰ ইতিহাসে বিনাই
হীনমন্য একোটা ক্ষুদ্ৰ জাতিৰ মোমাই কটা বীৰ.
শবাইঘটীয়া চাউনীৰ আঁৰে আঁৰে এন্ধাৰ বালি,
যুদ্ধ চলে একোটা মৃত্যুৰ ফিৰিঙতিত
মৃত্যুৰ শব্দত বাজি ৰয় আজীৱন হেৰুওৱাৰ প্ৰতিশ্ৰুতি।

×××

## ॥ মন তোমাক ॥

শ্ৰীকিশোৰ কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

(ক)

মোৰ পিংগল আঙুলি,
তোমাৰ প্ৰতিচ্ছবি,
ইউৰেকা, ইউৰেকা………….
মোৰ জী থকাৰ প্ৰেৰণা।

(খ)

মোক তুমি সন্ধিয়াৰ সূৰ্য্যাস্তৰ কথা নকবা
তোমালৈ মনত পৰে,
'হৃদয়খনো' মৰহি গ'ল……
'বিবেকৰটো' কাহানিবাই মৃত্যু হ'ল,
তুমিটো নুবুজা, মোৰ দুখবোৰ।

(গ)

পুনৰ দোহাৰো,………
শব্দৰ নহয়,
তোমাৰ হৃদয়ৰ প্ৰয়োজন,
জী থাকিবলৈ মোক।



## নিশাৰ আৰ্ত্তনাদ

শ্ৰীপৰমেশ্বৰ শৰ্মা
স্নাতক, ১ম বৰ্ষ
( কলা )

এন্ধাৰ নিশাৰ নীৰৱতা
ভেদ কৰিছিল
এটি কৰুণ বিননিয়ে।
ভাহি উঠিছিল
দুচকুত মোৰ
দাৰিদ্ৰ্যপীড়িত
এখনি মলিন মুখ।
মোৰ কাণত বাজি উঠিছিল
এটি শোকাৰ্ত্ত আৰ্ত্তনাদ;
ক্ষুধাৰ জ্বালাত
বিনাইছিল
হাড়-ছাল ওলোৱা
নিশকতীয়া এজন শিশুৱে,
পিতৃ-মাতৃ হাৰা
এই শিশুক
কমকৈ হলেও লাগে এমুঠি অন্ন।
মাজ নিশাৰ এই আৰ্ত্তধ্বনিত
কঁপি উঠিছিল —
মোৰ হৃদয়।
আদ্ৰিত মোৰ দুনয়ন —
আৰু এক বিনিদ্ৰ ৰজনী।

# তিনিটা ভ্ৰান্তি

ফিৰোজ হুছেইন,
উ. মা, ২য় বৰ্ষ (কলা)

মন্দিৰৰ চোতালত মগনীয়াটোৰ
কোটৰগত চকুহালত দেখিলোঁ
বিংশ শতিকাৰ বিজ্ঞানৰ চাঞ্চল্য।
তীব্ৰবেগে আগবাঢ়িছে মহাকাশ যান
সিয়েই স্বাক্ষৰ বহন কৰিছে
সুসভ্য মানৱৰ মানদণ্ড।

× × × ×

সুন্দৰী পৃথিবীৰ ৰূপসুধা পান কৰি
ৰাজ পথেৰে আগবাঢ়িছোঁ।
অট্টালিকাৰ ছাঁ গছকি—
ৰাজমহলত প্ৰৱেশ কৰা
সুৰক্ষিত নেতাজনলৈ চকু দিওঁতেই
হঠাৎ উজুতি খাই দেখিলোঁ—
ফুট পাথত পৰি থকা বেমাৰীটোৰ মুখত
সোমাই গ'ল এটা ভেনা মাখি।

× × × ×

ৰিণি ৰিণি শুনিছোঁ
এটা বহুদিনৰ চিনাকী সুৰ
শিল্পীজন কেনে মহান, অদ্বিতীয়।
সুৰৰ গৰাকীক দেখি মই অনুতপ্ত
(তেওঁ) নাঙঠ হ'ই কান্দি আছে
মাকৰ আঁচলত ধৰি।



# স্বাধীনতা

শ্ৰীহলধৰ দাস,
স্নাতক, ২য় বৰ্ষ (বিজ্ঞান)

প্ৰাপ্যৰ দাবীত পুত্ৰহাৰা হোৱা মাতৃৰ কান্দোনত
আহত নিশাটোত সাৰ পায় মই,
তোমাক বহুবাৰ বিচাৰিছোঁ
কোনোবা অনাহাৰী কৃষকৰ হৃদয়ত,
কিম্বা শাসন-যন্ত্ৰৰ ৰীতিনীতিৰ মেৰপাকত।
কিন্তু তুমিতো তাত নাই!
'৪৭ৰ কোনোবা এটা দিনত
তোমাৰ স'তে মোৰ চিনাকী বুলি
লিখা আছে।
মোৰ বিপ্লবী জীৱনৰ দিনলিপিৰ
টোকা বহীবোৰত।
আৰু লিখা আছে
জালিওঁনাবাগ, হাদিৰাচকী আৰু শৰাইঘাটৰ
মাটিত; সেয়ে
অনাহাৰত চট্ ফট্ কৰিও উজাগৰী নিশা
স্লিপিং টেব্লেট্ বিচৰা শিক্ষিত নিবনুৱাৰ দৰে
কম্ৰেড্ৰ শ্লোগান দিয়া ৰাজনৈতিক নেতাজনক
মই সুধিব বিচাৰিছোঁ —
স্বাধীনতা এতিয়া ক'ত?
কাৰোবাৰ অট্টালিকাৰ চৌহদত
নে ৰাষ্ট্ৰীয় পতাকাৰ তিনিটা ৰঙত??

# প্ৰত্যাহ্বান

শ্ৰীপবিন শৰ্মা
স্নাতক ১ম বৰ্ষ (কলা)

কঠিন দুঃখৰ পীড়াই
এতিয়া আমাৰ জীৱনৰ অৰ্থ গভীৰ কৰিছে।
প্ৰত্যাহ্বান লৈ সাহসৰে
ক্ষুৰধাৰ সময়ৰ সন্মুখীন হৈছো।
কাঁইটীয়া পথৰ দুৰ্গম যাত্ৰাৰ
গ্লানিয়ে হাৰ মানিছে, —
মৃত্যুঞ্জয়ী চেতনাৰ সংগ্ৰামী সংকল্পত।
ইস্পাতৰ দৰে কঠিন কৰিছো মানুহৰ
সহজ অনুভূতি। চকুত পানী নাই
অগ্নিময় গলিত লাভাৰ উত্তাপত
শেষ হৈ গৈছে অৰ্থহীন যন্ত্ৰণাৰ চীৎকাৰ।
সমস্যাৰ দণ্ডকাৰণ্যত
যাতনাৰ ধুমুহাই বাৰে বাৰে
কাটি কাটি ভাঙি গৈ আছে—
জীৱন-জটায়ুৰ পাখী।
নিগৰি পৰা তেজৰ চেকুৰাত ক্ষণে ক্ষণে
প্ৰজ্বলিত হৈছে প্ৰতিবাদৰ
দুৰ্ব্বাৰ দুৰন্ত আৰ্তনাদ।
মৃত্যুৰ কোনো ভীতিয়ে এতিয়া
আমাক পৰাস্ত কৰিব নোৱাৰে।
দাহনৰ কি গভীৰ জ্বালাই পুৰি পুৰি
উত্তাপিত কৰিলে আমাৰ হৃদয়।
সেই হৃদয় এতিয়া অগ্নিময়
সূৰ্য্য শক্তিৰ জ্বলন্ত।
যিয়ে আমাক চিৰদিন চিৰকাল
বঞ্চনা কৰিলে ঃ
জন্তুৰ দৰে আমাক অস্পৃশ্য কৰিলে
ক্ষত-বিক্ষত কৰিলে আইৰ দেহ
শোষণৰ নগ্ন নাগপাশে বান্ধি থলে
ফুলকুমলীয়া শিশুৰ হাঁহি—
যিয়ে আমাক এমুঠি ভাত,এটুকুৰা কাপোৰৰ পৰ
বঞ্চিত কৰিলে, প্ৰতাৰণা কৰিলে–লাঞ্চিত মানুহৰ
দাসত্বৰ শিকলি পিন্ধাই দি–ভেৰণীয়া ৰংকুকুৰে
খেদি লৈ ফুৰালে পথাৰৰ পৰা কাৰখানালৈ
কাৰখানাৰ পৰা ৰাস্তালৈ।
যিয়ে আমাক চলনাৰে হাঁহি ওঠত তুলি দিলে
কৰ্কট কালৰ দুৰাৰোগ্য নৰক যন্ত্ৰণা।
সিহঁতৰ বিৰুদ্ধে প্ৰচণ্ড ঘৃণা আৰু ক্ষোভ আছে
অন্ধকাৰৰ আঁৰে আঁৰে এনেদৰে ফালিচিৰি
থৈ যায় আমাৰ জীৱন।
চিপজৰীত ওলমি ৰয় আমাৰ স্বপ্ন, আমাৰ আশা
ত্ৰিশঙ্কুৰ নৰকত।
জীৱনৰ গভীৰ অৰ্থই বিদ্ৰোহ কৰে
মৃত্যুৰ স'তে।
নিৰস্ত্ৰ ৰাতিৰ হুমুনিয়াহ, অন্ধকাৰৰ
কাৰাগাৰ জ্বলাই জ্বলাই আমি আহি
আছো দেশে দেশে তেজেৰে সূৰ্য্যমুখী ফুলায়।
চেতনাত এতিয়া বিশাল ক্ৰুদ্ধ সূৰ্য্যৰ
ৰণহুংকাৰ। কঠিন দৃঢ়তাৰ কি অগ্নিময়
জ্বলন্ত উত্তাপ !!!



# প্ৰেৰণাৰ উৎস

শ্ৰীধনেশ্বৰ ৰয়
উঃমাঃ ১ম বৰ্ষ
( কলা )

সুশীতল হাতৰ পৰশ বুলাই বুলাই
তুমি জানো মোক টোপনিৰ কোলাত নুশুৱাবা ?
মই আজি শ্ৰান্ত, ক্লান্ত অশান্ত !
মোৰ এই দেউলীয়া জীৱনৰে পৰা
নাজানো মই কিয় গৈ আছোঁ —;
উটি ভাহি অপাৰ অনন্ত সাগৰলৈ —
তুমি জানো মোক উভতাই নানিবা
অনন্ত সাগৰৰ নিঠুৰ গ্ৰাসৰ পৰা ?
তুমি জানো নাহিবা মোৰ এই
মৰহি যোৱা হৃদয়-বনত ফুলাবলৈ এপাহি পাৰিজাত
তুমি জানো মোৰ প্ৰেৰণাৰ অংকুৰ নহবা ?
জগই নুতুলিবা ধলপুৱাতে;
পুঁৱতিৰ স্নেহ জালি হ'ই —
নোকোৱা কিয় ?
হে মোৰ প্ৰেৰণাৰ উৎস !

# নৱ-চেতনা

মিছ অঞ্জলী ডেকা
স্নাতক ২য় বৰ্ষ
( কলা )

যেতিয়াই ভাবিছিলোঁ
অন্যায়ৰ প্ৰতিবাদ কৰিম
চুৰিৰে কিংবা ৰিভলভাৰেৰে
তেতিয়াই —
ঠিক তেতিয়াই অন্তৰাত্মাই
কাণে কাণে মোক কৈছিল, —
"চুৰি কিংবা ৰিভলভাৰ এৰি কলমেৰে
অন্যায়ৰ পথ অৱৰুদ্ধ কৰা বান্ধে।"
এতিয়া ভাবিছোঁ —
কলমৰ নিবটো যদি চিগি নাযায়,
কাগজৰ মূল্যবৃদ্ধি যদি নহয়
অন্তৰৰ তীব্ৰভাবানুভূতিৰে
অন্যায়ৰ বুকু বিদীৰ্ণ কৰি
জয় কৰি আনিম এখন
নিকা, নিভাজ, প্ৰকৃত নতুন সমাজ।

×××



# সোণোৱালী সূৰ্য্য

শ্ৰীহিৰেন্দ্ৰ কলিতা
স্নাতক, ২য় বৰ্ষ (বিজ্ঞান)

আজি মোৰ চৌদিশৰ আৰ্তনাদ বোৰত
শান্তিৰ প্ৰবক্তাৰ বৰষুণ পৰিছে;
তথাপিও মোৰ ৰুগ্ন স্বাধীনতাই নিৰ্ভয়ে সুধিছে,
'মোৰ প্ৰাপ্য এতিয়া ক'ত ?
হে মোৰ, প্ৰতিশ্ৰুতিপূৰ্ণ প্ৰেয়সী,
মোৰ প্ৰাপ্যক এনেদৰে কবৰ নিদিবা'—
এদ'ল অনাহাৰী শিশুই
প্ৰচণ্ড ধুমুহাৰ মাজতো চিঞঁৰিব
(সিহঁতৰ প্ৰাপ্যৰ বাবে)
এটি সোণোৱালী সূৰ্য্যৰ বাবে।

আফ্ৰিকাৰ প্ৰিয়তম নেতা নেলছন মেণ্ডেলাৰ স্মৃতিত

# যদিওবা মই বন্দী

শ্ৰীৰমেশ ও'ৰাৰী
স্নাতক, ২য় বৰ্ষ (কলা)

যদিওবা মই বন্দী—
শীতৰ কঠিনতাৰ মাজতো মই প্ৰত্যাশিত নহও হ'ক,
প্ৰকাশ্যভাৱেই মই শিলফালি উৎসৰ্গিত কৰিছোঁ
গভীৰ অৰণ্যত চিৎকাৰ কৰি থকা স্বজনৰ পৰিক্ৰমা
দুঃ সময়ৰ মৃত্যুঞ্জয় পুৰা—
এক অদ্ভুত বলীষ্ঠ প্ৰত্যয়েৰে আৰু প্ৰত্যেকৰ স'তে
উদ্যত মই প্ৰৱাহিত ক্ষুব্ধ হৃদয়ত সাঁতুৰি সাঁতুৰি
শতাব্দীৰে পৰা কেতিয়াবা ৰক্তাক্ত আকাশৰ উম্মা শুহি শুহি
আৰু কেতিয়াবা করুণ নীৰৱতাৰ চকুলো টুকি টুকি
প্ৰত্যুজ্জ্বল যৌৱনৰ কলিজাত ভৰ দি দি
মই পুনঃ পুনঃ মূৰদাঙি গৰ্জন মাৰিছোঁ -
যদিওবা মই বন্দী
উদ্গ্ৰীৱ প্ৰতীক্ষাৰ কোমল ওঁঠৰ মিচিক হাঁহিৰে
ক্ৰমান্বয়ে দাসত্বৰ ডাঁৱৰ ফালি ফালি
মই মোৰ মুক্তিৰ সপোনেৰে লালিত হৈ আহিছোঁ
বিদ্ৰোহৰ উম্মাৰে জীৱনৰ তেজাল প্ৰভাতেৰে
মই মোহাৰি পেলাইছোঁ বিষণ্ণতাৰ ৰাতি নিঃশেষ হওঁক।
যদিওবা মই বন্দী।

নেলছন মেণ্ডেলা! নামেই যাৰ পৰিচয়। কিংবদন্তী সময়ৰ, কুৰি শতিকাৰ। ক'লা আফ্ৰিকাৰ প্ৰিয়তম নেতা যিয়ে যোৱা ১৮ জুলাই '৮৮ ত ৭০ বছৰত ভৰি দিয়ে; এতিয়াওঁ জীয়াই আছে আফ্ৰিকাৰ মুক্তিৰ ক্ষণ গনি ····· মেণ্ডেলা '৬২ চনৰ পৰা জে হেন্সবাৰ্গ তথা কেপটাউনৰ জেলৰ অন্ধকাৰ কুঠৰীত বন্দী হৈ আছে। অপৰাধ তেওঁৰ কি! অপৰাধ এয়াই যে তেওঁ শ্বেতা; গ চৰকাৰৰ কুখ্যাত 'এপাৰবেইড নীতি'ৰ বিৰুদ্ধে জনমত গঢ়ি তুলিছিল আজি আমি উন্নতিৰ চৰম পৰ্য্যায়ত বুলি দাবী কৰো, সেয়াই হবলা নেলছনক এটা শতিকাৰ চাৰিভাগৰ এভাগতকৈওঁ বেছি দিন কাৰাগাৰত বন্দী কৰি ৰাখিছো। কাৰাগাৰৰ মেণ্ডেলা; মুক্ত মেণ্ডেলাতকৈওঁ মহত্তৰ—সেয়েহে আজি পৃথিবীৰ শোষিত আৰু নিপীড়িতসকলৰ আশাৰ প্ৰতীক হিচাপে শালপ্ৰাংশু ৰূপত থিয় দিয়া মেণ্ডেলালৈ এই কবিতাটি ··

=সম্পাদক=





# কেন্দ্ৰত গোপাল আৰু দুই-এজন

শ্ৰীদীপক দাস, উপ-সভাপতি
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

অইনদিনাৰ দৰেই আজিও চৌধুৰী বাৰান্দাত বহিলহি। আবেলি ঠিক এইখিনি পৰত তেওঁ সদায়ে বাৰান্দাৰ নিৰ্দ্দিষ্ট আৰামী চকিখনত এইদৰে বহি লৈ, সেই-দিনাৰ বাতৰিকাকতখন পঢ়ে। অভ্যাসবশত আজিও তেওঁ কাকতখন চকুৰ আগত মেলি ললে যদিও এটা শব্দও তেওঁ পঢ়িব পৰা নাই। কাকতখনত চকুদুটা নিবদ্ধ কৰিলেও মনটো নিমগ্ন অইন চিন্তাত। কাছাৰীৰ পৰা আহি ঘৰ পোৱা তেওঁৰ এঘণ্টামানেই হ'ল। আহিয়েই তেওঁ চাহ একাপ খাই সদায়ে ঘৰখনত অলপ ইফ্ৰাল-সিফ্ৰাল কৰে। তাৰ লগে লগে সন্মুখৰ ফুলনিখনত গোপালে পানী দিলে নে নাই? পিছপিনৰ পাছলিখিনিত ছাগলী সোমাল নেকি! বজাৰলৈ গোপালক পঠিয়াব লাগিব নেকি? এনেধৰণৰ খা-খবৰ কৰি তেওঁ বাতৰি খন লৈ বহেহি। আজি কিন্তু ঘৰ পোৱাৰ লগে লগে ঘৈণীয়েকে খবৰটো দি তেওঁৰ সকলো খেলি-মেলি লগাই দিলে।

"শুনিছেনে! গোপাল পলাল......"

"কি?"

"ৰাতিপুৱাৰে পৰা ঘৰলৈ অহাই নাই। নপলাই কলৈ গ'ল-দুশ টকা পাই......"

আৰু কিবা-কিবি কৈছিল ঘৈণীয়েক তৰালীয়ে। চৌধুৰীয়ে মনোযোগ নিদিলে।

ৰাতিপুৱা তাক চৌধুৰীয়ে দুশ টকা দি সাপ্তাহিক বজাৰলৈ পঠিয়াইছিল। ইয়াৰ আগতেও সি তেনেদৰে দুশ-তিনিশ টকাৰ বজাৰ কৰি আনে। আজি বজাৰ কৰিবলৈ গৈ উভটি নহা বুলি শুনাৰ লগে লগে চৌধুৰীও চিন্তিত হ'ল। তৰালীয়ে কোৱাৰ দৰে সি বাৰু সচাই পলায়ে গ'ল নেকি?

বাতৰিখন হাতত লৈ সেয়ে চৌধুৰী বহিল যদিও গোপালৰ চিন্তাত আজি তেওৰ পঢ়া নহ'ল। তেনে কাম এটা সি কৰিলে কিয়?

ঘৰুৱা কাম কৰা ল'ৰা এজনৰ ক্ষেত্ৰত তেনে এটা কাম কৰাটো একো অসম্ভৱ নহয় যদিও কথাটো তেওঁ সহজভাবে লব পৰা নাই। সেয়ে কথাটো বাৰে বাৰে ভাবিও, একো সমা-ধান উলিয়াব নোৱাৰি চৌধুৰী বিমৰ্ষ হৈ পৰিল। এটা সময়ত তেওঁ বিৰক্তি সহকাৰে কাকতখন কাষৰ চকিখনলৈ দলিয়াই দি আৰামী চকিখনত অলসভাবেই মূৰটো পেলাই দিলে।

তৰালীয়ে চাহ দিবলৈ বাৰান্দালৈ ওলাই আহি চৌধুৰীক তেনেদৰে চিন্তান্বিত হোৱা বাবে খঙেই কৰিলে। "চাহ খাওঁক! তাৰ কথা ভাবি একো লাভ নাই। মই আগতে কৈছিলোঁ নহয়-তাৰ স্বভাৱ ভাল নহয় বুলি।"

চাহৰ কাপটো লৈ চৌধুৰীয়ে তৰালীক কিবা কব খোজোতেই ভিতৰত কেচুঁৱাটোৱে কন্দা শুনি তৰালী সাউৎকৈ ভিতৰ পালেগৈ। তথাপিটো তেওঁ চিঞৰি মাৰি কব খুজিছিল—"তুমি তাৰ স্বভাৱ ভাল নহয় বুলিনো কি প্ৰমাণ পাইছিলা? আজি দুবছৰে সিটো এইখন ঘৰতে আছে। আজিলৈ ........." একো নকলে তেওঁ।

তৰালীৰ লগত তৰ্ক বঢ়াই একো লাভ নাই। বিবাহিত জীৱনৰ সুদীৰ্ঘ দহ বছৰত তৰালীৰ সতে হোৱা তৰ্ক যুদ্ধত তেওঁ কেতিয়াও জয়ীহৈ পোৱা নাই। যুক্তি শেষ হলে চকুপানী, অভিমান আদিৰ আশ্ৰয় লৈ হলেও তৰালীয় অৱশেষত জয়ী হয়। অৱশ্যে অপাৰ সম্পত্তিৰ অধিকাৰী হৰিহৰ বৰুৱাৰ একমাত্ৰ জীয়েক হিচাপে মাথো এসোপা মৰম আৰু অবাধ স্বাধীনতাৰ মাজত ডাঙৰ হোৱা তৰালীৰ বাবে সকলোতে অলপ বেছি বিচৰাতো একো অস্বাভাৱিক নহয়। চৌধুৰীয়ে বুজ এই কথা। আৰু ভালকৈ জানে তৰালীৰ গৌৰৱী ভাৱ আৰু আঁকোৰ-গোজ স্বভাৱটোৰ কথা। এই স্বভাৱটোৰ বাবেই তাহানিৰ কলেজীয়া ছাত্ৰ তৰালী বৰুৱাই এদিন তাইৰ প্ৰেমিক এই অজয় চৌধুৰী নামৰ সেই সময়ৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰজনৰ সতে, নানা অজুহাতত বাপেকে বিয়া দিবলৈ আপত্তি কৰাত; ঘৰৰ পৰাই ওলাই আহি চৌধুৰীক "কোৰ্ট মেৰেজ"ৰ প্ৰস্তাৱ দিছিলহি। শেষত যেনিবা বাপেকে নিজে জীয়েকৰ মতত সন্মত হৈ, পৰম্পৰা প্ৰথাৰে বিয়া দি বংশৰ মানটো বচালে।

গোপালৰ চিন্তাৰ মাজতে এৰি অহা দিনবোৰৰ এইবোৰ কথা সুঁৱৰি চৌধুৰীৰ হাঁহি উঠি গ'ল।

"অকলে-অকলে হাঁহি আছে দেখোন?" চাহৰ কাপ-প্লেটবোৰ নিবলৈ ওলাই আহি চৌধুৰীৰ হাঁহি দেখি অলপ আচৰিত হৈয়ে তৰালীয়ে মাত দিলে।

"তৰালী! নক'বা আৰু; হঠাতে আমাৰ বিয়াৰ কথা মনত পৰি গ'ল। তুমি যে একেবাৰে ঘৰৰ পৰাই ওলাই আহি...."

"এহ্, হৈছে-হৈছে। আপুনিওটো কম নাছিল। পিছে এতিয়া পাইছোঁ নহয়।"

'কি ক'লা তৰালী? তোমাক জানো..."

'সেইবোৰ এৰক এতিয়া। গোপালৰ কথা কি ভাবিছে? তাক কিন্তু পুলিচৰ ভাত খুৱাবই লাগিব। থানালৈ ফোন কৰি আজিয়ে জনাই থওঁক কথাটো।" কৈয়ে তৰালী ভিতৰ পালাগৈ।

পুনৰ মুখটো গহম হৈ গ'ল চৌধুৰীৰ। গোপালৰ চিন্তাই আকৌ তেওঁৰ মনটো হেঁচা মাৰি ধৰিলেহি।

তৰালীয়ে প্ৰথমৰে পৰা গোপালক অৱশ্যে ভাল চকুৰে চোৱা নাই। এই ঘৰত সি থকা দুবছৰেই হ'ল যদিও চৌধুৰীৰ বাবেহে সি থাকব পাৰিছে। আনকি এইখন ঘৰলৈ তাৰ আগমনো তেওঁৰ জৰিয়তেই। সেয়াও এক ডাঙৰ কাহিনী।

"চাৰ.... ......"

o o o

আবেলি অফিচৰ পৰা ঘৰলৈ বুলি স্কুটাৰখন ষ্টাৰ্ট দিবলৈ লওঁতেই পিছপিনৰ পৰা কোনোবাই



মতা যেন পাই উভতি চালে চৌধুৰীয়ে।

ওচৰতে চৈধ্য-পোন্ধৰ বছৰ বয়সৰ ল'ৰা এটা। কাঁতৰ ভাবে তেওঁলৈকে চাই থকা ল'ৰাটোৰে ওঁঠ দুটা লৰাই কিবা কব খুজিও একো কব পৰা নাই। ল'ৰাটোৰ অৱস্থাটো দেখি তেওঁৰ সেই মুহূৰ্ত্তত বৰ বেয়া লাগি গ'ল। বয়সতকৈ খীন অথচ দুগুণ কষ্টৰ চাপ পৰা ল'ৰাটোৰ দেহত মলিয়ন চোলা এটা আৰু খাকীৰঙৰ লেটেৰা হাফপেণ্ট এটা কোনোমতে কঁকালত উলমি আছে।

"চাৰ ... আপুনি ..."

বিনম্ৰ ভঙ্গীৰে সি চৌধুৰীক পুনৰ কিবা সুধিব খুজিও যেন ভাষা বিচাৰি নেপাই চৌধুৰীলৈ একেথিৰে চাই ৰ'ল। ততাতৈয়াকৈ চৌধুৰীয়ে পকেটত হাত সুমুৱাই, পঞ্চাশ পইচাৰ মুদ্ৰা এটা উলিয়াই তালৈ আগবঢ়াই দিলে।

"হো— লৈ যা এইটো। কিবা কাম কৰি খাব নোৱাৰ?"

"চাৰ মই ভিখাৰী নহয়। মই মই...."

আচৰিত হৈ গ'ল চৌধুৰী। মুদ্ৰাটো পুনৰ পকেটত ভৰাই থলে।

"আপুনি মোক চিনি পোৱা নাই চাৰ! আপোনাক বিচাৰিয়ে মই ঘৰৰ পৰা ইয়ালৈ আহিলোঁ। চাৰ! মই গোপাল"

"গোপাল?" কোন গোপাল চৌধুৰীয়ে মনত পেলাবৰ চেষ্টা কৰিলে।

'চাৰ মই নলবাৰীৰ, বসন্তৰ মাজু ককায়েক।"

"বসন্তৰ ককায়েক গোপাল! তাকেনো নকৰ কিয় ইমান পৰে?"

চৌধুৰীয়ে তাক চিনি পোৱাৰ পিছত বৰ আগ্ৰহেৰে কথাষাৰ ক'লে।

নলবাৰীত চৌধুৰীয়ে দুবছৰ থাকি আহিছে। তাত থকা কালত তেওঁ এই গোপাল হঁতৰ ঘৰৰ ওচৰতে ঘৰ ভাড়া কৰি আছিল। অৱশ্যে ওচৰতে থাকিলেও তেওঁ সিহতৰ বিষয়ে অহাৰ আগলৈকে একোকে জনা নাছিল। তৰালীয়ে কিছু পৰিমাণে জানিছিল কাৰণ; গোপালৰ মাকে মাজে সময়ে তৰালীৰ ঘৰুৱা কাম-বন খিনি কৰি দি, বিৰক্তি বোধ কৰিলেও তৰালীক তাইৰ ঘৰ খনৰ সমস্ত কথাই কৈছিল। তৰালীয়ে সেইবোৰ কথা গিৰিয়েকক প্ৰয়োজন নোহোৱা কথা বুলিয়ে নকলে যদিও এদিন তেওঁ নিজে সকলো কথা গম পালে।

গোপালৰ বাপেক বজনী। ন'টা সন্তানৰ পিতৃ অথচ সম্পত্তি বুলিবলৈ ঘৰৰ ভেটি মাটিখিনি আৰু ঘৰ বুলিবলৈ আকাশৰ তৰা লেখিব পৰা পঁজা এটাৰ বাদে একোৱেই নাই। দিন হাজিৰা কৰি কেতিয়াবা দিনটোত এসাজ খালেও এসাজ প্ৰায়ে ঘৰখন লঘোনে থাকে। ডাঙৰটো পুতেকৰ বয়স কুৰিৰ ওপৰ হোৱা নাই। সি চাহ দোকানত গিলাচ ধুই নিজৰ পেটটো বচাইছে। তাৰ তলৰ গোপাল, সি মাৰোৱাৰীৰ গোলাত থাকে। মাল-বস্তু জুখি দিয়া কাম কৰে। মাহে পঞ্চাশ টকামান পায়। তাৰ তলৰ বসন্তৰ দহ-বাৰ বছৰৰ ওপৰ হোৱা নাই যদিও তৰালীয়ে তাৰ হতুৱাই বজাৰ সমাৰ কৰোৱাই কেতিয়াবা এসাজ খুৱাই অথবা দুই এটকা দিয়ে। বাকী ছয়টা শিশু সহ ৰজনী আৰু ঘৈণীয়েকৰ নাজল-নাখল অৱস্থা। নিজৰ লগতে

সিহঁতক জীয়াই ৰখাৰ বাবে মাক-বাপেক দুইটাই দিনৰ দিনটো কাম বিচাৰি অলৌ-তলৌকৈ ঘূৰি ফুৰে। কিন্তু এদিন হঠাতে পৰিয়ালটোত হুলুস্থুল লাগি গ'ল। হুলুস্থুল লাগিল ৰজনীৰ বাবে।

সাধাৰণ জ্বৰ আৰু কাহ বুলি চিকিৎসা নকৰাকৈয়ে ভাল হব বুলি ভাবি থকাৰ পিছত কাহৰ মাত্ৰা চৰি যোৱাত ৰজনীয়ে যাওঁ নাজাওঁকৈ যিদিনা হস্পিটাললৈ যাওঁতে চৰকাৰী ডাক্তৰে তাৰ টি.বি হোৱা বুলি কলে সিদিনাই ডাক্তৰে ৰজনীক গুৱাহাটীলৈ গৈ সোনকালে ভাল চিকিৎসা কৰোৱাৰ পৰামৰ্শ দিছিল। ৰজনী আৰু ঘৈণীয়েকৰ মূৰত যেন আকাশখন খহি পৰি হেঁচা মাৰি ধৰিলেহি। ঘৰৰ মূল মানুহটোৰ এনে অৱস্থাই সংসাৰ খনৰ দুখৰ জ্বলা জুই কুৰাত ঘিউ ঢলাৰ বাহিৰে আৰু কি হব পাৰে! বতৰাটো পোৱা-ৰ পিছতে ৰজনীৰ ঘৈণীয়েকে কান্দি-কাটি ভাগৰি পৰিলেও তাই বৰ কষ্টেৰে ধৈৰ্য্য ধৰি গিৰিয়েকৰ চিকিৎসাৰ বাবে দুৱাৰে-দুৱাৰে সাহাৰ্য্য বিচাৰি ওলাল। কিন্তু সকলোতে বিমুখ হ'ল তাই। যিবোৰ মানুহে আগতে ৰজনীৰ গুণত পঞ্চমুখ হৈ তাৰদ্বাৰা দিনৰ দিনটো কাম কৰোৱাৰ উপৰিও দুই এপদ বেছিকৈ কৰাই লৈছিল; সেইবোৰেও ৰজনীৰ এই বিপদৰ সময়ত, তাৰ জীৱনটো বাচক বুলিও অকণ সহায় কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি নকৰিলে। সহায় বিচাৰি ৰজনীৰ ঘৈণীয়েক তৰালীৰ ওচৰো চাপিছিল। কান্দি-কাটি বাউলী হৈ তাই সিদিনা তৰালীৰ দুয়োখন ভৰি সাৱটি ধৰি, শিশুকেইটাৰ ভৱিষ্যতক ধিয়াই গিৰিয়েকৰ জীৱনটো বচোৱাৰ বাবে সহায় ভিক্ষা কৰিছিল। চৌধুৰী ঘৰতে আছিল সেই সময়ত। সেয়ে সিদিনাহে তেওঁ কাষতে থকা মানুহঘৰৰ এই অৱস্থাৰ উমান পাইছিল। পালেও তৰালীয়ে যি কৰে কৰক বুলি ভাবি তেওঁ নিৰ্বিকাৰ হৈ থাকিল। এবাৰ ভাবিছিল তৰালীক মাতি আনি কিবা অলপ হলেও দিয়াৰ কথা কব বুলি; কিন্তু কিয় জানো কব নোৱাৰিলে তেওঁ! বোধহয় তৰালীয়ে জাঙুৰ খাই উঠাৰ ভয়তে। অৱ-শেষত তাই তৰালীৰ ওচৰৰ পৰাও বিমুখ হৈ আঁতৰি গ'ল। তৰালীয়ে সহায়ৰ নাম শুনিয়ে মুখেৰে সহানুভূতি জনালে যদিও নিজৰে অজস্ৰ বিপদৰ কথা গাই-বাই তাইক ওভোটাই পঠালে।

বহু চেষ্টাৰ মূৰটো চৌধুৰীয়ে গোপালৰ মাকৰ সেই সময়ৰ অৱস্থাটো মনত পেলাব নোৱাৰিলে। সেই অবৰ্ণনীয় দৃশ্য চৌধুৰীৰ মনত ধূসৰ হৈ পৰিলেও বাকীবোৰ ঘটনা তেওঁৰ স্মৃতিৰ পাতত এতিয়াও স্পষ্টমান। তৰালীৰ ওচৰৰ পৰা সহায় বিচাৰি বিমুখ হৈ উভটি যোৱাৰ পিছত গোপালৰ মাকে সেই আশা ত্যাগ কৰি ভগবানৰ ওচৰত পৰি-য়ালটোৰ ভৱিষ্যত সপি দিয়াৰ বাদে আৰু কৰিব পৰা উপায় একাকে নাছিল। কিন্তু ভগবানেও মূৰ তুলি নাচালে সিহতক। এমাহমানৰ পিছতে ৰজনী এদিন হঠাতে তেজ-বমি কৰি মৰি থাকিল।

কিয় জানো তাৰ মৃত্যুৰ বাবে চৌধুৰীৰ



নিজকে অপৰাধী অপৰাধী যেন লাগি যায় এতিয়াও। তাৰ মৃত্যুৰ দিনাও গোপালৰ মাক আৰু অবোধ শিশুকেইটাৰ বিননী শুনি চৌধুৰী এক অজ্ঞাত যন্ত্ৰনাত চটফটাই আছিল। সিহঁতৰ কান্দোনৰ ৰোলে এপাত তীক্ষ্ণ শৰৰ ৰূপত আহি তেওঁৰ বুকুত সোমাই গৈছিল যেন। তৰালীৰ আপত্তি স্বত্বেও তেওঁ গোপাল-হঁতৰ চোতাললৈ সিদিনা নিজে গৈ এশ টকা দি মৰাশ সৎকাৰৰ যোগাৰ কৰিছিল। আনকি তাৰ পিছতো শ্ৰাদ্ধ আদিৰ বাবে তৰালীৰ অজ্ঞাতে তেও সিহতক বহুখিনি সহায় কৰি-ছিল। আৰু পৰিয়ালটোৰ অলপ সকাহ হওক বুলিয়ে দহ-বাৰ বছৰ বয়সীয়া বসন্তক তৰালীক বুজাই পৰাই তেও মাহে পঞ্চাশ টকা বন্দবস্ত কৰি কাম কৰা ল'ৰা হিচাপে ৰাখি-ছিল। আৰু তাৰ দুমাহ পিছতে চৌধুৰী বদলি হ'ল গুৱাহাটীলৈ।

গোপালৰ মাকে অহাৰ সময়ত সৰু ল'ৰাটোক ইমান দূৰলৈ পঠাবলৈ অনিচ্ছাকৰা দেখি চৌধুৰীয়ে তাৰ সলনি গোপালকে পঠিয়াই দিবলৈ কৈ লগতে ঠিকনাটো আৰু কুৰিটা টকাও তাৰ গাড়ীভাৰা লাগিব বুলি দি আহিছিল।

"চাৰ আপুনি হেনো অহাৰ দিনা মোক পঠিয়াই দিবলৈ আইক কৈ আহিছিল? সেয়ে ..."

"পিছে আহোতে তই বহুদিন লগালি দেখোন! আমি অহা তিনিমাহেই নহ'ল জানো? মই আকৌ নাহিবি বুলিহে ভাবিছিলোঁ।"

"নাহি থাকিব পাৰোনে চাৰ? আপুনি আমাক যিমান সহায় কৰিছে সেয়া পাহৰিম কিদৰে! মই মাৰোৱাৰীৰ গেলামালৰ দোকানত আছিলোঁ নহয়; তাৰপৰা আগতীয়াকৈ ধন আনোতে আনোতে ছয়কুৰি টকা বেছি-কৈয়ে আহি গ'ল। সেয়ে হিচাপ কৰি মহাজনে মোক আহিব নিদিলে। আৰু তিনিমাহ তাতে থাকিবলগীয়া হ'ল। তাৰ বাবে খং নকৰিব চাৰ—আয়েও মোক তাৰ বাবে ক্ষমা খুজিব কৈ পঠিয়াইছে।" বিনম্ৰ ভঙ্গীৰে এবাৰ চৌধুৰীৰ মুখলৈ চাই সি তললৈ মূৰ কৰিলে।

"ঘৰৰ ফালে ভালনে তহঁতৰ?"

"ভালেই চাৰ।"

"আহ যাওঁগৈ এতিয়া........।" কৈয়ে তেওঁ স্কুটাৰ ষ্টাৰ্ট দিলে।

"বহ পিছসিনে—"

গোপালৰ সংকোচ চাৱনি দেখি জোৰ-কৈয়ে কলে চৌধুৰীয়ে।

সেই যে চৌধুৰীয়ে গোপালক লৈ আহিল তাৰ পিছত এতিয়ালৈ সম্পূৰ্ণ দুবছৰ সি চৌধুৰীৰ ঘৰতে আছে। প্ৰথম অৱস্থাত তৰালীয়ে তাক ভাল চকুৰে চোৱা নাছিল যদিও দুমাহমান পিছৰ পৰাই তাৰ কাম-কাজ, স্বভাৱ-চৰিত্ৰই তৰা-লীৰো মন সলনি কৰিবলৈ বাধ্য কৰাইছিল। তেনেস্থলত আজি হঠাতে সি তেনে কাৰ্য্য কৰি পেলোৱাত চৌধুৰী আচৰিত হোৱাটো নিত্যান্তই স্বাভাৱিক।

= ০ ০ ০ ০ =

".........হেৰি চাওকছোন—গোপাল আহিছে .. শুনিছেনে?"

তৰালীৰ চিঞৰত উচপখাই উঠিল তেওঁ। আৰামী চকিখনৰ পিঠিৰ পৰা মূৰটো তুলি

কিনো হ'ল তাকে ভাবি তৰালীলৈ চাই ৰৈ গ'ল। স্মৃতি আৰু বাস্তৱৰ খকা-খুন্দাত তেও ক্ষন্তেক পৰ একো তলকিব নোৱাৰিলেও সচকিত হৈ উঠিল সন্মুখতে গোপালক দেখি। চিকাৰৰ বাবে ৰৈ থকা বাঘ এটাই মুখৰ আগতে পোৱা চিকাৰ এটা একে থাপে আজুৰি অনাৰ দৰে তৰালীয়ে তাক হঠাতে চোলাটোত খামোচ মাৰি ধৰি বাৰান্দালৈ টানি আনিলে।

"ঐ দিনটো ক'ত মৰিছিলি গৈ? ·······নকৰ কিয়? বজাৰৰ বস্তু ক'ত? ···· ·····"

"··········· ······"

ভয়ে ভয়ে সি দুয়োলৈক এবাৰ চাই তলমূৰ কৰি ৰ'ল। "ঐ গোপাল নকৰ কিয়? কলৈ গৈছিলি দিনটো?" তাৰ নীৰৱতাৰ বাবে খং উঠিলেও চৌধুৰীয়ে নম্ৰ সুৰতেই শুধিলে তাক "চাৰ; মই মানে········..."

"কি মানে— ?" চকু পকাই তৰালীয়ে তাৰ চুলিকোছাত মুচৰি ধৰি চিঞৰিয়ে দিলে।

"নামাৰিব আইদেউ! বৰ দুখ পাইছোঁ······· মই কও আইদেউ—চুলিৰ পৰা এৰি দিয়ক ."

"হঃ কি দুখ পাইছ অ'? পুঁৱাতে বজাৰ কৰিবলৈ টকা দুশ লৈ গৈ তোৰ এই সন্ধ্যালৈ দেখা দেখি নাই·····আৰু এতিয়া········ দে টকা খিনি আগতে···· ." "বজাৰ মানে আইদেউ······· মই কেতিয়ানো বজাৰ নকৰাকৈ আছোঁ? কিন্তু আজি টকাখিনি ···· " "কি হ'ল? হেৰাল নে পকেট মাৰিলে?"

"খঃ নকৰিব আইদেউ। টকাখিনি হেৰুৱা নাই। ···সেয়া আইদেউ মোৰ মাহিলিৰ পৰাই কাটিব ···আৰু আইদেউ মই আপোনা ভৰিত ধৰিছোঁ·· আপোনালোকক নোসোধা সেয়া খৰচ কৰা বাবে মোক ক্ষমা কৰিব কিন্তু মোক দয়া কৰি এতিয়া আৰু এশট দিয়ক ·····নতুবা ···।"

তাৰ দুচকুৰ অবাধ অশ্ৰু-শ্ৰোত আ কাঁতৰ কণ্ঠই চৌধুৰীৰ মনত কিছু প্ৰতিক্ৰিয় সৃষ্টি নকৰাকৈ নাথাকিল। বেয়াও লাগি কিন্তু টকাৰনো তাৰ হঠাতে ইমান কিয় প্ৰয়োজ হ'ল তাকে ভাবিহে আচৰিত হ'ল। অৱ সেয়া সোধো বুলিও সুধিব নোৱাৰিলে তেওঁ ঘৰত লগা হেতেঁনো মাক অথবা ভা কোনোবা আহি তেওঁকে কলে হেতেঁ ইয়াৰ আগতেটো তেনেকৈয়ে নিয়ে। তৰাল কিন্তু তাৰ কথা শুনি বিপৰীত প্ৰতিক্ৰিয় হ'ল।

"শুনা তাৰ কথা? মাহিলিৰ কথা কৈছ; তোৰ মাহিলিৰ কিমান টকা জমা ৰা অ'—আগতীয়াকৈহেছোন নি ৰাখিছ? "ট পাওঁ বুলিনো কেতিয়া কলো আইদে ভৱিষ্যতেই কাটি ৰাখিব। কিন্তু·······"

"ঐ তোকনো হঠাতে ইমান টকাৰ প্ৰয়োজ হ'ল কিয়?" নোসোধো বুলিও চৌধুৰী ইতিমধ্যে ভৱা কথাষাৰ তাক সুধিয়ে পেলা

"প্ৰয়োজন মানে চাৰ · ৰহিম আলী যে আমাক গাখীৰ দিবলৈ আহে যে চিনি নহয় তাক?" "কি হ'ল ৰহিমৰ?"

"আজি সি গাখীৰ দিবলৈ আহো বাটতে ট্ৰাক এখনে তাক খুন্দিয়াই থৈ গ' মই বজাৰলৈ যাওঁতে আমাৰ বসন্তৰ সমনী ডাঙৰটো পুতেক আব্দুলক কান্দি-কাটি অ দেখি মই সোধাত তাৰ মুখত কথাটো শুনি, তাৰ মতেই মেডিকেললৈ গ'লোঁ। কোনোমতেহে জীৱটো আছে যদিও ৰহিম আলীৰ সোঁভৰিখন একেবাৰে গুৰিহৈ গৈছে। হাত এখনো ভাগিছে, এতিয়ালৈ জ্ঞানেই পোৱা নাই। তাৰ বেমাৰী ঘৈণীয়েক আৰু সৰু সৰু ল'ৰা-ছোৱালী কেইটা কান্দি-কাটি অস্থিৰ, ডাক্তৰে কৈছে ভাল কৰিব লাগিলে বহুত তেজ দিব লাগিব। কিন্তু সিহঁতে ইমান ততাতৈয়াকৈ তেজ কিনাৰ টকা, ঔষধৰ টকা পাইয়ে বা ক'ত? ঘৰত আছেই বা কি? সেয়ে ···· "

"—সেয়ে তই বজাৰ কৰিবলৈ নিয়া টকাকে দি বাবুগিৰি দেখুৱালি? বৰ দয়ালু হৈছ দেখোন; নিজৰ কথা নাভাব কিয়?" 'তেনেকৈ নকব আইদেউ! আমাৰটো যি হব লগা আছিল; সেয়া হৈছেই। ঘৰটো আই কিবা এটা কৰি চলিছে। ·······সেই বুলি আইদেউ; ৰহিম আলীৰ কিবা এটা হব লাগিলে তাৰ অবোধ শিশু কেইটাৰ সতে নিঃসহায় তিৰোতাজনীৰ অৱস্থা কি হব পাৰে ভাবকছোন। ····· আৰু আইদেউ আমাৰ তেনে হ'ল বুলয়ে জানো চকুৰ আগতে আৰু এটা পৰিয়ালক····"

"থ-থ, তোৰ মুখত ইমান ডাঙৰ কথা শুনাৰ সময় মোৰ নাই। আৰু; টকা আকাশৰ পৰা সৰি পৰা বস্তু নহয় বুজিছ? ইচ্ছা কৰিলেই যে য'তে-ততে দলিয়াব পাৰি।"

"আপুনি কৈছে, কি আইদেউ? টকা আপুনি দলিয়াব কিয়? এজন মানুহৰ জীৱন বচাৱাৰ বাবেহে দিব। আৰু... আৰু .... আইদেউ-যদিহে ৰহিম আলী নহয়, সেইজন .... সেইজন .... আমাৰ চাৰ হলহেঁতেন ... তাৰ তিৰোতাজনী ... যদি আপুনি ... আৰু শিশুকেইটা আপোনাৰ .... জোন আৰু মন্তু হলহেঁতেন! তেতিয়া.... তেতিয়াজানো-? এবাৰ ভাবকছোন আইদেউ! ৰহিম আলীক এবাৰ.... মাথো এবাৰ আমাৰ চাৰ বুলি ভাৱক... আৰু "

কৈ কৈ গোপালে তৰালীৰ ভৰি দুখনত সাৱোট মাৰি ধৰি হুক হুকাই কান্দি দিলে।

তাৰ পিছৰ কথা কেইষাৰ শুনি মুখৰ মাত হেৰুৱাই পেলালে চৌধুৰী আৰু তৰালীয়ে। চিকাৰ বিচাৰি থাকোতে বনৰ সিংহ এটা হঠাতে চিকাৰীৰ জালত পৰি, নিজেই চিকাৰহৈ চটফটাই থকাৰ দৰে এক প্ৰচণ্ড উত্তেজনাত তৰালী ঘাঁমি-জামি ৰঙা-চিঙা পৰি গল।

হঠাতে চৌধুৰীয়ে অনুভৱ কৰিলে-যেন গোটেই পৃথিৱীখন আকস্মিক ভাবে তেওঁৰ চকুৰ আগতে ঘূৰিব লাগিছে। তাৰ লগে-লগে যেন তেওঁৰ চিনাকি অচিনাকি গোটেইবোৰ মানুহে সেই ঘূৰণক চম্ভালিব নোৱাৰি ইফালে-সিফালে উফৰি পৰিব ধৰিছে। মাথো মাজত থিৰ হৈ ৰৈ আছে গোপাল আৰু তাৰ দৰে দুই এজন—।

*

# ০ শূন্যতা ০

শ্ৰীদিনমণি ডেকা
স্নাতক মহলা, ৩য় বাৰ্ষিক (কলা)

ৰত্নেশ্বৰৰ মুখখন আজি বেচ উজ্জ্বল। পিছে আনন্দত সি অধীৰ হৈ উঠা নাই। সুখৰ দুখৰ দুয়োকালতেই হেনো ধৈৰ্য্যৰ প্ৰয়োজন। ধৈৰ্য্যসহ ভোগ কৰিলে হেনো দুখৰ যন্ত্ৰনা কিছু লাঘৱ হয় আৰু সুখৰ সময়ো কিছু দীঘলীয়া হয়। এইবোৰ তাৰ মাকে কোৱা কথা। জুপুৰীটোৰ সিটো কোঠাত শুই থকা মাকজনীলৈ তাৰ মনত পৰে। তাৰ মাকজনী! আশাৰ টোপোলা বান্ধোতেই জীৱনৰ চল্লিচটা দীঘলীয়া বছৰ কটাই এতিয়াও চাগে বাহৰ চাংখনতেই পৰি আছে। চকুৰ কোণ দুটা তাৰ তিতি আহে। দূৰৈৰ পৰা কুকুৰাৰ ডাক এটা ভাঁহি আহিল। এটা দীঘলীয়া হুমুনিয়াহ এৰি ৰত্নেশ্বৰ বিচনাৰ পৰা নামি আহিল। চকু দুটা ফৰফৰাই আছে; ৰাতি টোপনি নাহিলেই। যোৱা আবেলি খবৰটো পোৱাৰে পৰা মনটোৱে যেন তাৰ কিবা উটি ভাঁহি ফুৰিছে। তাৰ মাকজনী, ভনীয়েক তিনিজনী সিহঁতেওনো বাৰু কমতো আনন্দ পাইছেনে! এই যেন দুখৰ ৰাতি পুৱাৰ; ন-প্ৰভাতৰ নতুন কিৰণে এন্ধাৰত পোত গৈ থকা সিহঁতৰ ঘৰখনৰ চুক-কোণবোৰ পোহৰাই তুলিব। খবৰটো! বালিময় শুকান মৰুভূমিত যেন হঠাৎ এটি নিজৰাৰ আবিৰ্ভাৱ। ভাবি ভাবি ভাল লাগি যায় তাৰ। বাঁহৰ দুৱাৰখন লাহেকৈ মেলি সি ওলাই আহিল চোতালখনলৈ। পুৱাৰ এধানি চেঁচা বতাহে তাৰ দেহাটো আলফুলে চুই গ'ল। নওলাৰ নাৰিকলৰ পাতকেইটাৰ আঁৰত এন্ধাৰখিনিয়ে এতিয়াও লুকাই থাকিবলৈ যত্ন কৰি আছে। চোতালখনৰ তিনিওকাষে ঘৰ নাই বাবে পথাৰখন ইয়াৰ পৰাই দেখি। কেনেদৰে নিতাল মাৰি পৰি আছে বহল পথাৰখন! পুৰণি পথাৰখনকেই আজি তাৰ নতুন নতুন লাগিছে। কিমান সজীৱ পথাৰৰ এই নিজমতা! 'তই উঠিলিয়েই নে?' মাকৰ মাতত তাৰ তন্দ্ৰা ভাঙিল। উত্তৰত 'অঁ' বুলি কৈ সি মুখ-হাত ধোঁ বুলি আগবাঢ়িল। এফলীয়া কৰি থোৱা গধুলি ভৰি-হাত ধোৱা পানীৰ বাল্টিটো পানীৰে পূৰ্ণ হৈ আছে। তাৰ যাত্ৰা শুভ হওঁক বুলিয়েই চাগে মাকে ৰাতিতেই সেইটো ভৰাই থৈছে। মাকৰ যে বিশ্বাসবোৰ! মনে মনে হাঁহি উঠি যায় তাৰ।

'দাদা এইয়া পানী' পানীৰ ঘটিটো আৰু পোৱা কাঠৰ আঙাৰা এটি হাতত দি মাধৱী খৰ ধৰকৈ আতৰিল। আজি তাইৰ খোজত এক নতুন উল্লাস; চকুত নতুন চমক। ককায়েকে চাকৰি কৰিব। এতিয়া আৰু সিহঁতে লঘোণে থাকিব নালাগে। অন্ততঃ দুবেলা দুমুঠি ভাত আৰু একোখনি কাপোৰ সিহঁতে আনৰ গেবাৰী নখটাকৈয়ে পাব। নিজৰ কথা বাদেই ককায়েকে অন্ততঃ পুৰণি ফটা কামিজটো আতঁৰাই এটা নতুন কামিজ লব পাৰিব। ফটা পুৰণি চোলা পেণ্ট আৰু গোৰোহা ক্ষয় যোৱা চেণ্ডেল জোৰেৰে তালৈ সিহতৰ কম বেয়া লাগেনে? মাধৱী ইতিমধ্যেই ঘৰ-মজিয়া মচাত লাগিছে। আওপুৰণি ফ্ৰকটোৰে কোনোমতে লাজ ঢাকি তাই ঘৰ মচিছে। আঠুৰ ওপৰৰ ফটাখিনি বাৰে বাৰে সামৰি লয়। ৰত্নেশ্বৰৰ বুকুখন গধুৰ হৈ উঠে। এক অজ্ঞাত বেদনাই তাৰ অন্তৰখন ছাই কৰি দিব খোজে। ডঙ-ডঙীয়া ককায়েকটো হৈ সি বাৰু ভনীয়েক জনীক এটা ফ্ৰকো আনি দিব নোৱাৰেনে? আৰুনো কিমান দিন এনেদৰে মাক ভনীয়েকে আনৰ গেবাৰী খাটিব? নাই! দিন চমু চাপি আহিছে। তাৰ চাকৰিটো হ'লেই সকলো শেষ। কিমান কষ্টৰে তাৰু তাৰ ঘৰত বন কৰি মাকে তাক পঢ়ুৱাইছে। দশম মানৰ পৰাহে সি দুই এটা টিউশ্যন কৰিবলৈ লৈছিল সেইখিনি উপাৰ্জনেৰে বাৰু কি হয়? অ'ত ত'ত সোপা দিওতেই যায়। যা হওক সি বি,এ, পাছ কৰিছে। তাৰ দায়ীত্ব আছে, গধুৰ দায়ীত্ব। মাক আৰু ভনীয়েক তিনিজনীয়ে তাৰ পৰা বহু কিবা কিবি পাব বিচাৰে। পিতৃৰ মুখ তাৰ মনত নপৰে। মাকৰ আৰু গাঁৱৰে দুই চাৰিজনৰ মুখত শুনিছে দেউতাক হেনো তাৰ সবল সুঠাম, ওখ-পাখ চৰিত্ৰবান পুৰুষ আছিল। প্ৰাইমাৰী স্কুলৰ শিক্ষকতা কৰি অৱশেষত কিবা অচিন ৰোগৰ বলি হৈ আঁঠ বছৰীয়া ৰত্নেশ্বৰ আৰু ছোৱালী তিনিজনীক ৰত্নেশ্বৰৰ মাকৰ হাতত এৰি থৈ গুছি গৈছিল। মাকে থোকাথুকি মাতেৰে কোৱা তাৰ মনত পৰে বাচা পিতায়েৰৰ বৰ আশা আছিল তোক ডাক্তৰ কৰিব ····· তই······তই মন দি পঢ়······।' মই তোক কষ্ট কৰি খুজি মাগী হলেও··· মকে আৰু বেছি কব পৰা নাছিল দুচকুৰ পতাই অশ্ৰু প্লাৱনক বাধা দিবলৈ অক্ষম হৈ পৰিছিল; দুখৰ তীব্ৰ হেচাঁত কণ্ঠ ৰুদ্ধ হৈ গৈছিল। দেউতাকৰ অশা দি পূৰাব নোৱাৰিলে। তথাপিতো সি শিক্ষিত; অন্ততঃ দেউতাকৰ দৰে এটা শিক্ষকৰ পদ চম্ভালিব পাৰে। তাৰ বি, এ, পাছ কৰাৰ চাৰি বছৰেই হ'ল। চাকৰিৰ বাবে অনাই–বনাই সি বহুটো ঘুৰিলে। বহুবাৰ তাৰ কাকুতি-মিনতি ব্যৰ্থ হ'ল। বহু অফিচাৰৰ চিগাৰেটৰ ধোঁৱাত বিলুপ্ত হৈ গ'ল তাৰ কৰুণ ক্ৰন্দন। জটিল পৃথিবীৰ কাঁইটিয়া পথত তাৰ খোজ হৈ পৰিল থৰক বৰক। লাহে লাহে ভাঙি চূৰমাৰ হৈ যাব ধৰিছিল তাৰ কল্পনাৰ ৰঙীন অট্টালিকাটো। যোৱাকালি আবেলিৰ খবৰটোত হথাৎ আকৌ চকমকাই উঠিল সেই অট্টালিকাটো। হতাশাৰ পদদলিত উদ্যম পুনৰাই মূৰ ডাঙি উঠিল। আশাৰ অস্তগামী সূৰ্য্যটো আকৌ এবাৰ প্ৰদীপ্ত হৈ উঠিল। তাৰ মনৰ দিগন্তত এতিয়া দিনমনিৰ প্ৰভাতী লালিমা। ইণ্টাৰভিউৰ খবৰ আহিছে, সি উত্তীৰ্ণ হৈছে। মধুপুৰ হাইস্কুলৰ ইংৰাজী শিক্ষকৰ পদটো সি পাব। আজিয়েই সি সোনকালে স্কুললৈ

যাব লাগে। হঠাৎ কলিয়া ডাৱৰ ফালি আকাশ ফৰকাল হোৱাৰ দৰে তাৰ মনটোও আজি মুকলি মুকলি লাগিছে। মুখখন ধুই সি একেবাৰে গাটোও তিয়াই ললে। দেহ মনৰ অৱসাদখিনি চেচঁা পানীখিনিয়ে যেন ধুইহে নিছিল। 'দাদা চাহটোপা খাই লহিঃ ভাতো হ'লেই।' ডাঙৰজনী ভনীয়েক বাসন্তীয়ে পাক ঘৰৰ পৰাই মাত দিলে। তিয়নীখন সলায় সলায়েই সি উত্তৰ দিলে 'নেলাগেদে তেতিয়াহলে' ভাত কেইটাকে দে, ভালেখিনি বাট, সময়ও হ'ইহি।

ভাত কেইটা খায় কাপোৰ-জাবা পিন্ধি লৈ গোসাই ঘৰটোত সেৱা এটা কৰো বুলি যোমায়েই দেখিলে মাকে তেতিয়াও থাপনাৰ সমুখত কপালখন মাটিতেই লগায় আছে। সি জানে মাকৰ সেই প্ৰাৰ্থনাৰ উদ্দেশ্য। সেইয়া তা'ৰ বাবেই, সিয়েই টা মাকৰ সৰ্বস্ব। কিছু সময় নীৰৱে বৈ যোৱাৰ পিছত মাকে মূৰ তুলিলে। 'বহ বাচা তেৰাক সেৱা এটা কৰ, তেৰাই সকলো, ত্ৰিভুৱনৰ গৰাকী।' মাকৰ কথাত ৰত্নেশ্বৰে আঠুকাঢ়ি থাপনাৰ সমুখত সেৱা এটা কৰি বাহিৰলৈ ওলাই আহিল। তিনিওজনী ভনীয়েক তেতিয়া চোতালত। সি ভিতৰত থাকোতেই হয়তো প্ৰভুক ধিয়াই সেয়া একোটি কৰি উঠিছে। গোসাই ঘৰৰ দুৱাৰখন জপাই মাক ওলায় আহিল। মাধৱীয়ে মোনাখন আনি তাৰ হাতত দিলেহি। 'আহোদেই আই, তহঁত থাকিবি মই অহাকালি গধূলি মানলৈহে উভতিব পাৰিম।' ৰত্নেশ্বৰ মাকৰ চৰণৰ পিনে হালি পৰিল। মাতৃৰ চৰণযুগলত তাৰ সমস্ত ভকতি তেতিয়া কেন্দ্ৰীত। 'যা বাচা চাই চিতি যাবি।' মাকৰ থোকা থুকি মাঁত। গোসাই ঘৰৰ পিনে আকৌ এবাৰ মূৰ দোৱাই সি আগবাঢ়িল। নিশ্চিত মঙ্গলৰ প্ৰাক্‌মুহূৰ্তত বুকুত তেতিয়া তাৰ ওখল-মাখল।

মধুপুৰ হাইস্কুল। বিশালকায় কৃষ্ণচূড়া দুডালৰ ছাঁ খিনিয়ে ঠাইখনক বেচ চিত্তাকৰ্ষক কৰি তুলিছে। আগবেলাৰ নিৰ্মল ৰ'দত দীঘলীয়া 'আসাম টাইপ' স্কুলঘৰটোৰ চালৰ টিনবোৰ চক্‌মকাই উঠিছে। সমুখৰ বাৰান্দাৰ টিনত কাগজি ফুল ডালৰ ফুলবোৰ অপৰূপ দেখাইছে। আগবোৰে যেন বাধাহীন সমান ঠাই পাই নাচি বাগি চৌদিশে তাপলি মেলিছে আৰু কোনটো আগে প্ৰথমে মুধচ পাইগৈ তাৰেই প্ৰতিযোগিতা চলাইছে। দূৰৈৰ পৰাই স্কুলখন দেখা মাত্ৰেই ৰত্নেশ্বৰৰ মনটোক কিবা এক অজান আনন্দই যেন জোকাৰি দিলে। স্কুলঘৰ! মানুহ তৈয়াৰ কৰা কাৰখান ("Man making industry,") আৰু সি তাতেই আজি কাৰিকৰ হিচাপে নিযুক্ত হব। তাৰ দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰি দেশৰ ভৱিষ্যত। তাৰ সমস্ত শকতিৰে সি কা কৰিব। তাৰ ছাত্ৰ হব লাগিব দেশৰ সু নাগৰিক, দহৰ আদৰ্শ। সি কেতিয়াবা শুনিছি শিক্ষক হেনো নমৰে; শত সহস্ৰ ছাত্ৰ-ছাত্ৰী জ্ঞান ও সুস্থ ভাৱনাৰ; অভিব্যক্তিত তথা কৰ্মকু শলতাত হেনো শিক্ষক জীয়াই থাকে। সি জীয়াই থাকিব! নাই, অমৰত্ব লাভ তাৰ মু উদ্দেশ্য নহয়। সি মৰিব! কিন্তু বি দৰবাৰত তাৰ ছাত্ৰক মহানৰূপে, সুকৰ্মীৰূ



ঠিয় কৰাইহে মৰিব। ভাৱনাৰ সাগৰত উটি ভাঁহি কেতিয়া আহি সি স্কুলঘৰৰ বাৰান্দা পালেহি গমেই নাপালে। পিহি থকা চাধাখিনিত দুটামান উপৰ্য্যপৰি চাপৰ লগাই পলকতে মুখত ভৰাই আদবয়সীয়া চকীদাৰজন আগবাঢ়ি আহিল। "কিবা সকাম আছিল বোপা। কাক বিচেৰচেৰা?" চকীদাৰৰ প্ৰশ্ন। মই মানে····· মধুবীহাটৰ পৰা আহিছোঁ······ অলপ হেডচাৰক দেখা কৰিব লাগিছিল। ৰত্নেশ্বৰে নম্ৰত ৰে কলে। "অ' আছেই, আছেই মে······ই······টো ৰূমুতে আছেই যাৱা।" চকীদাৰৰ নিৰ্দ্দেশমতে ৰত্নেশ্বৰ গৈ প্ৰধান শিক্ষকৰ কোঠাৰ দুৱাৰমুখত উপস্থিত হ'ল।

'সোমাব পাৰোনে চাৰ?' যথাসম্ভৱ কোমলতাৰে ৰত্নেশ্বৰে মাত লগালে। 'কোন?' আঁহা, সোমাই আঁহা।' প্ৰধান শিক্ষকৰ গলগলিয়া মাতটো ভাঁহি আহিল। সন্তৰ্পণে ৰত্নেশ্বৰ সোমাই গ'ল। 'অ' তুমি·····আঁহা আঁহা বহা। পলম কৰিলাযে?' সমুখৰ চকিখনলৈ আঙুলিয়াই প্ৰধান শিক্ষক হৰেন্দ্ৰ ভড়ালীয়ে মেজত পৰি থকা চিঠিৰ খামবোৰ একাষে সামৰি থলে। মানে চাৰ আমাৰ সেইচোৱাত বাছৰ বৰ।' অসুবিধা·········সেইবাবেই অলপ···· · পলম হ'ল।' 'অ'·······কিনো কৰা আমাৰ পৰিবহনৰ কথা! হেৰি ····তুমি যোগাৰখিনি আনিছা নহয়?' ভড়ালীয়ে প্ৰসঙ্গ সলালে। 'অ এইয়া এইখিনি।' কাগজখিনি মোনাৰ পৰা উলিয়াই ৰত্নেশ্বৰে মেজখনত থলে আৰু প্ৰধান শিক্ষকৰ ভাবী কাৰ্য্যকলাপলৈ উৎসুকতাৰে বাট চাই থাকিল। ক্ষণিক কাগজকেইখন লাৰি-পিটিকি চাই ভড়ালী অলপ গহীন হ'ল আৰু প্ৰায় নাটকীয় ভঙ্গীত কৈ উঠিল— 'তোমাৰ ইন্টাৰভিউৰ মাৰ্কচ্ চাই ভালেই লাগিছে। তোমালোক দুয়োজনে বেছ ভাল নম্বৰেই পাইছা।' 'দুজন·········মানে চাৰ?!' ৰত্নেশ্বৰৰ ক্ষীণ কণ্ঠত প্ৰশ্ন উফৰি পৰিল। 'অ অ ·····তুমি ইণ্টাৰভিউৰদিনা লগ পাইছাই কিজানি সেই আমগুড়িৰ লৰাজন! নামটো কি আছিল জানো? অ ভাল মনত পৰিছে প্ৰসেন চৌধুৰী; ঠিক তোমাৰ সমানেই নম্বৰ পাইছে।' ভড়ালীয়ে আলাসতে কৈ গ'ল। ৰত্নেশ্বৰৰ গাটো অলপ ঘামি অহা যেন লাগিল। লৰাজনক দেখা তাৰ মনত আছে, একেলগে ইণ্টাৰভিউ দিছিল একেটা পদৰ বাবে। ফিৰফিৰিয়া দামী চাৰ্ট-পেণ্ট জোৰেৰে লৰাজনক বেচ ধনীঘৰৰ যেনেই লাগিছিল। 'চাৰ তেনেহলে······' ৰত্নেশ্বৰে কব খোজাখিনি যেন প্ৰধানশিক্ষকে বুজি পাইছিল। 'অ তাকেইটো, আমি বৰ দোমোজাতেই পৰিছোঁ, চাকৰিটো দুয়োজনৰেই প্ৰয়োজন, কিন্তু···· ···।' প্ৰধান শিক্ষকৰ কপালত কৃত্ৰিম চিন্তাৰ আঁচ কেইডাল জিলিকি উঠিল। 'চাৰ কিবা এটা কৰক মোকটো জানেই চাৰ···ঘৰৰ অৱস্থা তেনেই পানীত হাঁহ নচৰ·····।' কৃপাভিলাষী হৈ উঠা মনটোৰ হেচাত ৰত্নেশ্বৰৰ হাত দুখন প্ৰধান শিক্ষকৰ সমুখত নমস্কাৰৰ ভঙ্গীত দাংখাই উঠিল। তোমাক চাকৰিটো দিয়াৰ মোৰো ইচ্ছা। কিন্তু কথা হ'ল······ এটা কাম কৰা। জানাইটো আজিকালি ·····মই তোমাৰ বাবে এষাৰ জোৰ দি কবলৈ ঠাই কনোতো পাব লাগিব····অলপ

দোনেশ্বনৰ ব্যৱস্থা কৰিব নোৱাৰানে ?' প্ৰধান শিক্ষকৰ মাতটো ক্ৰমে সৰু হৈ আহিল। 'মানে চাৰ ?' ৰত্নেশ্বৰৰ মুখত প্ৰশ্নবোধক ভাব। 'তুমি কথাটো নুবুজিলা! তেনেহলে শুনা·····প্ৰসেনে ইতিমধ্যেই স্কুলৰ নামত চাৰি হেজাৰ টকা দিম বুলি কথা দিছেই। কিন্তু ·····তেওঁক চাকৰিটো দিয়াৰ ইচ্ছা মোৰ নাই দিয়াচোন! এতিয়া কথা হ'ল, তুমি যদি তেওঁতকৈ অলপ বেছিকৈ মানে ধৰা পাঁচ হেজাৰমান টকা দিম বুলি কব পাৰা মই অলপ বল দিব পাৰো। পাৰো মানে পৰিচালনা সমিতিৰ সম্পাদকক বুজায় মেলি কিবা এটা কৰিম আৰু! তুমি বা এতিয়া কি কোৱা ? এইটো হলে কিন্তু মই তোমাক একপ্ৰকাৰ কথা দিবই পাৰো।' প্ৰধান শিক্ষকৰ কথাত নিশ্চয়তাৰ প্ৰলেপ। ৰত্নেশ্বৰ নিৰুত্তৰ। 'পাঁচ হেজাৰ' বোলা শব্দ দুটাৰ পিছৰ প্ৰধান শিক্ষকৰ কথাখিনি হয়তো তাৰ কাণত সোমোৱা নাছিল। সি তেতিয়া অন্য এখন পৃথিৱীত, য'ত পাঁচ হাজাৰ টকা একেলগে কোনেও দেখা নাই; সেইখন পৃথিৱীত য'ত ক্ষুধাৰ্ত, নাঙঠ শিশুৰ ক্ৰন্দনত গছৰ পাত সৰে; অসহায়া ৰুগ্ন মাতৃৰ হৃদয়ত দুখৰ জোঁৱাৰ উঠে। মনত পৰিল তাৰ থাপনাৰ সমুখত কৰা সেৱাটো ; মাক, ভনীয়ে-ক কেইজনীৰ ভৱিষ্যতৰ স্বপ্নেৰে স্বপ্নালু চকু কেইটা। কি মনে মনে থাকিলেন ? প্ৰধান শিক্ষ-কৰ মাতত সি যেন সম্বিত ঘূৰাই পালে। মই নোৱাৰিম চাৰ.... ..।' সি অলপ আগতে উলি-য়াই দিয়া চাৰ্টিফিকেট কেইখন মেজৰ পৰা তুলি ললে। অজানিতে তাৰ এটি দীৰ্ঘ নিশ্বাস সৰি পৰিল। কাগজ কেইখনলৈ এপলক করু-নেত্ৰে চাই মোনাখনত ভৰাই ললে। 'মই আহিলো চাৰ।' পাৰ ভাঙিব খোজা অশ্ৰু ধাৰাক কোনোমতে বাধা দি হাত দুখ-এবাৰ কপাললৈ নি সি ওলাই আহিল। প্ৰধান শিক্ষক ভৰালীৰ দৃষ্টি এবাৰ ৰত্নে-শ্বৰ ওলাই যোৱাৰ পিনে গৈ পুনৰাই মেজৰ একাষৰীয়া কৈ থোৱা খামবোৰত নিবদ্ধ হ'ল।

বাহিৰত তেতিয়া চকু চাট্ মৰা ৰ'দ ঘৰলৈ উভতি যোৱাৰ সাহসকণ গোটাবা-কৰা চেষ্টাৰ ফলশ্ৰুতি হিচাপে ৰত্নেশ্বৰৰ চকু হাল তিতি উঠিল। সমুখৰ দৃশ্যবাজি হঠা-ধুৱঁলী কুঁৱলী হৈ গল। মাধৱীৰ ফুটা ফ্ৰক ফুটা কেইটাই একোটা বিৰাট শূন্য হৈ যে গোটেই বিশ্বখন গিলি পেলাব ধৰিলে।

*

বিঃ দ্ৰঃ—গল্পটো সম্পূৰ্ণ কাল্পনিক যদিও বৰ্তমান সমাজত চলিত কিছু সংখ্যক দেখা-শুনা বাস্তৱ ঘটনাৰে ইয়াৰ আভাষ উৎস বুলিব পাৰি। নাম-ধাম গল্পৰ চৰিত্ৰৰ সৈতে মিলিলে চিন্তা কৰিবলগীয়া নাই।



# নিয়তিৰ নিষ্ঠুৰ পৰিহাস

শ্ৰীনিৰোদ কুমাৰ শৰ্মা
টি, ডি, চি, দ্বিতীয় বাৰ্ষিক
১৯৮৭

পৃথিৱীখন বৈচিত্ৰময় তাতোকৈ বৈচিত্ৰময় এই মানৱজীৱন। প্ৰত্যেকজন মানুহেই জীৱনটো হাঁহি হাঁহি কটাব খোজে; বিচাৰে এখন সোণৰ সংসাৰ। কিন্তু ই জানো সকলোৰে বাবে সম্ভৱ ? দেখা যায় বহুতৰে মনৰ কল্পনা মনতে মাৰ যায়। তথাপি পৃথিৱীৰ প্ৰতিজন মানুহেই আশাবাদী সুখান্বেষী।

গতানুগতিক বাস্তৱতাৰে দীপকে এই পৃথিৱীত এখন সুখৰ সংসাৰ গঢ়াৰ সপোন দেখিছিল। বহু অভাৱ অনাটনৰ মাজেৰে ককায়েকৰ অপৰিসীম যত্ন ওঁ চেষ্টাত দীপকে এটা সময়ত গৈ গৈ বিশ্ববিদ্যালয়ত উপস্থিত হৈছিল আৰু অশেষ চেষ্টাৰ ফলত এম,-এচ, চি ডিগ্ৰীও লাভ কৰিলে। কিন্তু নিয়তিৰ নিষ্ঠুৰ কুঠাৰাঘাতত সেই সময়তে দীপকৰ জীৱনলৈ নামি আহিল এক ধুমুহা।

দীপকৰ ককায়েক দিলীপ। এখন প্ৰাই-মাৰী স্কুলৰ শিক্ষক। সহজ সৰল জীৱন যাপন কৰা এজন আপোনভোলা স্বভাৱৰ মানুহ। কণ কণ ছয়টা ল'ৰা ছোৱালী আৰু ভায়েক দীপক, পত্নী শেৱালীয়ে তেওঁৰ পৰিয়ালৰ লোক। ভায়েক দীপকৰ ওপৰতে আশা ভৰষা, কিয়নো অৱসৰ পাবলৈ তেওঁৰ মাত্ৰ পাঁচ বছৰ। ভায়েকক পঢ়াই-শুনাই সি ডাঙৰ মানুহ কৰাব। সেয়ে দীপকৰ এই কৃতকাৰ্য্যতাত দিলীপৰ আনন্দৰ সীমা নাই। দীপকৰ ওপৰতে নিৰ্ভৰ কৰি হয়তো তেওঁ এই জৰাজীৰ্ণ ঘৰখনত এটা নতুন ৰূপ আনি দিব পাৰিব মনৰ আনন্দত তেওঁ শেৱালীক কয়·········।

''শেৱালি চোৱা আমি কিমান গৌৰবান্বিত। আমাৰ দীপকে এম-এছ-চি পাছ কৰিলে। এই অঞ্চলৰ সিয়ে একমাত্ৰ এম-এছ-ছি পাছ কৰা ল'ৰা নহয়নে ?'' প্ৰত্যুত্তৰত শেৱালীয়ে এটা আনন্দৰ হাঁহি মাৰি গিৰিয়েকক কলে হেৰি দীপকেতো এম, এছ, চি পাছ কৰিলে, পিছে এতিয়া বাৰু তাৰ বিষয়ে কি ভাবিছে। চাকৰিকে নহলে''........।''নহয় ৰবা! সদ্য-হতে সি এতিয়া চাকৰি বাকৰিৰ চিন্তা কৰিব নালাগে। এতিয়া সি গৱেষণাকে কৰক।'' কথাখিনি অতি দৃঢ়তাৰে দিলীপে ক'লে।

এইদৰে দিলীপৰ সংসাৰখন ৰথৰ চকাৰ দৰে আগুৱাব ধৰিলে। ভায়েক দীপকেও গৱেষণাৰ কামত আগবাঢ়িল।

সেয়া আছিল ফাগুন মাহ। ফাগুনৰ পচোৱা বতাহৰ কেচা বোল। ফাগুনৰ বলীয়া বতাহে মানুহৰ অন্তৰো চঞ্চল কৰি তোলে।

প্ৰকৃতিয়ে সেই সময়ত নতুন ৰূপেৰে দেখা দিয়েহি। প্ৰকৃতিৰ কিযে অৰূপ সেই দৃশ্যবোৰ। কিন্তু দিলীপৰ সংসাৰ ফাগুনৰ পচোৱা বতাহত ঠান-বান হৈ গল।

কেইদিন মানৰ পৰা দিলীপৰ মাৰ-নৰীয়া হল। জ্বৰ কাঁহ। সি ভাবিলে দুই চাৰিদিনৰ ভিতৰতে অসুখ আপোনা আপুনি ভাল হ'ব। কিন্তু এমাহৰ পিছতো অসুখ ভাল হৈ নুঠিল, বৰং দিনক দিনে বাঢ়িবহে ধৰিলে। গাঁৱৰে ধন্বন্তৰী ওজা ভেবোকাক মাতি আনি কেইপালিমান পিবা খালে আৰু জবা ফুঁকাওঁ কৰিলে। কিন্তু সকলো অসাৰ। অনিচ্ছাস্বত্বেও দিলীপে দীপকক মাতি পঠালে।

"ডিব্ৰুগড়"; দীপকে পিয়নৰ পৰা চিঠিখন পাই লৰা-লৰিকৈ খুলি চাই দেখে যে দাদায়েক দিলীপে দিছে। প্ৰায় একে উশাহত চিঠিখন পঢ়ি সি কিংকৰ্ত্তব্য বিমূঢ় হৈ পৰিল। ইফালে তাৰ গবেষণাৰ কাম, আনফালে তাৰ দদায়েকৰ অসুখ। নানা চিন্তা কৰি পিছদিনা ছুটী লৈ ঘৰলৈ আহিবলৈ ঠিৰাং কৰিলে।

পিছদিনা ঘৰ পাই আহি গাঁৱৰ দুই চাৰিজনৰ পৰামৰ্শ মতে ডিব্ৰুগড় মেডিকেললৈ লৈ যাবলৈ সিদ্ধান্ত কৰিলে। কিন্তু ইমান টকা ক'ত পাব। গাঁৱৰে এজন মানুহে দিলীপৰ দুখত দুঃখী হৈ পাঁচশ টকা ধাৰে দিলে। শেৱালিয়ে যাব খুজিছিল কিন্তু কণ-কণ ল'ৰা-ছোৱালী কেইটা আৰু ঘৰখনৰ মোহত যাব নোৱাৰিলে।

নানা অসুবিধাৰ মাজেৰে দীপকে ককায়েকক লৈ মেডিকেল পালেগৈ। ডাক্তৰে পৰীক্ষা কৰি দীপকৰ ককায়েকক মেডিকেল চিটত ৰাখিবলৈ উপদেশ দিলে। এক অবুজ বেদনাত দীপক শিহৰি উঠিল। দীপকে খাটি খুটি ককায়েকৰ বাবে এজন ডাক্তৰক আৰু দুজনী নাৰ্চ'ক দিন আৰু ৰাতিৰ বাবে বন্দ- বস্তও কৰিলে। পিছদিনাখন দীপকে ককা- য়েকক এৰি ঘৰলৈ আহিল। ঘৰলৈ আহি বৌয়েকক সকলো কথা ভাঙি কলে! শেৱালিয়ে কান্দি কান্দি গিৰিয়েকৰ আশু প্ৰাৰ্থনা কৰিলে। দীপকে নিতৌ পথ্যপাতি লৈ মেডিকেললৈ যায়। ককায়েকৰ অৱস্থা দিনক দিনে শোচনীয় হৈ আহিল। খাব লব নোৱাৰে।

প্ৰায় দহ দিনৰ কথা। সিদিনা আছিল মঙ্গলবাৰ। দীপকে ৰাতিপুৱাই দুমুঠি খা মেডিকেললৈ বুলি ৰাওনা হ'ল। ঘৰৰ পদূ মুখ পাৰ হওঁতে কাউৰীয়ে কা-কা কৈ কেইটা মান বিকট চিঞৰ মাৰিছিল। দীপকৰ বুকু খন তেতিয়া অজানিতে কপিছিল।

যেতিয়া দীপকে মেডিকেল পালেগৈ তেতিয়া প্ৰফেচৰ দত্তই তেওক নিজৰ চেম্বাৰ মাতি নি ক'লে "আপোনাৰ ককায়েকৰ অৱ সিমান ভাল নহয়।" ইয়াত ৰোগী ভা হোৱাৰ আশা নাই। পাৰে যদি অস বাহিৰলৈ নিয়াৰ ব্যৱস্থা কৰক। বি তাতো ......।" দত্তৰ তেনেকুৱা কথা শু দীপকৰ মূৰ ঘূৰি গ'ল। ভয়ত সি বি হৈ পৰিল। বুজিলে যে ককায়েকৰ অসুখ ভা হোৱাৰ আশা নাই। তাৰ মৰমৰ ককায়ে তেন্তে ঢুকাব। সি উপায়ন্তৰ হৈ পৰিল ঘৰলৈ গৈ সি বৌৱেকক কব কি? শাত



দিব কি ভাষাৰে? লাহে লাহে ককায়েকৰ চিটলৈ আগবাঢ়িল। ককায়েকৰ অৱস্থা দেখি তাৰ অন্তৰখনে কিবা এক অবুজ বেদনাত কান্দি উঠিল। দীপকক দেখি ককায়েকে উঠিবলৈ চেষ্টা কৰিব খোজোতে নাৰ্চ এগৰাকীয়ে বাধা দিলে। কাৰণ দিলীপৰ হাৰ্ট অতি দুৰ্বল। তথাপি বিচনাতে শুই শুইয়ে সেহাই সেহাই কলে "দীপক! এই দুৰ্ভগীয়া ককায়েৰাৰ বতৰা লব আহিছ। মোৰ হয়তো জীৱন শলিতা নুমাবলৈ বেছি দিন নাই। ককায়েকৰ কথা শুনি দীপকে হুক-হুকাই কান্দি কান্দি উঠিল। পুনৰ ককায়েকে কলে, দুখ নকৰিবি ভাই। তোক মানুহ বনাব নোৱাৰিলোঁ। এটা কথা শুন তই যদি ডাঙৰ মানুহ হৱ, তেন্তে তই, মোৰ দৰে দুৰ্ভগীয়া বোৱক অলপ দয়াৰ চকুৰে চাবি। মোৰ কাৰণে অকনো দুখ নকৰিবি। বৌৱেৰাকো কবি, দুখ নকৰিবলৈ। পোনাকণ হঁতকো। হেঁ দীপক এই দুখন চিঠি, মোৰ মনৰ বেদনা বোৰ ইয়াতে প্ৰকাশ কৰিছো। বৌৱেৰাক আৰু মোৰ পোনাকণ হঁতক দিবি। যা দীপক তই ঘৰলৈ যা।"

আবেলি তিনি বজাত দীপকে বলু হীলচত উঠিল ঘৰলৈ বুলি। মনত তাৰ অলেখ চিন্তাৰ ঢৌ। তীব্ৰ গতিত গাড়ী চলিবলৈ ধৰিলে। দীপকে হঠাৎ ককায়েকে দিয়া চিঠি দুখনকে উলিয়াই খুলি ললে—

শ্ৰী হৰি

ডিব্ৰুগড় মেডিকেল

২-৯-৮৭

মৰমৰ শেৱালি

মৰম লবা। মোৰ অসুখ বৰ্ত্তমান সিমান ভাল নহয়। মোৰ বাবে তুমি অকনো দুখ নকৰিবা। এদিন...... তুমি আৰু মই এখন সুখৰ সংসাৰ গঢ়াৰ সপোন দেখিছিলো। কিন্তু কণাবিধতাই তাক সহ্য কৰিব নোৱাৰিলে। সপোন বাস্তৱত পৰিণত নহ'ল। কিন্তু দুখ কৰি জানো কিবা লাভ হ'ব! তুমি দীপকক চাবা। তাক মই মানুহ কৰিব নোৱাৰিলো। পোণাকণ হতক তুমি মানুহ কৰিবলৈ যত্ন কৰিবা। আৰু লিখাৰ ইচ্ছা আছিল যদিও নোৱাৰিলো; ফাহেই মোক জুৰুলা কৰিছে। মোৰ আয়ুস বোধ হয় শেষ। ইতি

তোমাৰ দুৰ্ভগীয়া স্বামী

দিলীপ।

চিঠিখন পঢ়ি উঠি দীপকে এটি দুখৰ হুমুনিয়াহ কাঢ়িলে। আকৌ পিছৰ চিঠিখন খুলি পঢ়িবলৈ ললে।—

মৰমৰ অঞ্জলী, পঙ্কজ··· ডিব্ৰুগড়

সোণহঁত

ভগৱানে নিশ্চয় তহঁহক ভালে কুশলে ৰাখিছে, আৰু ভৱিষ্যতলৈ নিশ্চয় ৰাখিব। যি দিনা মই ঘৰৰ পৰা ডিব্ৰুগড়লৈ বুলি আহিছিলোঁ, সিদিনাৰ পৰা তহঁত কেইটালৈ মোৰ ঘনাই মনত পৰি থাকে। তহঁতে পুৱা

গধুলি পড়ি থাকনে? মোৰ সোণহঁত।
তহঁতক মই ইয়াৰ পৰা করুণাময়ৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ তহঁত যেন ডাঙৰ মানুহ হব, ঠিক মহাত্মাৰ দৰে সত্যবাদী। শুন-মোৰ অসুখ কমা নাই। তহঁতে দুখ নকৰিবি। খুড়া আৰু মাৰৰ কথা শুনিবি। শেষত তহঁতলৈ মোৰ হিয়া ভৰা স্নেহ থাকিল। ইতি

তহঁতৰ ৰুগীয়া পিতা

চিঠি দুখন পঢ়ি উঠাৰ পিচত অজানিতে দীপকৰ চকুৰ পৰা বাৰিষাৰ ঢল নামি অহাৰ দৰে দুধাৰি চকুলো নিগৰি আহি গাত পৰিলহি তপত তেজ যেন তাৰ বেদনাৰ চকুলো। হাতত থকা ৰুমাল খনেৰে চকু দুটা ভালকৈ মচি ললে সি। এনেতে সি গাড়ীৰ চেকৰৰ মুখৰ পৰা "এই লাহোৰাল লাহোৰাল" বোলা উত্তপ্ত কথা শুনিলে। তাৰ মানে সি ঘৰ পালেহি। ঘপ ঘপ কৈ গাড়ীৰ পৰা নামি পৰিল। তেতিয়া গধুলি চাৰে আঠ মান হৈছে চাগে। আন্ধাৰ ফালি ফালি সি খোজ ল'লে তাৰ মৰমৰ ঘৰলৈ বুলি। তেতিয়া শিয়ালবোৰে ক্যা হুৱা, ক্যা হোৱা কৈ গগন ফালি চিঞৰি আছিল।........ ।





কলেজৰ পৰা আহি পোৱাৰ লগে লগে বলেনে চিঠি এখন অহাৰ কথা কলে। বলেন মোৰ কাম কৰা ল'ৰা। চিঠিখন অহাৰকথা শুনি উচপ খাই উঠিলো। উচপ খোৱাই নহয় লগতে বৰ আচৰিতো হলো। কিয়নো আজি ছয় বছৰে কাৰো পৰা চিঠি এখন পোৱাৰ কথা মোৰ মনত নপৰে। সেয়েহে বলেনৰ কথাটো বিশ্বাস কৰিবলৈ সংকোচ লাগিল। ইমান বছৰে ঘৰখন আৰু মোৰ আন আন দূৰণীবটীয়া বন্ধু-বান্ধবৰ সংস্পৰ্শৰ পৰা মই প্ৰায় বিচ্ছিন্ন হৈ পৰাৰ দৰেই হৈছো। সেয়েহে হাত-মুখ ধুই উঠিয়েই বলেনে বনাই দিয়া চাহখিনি ততালিকে খাই অটাই পৰম উদ্বিগ্নতাৰে চিঠিখন হাতত তুলি ললো।

খামটোৰ ওপৰৰ আখৰকেইটাচোন খুউব চিনাকি চিনাকি লাগিল। গভীৰ আগ্ৰহেৰে সৈতে চিঠিখন খুলিলো। এখন সৰু চিঠি মোৰ পুৰণি বন্ধু দীপমৰ। চিঠিখন পাই যিমান আচৰিত হলো, তাতোকৈ বেছি আচৰিত হলো তাৰ লিখাখিনি পঢ়ি—

"অঙ্কুশ! অহা ২০ অক্টোবৰত সন্ধ্যাৰ বিয়া। তই নিশ্চয় আহিবি। নাহিলে হয়তো তই তোৰ জেদ বজাই ৰাখিব পাৰিবি কিন্তু এবাৰ ভাবি চা, তই জানো সন্ধ্যাক পবিত্ৰ হোমৰ গুৰিত এয়াৰী আশীৰ্ব্বাদ দিবলৈও কুণ্ঠিত হবি? নিমন্ত্ৰণ নেওচা দিলে বেয়া পাম। তোৰ আগমনৰ বাবে বহুত হেপাহেৰে বাট চাই ৰলো। ইতি—

"তোৰ দীপম"

# বেয়া মানুহ

শ্ৰীঅঞ্জু মণি ডেকা
স্নাতক ১ম বাৰ্ষিক
বিজ্ঞান শাখা

সৰু চিঠিখনে নিতান্তই মোক ভবাই তুলিলে। যাম জানো সন্ধ্যাৰ বিয়ালৈ? পাৰিম জানো সন্ধ্যাক অন্তৰ উজাৰি আশীৰ্ব্বাদ দিব? মোৰ উপস্থিতিয়ে জানো সন্ধ্যাৰ বৈবাহিক অনুষ্ঠানত কালিমা নাসানিব? সন্ধ্যাৰ দেউতাকে মোক জানো সহজ ভাবে লব পাৰিব? মোৰ সেই বেদনাদায়ক অতীতটো জানো পাহৰি যাব পাৰিম???

অতীত, এৰা মোৰ বেদনাদায়ক অতীতটো; যিটো মই কাহানিবাই পাহৰি যাবলৈ চেণ্টা কৰিছিলো, সেই অতীতটোৱে মোক আজি বাৰে বাৰে চিন্তা সাগৰত ডুবাই ৰাখিছে। এই সৰু চহৰখনলৈ আহি মই মোৰ অতীতটো পাহৰি যাবলৈ যৎপৰোনাস্তি চেণ্টা কৰি আহিছো। কিন্তু পৰা নাই। আজি ছয় বছৰ ধৰি ই মোক এক আনন্দদায়ক বেদনাৰ আমেজ দি আহিছে আৰু মই সেই আমেজত আপ্লুত হৈ

মোৰ অস্তিত্বকেই কেতিয়াবা কেতিয়াবা পাহৰি যাও।

অসমৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ গুৱাহাটী চহৰৰ গুৱাহাটী বিশ্ববিদ্যালয়তেই লগ পাইছিলো দীপমক, মোৰ "ক্লাচমেট" দীপম চৌধুৰীক আৰু লগ পাইছিলো সন্ধ্যাক। অৰ্থনীতি বিভাগত একেলগে পঢ়া দীপমৰ লগত মোৰ ঘনিষ্ঠতা দিনে দিনে বাঢ়ি গৈছিল। মই হোষ্টেলত আছিলো আৰু সি আছিল পান-বজাৰৰ ডাঃ জে, চি, দাস ৰোডৰ তাৰ নিজা ঘৰত। সিয়েই এদিন তাৰ ঘৰলৈ মোক লৈ গৈছিল আৰু চিনাকি কৰি দিছিল—তাৰ ভনীয়েক সন্ধ্যাস্নাতা চৌধুৰীৰ লগত। প্ৰথম দৃষ্টিতে সন্ধ্যাৰ কৰুণ সেমেকা চকুহালে মোক বৰকৈ আকৃষ্ট কৰিছিল। সেয়া মাথো আৰম্ভনিহে আছিল। তাৰ পিছত বহুত দিন, মাহ বাগৰিল। সন্ধ্যাৰ লগত মোৰ সম্বন্ধ নিবিড়ৰ পৰা নিবিড়তম হ'ল। দীপমে আমাৰ সম্বন্ধৰ কথা জানিছিল, কিন্তু সি একো নাছিল হয়তো সন্ধ্যাৰ প্ৰতি থকা মোৰ পবিত্ৰ মৰমৰ ওপৰত তাৰ আস্থা পূৰামাত্ৰাই আছিল। নহলে হয়তো আমি কাহানিও ইজনে আনজনৰ ইমান ওচৰ চাপিব নোৱাৰিলোহেতেন। অথচ ভুল সেইখিনিতেই হ'ল। লাহে লাহে নাজানো কিয় সন্ধ্যা মোৰ পৰা আঁতৰি যাবলৈ ধৰিলে। হয়তো তাই কলেজৰ দুৱাৰদলি গছকি জীৱনটো বেলেগধৰণে উপলব্ধি কৰিবলৈ শিকিলে। তাইৰ উদাসীনতাত মই বৰ আচৰিত হোৱা নাছিলো। ভাবিছিলো তাই হয়তো তাইৰ সীমিত পৰিধিৰ বাহিৰ ওলাই নিজকে মুক্ত অনুভৱ কৰিছিল, হয়তো তাই কল্পনাপ্ৰবণ নহৈ যুক্তিবাদী হবলৈ শিকিছিল। লাহে লাহে সন্ধ্যাৰ তালৈ যোৱা কমাই দিছিলো যদিও দীপমৰ বন্ধুত্বৰ খাতিৰত একেবাৰে নোযোৱাকৈ থাকিব পৰাও নাছিলো। ফাই নেল পৰীক্ষাৰ বাবে যথেষ্ঠ পঢ়িব লগা হৈছিল; সেয়েহে দীপমহঁতৰ ঘৰলৈ যোৱাটো প্ৰায় পাতলিছিলেই। কিন্তু এদিন "নোটচ এটা বিচাৰি তাৰ ঘৰত ওলাবলগীয়া হ'ল সি ঘৰত নাছিল। সন্ধ্যা ঘৰত আছিল নাই নাজানো। দীপমৰ বাবে অপেক্ষা কৰি থাকোতে হঠাতে তাৰ দেউতাক কোঠাত সোমাই আহিছিল। কোনো পাতনিৰ অৱ তাৰণা নকৰি সন্ধ্যাৰ দেউতাকে গুৰু-গম্ভী স্বৰত কৈছিল, "অঙ্কুশ! তুমি এইখন ঘৰ অহাটো মই পচণ্ড নকৰো। তুমি মোক ভু নুবুজিবা। তুমি পঢ়া-শুনা কৰা শিক্ষিত ল' সন্ধ্যাৰ ভৱিষ্যতৰ বাবে তুমি এইখন ঘৰ নহাটো মই বিচাৰো। মোৰোটো এ "ছছিয়েল ষ্টেটাচ" আছে। সন্ধ্যাৰ ভৱিষ্যত বাবে বা সন্ধ্যাৰ ভালৰ বাবেই যেন তু এইখন ঘৰৰ "প্ৰেষ্টিজ" ৰাখি আৰু কেতি য়াও নাহা।"

উত্তৰ দিবলৈ মোৰ একো নাছিল। নিঃ শব্দে কোঠাৰ পৰা ওলাই আহিছিলো ষ্ট্ৰীট লাইটৰ পোহৰে সন্ধ্যাৰ এন্ধাৰবোৰ আঁ ৰাবলৈ বৃথা চেষ্টা কৰিছিল। আৰু এন্ধাৰৰ সুৰুঙাৰে "চিটী বাছ ষ্টপেজ" ঢপলিয়াইছিলো। আচলতে সেয়া মোৰ পলা আছিল। সোনকালে মই মানুহৰ ভীৰৰ মাজতে হেৰাই যাবলৈ বিচাৰিছিলোঁ।

তাৰ পিচত সুদীৰ্ঘ ছটা বছৰ পাৰ হৈ গ'ল। সন্ধ্যা, দীপম সকলো বিস্মৃতিত হেৰাই গ'ল। অৰ্থ নীতিত এম, এ পাচ কৰি বহি থাকিব লগীয়া নহ'ল। এই সৰু চহৰখনত অৰ্থ-নীতিৰ অধ্যাপক হৈ আহিবৰ আজি ছয় বছৰেই হ'ল। দিনত কলেজৰ কৰ্মব্যস্ততা আৰু নিশাৰ নিৰ্জনতা আৰু নিসঙ্গতাৰ মাজেৰে মোৰ জীৱনৰ প্ৰতিটো পল অনুপল কটাই দিছো। মৰণ-যাত্ৰী কেন্সাৰ ৰোগীৰ দৰেকৈ এতিয়া মই জীয়াই থাকিবৰ বাবেহে জীয়াই আছো।

"চাৰ! বজাৰলৈ যাব লাগিছিল নহয়?" বলেনৰ মাতত হঠাতে উচপ খাই উঠিলো। হাতৰ পৰা চিঠিখন কেতিয়া মাটিত পৰি গৈছিল গমেই পোৱা নাছিলো। চিঠিখন উঠাই চালো, আখৰবোৰ অস্পষ্ট হৈ পৰিছিল; হয়তো মই কান্দিছিলো। সন্ধ্যা নামিছে। জোনাকী পৰুৱাবোৰে শেৱালি জোপাৰ পাত বোৰৰ মাজেৰে নাচি নাচি পোহৰৰ পোহাৰ মেলিব ধৰিছে। কোঠাৰ লাইটটো জ্বলাই দিলো। সন্ধ্যাৰ এন্ধ্যাৰবোৰ আঁতৰি গ'ল।

মই সন্ধ্যাৰ বিয়ালৈ নোযোৱাটোকেই ঠিক কৰিলো। যিখন ঘৰত মোৰ উপস্থিতি অমঙ্গল জনক, সেইখন ঘৰৰ সেইজনী সন্ধ্যাৰ বিয়াত মই দিয়া আশীৰ্বাদে জানো তাইৰ জীৱনলৈ মঙ্গল কঢ়িয়াই আনিব!, তাইক জানো সুখী কৰিব? যিখন ঘৰৰ যিজনী ছোৱালীৰ ইমান ওচৰ চাপিও অন্তৰৰ পবিত্ৰতা বুজি নেপালোঁ। যিজনী ছোৱালীৰ মঙ্গল বিবেচনা কৰি এদিন গুচি আহিব লগীয়া হ'ল, সেইজনী সন্ধ্যাৰ বিয়াত নোযোৱাটোৱেই জ্ঞানীৰ পৰিচায়ক হ'ব। সন্ধ্যা সুখী হওঁক তাইৰ বিবাহিত জীৱন সুখৰ হওক এয়ে মোৰ একমাত্ৰ আশা। মই বেয়া মানুহ হৈ মাঙ্গলিক অনুষ্ঠানত অমঙ্গলৰ বীজ সিঁচিবলৈ যাঁওনো বাৰু কিয়??

ক্লান্ত খোজেৰে মই শেৱালি জোপাৰ তললৈ নামি আহিলো। সৰা শেৱালি এপাহ হাতত তুলি ললো। মিঠা সুবাস এটা নাকত লাগিল। বুকুৰ কোনোবা খিনি মোৰ বিষাই উঠিল। উভতিব খোজোতেই নিয়ৰৰ চেঁচা টোপাল কেইটামান মোৰ ভৰিতে পৰিল। সেয়া শেৱালি জোপাই উচুপিছে, কোনে জানে হয়তো আজিৰ এই নিৰ্জন সন্ধ্যাইও শেৱালি জোপাৰ স'তে নীৰবে উচুপিছে।

# প্ৰতিশ্ৰুতি

শ্ৰীজয়ন্ত কুমাৰ শৰ্মা
স্নাতক ২য় বাৰ্ষিক, কলা শাখা

"What is the matter sister ?
That man is dead, Doctor...

প্ৰায় দৌৰিয়েই ডাঃ দাসে প্ৰৱেশ কৰিছিল। সেই দুৰ্ভগীয়া ডেকাজনৰ কোঠালীটোত সকলো শেষ। এয়া কি চৰম পৰাজয়। আন্তৰিক আঘাট পালে ডাঃ দাসে। কিন্তু কিয় ? হস্পিতালতটো কেৱল এইজন ডেকাৰে মৃত্যু হোৱা নাই ?"

ডাঃ পল্লৱ দাসৰ মন আজি বিষাদেৰে পৰিপূৰ্ণ। ডাঃ দাসৰ মনত কিছুমান পুৰণি স্মৃতিৰ জোৱাৰ উঠিছে। অথচ এইজন মানুহৰ ৰাতিপুৱা শুই উঠি দিনটো যে এনে এক অশান্তিময় হৈ উঠিব কল্পনাই কৰা নাছিল। আজিও ডাঃ দাসে ৰাতিপুৱাই উঠি গা পা ধুই লগুৱা ৰমেশে আগুৱাই দিয়া ব্ৰেকফাষ্ট কৰি ওলাই গৈছিল মেডিকেল কলেজ হস্পিটেললৈ। ৰাতিপুৱাৰ এক মধুৰ পৰিবেশৰ মাজেৰে নদীপাৰৰ ৰাস্তাৰে ডাঃ দাসে লাহে লাহে ড্ৰাইভ কৰিছিল মাৰুতি গাড়ীখন। নদীপাৰৰ ৰাস্তা এৰি ৺লক্ষীনাথ বেজবৰুৱ ৰোডত গাড়ীখন টাৰ্ণ কৰোতেই ডাঃ দা দেখিলে এদল মানুহ। কিবা এটা বেঢ়ি আলোচনাত ব্যস্ত। ডাঃ দাসে গাড়ীখন ৰখ কিনো হৈছে খবৰটো লোৱাৰ মানসে গাড়ীৰ পৰা নামিল। ইতিমধ্যে কেইজনমা মানুহে প্ৰায় দৌৰি আহিয়েই ডাঃ দাস নমস্কাৰ জনাই আঘাত প্ৰাপ্ত ডেকাক তেওঁ গাড়ীতে হস্পিটেললৈ নিবলৈ অনুৰোধ জনা ডাঃ দাসে মুখেৰে একো নামাতি মানু জুমটোৰ ফালে আগুৱাই গ'ল।

তেওঁ দেখিলে এজন প্ৰায় ২৫/২৬ বছৰী ডেকা তেজেৰে লুতুৰি-পুতুৰি হৈ পৰি আ ডাঃ দাসে ডেকাজনৰ পালচ্ চালে। ঠিয় হৈ থকা জুমটোৰ ফালে চাই অনু জনালে ডেকাজনক তেওঁৰ গাড়ীত তুলি দিব ডেকাজনক গাড়ীত তুলি দিয়াৰ লগে ডাঃ দাসে গাড়ীখন প্ৰায় উৰুৱাই অন আনি হস্পিটেল পোৱালেহি। তেওঁ অক সময় নষ্ট নকৰি ডাঃ প্ৰদীপ শৰ্মা নাৰ্চ মিচ্ ৰুবি হাজৰিকাৰ সহযোগেৰে ৰেচন কৰিলে। অপাৰেচন সুকলমেই হৈ গ প্ৰায় আধা ঘণ্টাৰ পিছত ডেকাই জ্ঞান আৰু অকনমান পানী বিচাৰিলে। চি কৰিয়ে এচামুচ পানী ডেকাৰ মুখত দি ডেকাই ডাঃ দাসৰ ফালে চাই অলপ হাঁহি চেষ্টা কৰিলে। ডাঃ দাসে তেওঁক টোপনি যাবলৈ অনুৰোধ জনালে। ডেকাজনে উচুপি উঠিল, মোক, ডাঃ ..........নহয়, নহয় ডাক্তৰ। পৃথিৱীখন



কলেজৰ পৰা আহি পোৱাৰ লগে লগে বলেনে চিঠি এখন অহাৰ কথা কলে। বলেন মোৰ কাম কৰা ল'ৰা। চিঠিখন অহাৰকথা শুনি উচপ খাই উঠিলো। উচপ খোৱাই নহয় লগতে বৰ আচৰিতো হলো। কিয়নো আজি ছয় বছৰে কাৰো পৰা চিঠি এখন পোৱাৰ কথা মোৰ মনত নপৰে। সেয়েহে বলেনৰ কথাটো বিশ্বাস কৰিবলৈ সংকোচ লাগিল। ইমান বছৰে ঘৰখন আৰু মোৰ আন আন দূৰণীৱটীয়া বন্ধু-বান্ধৱৰ সংস্পৰ্শৰ পৰা মই প্ৰায় বিচ্ছিন্ন হৈ পৰাৰ দৰেই হৈছো। সেয়েহে হাত-মুখ ধুই উঠিয়েই বলেনে বনাই দিয়া চাহখিনি ততালিকে খাই অটাই পৰম উদ্বিগ্নতাৰে চিঠিখন হাতত তুলি ললো।

খামটোৰ ওপৰৰ আখৰকেইটাচোন খুউব চিনাকি চিনাকি লাগিল। গভীৰ আগ্ৰহেৰে সৈতে চিঠিখন খুলিলো। এখন সৰু চিঠি মোৰ পুৰণি বন্ধু দীপমৰ। চিঠিখন পাই যিমান আচৰিত হলো, তাতোকৈ বেছি আচৰিত হলো তাৰ লিখাখিনি পঢ়ি—

"অঙ্কুশ! অহা ২০ অক্টোবৰত সন্ধ্যাৰ বিয়া। তই নিশ্চয় আহিবি। নাহিলে হয়তো তই তোৰ জেদ বজাই ৰাখিব পাৰিবি কিন্তু এবাৰ ভাবি চা, তই জানো সন্ধ্যাক পবিত্ৰ হোমৰ শুৱিত এষাৰী আশীৰ্ব্বাদ দিবলৈও কুণ্ঠিত হবি ? নিমন্ত্ৰণ নেওচা দিলে বেয়া পাম। তোৰ আগমনৰ বাবে বহুত হেপাহেৰে বাট চাই ৰলো। ইতি—

"তোৰ দীপম"

# বেয়া মানুহ

শ্ৰীঅঞ্জু মণি ডেকা
স্নাতক ১ম বাৰ্ষিক
বিজ্ঞান শাখা

সৰু চিঠিখনে নিতান্তই মোক ভবাই তুলিলে। যাম জানো সন্ধ্যাৰ বিয়ালৈ ? পাৰিম জানো সন্ধ্যাক অন্তৰ উজাৰি আশীৰ্ব্বাদ দিব ? মোৰ উপস্থিতিয়ে জানো সন্ধ্যাৰ বৈবাহিক অনুষ্ঠানত কালিমা নাসানিব ? সন্ধ্যাৰ দেউতাকে মোক জানো সহজ ভাবে লব পাৰিব ? মোৰ সেই বেদনাদায়ক অতীতটো জানো পাহৰি যাব পাৰিম ???

অতীত, এৰা মোৰ বেদনাদায়ক অতীতটো ; যিটো মই কাহানিবাই পাহৰি যাবলৈ চেষ্টা কৰিছিলো, সেই অতীতটোৱে মোক আজি বাৰে বাৰে চিন্তা সাগৰত ডুবাই ৰাখিছে। এই সৰু চহৰখনলৈ আহি মই মোৰ অতীতটো পাহৰি যাবলৈ যৎপৰোনাস্তি চেষ্টা কৰি আহিছো। কিন্তু পৰা নাই। আজি ছয় বছৰ ধৰি ই মোক এক আনন্দদায়ক বেদনাৰ আমেজ দি আহিছে আৰু মই সেই আমেজত আপ্লুত হৈ

মোৰ অস্তিত্বকেই কেতিয়াবা কেতিয়াবা পাহৰি যাও।

অসমৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ গুৱাহাটী চহৰৰ গুৱাহাটী বিশ্ববিদ্যালয়তেই লগ পাইছিলো দীপমক, মোৰ "ক্লাচমেট" দীপম চৌধুৰীক আৰু লগ পাইছিলো সন্ধ্যাক। অৰ্থনীতি বিভাগত একেলগে পঢ়া দীপমৰ লগত মোৰ ঘনিষ্ঠতা দিনে দিনে বাঢ়ি গৈছিল। মই হোষ্টেলত আছিলো আৰু সি আছিল পান-বজাৰৰ ডাঃ জে, চি, দাস ৰোডৰ তাৰ নিজা ঘৰত। সিয়েই এদিন তাৰ ঘৰলৈ মোক লৈ গৈছিল আৰু চিনাকি কৰি দিছিল—তাৰ ভনীয়েক সন্ধ্যাস্নাতা চৌধুৰীৰ লগত। প্ৰথম দৃষ্টিতে সন্ধ্যাৰ করুণ সেমেকা চকুহালে মোক বৰকৈ আকৃষ্ট কৰিছিল। সেয়া মাথো আৰম্ভনিহে আছিল। তাৰ পিছত বহুত দিন, মাহ বাগৰিল। সন্ধ্যাৰ লগত মোৰ সম্বন্ধ নিবিড়ৰ পৰা নিবিড়তম হ'ল। দীপমে আমাৰ সম্বন্ধৰ কথা জানিছিল, কিন্তু সি একো নাছিল হয়তো সন্ধ্যাৰ প্ৰতি থকা মোৰ পবিত্ৰ মৰমৰ ওপৰত তাৰ আস্থা পূৰামাত্ৰাই আছিল। নহলে হয়তো আমি কাহানিও ইজনে আনজনৰ ইমান ওচৰ চাপিব নোৱাৰিলোহেতেন। অথচ ভুল সেইখিনিতেই হ'ল। লাহে লাহে নাজানো কিয় সন্ধ্যা মোৰ পৰা আঁতৰি যাবলৈ ধৰিলে। হয়তো তাই কলেজৰ দুৱাৰদলি গছকি জীৱনটো বেলেগধৰণে উপলব্ধি কৰিবলৈ শিকিলে। তাইৰ উদাসীনতাত মই বৰ আচৰিত হোৱা নাছিলো। ভাবিছিলো তাই হয়তো তাইৰ সীমিত পৰিধিৰ বাহিৰ ওলাই নিজকে মুক্ত অনুভৱ কৰিছিল, হয়তো তাই কল্পনাপ্ৰবন নহৈ যুক্তিবাদী হবলৈ শিকিছিল। লাহে লাহে সন্ধ্যাৰ তালৈ যোৱা কমাই দিছিলো যদিও দীপমৰ বন্ধুত্বৰ খাতিৰত একেবাৰে নোযোৱাকৈ থাকিব পৰাও নাছিলো। ফাইনেল পৰীক্ষাৰ বাবে যথেষ্ঠ পঢ়িব লগা হৈছিল; সেয়েহে দীপমহঁতৰ ঘৰলৈ যোৱাটো প্ৰায় পাতলিছিলেই। কিন্তু এদিন "নোটচ্" এটা বিচাৰি তাৰ ঘৰত ওলাবলগীয়া হ'ল। সি ঘৰত নাছিল। সন্ধ্যা ঘৰত আছিল নে নাই নাজানো। দীপমৰ বাবে অপেক্ষা কৰি থাকোতে হঠাতে তাৰ দেউতাক কোঠালৈ সোমাই আহিছিল। কোনো পাতনিৰ অৱতাৰণা নকৰি সন্ধ্যাৰ দেউতাকে গুৰু-গম্ভীৰ স্বৰত কৈছিল, "অঙ্কুশ! তুমি এইখন ঘৰলৈ অহাটো মই পচণ্ড নকৰো। তুমি মোক ভুল নুবুজিবা। তুমি পঢ়া-শুনা কৰা শিক্ষিত ল'ৰা সন্ধ্যাৰ ভৱিষ্যতৰ বাবে তুমি এইখন ঘৰলৈ নহাটো মই বিচাৰো। মোৰোটো এটা "ছছিয়েল ষ্টেটাচ" আছে। সন্ধ্যাৰ ভৱিষ্যতৰ বাবে বা সন্ধ্যাৰ ভালৰ বাবেই যেন তুমি এইখন ঘৰৰ "প্ৰেষ্টিজ" ৰাখি আৰু কেতিয়াও নাহা।"

উত্তৰ দিবলৈ মোৰ একো নাছিল। মই নিঃশব্দে কোঠাৰ পৰা ওলাই আহিছিলোঁ। ষ্ট্ৰীট লাইটৰ পোহৰে সন্ধ্যাৰ এন্ধাৰবোৰ আঁতৰাবলৈ বৃথা চেষ্টা কৰিছিল। আৰু মই এন্ধাৰৰ সুৰুঙাৰে "চিটী বাছ ষ্টপেজ" লৈ চপলিয়াইছিলো। আচলতে সেয়া মোৰ পলায়ন



আছিল। সোনকালে মই মানুহৰ ভীৰৰ মাজতে হেৰাই যাবলৈ বিচাৰিছিলোঁ।

তাৰ পিচত সুদীৰ্ঘ ছটা বছৰ পাৰ হৈ গ'ল। সন্ধ্যা, দীপম সকলো বিস্মৃতিত হেৰাই গ'ল। অৰ্থ নীতিত এম, এ পাচ কৰি বহি থাকিব লগীয়া নহ'ল। এই সৰু চহৰখনত অৰ্থ-নীতিৰ অধ্যাপক হৈ আহিবৰ আজি ছয় বছৰেই হ'ল। দিনত কলেজৰ কৰ্মব্যস্ততা আৰু নিশাৰ নিৰ্জনতা আৰু নিসঙ্গতাৰ মাজেৰে মোৰ জীৱনৰ প্ৰতিটো পল অনুপল কটাই দিছো। মৰণ-যাত্ৰী কেন্সাৰ ৰোগীৰ দৰেকৈ এতিয়া মই জীয়াই থাকিবৰ বাবেহে জীয়াই আছো।

"চাৰ! বজাৰলৈ যাব লাগিছিল নহয়?" বলেনৰ মাতত হঠাতে উচপ খাই উঠিলো। হাতৰ পৰা চিঠিখন কেতিয়া মাটিত পৰি গৈছিল গমেই পোৱা নাছিলো। চিঠিখন উঠাই চালো, আখৰবোৰ অস্পষ্ট হৈ পৰিছিল; হয়তো মই কান্দিছিলো। সন্ধ্যা নামিছে। জোনাকী পৰুৱাবোৰে শেৱালি জোপাৰ পাত বোৰৰ মাজেৰে নাচি নাচি পোহৰৰ পোহাৰ মেলিব ধৰিছে। কোঠাৰ লাইটটো জ্বলাই দিলো। সন্ধ্যাৰ এন্ধ্যাৰবোৰ আঁতৰি গ'ল।

মই সন্ধ্যাৰ বিয়ালৈ নোযোৱাটোকেই ঠিক কৰিলো। যিখন ঘৰত মোৰ উপস্থিতি অমঙ্গল জনক, সেইখন ঘৰৰ সেইজনী সন্ধ্যাৰ বিয়াত মই দিয়া আশীৰ্বাদে জানো তাইৰ জীৱনলৈ মঙ্গল কঢ়িয়াই আনিব!, তাইক জানো সুখী কৰিব? যিখন ঘৰৰ যিজনী ছোৱালীৰ ইমান ওচৰ চাপিও অন্তৰৰ পবিত্ৰতা বুজি নেপালোঁ। যিজনী ছোৱালীৰ মঙ্গল বিবেচনা কৰি এদিন গুচি আহিব লগীয়া হ'ল, সেইজনী সন্ধ্যাৰ বিয়াত নোযোৱাটোৰেই জ্ঞানীৰ পৰিচায়ক হ'ব। সন্ধ্যা সুখী হওঁক তাইৰ বিবাহিত জীৱন সুখৰ হওক এয়ে মোৰ একমাত্ৰ আশা। মই বেয়া মানুহ হৈ মাঙ্গলিক অনুষ্ঠানত অমঙ্গলৰ বীজ সিঁচিবলৈ যাঁওনো বাৰু কিয়??

ক্লান্ত খোজেৰে মই শেৱালি জোপাৰ তললৈ নামি আহিলো। সৰা শেৱালি এপাহ হাতত তুলি ললো। মিঠা সুবাস এটা নাকত লাগিল। বুকুৰ কোনোবা খিনি মোৰ বিষাই উঠিল। উভতিব খোজোতেই নিয়ৰৰ চেঁচা টোপাল কেইটামান মোৰ ভৰিতে পৰিল। সেয়া শেৱালি জোপাই উচুপিছে, কোনে জানে হয়তো আজিৰ এই নিৰ্জন সন্ধ্যাইও শেৱালি জোপাৰ স'তে নীৰবে উচুপিছে।



# প্ৰতিশ্ৰুতি

শ্ৰীজয়ন্ত কুমাৰ শৰ্মা
স্নাতক ২য় বাৰ্ষিক, কলা শাখা

"What is the matter sister ?
That man is dead, Doctor...

প্ৰায় দৌৰিয়েই ডাঃ দাসে প্ৰৱেশ কৰিছিল। সেই দুৰ্ভগীয়া ডেকাজনৰ কোঠালীটোত সকলো শেষ। এয়া কি চৰম পৰাজয়। আন্তৰিক আঘাট পালে ডাঃ দাসে। কিন্তু কিয় ? হস্পিতালতটো কেৱল এইজন ডেকাৰে মৃত্যু হোৱা নাই ?"

ডাঃ পল্লৱ দাসৰ মন আজি বিষাদেৰে পৰিপূৰ্ণ। ডাঃ দাসৰ মনত কিছুমান পুৰণি স্মৃতিৰ জোৱাৰ উঠিছে। অথচ এইজন মানুহৰ ৰাতিপুৱা শুই উঠি দিনটো যে এনে এক অশান্তিময় হৈ উঠিব কল্পনাই কৰা নাছিল। আজিও ডাঃ দাসে ৰাতিপুৱাই উঠি গা পা ধুই লগুৱা ৰমেশে আগুৱাই দিয়া ব্ৰেক-ফাষ্ট কৰি ওলাই গৈছিল মেডিকেল কলেজ হস্পিটেললৈ। ৰাতিপুৱাৰ এক মধুৰ পৰিবেশৰ মাজেৰে নদীপাৰৰ ৰাস্তাৰে ডাঃ দাসে লাহে লাহে ড্ৰাইভ কৰিছিল মাৰুতি গাড়ীখন। নদীপাৰৰ ৰাস্তা এৰি ৺লক্ষীনাথ বেজবৰুৱা ৰোডত গাড়ীখন টাৰ্ণ কৰোতেই ডাঃ দাসে দেখিলে এদল মানুহ। কিবা এটা বেঢ়ি লৈ আলোচনাত ব্যস্ত। ডাঃ দাসে গাড়ীখন ৰখাই কিনো হৈছে খবৰটো লোৱাৰ মানসেৰে গাড়ীৰ পৰা নামিল। ইতিমধ্যে কেইজনমান মানুহে প্ৰায় দৌৰি আহিয়েই ডাঃ দাসক নমস্কাৰ জনাই আঘাত প্ৰাপ্ত ডেকাক তেওঁৰ গাড়ীতে হস্পিটেললৈ নিবলৈ অনুৰোধ জনালে। ডাঃ দাসে মুখেৰে একো নামাতি মানুহৰ জুমটোৰ ফালে আগুৱাই গ'ল।

তেওঁ দেখিলে এজন প্ৰায় ২৫/২৬ বছৰীয়া ডেকা তেজেৰে লুতুৰি-পুতুৰি হৈ পৰি আছে। ডাঃ দাসে ডেকাজনৰ পালচ্ চালে। তাত ঠিয় হৈ থকা জুমটোৰ ফালে চাই অনুৰোধ জনালে ডেকাজনক তেওঁৰ গাড়ীত তুলি দিবলৈ। ডেকাজনক গাড়ীত তুলি দিয়াৰ লগে লগে ডাঃ দাসে গাড়ীখন প্ৰায় উৰুৱাই অনাদি আনি হস্পিটেল পোৱালেহি। তেওঁ অকনো সময় নষ্ট নকৰি ডাঃ প্ৰদীপ শৰ্মা আৰু নাৰ্চ গিচ্‌ৰুবি হাজৰিকাৰ সহযোগেৰে অপাৰেচন কৰিলে। অপাৰেচন সুকলমেই হৈ গ'ল। প্ৰায় আধা ঘণ্টাৰ পিছত ডেকাই জ্ঞান পালে আৰু অকনমান পানী বিচাৰিলে। চিণ্টাৰ ৰুবিয়ে এচামুচ পানী ডেকাৰ মুখত দিলে। ডেকাই ডাঃ দাসৰ ফালে চাই অলপ হাঁহিবলৈ চেষ্টা কৰিলে। ডাঃ দাসে তেওঁক অলপ টোপনি যাবলৈ অনুৰোধ জনালে। হঠাৎ ডেকাজনে উচুপি উঠিল, মোক, ডাঃ মোক ..........নহয়, নহয় ডাক্তৰ। পৃথিৱীখন কিবা হৈ গ'ল।

'আপুনি অলপ মনে-মনে থাকক। সকলো ঠিক হৈ যাব" ডাঃ দাসে কলে।" কি ঠিক হব ডাক্তৰ আৰু আশা নাই। সকলো শেষ।"

এইবাৰ ডাঃ প্ৰদীপ শৰ্মা আগুৱাই আহিল, "আপুনি অলপ টোপনি যাবলৈ চেষ্টা কৰক মিষ্টাৰ। হেল্লো চিণ্টাৰ, এখেতক অলপ চাব আৰু বিশেষ প্ৰয়োজন হ'লে আমাক খবৰ দিব। আহক দাস। ডাঃ দাস আৰু ডাঃ শৰ্মা ওলাই আহিল। নিজৰ চেম্বাৰ-লৈ আহি ব্যস্ত হৈ পৰিল ডাঃ দাস। হঠাৎ চিণ্টাৰ ৰুবী প্ৰায় দৌৰিয়েই তেওঁৰ চেম্বাৰত প্ৰবেশ কৰিছিল আৰু এখন চিঠি তেওঁলৈ আগুৱাই দিছিল। হতভম্ব হৈ গৈছিল ডাঃ দাস কব নোৱাৰাকৈয়ে তেওঁ প্ৰশ্ন কৰিছিল "what is the matter sister ?" That man is dead Doctor....... " —প্ৰায় দৌৰিয়েই ডাঃ দাস প্ৰবেশ কৰিছিল সেই দুৰ্ভগীয়া ডেকাজনৰ ৰুমটোত। সকলো শেষ।

ডাঃ দাসৰ মনটো মৰি গ'ল। এয়া যেন এক চৰম পৰাজয়। আন্তৰিক আঘাত পালে ডাঃ দাসে। কিন্তু কিয় ? হস্পিটেলতটো অকল এইজন ডেকাৰে মৃত্যু হোৱা নাই ? বহুত মানুহ মৰিছে। কিন্তু আজি এই ডেকাজনৰ মৃত্যুৱে ডাঃ দাসৰ অন্তৰত এক মচিব নোৱাৰা সাচ বহুৱালে। তেওঁ চিণ্টাৰ ৰুবীয়ে দিয়া চিঠিখন পঢ়িবলৈ মেলি ললে। মৃত ডেকাজনে বাপেকলৈ লিখা এখন চিঠি।

পূজনীয় দেউতা,

মৰম লব। মই যি কৰিছিলো ঘৰখনৰ মঙ্গলৰ কাৰণেই কৰিছিলো। আপুনি এটা অজ্ঞানীৰ কবলত পৰি মোক ভুল বুজিলে। ঘৰখনৰ পোহপালৰ বাবে চাকৰি এটা কৰা উচিত, মই জানো; কিন্তু চাকৰি এটা এনে জন্তু নহয় যে তাক জোৰকৈ আনি চিড়িয়াখানাত ভৰাই থব পাৰি। তথাপিও যোৱা সাতদিনে মই চাকৰিৰ সন্ধানত ব্যস্ত আছিলো কিন্তু মিছা। আন শতকৰা দহ জনৰ দৰে মঞো নিৰাশ হলো। জীয়াই থকাৰ মোহ মোৰ আৰু নাই। মোৰ প্ৰতি লোৱা ভুল ধাৰণা আপোনাৰ এদিন ভাঙিব, যিদিনা হয়তো আপোনাৰ কব লগীয়া একো নাথাকিব।

ইতি—
দুৰ্ভগীয়া ৰবিন

ডাঃ দাসৰ কব নোৱাৰাকৈয়ে চকুৰেদি চকুলো বৈ আহিল। তেওঁ বৈ থাকিব নোৱাৰিলে। প্ৰিন্সিপাল বৰুৱাৰ লগত কিবা আলোচনা কৰি নিজ ঘৰ পালেহি। আহিয়েই তেওঁ লগুৱা ৰমেশক এগিলাচ পানী আনিবলৈ কৈ উপৰ মহলাৰ বাৰান্দাত বহি ব্ৰহ্মপুত্ৰৰ সোঁতত উটি যোৱা পালতৰা নাওঁ কেইখন চাই ব'ল।

লগুৱা ৰমেশে ডাঃ দাসলৈ আগুৱাই দিলে এগিলাচ সুমথিৰাৰ ৰস আৰু একপ্লেট "ফ্ৰুটচ্"। প্লেটখনৰ পৰা এটুকুৰাও আপেল মুখত দিব নোৱাৰিলে। সুমথিৰাৰ ৰসৰ গোটেই গ্লাচ একে শোহাতে শেষ কৰিলে। তাৰ পিচত আৰু থাকিব নোৱাৰিলে। চকু দুটা

মুদি দিলে। কিন্তু নোৱাৰিলে। বৰঞ্চ কিছুমান পুৰণি স্মৃতিয়ে তেওঁক ৰৰকৈ আমনি দিবলৈ ধৰিলে। তেওঁৰ চিন্তাৰ জোৱাৰত মনৰূপী নাওঁখন তীব্ৰবেগে আগুৱাবলৈ ধৰিলে। দহ বছৰ আগৰ দিন এটা তেওঁৰ স্মৃতিৰ পটত ভাহি উঠিল।

পি, ইউ বিজ্ঞান ফাইনেল পৰীক্ষাৰ ৰিজাল্ট পাই আনন্দত কান্দি পেলালে পল্লৱে। তেওঁ প্ৰথম বিভাগতে উত্তীৰ্ণ হৈছিল। পল্লৱৰ চকুয়েদি আনন্দৰ চকুলো বৈছিল। পল্লৱে যদিও সৰুৰে পৰা মেডিকেল পঢ়াৰ সপোন দেখিছিল কিন্তু তেওঁ আৰ্থিক কাৰণত পঢ়িব নোৱাৰিলে তেতিয়া পল্লৱৰ মনলৈ আহিল এটা চাকৰিৰ কথা। তেওঁ এদিন চাকৰিৰ সন্ধানত ঘৰ এৰি গুৱাহাটীলৈ ওলাল।

চকুত অলেখ কল্পনা। গুৱাহাটী পাই পল্লৱে চাকৰি বিচাৰিব ধৰিলে। কিন্তু নাই। ধৈৰ্য্য নেহেৰুৱালে পল্লৱে। কিন্তু ধৈৰ্য্যৰো এটা সীমা আছে। পল্লৱে নতুনকৈ অনুভৱ কৰিলে আজিৰ জগতত শিক্ষাই যথেষ্ট নহয়। ইয়াৰ অন্তৰালত কি আছে পল্লৱে নজনা নহয়। এদিনৰ ঘটনাই পল্লৱৰ চকু মুকলি কৰিদিলে। দুপৰীয়া সময় আছিল। অফিচটোৰ সকলোবিলাক টিফিনৰ বাবে বাহিৰলৈ গৈছিল। পল্লৱে অফিচাৰ জনৰ ওচৰলৈ আগুৱাই গৈছিল।

"চাৰ, কিবা চাকৰি খালি আছে নেকি?" অফিচাৰজনে প্ৰশ্ন কৰিছিল, "তোমাৰ কুৱালিফিকেচন?" "এইবছৰ মই পি, ইউ পৰীক্ষা পাচ কৰিছো চাৰ।" "কেৰাণী চাকৰি কৰিবা?" পল্লৱে যেন এচেৰেঙা পোহৰ দেখিলে, "কৰিম চাৰ।" 'টকা দুহেজাৰ দিব পাৰিবা?' "টকা" পল্লৱৰ মুখতে ৰৈ গৈছিল শব্দটো। 'টকা দুহেজাৰ দিলে মই তোমাক এটা চাকৰি দিব পাৰো।"

চাকৰিৰ বিনিময় প্ৰথা দেখি অবাক হৈ গৈছিল পল্লৱ। তেওঁৰ ভৰিৰ তলৰ পৰা যেন পৃথিৱীখন আঁতৰি গৈছিল। লাহে লাহে পল্লৱে অফিচটোৰ পৰা ওলাই গৈছিল।

কি পল্লৱ, বৰ ভাবি ভাবি আহিছ দেখোন? মূৰটো দাঙি চাইছিল পল্লৱে। জীৱন ড্ৰাইভাৰ। দুয়ো কাচাৰীঘাটৰ ওচৰত কিবা কথা পাতিছিল। অফিচত হৈ যোৱা ঘটনাটোৰ বিষয়ে কোৱাত জীৱন ড্ৰাইভাৰে কৈছিল, "এনেকৈ ক'ত চাকৰি পাবি, আজিকালি টকা দিবই লাগিব। মোলৈকে চা, নগদ এহেজাৰ টকা দি এই চাকৰিটো লৈছো। তই ভাই পঢ়া-শুনা কৰা ডেকা। টকা দিলে ভাল চাকৰি পাবি। আচ্ছা তই যা, মই অলপ মালিকৰ তাৰ পৰা আহো। আঁতৰি গ'ল জীৱন ড্ৰাইভাৰ। পল্লৱে আগুৱাব ধৰিলে। মূৰৰ ওপৰত দুপৰীয়াৰ চোকা ৰ'দ। মনত চিন্তাৰ ধাৰা। কব নোৱাৰে সি কিমান দূৰ পাইছিল গৈ। হঠাতে পল্লৱে অনুমান কৰিলে বিজুলীৰ এক লহৰ যেন তাৰ শৰীৰেদি প্ৰবাহিত হৈছে। বাগৰি পৰিল পল্লৱ। চাৰিও ফালে হাহাকাৰ লাগিল "মাৰিলে, মাৰিলে, গাড়ীৰ নম্বৰটো চোৱা আহ গোটেই তেজ।

এনেতে গাড়ী এখন আহি ৰ'লহি। গাড়ীখনৰ পৰা নামি আহিল এগৰাকী যুৱতী।



কেইজনমানে চিনি পালে ডাঃ পূৰবী ফুকনক। ডাঃ ফুকনে কোনো প্ৰশ্ন নকৰি আঘাতপ্ৰাপ্ত জ্ঞান হেৰুৱা পল্লৱক নিজৰ গাড়ীত তুলি দিবলৈ কলে আৰু অলপো পলম নকৰি হস্পিটেল পালেহি। নাৰ্চ আৰু ৱাৰ্ডবয়ৰ সহায়েৰে পল্লৱৰ জ্ঞান হেৰুৱা দেহাটো অপাৰেচন থিয়েটাৰৰ একেবাৰে প্ৰশান্ত কটকীৰ চেম্বাৰ পোৱালে। মিঃ কটকী এখন মেগাজিন পঢ়ি আছিল। হঠাতে ডাঃ ফুকনক দেখি "হেল্লো", ফুকন গুডমৰ্ণিং!

"ইয়েচ, গুডমৰ্ণিং মিঃ কটকী। বলকচোন অপাৰেচন থিয়েটাৰলৈ। এটা চিৰিয়াচ্ কেচ।" "কথাটো কি মিছ ফুকন?" ফুকনৰ তেতিয়া উত্তৰ দিবলৈ সময় নাছিল। "প্লিজ ডাঃ কটকী বি কুইক।"

ডাঃ ফুকনৰ ব্যস্ততা দেখি ডাঃ কটকীৰ বুজিবলৈ বাকী নাথাকিল কেচ্ সচাঁকৈয়ে চিৰিয়াচ। "আচ্ছা ফুকন বলক একমিনিটত মই আহিছো।' ডাঃ ফুকন অপাৰেচন থিয়েটাৰলৈ আগবাঢ়িল। তেওঁৰ অন্তৰ কঁপি উঠিল। নিজৰ মনতে প্ৰশ্ন কৰিলে যদি দুৰ্ঘটনা প্ৰাপ্ত ডেকাজনৰ কিবা হৈ যায়। ডাঃ পূৰবী ফুকন সঁচাকৈয়ে এগৰাকী সৰলমনা পবিত্ৰ অন্তৰৰ গাভৰু। হস্পিটেলখনৰ সকলোৰে দুখতে দুখী ডাঃ ফুকন। ধুনীয়া গাড়ী। চহৰৰ মাজতে এটা দুমহলীয়া ঘৰ। সকলো আছে ডাঃ ফুকনৰ। নাই মাত্ৰ মানসিক শান্তি। মেট্ৰিক পাছ কৰাৰ পিছতে মাকে পূৰবীক বিয়া দিবৰ বাবে যো-জা কৰিলে। কিন্তু কোনো আগুৱাই নাহিল তাইক বিয়া কৰাবলৈ। অৱশ্যে ইয়াৰ বাবে দায়ী পূৰবীৰ ভাগ্য। পূৰবীৰ গাৰ বৰণ আছিল কলা! ছোৱালীজনী সৰুৰে পৰা আছিল ভাবুক। আন্তৰিক আঘাত পাইছিল পূৰবীয়ে। তাই জীৱনত কেতিয়াও বিয়া নহও বুলি শপত খালে। ভালদৰে পঢ়া-শুনা কৰি পূৰবী এদিন ডাক্তৰ হ'ল আৰু গুৱাহাটী মেডিকেল কলেজ হস্পিটেলত চাকৰিও পালে। পূৰবীৰ মুখত হাঁহি বিৰিঙিল। কিন্তু নিয়তিয়ে সহ্য কৰিব নোৱাৰিলে। কাঢ়ি নিলে তাইৰ বিধবা মাকক। অকলশৰীয়া হ'ল ডাঃ পূৰবী ফুকন। হস্পিটেল খনতে তাই ব্যস্ত হৈ পৰিল। তথাপিও কেতিয়াবা তাই বৰ অকলশৰীয়া অনুভৱ কৰে। তাইৰ অন্তৰে বিচাৰে কোনোবা এজন আহক। অলপ আশ্ৰয়, অলপ শান্তনা দিয়কহি।

"পানী"..........চিন্তাৰ আঁত হেৰাই গ'ল ডাঃ ফুকনৰ। মূৰটো দাঙি চালে, নিশা এক বাজিছে। চিষ্টাৰ ৰমলাজনী টেবুলখনতে মূৰটো থৈ টোপনি গৈছিল। অপাৰেচনৰ পিচত সৰশৰীৰ বেণ্ডেজেৰে আবদ্ধ, আঘাতপ্ৰাপ্ত পল্লৱে ক্ষীণ মাতেৰে আকৌ চিঞৰিলে "পানী"। উঠি আহিল ডাঃ ফুকন আৰু গিলাচৰ পৰা এচামুচ পানী পল্লৱৰ মুখত দিলে। পল্লৱে পানী চামুচ গিলি উশাহ লৈ আৰু সুধিলে "মই কত আছো?"

ডাঃ ফুকনে চামুচখন লাহেকে টেবুলৰ ওপৰত থৈ থাৰ্মোমিটাৰ ডাল পল্লৱৰ মুখত ভৰাই দি কলে, "হস্পিটেলত"।

পল্লৱে মাত লগালে "আপুনি......"

'মই ডাঃ পূৰবী ফুকন। ময়েই আপোনাক ইয়ালৈ লৈ আহিছোঁ।'

"আহ, ডাক্তৰ! আপুনি কিয় মোক ইয়ালৈ আনিলে। মোক মৰিবলৈ নিদিলে কিয়? আহ মই নমৰিলোঁ কিয়। ডাক্তৰ, ডাক্তৰ মোক মৰিবলৈ দিয়ক। মোক মাৰি পেলাওক, মোক মাৰি পেলাওঁক।" ভাগৰি পৰিল পল্লব।

ডাঃ ফুকন আচৰিত হ'ল কিয় কিয় বাৰু এনে সুন্দৰ স্বাস্থ্যৰ ডেকাজন মৰিবলৈ ইচ্ছা কৰে? কিয় সংসাৰৰ মোহ হেৰুৱাই পেলাইছে?

"ডাক্তৰ, ডাক্তৰ" হাতখন মেলি দিলে পল্লবে। ডাঃ পূৰবী ফুকন আগবাঢ়ি আহি পল্লবৰ হাতখন ধৰিলে আৰু, কলে, "আপুনি অলপ টোপনি যাবলৈ চেষ্টা কৰক।"

"ডাক্তৰ," কান্দি পেলালে পল্লবে। "মই পাগল হৈ যাম ডাক্তৰ! মই পাগল হৈ যাম। জীয়াই থাকিবলৈ বিচাৰি নাপালো এটা পথ। মৰিবলৈ গৈয়ো নমৰিলো। এতিয়া মই কি কৰিম? কাকলৈ জীয়াই থাকিম? কথাবোৰ শুনি ডাঃ ফুকনৰ বৰ বেয়া লাগিল।

সম্পূৰ্ণ আঠ-দিনৰ পিছত পল্লবক অপাৰেচন থিয়েটাৰলৈ পুণৰ অনা হ'ল। ডাঃ উৎপল নেওঁগৰ সহায়েৰে ডাঃ ফুকনে পল্লবৰ বেণ্ডেজবোৰ খুলিবলৈ ধৰিলে। 'সকলো-বোৰ বেণ্ডেজ খোলা হলনে ডাক্তৰ?'

"হয় সকলোবোৰ বেণ্ডেজ খোলা হ'ল" ডাঃ উৎপল নেওঁগে কলে।

ব্যগ্ৰ হৈ পল্লবে প্ৰশ্ন কৰিলে, "চকুৰ বেণ্ডেজো খোলা হল নে? "হয় মিঃ পল্লব সকলোবোৰেই খোলা হ'ল।"

"তেন্তে মই একো দেখা নাই কিয় ডাক্তৰ! মই অন্ধ হৈ গলো নেকি ডাক্তৰ, ডাক্তৰ.......।" চিঞৰি উঠিল পল্লব। নিস্তব্ধ হৈ গল সকলো বোৰ। কৰবাত যেন ভূমিকম্প এটাহে হৈ গ'ল "আপুনি ক'ত ডাক্তৰ, আপুনি কওঁক এতিয়া মই জীয়াই থাকিম কেনেকৈ? উঠিব খোজে পল্লব। ডাঃ পূৰবী ফুকনে পল্লবক কলে, ইমান অধৈৰ্য্য নহবচোন।"

"নহয় নহয় ডাক্তৰ জীৱনটো পলে পলে খুন্দা খুন্দলি খাই জীয়াই থকাতকৈ মৃত্যুয়েই শ্ৰেয়। মোক মৰিবলৈ দিয়ক ডাক্তৰ! মোক মৰিবলৈ দিয়ক।" ডাঃ ফুকনৰ চকুৰেদি দুধাৰি চকুলো বৈ আহিল। তেওঁ লাহে লাহে পল্লবক বেডখনত শুৱাই দিয়ে। ভগৱান সঁচাকৈয়ে নিৰ্দ্দয়। এই অকলশৰীয়া মানুহ জনৰ একমাত্ৰ সাৱথি চকুজুৰিকো শেষত ভগৱানে লৈ সান্ত্বনা লভিলে।

সন্ধিয়া হস্পিটেল ইনচাৰ্জ প্ৰাণজিৎ গোস্বামীয়ে ডাঃ ফুকনক মাতি পঠালে। ডাঃ ফুকন "গোস্বামীৰ চেম্বাৰত' প্ৰৱেশ কৰাৰ লগে লগে কলে, 'বহক মিছ ফুকন।' থেঙ্ক চ. মিঃ 'গোস্বামী বুলি কৈ ডাঃ ফুকন বহিল।

"মিঃ পল্লৱ নামৰ আঘাতপ্ৰাপ্ত ডেকা জনক হস্পিটেললৈ আপুনিয়েই আনিছিল বোধকৰো?"

"হয় ময়েই আনিছিলো' চমুকৈ উত্তৰ দিলে ফুকনে। "ডাঃ ফুকন বেয়া নাপাব. উক্ত আঘাতপ্ৰাপ্ত ডেকাজনক আজি প্ৰায়



ন দিনেই ইয়াত ৰখা হ'ল। যোৱা আঠদিনৰ ভিতৰত তেওঁৰ কোনো পৰিচিত মানুহৰো সন্ধান পোৱা নগ'ল। হস্পিটেলৰ নিয়ম অনুযায়ী তেওঁক আমি আৰু ৰাখিব নোৱাৰো আপুনি তেওঁৰ সম্বন্ধিয় কাৰোবাক চিনি পায় নেকি?"

"এইখন চহৰত তেওঁ একেবাৰে অকল-শৰীয়া বুলি কৈ ডাঃ ফুকনে এটা নিশ্বাস কাঢ়িলে।

"তেতিয়া হলে আমি ডেকাজনক 'ব্লাইণ্ড হাউচলৈকে পঠাই দিওঁ। নহলেতো উপায় নাই" বুলি কিবা এটা লিখিবলৈ ধৰে। ইনচাৰ্জ গোস্বামীৰ মন্তব্য দেখি ডাঃ ফুকনৰ অন্তৰ কান্দি উঠিল। তেওঁ ভাবি নাচালে পল্লবৰ দৰে এজন শিক্ষিত ডেকা ব্লাইণ্ড হাউচত থাকিব কেনেকৈ। কপালত বিৰিঙি উঠা ঘামৰ কণিকাবোৰ মচি ডাঃ ফুকনে কলে, "মিষ্টাৰ গোস্বামী, পল্লবক ব্লাইণ্ড হাউচলৈ পঠাবৰ প্ৰয়োজন নাই, তেওঁ মোৰ লগতে থাকিব।" শেষৰ শব্দটো ইচ্ছা কৰিয়েই ডাঃ ফুকনে অলপ জোৰ দি কলে।

ইনচাৰ্জ গোস্বামীৰ শৰীৰেদি যেন বিদ্যুতহে বৈ গ'ল আপোনাৰ লগত থাকিব ডাঃ ফুকন?

"হয় মোৰ লগত থাকিব" বুলি কৈ ডাঃ ফুকনে ৰিলিজিং কাৰ্ডখনত চহী এটা কৰি দিলে।

ডাঃ ফুকন, আপুনি যদি বেয়া নাপায় মই এটা প্ৰশ্ন কৰো বুলি ভাবিছো।"

আপুনি হয়তো সুধিব মই কিয় পল্লবক মোৰ লগত নিব বিছাৰিছো, পল্লবৰ লগত মোৰ সম্বন্ধই বা কি?"

"আপুনি ঠিকেই ধৰিছে ফুকন।"

"তেন্তে শুনক ডাঃ গোস্বামী, মই তেওঁক এই কাৰণেই মোৰ লগত নিব বিছাৰিছো কাৰণ তেওঁৰ প্ৰতি মোৰ সহানুভূতি উপজিছে। এই পৃথিৱীত পল্লব অকলশৰীয়া! তাৰ উপৰিও তেওঁৰ নিচিনা এজন শিক্ষিত ডেকাই ব্লাইণ্ড হাউচ'ত থাকিবই বা কেনেকৈ তাতে মোৰ বিৰাট ঘৰটোত তেওঁৰ থকাৰো অসুবিধা নহব" বুলি কৈ ডাঃ ফুকনে ইনচাৰ্জ গোস্বামীৰ ফালে চালে।

"ৰক্ষা, আপোনাৰ এই উপকাৰৰ পৰা আমাৰো চিন্তাৰ অন্ত পৰিল। আপুনিও অকলশৰীয়া যেতিয়া মিঃ পল্লবৰ আপোনাৰ তাত থাকি বেয়া নালাগিব' বুলি ইনচাৰ্জ গোস্বামীয়ে অলপ ঠাট্টাৰ সুৰতে কলে। যদিও ইনচাৰ্জ গোস্বামীৰ বাক্যটিয়ে ডাঃ পূৰবী ফুকনৰ কলিজাত কাঢ়ে বিন্ধাদি বিন্ধিলে তথাপি তেওঁ বেছ গহীন ভাবে গোস্বামীৰ চেম্বাৰৰ পৰা ওলাই আহিল।

"'ডাক্তৰ!" চক খাই উঠিল চুৱেটাৰ গুঠি থকা পূৰবী ফুকন। মূৰ তুলি চালে, ওচৰতে সেউজীয়া ঘাঁহনিত বাগৰি পৰি থকা পল্লবৰ মুখলৈ। পল্লবে ঘাঁহ এডাল কামুৰি আছিল। পল্লবৰ ডাঃ পূৰবী ফুকনৰ ঘৰলৈ অহা এঘাৰ দিন মান হ'ল। আজি ডাঃ ফুকনৰ ডিউটি নাই। সেয়ে চাহ-জলপান খাই পল্লবক লৈ বাগিছাখনতে বহিছেহি। হাতত 'হাফনিটিং' চুৱেটাৰটো।

"ডাক্তৰ মই জানো কেতিয়াবা এই

পৃথিৱীৰ পোহৰ দেখিবলৈ পাম ? মোৰ হেৰাই যোৱা জ্যোতি জানো আকৌ ফিৰি আহিব ?"

ডাঃ পূৰবী ফুকনৰ কোলাৰ পৰা উলৰ গুলিটো বাগৰি গৈ পল্লবৰ বুকুত সোমালগৈ। পথ হেৰুৱা কিবা এটাই যেন পল্লবৰ আশ্ৰয় বিচাৰিছে। ফুকনে গুলিটো নিনিলে। পল্লবে গুলিটো খেপিয়াই খেপিয়াই কলে, "ডাক্তৰ মই কি ভাবো জানে ? মই ভাবো মোৰ চকুৰ জ্যোতি যদি মাত্ৰ এটা পলকৰ বাবে ঘূৰাই পালোহেতেন।"

"কিয় মাত্ৰ এটা পলকৰ বাবে ?" ডাঃ ফুকনে শুধিলে।

"আপোনাক মাত্ৰ এবাৰ চাই লব পাৰিলে মোৰ আৰু এই পৃথিৱীত চাবলগীয়া একো নাথাকিব। আপুনি মানৱীৰূপী দেৱীক মই মনে-প্ৰাণে চাবলৈ ইমান ইচ্ছুক হৈ পৰিছো যে মই বাক্যৰে বুজাব নোৱাৰো ডাঃ ফুকন।"

চক খাই উঠিল ডাঃ ফুকন। —"মইতো পুৱা-গধূলি ভগবানক প্ৰাৰ্থনা কৰো আপোনাৰ চকুৰ জ্যোতি ফিৰাই অনাৰ বাবে। আপুনি চকুৰ জ্যোতি ঘূৰাই পাওঁক, আপুনি সুখী হওক।"

"ডাক্তৰ! আপোনাক············ডাক্তৰ আপুনি মানৱী। নহয়, আপুনি দেৱী। ভগবান মাত্ৰ এখন্তেকৰ বাবে মোক দৃষ্টি দিয়া মোৰ দেৱীক মই এবাৰ প্ৰাণভৰি চাই লওঁ। ·········ভগবান ········।"

ডাঃ পূৰবী ফুকনৰ মনত চিন্তাৰ জোৱাৰ উঠিল। তেওঁ বাগিচাৰ পৰা উঠি কোঠালী পালেগৈ।

"পূৰবী চক খাই উঠিল ডাঃ ফুকন।

"কোন ?

হাঃ হাঃ হাঃ চিনি পোৱা নাই। মই তোমাৰ আত্মা। তুমি কি, ইচ্ছা কৰিলে পল্লবৰ চকুৰ জ্যোতি ফ্ৰিৰাই দিব নোৱাৰা ? পাৰা কিন্তু নিদিয়া। কিয় নিদিয়া মই জানো ডাঃ ফুকন। তুমি ভাবিছা পল্লবে তোমাক খুব ভাল পায়। কিন্তু চকুৰ জ্যোতি ফ্ৰিৰাই পালে তোমাৰ অশুৱনী চেহেৰা দেখি হয়তো আন দহজনৰ দৰে তোমাক অৱহেলা কৰিবলৈ লব পল্লবে। নহয় জানো হা: হা: হা:।

"ডাঃ পূৰবী ফুকন।"

আকৌ চক্ খাই উঠিল ডাঃ ফুকন। "কি ভাবিছা, মোক চিনি পাইচা নিশ্চয়। মই তোমাৰ ইচ্ছা। মনৰ খন্তেকীয়া দুৰ্বলতা বাদ দিয়া। হয়তো চকুৰ জ্যোতি ঘূৰাই পাই পল্লবে তোমাৰ কুৎচিত চেহেৰা দেখি অৱহেলা কৰিবলৈ লব, কৰক। তুমি ডাক্তৰ তোমাৰ উদ্দেশ্য সৃষ্টি, নৱজীৱন দিয়া। ধ্বংস কৰা নহয়। স্বাৰ্থ ত্যাগ কৰি পল্লবক দৃষ্টি দিয়া। ভগবানে তোমাক সহায় কৰিব।"

পল্লবৰ চকুৰ অপাৰেচন হৈ গল। আন্ধাৰ ৰুমটোত চকুৰ বেণ্ডেজ খুলিব ধৰা ডাঃ প্ৰাঞ্জল দত্তই পল্লবক সুধিলে,— মিঃ পল্লব আপুনি কি বস্তু বা কাক সৰ্বপ্ৰথম চাবলৈ ইচ্ছা কৰে ?

"ডাক্তৰ মোৰ একমাত্ৰ ইচ্ছা মই জ্যোতি পোৱাৰ লগে লগে যাতে মানৱীৰূপী ডাঃ পূৰবী ফুকনক চাবলৈ পাওঁ।' ওচৰতে বহি থকা ডাক্তৰ ফুকনৰ মুখত এটা গৰ্ব্বৰ হাঁহি



বিৰিঙি উঠিল। কিন্তু কি ভাবি খন্তেকতে তেওঁৰ হাঁহি লুপ্ত হৈ গল। তেওঁ নিজেই কব নোৱাৰিলে। তেওঁৰ কল্পনাত ভাবিবলৈ ধৰিলে। পল্লবৰ চকুৰ বেণ্ডেজ লাহে লাহে খুলিব। সন্মুখত বহি থাকিব তাই নিজে। ডাক্তৰ দত্তই পল্লবক কব, মিষ্টাৰ পল্লব লাহে হাহে চকুহাল খুলি দিয়ক। পল্লবে চকুহাল খুলি দিব। সকলোবোৰ লাইট জ্বলাই দিয়া যাব। আঁতৰাই দিয়া যাব সকলো বিলাক পৰ্দা। পল্লবে পৰম আগ্ৰহেৰে ডাক্তৰ ফুকনক চাব, কিন্তু চিঞৰি উঠিব। কব, ডাক্তৰ এজনী কোন ? ইমান কুৰূপা এই মানুহজনীক ইয়াত কোনে ? বহি থাকিবলৈ দিছে। ডাক্তৰ পূৰবী ফুকন ক'ত ?

আহ! ডাঃ ফুকনে আৰু কল্পনাই কৰিব নোৱাৰিলে। তেওঁ এন্ধাৰৰ মাজেৰে লাহে লাহে অপাৰেচন ৰুমটোৰ পৰা ওলাই আহিল। কোনেও গমেই নাপালে। ডা. ফুকন বাহিৰলৈ আহি গাড়ীখনত বহি উদ্দেশ্য নোহোৱা কৈয়ে এক্চেলেটৰ দবাই দিলে। মনতে ভাৱৰ জোৱাৰ উঠিল, কিয় বাৰু ভগৱানে এনে শাস্তি বিহিলে। সঁচাকৈয়ে কব নোৱাৰাকৈ ডা. ফুকনে পল্লবক ভাল পাই পেলাইছিল। কিন্তু পল্লবে চকুৰ জ্যোতি ফিৰাই পাই তাইৰ আচল কুৰূপা চেহেৰাটো দেখি চিঞৰি উঠিব।

আহ্ নহয়। ডা. ফুকনে যেন চকুৰে জুইহে দেখিলে। গাড়ীখন গছজোপাত খুন্দা মাৰি বৈ গ'ল। সন্মুখত গ্লাচৰ টুকুৰা বিলাক পূৰবীৰ দেহত সিচৰিত হৈ পৰিল।

আনফালে হস্পিটেলত পল্লবক ডা. প্ৰাঞ্জল দত্তই কৈছে, "মি. পল্লব, চকুহাল লাহে লাহে খোলক।" পল্লবে চকুযোৰ লাহে-লাহে খুলিবলৈ ধৰিলে। হঠাৎ এচাটি বিজুলী পোহৰহে যেন পাৰ হৈ গল। বন্ধ কৰি দিলে পল্লবে চকুজুৰি। আকৌ লাহে লাহে খুলিবলৈ ধৰিলে আৰু হাত এখন নিজৰ চকুৰ আগত দাঙি ধৰিলে। চিঞৰি উঠিল পল্লব "ডাক্তৰ, মই জ্যোতি ফিৰাই পালো ডাক্তৰ। মই সকলো দেখিছো। এইয়া, এইয়া দৰজা, এইটো আলমাৰি, এইয়া আপুনি। এইয়া আহ ডা. ফুকন ডাক্তৰ পূৰবী ফুকন ক'ত!

"অলপতে ইয়াতে আছিল "বুলি ডা. প্ৰাঞ্জল দত্তই চাৰিওফালে বিচাৰিবলৈ ধৰিলে ঠিক সেই সময়তে ৱাৰ্ড বয়ৰ সহায়ৰে নাৰ্চ চাংমাই পূৰবীৰ আঘাত প্ৰাপ্ত শৰীৰটো অপাৰেচন থিয়েটাৰলৈ লৈ আহিল। ডা. দত্তই চাংমাক সুধিলে, "What is the matter sister ?"

"আমাৰ ডা. পূৰবীফুকনে কৰবাত এক্চিডেন্ট কৰিলে। বৰ্ত্তমান আজ্ঞানেই আছে চাৰ।" এনেতে ডা. মলয়া ৰাজখোৱাও আহিল। ডা. ফুকনৰ অৱস্থা দেখি ডা. দত্ত আৰু ডা. ৰাজখোৱাই পূৰবীৰ জ্ঞান ফ্ৰিৰাই অনা কঠিন দেখিলে। তথাপিও যত্নৰ অৱহেলা নকৰিলে। ৱেটিং ৰুমত পল্লবে বহি বহি ভাবিবলৈ ধৰিলে কিয় বাৰু ডা. ফুকনে তেওঁৰ চকুৰ বান্ধ খুলিবৰ সময়ত ওলাই গৈছিল ? পল্লবৰ নিচিনা সামান্য মানুহ এজনক প্ৰাণ দি কিয় তেওঁ মৃত্যুত শৰণ লবলৈ আগবাঢ়িল।

সম্পূৰ্ণ ন ঘণ্টাৰ পিচত ডাঃ ফুকনে জ্ঞান লাভ কৰিলে। ডাঃ ৰাজখোৱা আৰু দত্তৰ কণ্টত অথলে নগল। ‘পানী’ ডাঃ ৰাজখোৱাই এচামুচ পানী পূৰবীৰ মুখত দিলে। ডাঃ ফুকনে চাৰিওফালে চকু ফুৰাই ডাঃ ৰাজখোৱাক সুধিলে, “মিঃ পল্লব ক'ত ?” ডা. দত্তই আগুৱাই আহিল. “আপুনি অলপ টোপনি যাবলৈ চেষ্টা কৰক ডা. ফুকন।”

“টোপনি যাম বাৰু ডা. দত্ত। আগে আপুনি তেওঁক অলপ মাতি দিয়কচোন। তেওঁৰ অপাৰেচন চাকচেচ হৈছে নিশ্চয় ?” “হয় ফুকন, পল্লবে চকুৰ জ্যোতি ফিৰাই পাইছে।”

“প্লিজ ডা. দত্ত, তেওঁক অলপ মাতক-চোন। মাত্ৰ এবাৰ মাতক ডা. দত্ত” এইবাৰ ডা. দত্ত বৈ থাকিব নোৱাৰিলে। তেওঁ পল্লবক মাতিবলৈ ওলাই গল।

পল্লবৰ লগত ডা. দত্ত অপাৰেচন ৰুমলৈ সোমাই আহিল। ভৰিৰ শব্দ শুনি পূৰবী ফুকনে চকু মেলি চালে। প্ৰথমবাৰৰ বাবে চাৰি চকুৰ মিলন হল। পূৰবীৰ বেঙেজেৰে ভৰা শৰীৰটো দেখি পল্লবৰ চকুৰ পানী ওলাই আহিল।

ডা. ফুকনে অলপ হাঁহি কলে, ‘পল্লব, শুভেচ্ছা, তোমাৰ চকুৰ জ্যোতিৰে পৃথিৱীখনক উজলাই তোলক।

পল্লবে ভঙা ভঙা মাতেৰে কলে, ‘ডাঃ ফুকন’

“নহয় নহয় পল্লব, মোক তুমি আৰু ডাক্তৰ বুলি নকবা। পূৰবী বুলি মাতা। অকল পূৰবী। মই বৰ সুখী হম পল্লব।”

ডাঃ দত্তই ডাঃ ফুকনক কথা পাতিবলৈ মানা কৰিলে। পূৰবীয়ে সেই কথালৈ কাণ নিদি কবলৈ ধৰিলে. ‘পল্লৱ, মই বৰ কুৰূপা সেয়েই মই ভয় খাইছিলো—তুমি জ্যোতি ঘুৰাই পোৱাৰ লগে লগে মোক চাবলৈ ইচ্ছা কৰাত। মই ভয় খাইছিলো, তুমি মোৰ কুৰূপ দেখি মোক ঘৃণা কৰিবা, মোক অৱহেলা কৰিবা। তথাপিও পল্লব. মই তোমাক ভাল পাই পেলাইছিলো। কিন্তু............আহ ...... সাৱটি ধৰিলে পল্লবে পূৰবীক।

‘চিষ্টাৰ, ইন্‌জ্যাক্‌চন্‌ ঠিক কৰা’ বুলি দত্তই ব্যস্ত হ'ল।

‘প্ৰয়োজন নাই ডা. দত্ত। মোৰ প্ৰাণ দিয়াৰ ক্ষমতা এতিয়া আৰু ইনজ্যাকচনৰ নাই। পল্লব বহুত কবলগীয়া আছিল তোমাক। কিন্তু এই জনমত আৰু নহব। মই যাবলৈ ওলালো। মোৰ সকলোবিলাক তোমাক অৰ্পণ কৰিলো তুমি ডাক্তৰী পঢ়িবা পল্লব। মোৰ বাকী থকা কামখিনিৰ অধিকাৰ তোমাৰ হাতত দিলো। মোৰ এই ক্ষুদ্ৰ উপহাৰখিনি গ্ৰহণ কৰিবা, নহলে মোৰ আত্মাই শান্তি নাপাব। পল্লব......পল্লব...... মোক অলপ সাবটি ধ....ৰা।” বাগৰি পৰিল পূৰবীৰ মূৰটো। থিৰেৰে থাকিব নোৱাৰিলে পল্লবে। চিঞৰি চিঞৰি কান্দিব ধৰিলে পল্লবে। হস্পিটেলত সকলোবোৰ ডাক্তৰ-নাৰ্চ একত্ৰিত হ'ল।

আগবাঢ়ি আহিল ডাঃ পূৰবীক সাৱটি ধৰি থকা পল্লবৰ ওচৰলৈ ইনচাৰ্জ প্ৰাণজিৎ গোস্বামী, কলে—‘মিঃ পল্লৱ অধৈৰ্য্য নহব। কান্দি জানো লাভ আছে ?” কান্ধ চাপি আহিল ডাঃ প্ৰাঞ্জল দত্ত, সান্তনা দি কলে—‘মিঃ পল্লব আপুনি ভাগ্যবান। পূৰবীৰ দৰে এগৰাকী সবল মনৰ দেৱীৰ অন্তৰ জয় কৰা মানে আপুনি সচাঁকৈয়ে বৰ ভাগ্যবান। তেওঁৰ আধৰুৱা কামখিনি আপুনি সম্পূৰ্ণ কৰক।

তেতিয়াৰে পৰা পল্লব দাস ৺ ডাঃ পূৰবী ফুকনৰ ঘৰত থাকিবলৈ ললে। মেডিকেল কলেজত এডমিচন লৈ ডাক্তৰী পাছ কৰি উক্ত হচপিটেলখনতেই চাকৰিত লিপ্ত হ'ল। চাওঁতে চাওঁতে নটা বছৰ পাৰ হৈ গ'ল। বহুতে ডাঃ পল্লব দাসক বিয়া কৰাবলৈ অনুৰোধ কৰে। চাৰ্জন পল্লব দাসে মাত্ৰ কয়, “মোৰ বিয়া হৈ গৈছে।” কিন্তু আজি ডেকা-জনৰ মৃত্যুয়ে ডা. পল্লব দাসৰ পাৰ হৈ যোৱা স্মৃতিৰ যেন ৰোমন্থন কৰি দিলে।

“ককাইদেউ, বৰ্ণভিটা এগিলাচ আনিম নেকি ?” বুলি লগুৱা ৰমেশে ওচৰত থিয় দিলেহি। ডাঃ দাস যেন টোপনিৰ পৰাহে সাৰ পালে। চকু তুলি চাই দেখিলে সূৰ্য্যটো লাহে-লাহে ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈ গৈছে।

# সংজ্ঞা

অজিত কুমাৰ চেত্ৰী
স্নাতক প্ৰথম বাৰ্ষিক
(কলা)

ফটা কাপোৰখন চিলাই কৰি গৈ আছো। লগে লগে ফাটি গৈ আছে। চিলাই কৰি গৈ আছো-তাৰ কাষেৰেই ফাটি গৈ আছে। ফাটি যাবৰেই কথা। ইমান দিনে হাত মোচোতে গাধোওঁতে ব্যৱহাৰ কৰিছেই আহিলো। এতিয়া ক্ষয় গৈ গৈ নিঃশেষ হৈ গৈ থকাৰ পাচতো চিলাই মাৰি মাৰি কষ্ট দি আছো। এই গামোচাখনৰ গাত কিমান শক্তি আৰু বাকী আছে, নাজানো।

ঠিক গামোচাখনৰ দৰেই মোৰ মনটোও এবাৰ জোৰ খাই, এবাৰ ফাটি যায়। এই দৰেই একো সিদ্ধান্ত কৰিব নোৱাৰোতেই ফুট পাথেৰে কিমান দূৰ আহিলো পাহৰিয়ে গলো। ভৰলুমুখত চিটিবাছত উঠিব লাগিছিল, এৰি আহিলোঁ।

কিয় মই সিদ্ধান্ত কৰিব পৰা নাই? জীয়াই আছো নে মৰিছো? এবাৰ ভাবো খুউব আনন্দেৰে হাঁহি ফূৰ্ত্তি কৰি বন্ধু সকলৰ লগত মিলি-জুলি আছো। পিছ মুহূৰ্ত্ততে ভাব হয় নহয় মোৰ বাবে নিঃসংগতাই ভাল। বিৰাট নিস্তব্ধতাই মোৰ সংগী। এইখন পৃথিবীত মই বোবা হৈ থকাই ভাল। মই কাৰোবাৰ লগত বাক যুদ্ধত পৰাজয় হোৱাতকৈ মুক হৈ থকাই ভাল। ঠিক ফ্ৰাটি ফাটি পুৰণি হৈ গৈ থকা কাপোৰ খনৰ দৰে মোৰ প্ৰত্যয়বোৰৰ জোৰা স্থায়ী হোৱা নাই।

ইতিমধ্যে ভৰলুমুখৰ চাহ দোকান এখনৰ সমুখত ল'ৰা কেইজন মান এনেয়ে ঠিয় হৈ থকা দেখি আহিলোঁ। বোধহয় সিহঁতৰ কোনো কাম নাই। চিটিবাছৰ পৰা উঠা বা নমা ছোৱালী কেইজনীক মৰম লগা কাট কেইটামান সুযোগ পালে মাৰে। লৰা কেইজন তজবজীয়া। সিহঁতৰে মাজত থকা এজনক মই চিনি পাওঁ, নাম ৰাতুল। এম, এ প্ৰিভিয়াছ দি ঘৰতে বহি আছে। কিন্তু কিয় বা এনে হেন এটা আবেলি অনাহকত নষ্ট কৰিছে। মই ভাবি নাপালো।

হঠাৎ ক'ৰোবাত খুন্দা খোৱা যেন পালো। নহয়, ব্ৰহ্মপুত্ৰৰ পাৰৰ দুৰ্গন্ধটোৱে মোৰ নাকত ভটকৈ সোমাই যোৱাতহে বৈ গলো। চাৰিওফালে এবাৰ চালো। মই হঠাতে বৈ যোৱাটো কোনোবাই লক্ষ্য কৰিছে নেকি? নাই কৰা। পানবজাৰত হোৱা হলে লাজ পালো হেতেন। মাছখোৱাত তেনে কোনো লোকৰ মই চকুত নপৰিলো। ফুটপাথৰ ওপৰত সাজোনে-কাচোনে যুৱতী হৈ পৰা বুঢ়ী প্ৰায় মানুহকেইজনী মানে পাইজামা পিন্ধা মানুহ কেইজনমানৰ লগত কিবা চুক্তি কৰি আছে। মোক দেখা পাই চুচুক-চামাক কৰিছে। এজনীয়ে মোৰ ফালে চাই চকু টিপিয়াইছে। মই লাজ পাইছিলো, যদিও উপায় নাই। সিহঁতৰ ফালে চাই আহোতে ফুটপাথৰ ওপৰতে দমাই থোৱা শিলৰ দমটোতেই খুন্দা মাৰি দিলো। আঙুলী কেইটা ধপ-ধপাব ধৰিলে। ফাঁটি যোৱা হলেও ভাল পালোহেতেন। বাছবোৰৰ বৰ হুলস্থূল। চিক্ৰৰি আছে বৰপেটা, ৰঙিয়া, নলবাৰী......। যাওঁ-যাওঁ কৰিও যাত্ৰীৰখি থকা বাছবোৰ প্ৰধান পথৰ ওপৰত আগাপিচা কৰি থকাত মাজে মাজে পথটোত গাড়ী জাৰ্ম হৈ গৈছে। মোৰ মগজুত আকৌ গোলমাল হৈ গ'ল। জ্ঞানৰ ওপৰত ধিক্কাৰ আহিল। ফুটপাথৰ বাওঁপিনে গৰাখহনীয়াত বাচি থকা সামান্য ঠাইখিনিকে নিজৰ গাওঁ বুলি আশ্ৰয় লৈ থকা কেইটালৈ মোৰ চকু গ'ল। সিহঁতৰ কেইটামানে মাৰোৱাৰীয়ে পেলাই দিয়া পচা পিয়াজ আৰু আলুবোৰ তুলি আনি বাচি আছে। কেইটামানে ভেকুৰ ধৰা দালি অলপ ঝাৰি আছে। আন দুটামানে পেলাই দিয়া কৃত্ৰিম গাখীৰৰ খালি টেমা একোটাত কিবা উতলাইছে। টেমাৰ তলত ধোঁৱাৰ বাহিৰে জুই নাই। সিহঁতৰ সকৰোবে, যিবোৰৰ গা আৰু মাটিৰ লগত পাৰ্থক্য নাছিল, অ'ত-ত'ত ঘূৰি-ফুৰি আছে। কেচুৱা দুটামানে মাকৰ শুকান পিয়াহত মিছায়ে চুহি আছে। মাকে সিহঁতৰ কান্দোনক উপেক্ষা কৰিছে। সিহঁতৰ গাত থকা কাপোৰে সিহঁতৰ লজ্জা ঢাকিবলৈ আপ্ৰাণ চেষ্টা কৰিও বিফল হৈছে।

ইহঁত আমাৰেই মানুহ নহয় জানো? এইটো বিচাৰ কৰিবলৈ আমি চৰকাৰ এখন পাতি দিছোঁ। এইবোৰ বিষয়ত প্ৰধানমন্ত্ৰীয়ে চকু দিব বুলি অনাতাঁৰ বাৰ্ত্তাত শুনিলো। কিন্তু কেনেকৈ? হাতে কামেৰে নে অনাতাঁৰ দূৰদৰ্শনৰ বাৰ্ত্তা আৰু মিঠা ভাষণৰ দ্বাৰা? জৰুৰী কালীন অৱস্থাত মাত মতাৰ অধিকাৰ নাছিল। এতিয়াৰ নতুন চৰকাৰে ভুল আঙুলিয়াবৰ অধিকাৰ দিছে যদিও যিহকে-তিহকে লিখিবলৈ কবলৈ নিষেধ কৰিছে। গতিকে তেওঁলোকৰ কাৰ্য্যলৈ লক্ষ্য কৰিছে। গতিকে তেওঁলোকৰ কাৰ্য্যলৈ লক্ষ্য কৰি গৈ থকাটোকেই মই উচিত বিবেচনা কৰিলো।

আৰে সেয়া ক্লাচ চেভেনত পঢ়া অঞ্জন দেখোন। চিগাৰেট হুপিছে। চিটিবাছৰ পাওদানিত ওলমি লৈ আন কেইজনমান মানুহৰ সৈতে কথা পাতি আছে। ঠিক মানুহ বুলি কব নোৱাৰি। কাৰণ তাত আদবয়সীয়াৰ পৰা আৰম্ভ কৰি বাৰবছৰীয়ালৈ আছে। সিহঁতৰ মাজত বয়সৰ পাৰ্থক্য থাকিলেও কাম আৰু মনৰ মিল থকা যেন পালো। কিয়নো চিটিবাছৰ পৰা নমা টাইট লংপেণ্ট আৰু বুকু ওলোৱা হাত নোহোৱা চোলা পিন্ধা ছোৱালীজনী দেখা পাই সিহঁত আটাইৰে উচপিচনি লাগিছে। ৪০ বছৰীয়া ডেকাজনে (?) বিশ-পচিশ বছৰীয়া বন্ধুটোক কৈছে, "বেচ বস্তু বে দোস্ত।" মেম জনীৰ পিচত যোৱা চাহাবটোৱে অলপৰ বাবেহে নুশুনিলে। শুনা হলে কুৰুক্ষেত্ৰ এখন হলহেতেন।

অঞ্জনে মোক ভ্ৰূক্ষেপ কৰা নাছিল। মই বোধ হয় তাৰ বাপেকৰ বয়সৰ আছিলো।

নহয়, মই তাৰ বাপেকৰ বয়সৰ নাছিলো। মই তাতকৈ পাচ বছৰহে ডাঙৰ হম। প্ৰকৃততে মোৰ চিন্তাটোহে তাৰ বাপেকৰ বয়সৰ আছিল।

হঠাতে মই আকৌ এটা খুন্দা খালো। এইবাৰৰ খুন্দাটোত দুখ নাপালো আৰাম. হে পালো। মূৰ তুলি চালো। ছোৱালীজনীৰ বুকুখনত মোৰ সো বাহুটৰে খুন্দা মাৰিলে-নে, মোৰ বাহুটোত তাইৰ বুকুখনে খুন্দা মাৰিলে ভাবি নাপালো। ইতিমধ্যে তাই পাৰ হ'ল। ঘূৰি চাব বিচাৰিলো, নাচালো। খুন্দাটোৱে মোৰ তন্ময়তা ভাঙি দিলে। আগে পিছে চাই দেখিলো শিখ মন্দিৰ পাৰ হৈ বহুখিনি আহিলো। চিটিবাছ এখনত উঠিম উঠিম বুলি ভাবি থাকোতেই ইমানখিনি পালো।

মোৰ কাষেৰে কিমান মানুহ পাৰ হৈছিল হিচাপ নাই। কাৰো ফালে চোৱাৰ ইচ্ছা হোৱা নাছিল। জানোচা কাৰোবাৰ মুখখনতেই দেখা পাওঁ নিজৰ মুখখন। ভয় হয় নিজক চাবলৈ।

অৰ্থহীন ভাবৰ সোঁতে মোৰ মগজুত খেলিমেলিৰ সৃষ্টি কৰিলে। বাস্তাৰে আহি থকা ধুনীয়া ছোৱালীজনীলৈ চাই থকা কলা চেহেৰাৰ পুৰুষজনলৈ তাই ভ্ৰূক্ষেপ নকৰাত দূৰৈত বৈ থকা অন্য ডেকাজনে পুৰুষৰ পৰাজয়ত লাজ পাই নিজকে ধিক্কাৰ দি স্ত্ৰীজাতিক ঘৃণা কৰাৰ দৰেই, ময়ো মোৰ ভাৱনাত নিজেই বৰ তললৈ যোৱা যেন অনুমান কৰি নিজৰ নিজৰ ওপৰত ঘৃণা আহিল। মনৰ আটাই বোৰ ভাবনাকে টানি আনি ব্ৰহ্মপুত্ৰত দলিয়াই ফুটপাথ এৰি দীঘল দীঘল খোজ ললোঁ।

খোজৰ তীব্ৰতা আৰু ভাৱৰ তন্ময়তাতেই কিমান দূৰ আহিলো। কবই নোৱাৰিলো। হঠাতে ৰৈ গলো সন্মুখত দেনজাৰ' দেখি। এইটো ৰঙা লাইটে মোকেই যেন সাৱধান কৰি দিছে। আৰু এখোজ আগবাঢ়িলেই বিপদ। মই থমকি গলো। ৰমৃত্যু কথা ভাবি আছিলো। কিন্তু ইমান সোনকালে মৃত্যু আহিব বুলি ভবা নাছিলো। এই বয়সতে জীৱনৰ ৰঙা চাকি জ্বলিব বুলি বিশ্বাস হোৱা নাছিল। মই এইখন পৃথিবীত কষ্টেৰে হাঁহি থকাতকৈ ক্ষোভেৰে মৰি যোৱাই ভাল। কিন্তু সৌ খোৰা মানুহজনে ইমান আনন্দৰে জপিয়াই জপিয়াই জীয়াই থাকিব পাৰিছে এখন ভৰিৰ সহায়ত, দুডাল লাখুটিৰে। কিন্তু মই মৰি যাব বিচাৰিছো ইমান সোনকালে। মোৰ জানো জীৱন সংগ্ৰাম কৰাৰ শক্তি নাই। মই জানো পঙ্গু! কিন্তু এই পঙ্গু জনেওঁটো জীৱন সংগ্ৰামত হাৰ মনা নাই। কি ময়ো তেতিয়া হলে জীয়াই থাকিব লাগিব? কিন্তু আৰু যে অগ্ৰসৰো হব নোৱাৰো। সন্মুখত দেনজাৰ! মই জীয়াই থাকিব বিচাৰো। কিন্তু মৃত্যুৱে কৈছে এখোজ দিলেই বিপদ মই কি কৰো? কাণৰ ওচৰতে চিঞৰ এটা শুনি মোৰ চেতনা আহিল। সন্মুখত ৰঙা লাইটৰ পৰিবৰ্ত্তে নীলা লাইট। মোৰ কাষেৰেই চিটিবাছ এখন পাৰ হ'ল। পিচে পিচে এটা গাড়ীৰ লাইন। তাৰমানে এইটো পুলিচপইণ্ট। কিন্তু ইমান সময়ে মই আৰু গাড়ীবোৰ এনেয়ে ৰৈ আছিলো? আমাৰ সন্মুখৰ ৰাস্তাটোৰে এখনো গাড়ী পাৰ হোৱা নাছিল। মাথো আমাৰ ফালে ৰঙা লাইট জ্বলি থকা বাবেই আমি ঠিয় হৈ আছিলো। ঠিক জ্ঞান থাকিলেও অজ্ঞানী হৈ পৰাৰ দৰে, আৰু জ্ঞান শূন্য হলেও জ্ঞানী হৈ থকাৰ দৰে।

দীঘলকৈ উশাহ এটা ললো। পইণ্টটো পাৰ হলো। বুকুখনৰ ধপ-ধপনি এতিয়াও মাৰ যোৱা নাছিল। মই মৃত্যু যন্ত্ৰনাত চটফটাইছিলো নেকি? মই মৃত্যুক ভয় কৰো! অলপ ৰলো। ৰঙা লাইটটো আকৌ জ্বলি আছিল। মই চাই থাকিব নোৱাৰিলো। একে জাপে বৈ থকা চিটিবাছখনত উঠিলো। চিটত বহি কাষৰ মানুহ কেইজনলৈও নাচালো। সন্মুখৰ চিটত বহি থকা গাভৰুজনীৰ চাদৰখনত সাপ এডাল লেক লেকাই ফুৰিছিল। মোৰ গাতো শিয়ৰি উঠিল। সাপডাল পেলাই দিও বুলি থাপ মাৰি ধৰিলো। কিন্তু....! এয়া দেখোন গাভৰুৰ বেনীডালহে। ধুনীয়া গাভৰুজনীয়ে গালি পাৰি দিলে "অসভ্য"। লাহেকৈ গালি পাৰিলে। বৰ বেচি যাত্ৰীয়ে নুশুনিলে। মই ক্ষমা বিচাৰি কথাটো চমু কৰিলো। মোৰ সংজ্ঞা আহিল। ভাগ্যে তাই মোক মৃত্যুদণ্ড নিদিলে।

মই চান্দমাৰিলৈ যাম। বাছ চলিল। বাছৰ ভিতৰতো নানা চিন্তা আহি থাকিল। হঠাতে ভাৱনাৰ সোত সম্পূৰ্ণ ৰূপে বিপৰীতে ঘূৰাবলৈ সিদ্ধান্ত কৰি পেলালো। পুৰণিখন বাৰে বাৰে চিলাই কৰি থকাতকৈ নতুন কাপোৰ এখন কিনি আনিলো। পুৰণিখন দলিয়াই মই মোৰ ভাৱনাৰ সোঁত বদলাই দিলো। ফুটপাথত ভিক্ষা মাগি থকা ভিক্ষাৰী জনৰ দৰে ময়ো অলপ আগতে সন্মুখৰ চিটত ছোৱালীজনীৰ পৰা সন্মান ভিক্ষা মাগিছিলো মনত পৰি লাজ লাগি গ'ল। ভাবিলো তাই ইয়াতে কৰবাত নামি যাওঁক। কিন্তু তাই কতো নানামিলে। মাজে মাজে ময়েই নামি যাব খুজি ৰৈ যাওঁ। চিটখনৰ পৰা উঠিলেই যেন আৰু বেচি লাজ পাম। মই নুঠিলো, তায়ো নুঠিল। এনেতে হেন্দিমেনে 'চান্দমাৰী' বুলি চিঞৰিলে। মোৰ সংজ্ঞা আহিল। ইমান সময় মই তাইৰ বেনীডাললৈয়ে চাই আছিলো। সেইডালক মোৰ মাজে মাজে সাপ যেন লাগিছিল। বাছৰ পৰা নামি মানুহৰ আঁৰতে মুখখন লুকাই বেগাই ঘৰমুৱা খোজ ললো।

"হেৰি ইমান বেগাই কলৈনো যায়" কাৰোবাৰ মাতত থমকি ৰলো। তাইক দেখি কৃত্ৰিম হাঁহি এটা মাৰি কলো "নাই মানে........"

"মানে নো আৰু কি? তোমাৰতো সদায় মানেতেই যায়, কোনোটো কথা সম্পূৰ্ণ নহয়"

মানে,......ঠিক....তুমিয়েই সেইজনী।"

মই হঠাৎ কৈ পেলালো। আচলতে চিটিবাছৰ সেইজনীয়েই এইজনী কবিতা। আচলতে চিটিবাছৰ সেইজনীয়েই এইজনী কবিতা। কবিতাক বাছত মই চিনি পোৱা নাছিলো। তাই অৱশ্যে ঘূৰি চোৱা নাছিল। মইও বেছি কথা কোৱা নাছিলো, সেয়ে ধৰা পৰি যোৱা নাছিলো।

"সেইজনী-এইজনী কোন? কাৰোবাৰ

প্ৰেমত পৰি অহা নাইতো” তাই হাঁহি সুধিলে।

“নাই মানে……” কবিতা! তেতিয়া হলে এই বেণীডাল কেতিয়াও সাপ হব নোৱাৰে।

“তুমি আজি কলেজলৈ নগলা কিয় ?”

“নাই……মানে……”

“মানে ?”

“মানে, কাম অলপ আছিল।”

“জানা · তুমি নহলে কলেজত ভাল নালাগে।” তোমাৰ অহাত অলপ পলম হ'ল।”

“আলপনা হতৰ ঘৰলৈ গলো”

মই উশাহ ললো। ভাবি আছিলো কিজানি বাছৰ কথা উলিয়াই বা। নুলিয়ালে। মইও মোৰ অন্তৰৰ নিৰাশাবোৰ, ভয়বোৰ বিদায় দিলো। নিজৰ কথাবোৰকে আকৌ এবাৰ বিশ্লেষণ কৰি চালো। মই জানো; মই সভ্য। কিন্তু ইমান সভ্যতা শিকিও, অসভ্যতাৰ গ্লানি লৈ ঘৰমুৱা হৈছো। কবিতাক ধন্যবাদ তাই মোৰ মুখলৈ নোচোৱা বাবে। মোৰ এতিয়াহে চিন্তা হৈছে, চিগাৰেট হুপি থকা অঞ্জনে মোক কিয় ভ্ৰূক্ষেপ নকৰিলে।





ৰঙিয়া মহাবিদ্যালয়ৰ এটি দৃশ্যপট।



ৰঙিয়া মহাবিদ্যালয়ৰ নব নিৰ্মিত ছাত্ৰী নিবাস।

## ১৯৮৬-৮৭ চনৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগী সকল।



শ্ৰীদীপক দাস, একেৰাহে তিনিবছৰ শ্ৰেষ্ঠ সাহিত্যিক আৰু শ্ৰেষ্ঠ তাৰ্কিক



শ্ৰীমতী স্বপ্না চৌধুৰী, বেড্‌মিণ্টন শ্ৰেষ্ঠা প্ৰতিযোগী (ছোৱালী বিভাগ যুগ্ম) শ্ৰীমতী মঞ্জু কলিতাক ছবিত দেখা হোৱা নাই।



শ্ৰীৰমেশ পাটোৱাৰী, শ্ৰেষ্ঠ সমাজ সেৱক।



শ্ৰীমতী অনুৰূপা ডেকা, শ্ৰেষ্ঠা কৌতুক অভিনেত্ৰী।



শ্ৰীমতী মঞ্জু বড়ো, শ্ৰেষ্ঠা ছোৱালী খেলুৱৈ।



চৈয়দা অঞ্জুৱাৰা বেগম, শ্ৰেষ্ঠা ছোৱালী বেড্‌মিণ্টন প্ৰতিযোগী (একক)।



শ্ৰীমেকেঞ্জী কুমাৰ বসুমতাৰী পুৰুষৰ শ্ৰেষ্ঠ খেলুৱৈ।



শ্ৰীবিশুদ্ধ ভট্ট, শ্ৰেষ্ঠ কেৰম প্ৰতিযোগী (একক)



শ্ৰীউমেশ বড়ো, এই বছৰৰ শ্ৰেষ্ঠ গায়ক।



শ্ৰীৰামেশ্বৰ কলিতা, শ্ৰীৰামেশ্বৰ বৈশ্য
শ্ৰেষ্ঠ বেড্‌মিণ্টন খেলুৱৈ ( যুগ্ম )

ৰঙিয়া মহাবিদ্যালয়ৰ পৰা উত্তৰ গুৱাহাটীলৈ যোৱা সমাজ সেৱাৰ দলটি।



শ্ৰীলিখন শৰ্মা, শ্ৰীৰমেশ পাটোৱাৰী, শ্ৰীমতী অনামিকা কলিতা, শ্ৰীদীপক ডেকা

# সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন—

ৰঙিয়া মহাবিদ্যালয় !

ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়লৈ আহি কিছুমানে ভাবে,—"ভালেই কৰিলো, ......"
কিছুমানে ......'ভুল কৰিলো ........"

আকৌ কিছুমানে সোঁৱৰে, আহা কি সুন্দৰ সেই স্মৃতি।"
কিছুমানে ......'হায় কি দুখদায়ক সেই স্মৃতি"

ইয়াতেই ৰঙিয়া মহাবিদ্যালয়ৰ বিচিত্ৰতা।

এইখন মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাবে দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হৈছিলোঁ কিম্বা মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবীয়ে তেওঁ-লোকৰ বহুমূলীয়া ভোটৰ দ্বাৰা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকাৰ তলৰ পৰা নিৰ্বাচিত কৰিছিল। এই চেগতে সেই সকল বন্ধু-বান্ধবীলৈ স্নেহসিক্ত অভিনন্দন যাচিছো। তেওঁলোকৰ প্ৰতি যেন সেই মৰম-স্নেহ চিৰশ্বাশ্বত হৈ থাকে তাকে পৰম পিতাৰ ওপৰত কৰযোৰে প্ৰাৰ্থনা মাগিছো। সাধাৰণ সম্পাদক হোৱাৰ পিচ মুহূৰ্ত্তে ৰঙিয়া আঃ ছাঃ সঃ ৰ উপ-সভাপতি, সদৌ গুৱাহাটী মহকুমা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক আৰু ৰঙিয়া কেন্দ্ৰীয় শ্বহীদ বেদী নিৰ্মাণ সমিতিৰ মুখ্য সম্পাদকৰ দায়িত্ব লব লগা হোৱা বাবে মহাবিদ্যালয়ত মোৰ কাম খিনি কিমানদূৰ আগবঢ়াই নিব পাৰিলো, সেইখিনিও ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবী সকলে বিবেচনা নিশ্চয় কৰিব। যা হওক সেই ব্যাপাৰটোৰ মাজলৈ নগৈ আমি এই মুহূৰ্ত্তত ইয়াকে কব বিচাৰিছো যে সকলো বিলাক কাম হৈ নুঠিলেও আমাৰ প্ৰচেষ্টাৰদ্বাৰা সমস্যাবোৰৰ সমাধানৰ বাট চুটি হৈছে কিম্বা পথটোৰ সন্ধান পৰৱৰ্ত্তী বিষয়ববীয়া সকলৰ বাবে অধিক উজু হৈছে।

প্ৰতিবেদন লিখিবলৈ লোৱাৰ আগমুহূৰ্ত্তত ভাবিছো কি লিখিম! বিগত সম্পাদক সকলৰ দৰে মহাবিদ্যালয়ৰ চিৰকলীয়া অভাৱবোৰৰ কথা, নে ছাত্ৰ-ছাত্ৰী অধ্যাপক-অধ্যাপীকা সক-লৰ কথা, নে আমি কাৰ্য্যনিৰ্বাহ কৰা বছৰ-টোৰ খতিয়ান?

কৰ্তৃপক্ষৰ মন্তব্য, "ল'ৰা-ছোৱালীয়ে ক্লাছ নকৰে..............." ল'ৰা-ছোৱালীৰ মন্তব্য, প্ৰফেচাৰে ক্লাছ নকৰে ........." কোনটো সচাঁ? হয়তো দুয়োটাই, অলপ সচা, অলপ মিচা—সচা মিচাৰ খিছৰি! সি যিকি নহওঁক এনেধৰণৰ পৰস্পৰ বিৰোধী মন্তব্য আতৰ হলেহে শিক্ষাদান কাৰ্য্যৰ একাংশ পূৰণ হব বুলি ভাবো।

গণতন্ত্ৰ আছে বুলিয়েই প্ৰতি বছৰে

বিভিন্ন সজ্জাৰে ৰঙিয়া মহাবিদ্যালয়লৈ আহে নিৰ্বাচনী প্ৰতিদ্বন্দিতা, যত নিহিত থাকে ৰাজনৈতিক চাতুৰ্য্যৰ প্ৰাথমিক বীজ। কতই ইয়াত জড়িত হৈ পৰে, কতই বেলজাৰ পিঙ্কি পাত্তা লোৱাৰ সপোন দেখে, কতই চকুৰে সৰিয়হৰ ফুল দেখে হিচাপ নাই।

নিৰ্বাচনী প্ৰতি শ্ৰুতিবোৰে যথা সময়ত গতি কৰে পূৰ্ণতালৈ নতুবা শূন্যতালৈ ………"

নিৰ্বাচন, অন্ত পৰে ……… ছাত্ৰ সন্থা গঠন হয়। বিভিন্ন দাবী লৈ ছাত্ৰ সন্থাই কৰ্তৃপক্ষৰ ওচৰ চাপে। বৈজ্ঞানিক ভিত্তিথকা দাবীবোৰ আজি আটাইবোৰ পূৰণ নহলেও এদিন নহয় এদিন পূৰণ হবই, সি অনিবাৰ্য্য।

আমাৰ কাৰ্য্যকালতো ২১ দফীয়া এখন দাবী চনদ মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা হৈছিলে। দুই এটা পূৰণ কৰা বুলি আমি গম পাইছোঁ।

১। স্থায়ী চাইকেল আস্থানৰ বাবে মহাবিদ্যালয় পৰিচালনা সমিতিয়ে ১৫ (পোন্ধৰ হাজাৰ) টকাৰ অনুদান।

২। বিজ্ঞান শাখা খোলাৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ পৰা অনুমতি আদায়।

৩। স্থায়ী প্ৰেক্ষা গৃহৰ বাবে আচনি আৰু নক্সা প্ৰস্তুত।

৪। জন-জাতি ছাত্ৰী নিবাসৰ কাম সম্পূৰ্ণ কৰণ ইত্যাদি…… ইত্যাদি……। অৱশ্যে মহাবিদ্যালয়খনক আৰু অধিক আগবঢ়াই নিবলৈ হলে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে আটায়ে আৰু অধিক ত্যাগ কৰিব লাগিব।

আমাৰ দুখ লাগিছে এই খিনিতে ঃ—

উত্তৰ কামৰূপ তথা ৰঙিয়া মহকুমাৰ ভিতৰত একমাত্ৰ ২৫ বছৰ গড়কা মহাবিদ্যালয়খনত থকা বিজ্ঞান শাখাটোৰ পৰীক্ষা কেন্দ্ৰ তথা কলা শাখাৰ সকলোবোৰ বিষয়তে মেজৰ পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰা হোৱা নাই, কিম্বা হোৱাৰ যিটো প্ৰস্তুতি সেইটো আমাৰ দৃষ্টি গোচৰ হোৱা নাই। এই ক্ষেত্ৰত আমি অকল চৰকাৰ পক্ষকে জগৰীয়া কৰিলে নহব, মহাবিদ্যালয়খনৰ পৰিচালনা সমিতি, কৰ্তৃপক্ষ আদিৰো একান্তপতীয়া প্ৰচেষ্টাৰ অভাৱ বুলিও আমি বিবেচনা কৰো।

১০ জানুৱাৰী '৮৭ত কাৰ্য্যভাৰ লোৱাৰ পিচতে পৰম্পৰাগত ভাবে যোৱা ৬ ফেব্ৰুৱাৰী '৮৭ ৰ পৰা ১১ ফেব্ৰুৱাৰী '৮৭ ইং তাৰিখলৈ সপ্তাহ যোৱা কাৰ্য্য ক্ৰমনিকাৰে মহাবিদ্যালয় সপ্তাহ, মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস, স্বাধীনতা দিৱস গণৰাজ্য দিৱস, সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, মহৰম, বাথৌপূজা আৰু ২২ চেপ্তেম্বৰ '৮৭ ইং তাৰিখে অধিক জাকজমকতাৰে "নৱাগত আদৰণি সভাখন পতা হয়। নৱাগত আদৰণি সভাত ছাত্ৰ নেতা ডাঃ অৰুণ শৰ্মা, ৰাজহ মন্ত্ৰী থানেশ্বৰ বড়ো দেৱ, ৰঙিয়া মহকুমাৰ অতিৰিক্ত আয়ুক্ত শ্ৰীযুত তপন চন্দ্ৰ গোস্বামী দেৱে বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে। ইয়াৰোপৰি বিভিন্নজন দেশ নেতা, সাহিত্যিক আৰু ছাত্ৰ বন্ধু ৺দীম্বেশ্বৰ মজুমদাৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশৰ লগতে বিদেহী আত্মাৰ চিৰ শান্তিৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাই শোক সন্তাপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনোৱা হয়।

আমাৰ কাৰ্য্যকালত বিভিন্ন কাম কাজত



প্ৰয়োজনীয় দিহা পৰামৰ্শ আদিৰে উপকৃত কৰা মাননীয় অধ্যক্ষ শ্ৰীযুত নীলকান্ত মহন্ত দেৱৰ লগতে শ্ৰদ্ধা আৰু চিৰ নমস্যা শিক্ষাগুৰুসকল, ছাত্ৰ ছাত্ৰী, বন্ধু বান্ধৱী (অজান, দীৰ, নেকিব, বিলাল, জলিল, সীমান্ত, ৰমেন, দীপক, অলকা, অঞ্জলী, দীনতৰা, কৰুণা, শৰৎ, গুলেনুৰ, ৰমেশ, আৰু ভাতৃসম অমূল্য নাজাৰী) ৰ লগতে মোৰ সৈতে কাৰ্য নিৰ্ব্বাহ কৰা সংগ্ৰামী সহযাত্ৰী সকল, আৰু যি সকলে মোক সহায় কৰা বুলি মোৰ ওচৰত অধিকাৰ সাব্যস্ত কৰিব পাৰে তেখেত সকলৰ ওচৰত মই সদায়ে কৃতজ্ঞ হৈ ৰম।

সামৰণিত ঃ –

আমাৰ অভিলাস অসমীয়া সমাজ সংস্কৃতিৰ প্ৰকৃত স্বৰূপ উদ্ঘাটন আৰু ইয়াৰ উৎকৰ্ষ সাধন কৰিবলৈ হলে আমি বাঘ হাজৰীকা হোৱাৰ সংকল্প আৰু প্ৰস্তুতি লোৱাৰ লগে লগে বিষ্ণুৰাভা হোৱাৰ সংকল্প লব লাগিব। কাৰণ এই যুটীয়া সংকল্পই হাজাৰ হাজাৰ পোহৰ পিয়াসী কষ্ট সহিষ্ণু শিল্পীযোদ্ধাৰ জন্ম দিব।

এতিয়া প্ৰশ্ন হ'ল, প্ৰস্তুতি কেনে ধৰণে আৰম্ভ কৰিলে লক্ষ্যস্থানৰ বাটচুটি হব ? প্ৰথমে হয়তো আত্ম শুদ্ধিৰ প্ৰয়োজন! আত্মশুদ্ধি অবিহনে আমাৰ কেউকাষৰ জগতখনলৈ যি নিৰপেক্ষ, উদাৰ অন্তদৃষ্টিৰ প্ৰয়োজন তাক লাভ কৰিব পাৰে বুলি কোনেও ন-দি কব নোৱাৰো। পবিত্ৰ, প্ৰশান্ত মনেৰে আমি যিদিনা শুদ্ধ চিন্তা পদ্ধতিৰে আমাৰ মাটিৰ সচা গোন্ধ লবলৈ অতিত আৰু বৰ্ত্তমানৰ মাজত সমন্বয় ৰাখি ভবিষ্যত গঢ়িবলৈ আমাৰ সংকল্প লব লাগিব। তেতিয়াহে আমাৰ সন্মুখত থকা অসমচুক্তি ৰূপায়ণ তথা সংস্কৃতিৰ ৰক্ষা কবচ দিয়াটো সম্ভৱপৰ হব।

কবি হীৰেণ ভট্টাচাৰ্য্য দেৱৰ ভাষাৰে আজিৰ ছাত্ৰ নেতা কাইলৈৰ জননেতা সকলক অনুৰোধ জনাওঁ—ৰূপালী বং চুলিত লাগিছে বেয়া নেদেখি, লাগক সোণালীখিনি মচি নিদিবা বুকুজুৰি বৈ থাকক।" যদি এই অনুৰোধ ৰক্ষা পৰে তেন্ত ৰূপালী চুলিৰ দিনত তেওঁলোকৰ হৃদয়ৰ সোণখিনি বেচি গাঢ় হব। এই সোণালী খিনিয়ে নিশ্চয় অনুজ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰকৃত অধ্যয়নেৰে কুমলীয়া আবেগ প্ৰৱণ মনক পূৰঠ, প্ৰশান্ত কৰি গঢ়ি তুলিবলৈ সময় সুযোগ দি চাপে চাপে অসম জাতীয় অস্তিত্ব ৰক্ষা, কলা সংস্কৃতি উৎকৰ্ষ সাধনত ক্ৰমাগত হাৰত শক্তিশালী হৈ উঠা সেনা বাহিনীৰ জন্মৰ বাট মোকলাই দিব। জাতীয় শ্বহীদ সকলৰ প্ৰকৃত সোঁৱৰণ হব। ইতি—

"জয় আই অসম"

আপোনালোকৰ মৰমৰ

শ্ৰীলীলাধৰ শালৈ।

# সহঃ সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন (কলা)

প্ৰতিবেদনৰ আৰম্ভণিতে স্বদেশৰ কেঁচা মাটি সেমেকাই যিসকল মহানবীৰে ভাষা-সংস্কৃতি আৰু অস্তিত্ব ৰক্ষাৰ হকে প্ৰাণ আঁহুতি দিলে ; তেখেত সকলৰ মহান ত্যাগক শ্ৰদ্ধাৰে সুঁৱৰিছো। এই ছেগতে যিসকল বন্ধু-বান্ধৱীয়ে মোক সদৌ অসম ছাত্ৰ সন্থাৰ পতাকাৰ তলৰ পৰা তেখেতসকলৰ বহুমূলীয়া ভোটেৰে বিজয়ী কৰিলে—তেখেত সকলক আন্তৰিক ওলগ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সহঃ সাধাৰণ সম্পাদক এজনৰ দ্বায়িত্ব আৰু কৰ্ত্তব্য বহুত কিবা-কিবি থাকে বুলি গভীৰ ভাবে বিশ্বাস আছে। কিন্তু সেই দায়িত্ব আৰু কৰ্ত্তব্যৰ মাপ-কাঠি নিৰূপন কৰে সাধাৰণ সম্পাদকৰ সহায়-সহযোগিতা কিম্বা পৰামৰ্শতহে। এই ক্ষেত্ৰত মই নিজাববীয়াকৈ কিবা কৰিছো নে নাই মই কব নোৱাৰো কিন্তু সাধাৰণ সম্পাদকৰ সাময়িক অনুপস্থিতিত তেখেতৰ দায়িত্ব খিনি নিষ্ঠা সহকাৰে পালন কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিলো।

প্ৰতিবেদনত অযথা লিখিব খোজা নাই কিন্তু মহাবিদ্যালয় ছাত্ৰসন্থাৰ এজন প্ৰতিনিধি হিচাবে পৰৱৰ্ত্তী কাৰ্য্যনিৰ্বাহক সমিতিলৈ কেইটিমান পৰামৰ্শ দিব বিচাৰিছো—

বিভিন্ন বিভাগৰ সম্পাদক সকলৰ নামত থকা পুঁজিৰ ব্যৱস্থা সহঃ সাধাৰণ সম্পাদক সকলৰ থকাটো আৱশ্যক বুলি মই ভাবো। তেতিয়াহলে সাধাৰণ সম্পাদকৰ অনুপস্থিতিত কাৰ্য্যভাৰ চলোৱাত উজু হব যেন লাগে।

মহাবিদ্যালয়ত পালন কৰা পৰ্ব সমূহ সহঃ সাধাৰণ সম্পাদক সকলৰ দায়িত্বত দি তেওঁলোকক ছাত্ৰ-ছাত্ৰীক সেৱা কৰা সুযোগ দিব লাগে (যিহেতু দেখাত সহঃ সাধাৰণ সম্পাদকৰ বিশেষ কাম নাথাকে)।

মহাবিদ্যালয় পৰিচালনা সমিতিত ছাত্ৰ-সন্থাৰ পৰা দুজন প্ৰতিনিধি সদস্য ৰাখিলে ছাত্ৰ-ছাত্ৰীৰ অভাৱ-অভিযোগবোৰৰ কথা পোন-পটিয়াভাবে পৰিচালনা সমিতিক অৱগত কৰাব পাৰে। যাৰ ফলত মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু পৰিচালনা সমিতিৰ সম্পৰ্ক সু-মধুৰ আৰু ওচৰত হব বুলি মোৰ দৃঢ় বিশ্বাস।

সামৰণিত অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত কৰজোৰে ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। মোৰ কাৰ্য্যকালত বিভিন্ন কামত সহায়-সহযোগ আগবঢ়োৱা মাননীয় অধ্যক্ষ সমন্বিতে শিক্ষাগুৰুসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী (দেৱব্ৰত কলিতা, শৰৎ কলিতা, অঞ্জলী দেৱী, গুলেনুৰ বেগম, দীন ডেকা)ৰ শলাগ লৈছো।

জাতীয় শ্বহীদ সকলক শ্ৰদ্ধাৰে সুৱৰিছো। মহাবিদ্যালয়ৰ লগতে ছাত্ৰ সন্থাৰ দীৰ্ঘায়ু কামনা কৰিছোঁ।

জয় আই অসম

আপোনাসবৰ সেৱক

শ্ৰীদিলীপ ঠাকুৰীয়া

সহঃ সাঃ সম্পাদক (কলা)

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

৮।২।৮৮



# উপ–সভাপতিৰ বছৰেকীয়া প্ৰতিবেদন—

"বন্দুকৰ শব্দত—

ৰাতি পুৱাই নে ?

ওহো.........

পুৱাই চৰাইৰ মাতত।"

সত্যক অস্বীকাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰা ক্ষমতাশীলসকলে কিন্তু বিগত অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ দিনবোৰত বন্দুকৰ গুলীৰেই প্ৰভাতৰ সপোন ৰচিছিল। জনশক্তিক অস্ত্ৰশক্তি, ভেদনীতি, কলা-আইনেৰে দমন কৰিব বিচৰাটো জুইক কাপোৰেৰে ঢাকি ৰাখিব বিচৰাৰ লেখীয়া অপচেষ্টা যদিও স্বাৰ্থান্ধ সকলে তাকে কৰিলে। অঙ্গৰাজ্যখনৰ জনসাধাৰণক জলন্ত ৰাষ্ট্ৰীয় সমস্যা এটা (বিদেশী নাগৰিকৰ) সমাধান কৰাৰ ন্যায্য দাবী উত্থাপন কৰাৰ অপৰাধত (!) নিৰ্ব্বিবাদে কৰা নিৰ্য্যাতনে দেশখনৰ সাৰ্ব্বভৌম গণতন্ত্ৰৰ স্বৰূপ প্ৰকাশ কৰোৱাৰ লগে লগে ৰাজ্যখনৰ অৰ্থনৈতিক দিশৰ লগতে সামাজিক-সাংস্কৃতিক দিশৰ অপূৰণীয় ক্ষতি সাধন কৰালে। সংগ্ৰামীজনৰ কলিজাৰ কেচাঁ তেজে দেশৰ মাটি সেমেকাই তুলিলে। ১৯৬২ চনৰ চীনা আক্ৰমনৰ সময়ত হাতৰ, কাণৰ, ডিঙিৰ অলংকাৰ পৰ্য্যন্ত ভাৰতীয় সামৰিক জোৱানক অনায়াসে খুলি দিয়া অসমীয়া ৰমণী, সেই সামৰিক জোৱা-নৰ হাততে মাত্ৰ কুৰি বছৰৰ ভিতৰতে ধৰ্ষিতা হব লগা হ'ল। আৰু বহুত ......। শেষত কিন্তু সত্যৰে জয় হ'ল। ব্যৰ্থ হ'ল কেন্দ্ৰৰ সকলো অপচেষ্টা। অসম বিদ্বেষী চক্ৰৰ শিৰ নত হ'ল। ১৯৮৫ চনৰ ১৪ আগষ্টৰ নিশা অসমান্দোলনৰ নেতৃবৃন্দৰ সতে কেন্দ্ৰীয় চৰকাৰে ঐতিহাসিক অসম চুক্তিত স্বাক্ষৰ কৰিলে। ১৯৮৫ ৰ ১৫ আগষ্টৰ নৱ প্ৰভাতে অসমৰ বিজয় বিশ্বৰ প্ৰান্তৰে প্ৰান্তৰে সিচি দি জাতীয় জীৱনৰ পৰৱৰ্ত্তী দিনবোৰক সেউজী আশাৰ ৰেঙণিৰে উজ্জ্বলাই তুলিলে। এই বিজয়ৰ মূলতে সংগ্ৰামী জনসাধাৰণক পলে-পলে ত্যাগৰ সীমনা উভালি অনুপ্ৰেৰণা যোগোৱা মহান শ্বহীদ সকলৰ আত্মবলিদান অনন্য। আমি এই বছৰেকীয়া প্ৰতিবেদনৰ জৰিয়তে অসমৰ এই মহান শ্বহীদ সকললৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে অসমান্দোলনত গুলিবিদ্ধ, আহত, নিৰ্য্যাতিত সকললৈ আমাৰ শ্ৰদ্ধা আৰু অভিনন্দনৰ শৰাই যাচিছোঁ.........।

দুকুৰি বছৰীয়া স্বাধীনতাই ভাৰতবৰ্ষৰ অঙ্গৰাজ্য অসমক কেন্দ্ৰীয় চৰকাৰৰ ঔপনিবেশিক শোষণৰ জৰিয়তে অৰ্থনৈতিক দিশটো ক্ষত-বিক্ষত কৰাৰ লগতে ৰাজ্যখনৰ ৰাজনৈতিক, ভাষিক, সাংস্কৃতিক তথা সামাজিক দিশকো দেশী-বিদেশী ষড়যন্ত্ৰৰ বলিশালত বিপন্ন প্ৰায় কৰালে। ৪৬ লাখ বিদেশীৰ চাৰণভূমিলৈ অসমক সলনি কৰা হ'ল। আনহাতে ইবোৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে আৰু ন্যায্যপ্ৰাপ্তি আদায়ৰ হকে দাবী উত্থাপনৰ প্ৰতিটো ক্ষেত্ৰতে ৰাজ্যখনৰ জনসাধাৰণে আন্দোলন কৰিব লগা হোৱাটো হৈ পৰিল বাধ্যতামূলক। শ্বহীদৰ কেঁচা তেজ অবিহনে ন্যায্য আদায় কৰা অসম্ভৱ হৈ উঠিল। সবাতোকৈ আচৰিত কথা হ'ল—শ্বহীদৰ কেঁচা তেজৰ বিনিময়ত প্ৰাপ্য আদায়ৰ প্ৰতিশ্ৰুতি কেন্দ্ৰৰ পৰা পোৱাৰ পিচতো; প্ৰতিশ্ৰুত সম্পদ আদায় দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰই পুনৰ দৰ-দাম আৰম্ভ কৰাটো অথবা মূৰ পুলুকা মৰাটো। অসম চুক্তি স্বাক্ষৰিত হোৱাৰ তৃতীয় বছৰত উপনীত হোৱাৰ সময়তো চুক্তিৰ দফা সমূহ কাকতৰ পাতত সীমাবদ্ধ থাকিবলগা হোৱাটো উদ্বেগজনক বিষয়ে নহয় ই চৰম বিশ্বাসঘাটকতা। এনে বিশ্বাসঘাটকতা আৰু অসহযোগী মনোভাৱে পৰৱৰ্তী দিনবোৰত অঞ্চলটোৰ জনসাধাৰণৰ মাজত নিৰাশাই চানি পেলালে, তাৰ বাবে সৃষ্টি হব পৰা যিকোনো পৰিণতিৰ বাবে শাসনৰ এই শীৰ্ষস্থানীয়সকলেই জগৰীয়া হব লাগিব..........।

আনহাতে, '৮৫ ৰ নিৰ্ব্বাচনৰ জৰিয়তে ক্ষমতালৈ অহা বৰ্ত্তমানৰ আঞ্চলিক দলৰ চৰকাৰখনেও চুক্তি ৰূপায়নৰ ক্ষেত্ৰত থকা নিজৰ দায়িত্ব পালনত সুদৃঢ় পদক্ষেপ লোৱাত অহেতুক পলম কৰাটো চিন্তনীয়। এই চৰকাৰে তৎকালীনভাৱে নিজৰ দায়িত্ব পালনত আশানুৰূপ ভূমিকা লোৱাৰ লগতে চুক্তিৰ মূল অংশ ৰূপায়ন কৰোৱাৰ বাবে কেন্দ্ৰক বাধ্য কৰাত সুদৃঢ় পদক্ষেপ লোৱাটো বাঞ্চনীয়। বিগত দিনবোৰত সৰ্বভাৰতীয় দলৰ নেতৃত্বাধীন চৰকাৰৰ দ্বাৰা উপেক্ষিত আৰু প্ৰৱঞ্চিত হোৱাৰ পৰিণতিয়ে জন্ম দিয়া এই চৰকাৰে প্ৰতিটো মুহূৰ্ত্ততে সেয়ে সজাগ হৈ পুৰণি কলংকিত পৰম্পৰাৰ বিনাশ ঘটাব লাগিব—নিৰ্ব্বাচনৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব লাগিব—জনসাধাৰণৰ সামগ্ৰিক আশাক বাস্তবায়িত কৰিব লাগিব। তাৰ বিকল্প হলে জনসাধাৰণেও পৰৱৰ্তী দিনত বিকল্প পথ লবলৈ নিশ্চয় বাধ্য হব.........।

ইং ১৯৮৬-৮৭ চনৰ কাৰ্য্যকালৰ বাবে ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ উপসভাপতি হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ পবিত্ৰ পতাকাৰ তলৰ পৰা নিৰ্বাচিত কৰা সংগ্ৰামী সতীৰ্থ সকলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আমাৰ কাৰ্য্যকালত মহাবিদ্যালয় ছাত্ৰ সন্থাৰ পৰম্পৰাগত উৎসৱ তথা কাৰ্য্যসূচী সমূহ সফলতাৰে ৰূপায়ন কৰা হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ দ্বাৰা ঘোষিত সমূহ কাৰ্য্যসূচীৰ লগতে স্থানীয় সমস্যা আৰু প্ৰস্তাৱিত ৰঙিয়া ৰেলৱে ডিভিজন স্থাপনৰ দাবীত ৰঙিয়া আঞ্চলিক ছাত্ৰ



সন্থাৰ দ্বাৰা ঘোষিত সমূহ আন্দোলনৰ কাৰ্য্যসূচীও সফল কৰি তোলা হয়। এই সকলোতে ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ, সমাজৰ ঐকান্তিক সহযোগিতা আৰু সমৰ্থন আমাৰ স্মৃতিৰ পাতত সদায়ে সজীৱ হৈ থাকিব। বিভিন্ন সময়ত আমি কাৰ্য্য পৰিচালনা কৰিবলৈ যাওঁতে একাংশ ছাত্ৰ ছাত্ৰীৰ লগতে মাননীয় শিক্ষাগুৰু সকলৰ পৰা পোৱা সৎ পৰামৰ্শৰ বাবেও আমি সেইসকলৰ ওচৰত চিৰ কৃতজ্ঞ। ইয়াৰ বাবে সকলোলৈ ধন্যবাদ জনাইছোঁ – বিশেষকৈ মাননীয় শিক্ষাগুৰু অধ্যক্ষ শ্ৰীযুত নীলকান্ত মহন্ত, শ্ৰীযুত গদাধৰ কাটোৱালী, শ্ৰীযুত নৰেন্দ্ৰ কলিতা, শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকা, শ্ৰীযুত অমৰেন্দ্ৰ কুমাৰ শৰ্মা, মুখ্য গাননিক শ্ৰীযুত জনেক বৈশ্য আদিলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ছাত্ৰ বন্ধু সীমান্ত শালৈ, ৰমেন দাস, দীপক ডেকা আৰু ৰবীন, দিনমণি, অনুপ, মজবুল, লুকু, ৰমেশ, ৰুমী, গুলেনুৰ, শৰৎ, উৰ্মি, মালা, জিথনৰ লগতে ছাত্ৰ সন্থাৰ কাৰ্য্য নিৰ্ব্বাহকৰ সদস্য তথা "আছু" –মহাবিদ্যালয় গোটৰ কাৰ্য্য নিৰ্বাহকৰ সদস্য সকললৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ইং ১৯৮৬-৮৭ চনৰ কাৰ্য্যকালত গতানুগতিকতাৰ উৰ্দ্ধত কিবা কৰা বুলি দাবী কৰাৰ প্ৰশ্ন অবান্তৰ। আনকি সদৌ অসম ৺সিদ্ধি নাথ শৰ্মা সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন এই বছৰ অনুষ্ঠিত কৰিব পৰা নহ'লহে। ইয়াৰ বাবে যি অজুহাতেই দেখুওৱা নহওঁক; ছাত্ৰ সন্থাৰ বিভাগীয় পদাধিকাৰীৰ দায়িত্ব সম্পৰ্কে সচেতনহীনতা অথবা অমনোযোগিতাৰ বাবেই যে কিছুমান কাম হৈ নুঠে সেয়া স্বাভাৱিক। একাংশ ছাত্ৰ-ছাত্ৰীৰ বাহিৰে বৃহৎ অংশ এটাই মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত অনুপস্থিত থাকে বুলি যিটো সাধাৰণ অভিযোগ লিপিবদ্ধ কৰা হৈছে —; অনুষ্ঠান সমূহত মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলৰে ভূমিকা, উপস্থিতি যে নিৰাশজনক; সেয়া আগতে আলোচিত হব লাগে। আমি আশা ৰাখিছোঁ।— অদূৰ ভবিষ্যতে মহাবিদ্যালয়খনৰ উন্নয়ন তথা ছাত্ৰ সমাজৰ সামগ্ৰিক স্বাৰ্থৰ বাবে কাম কৰাৰ প্ৰতিশ্ৰুতিৰে নিৰ্ব্বাচনৰ প্ৰাক্ মুহূৰ্ত্তত মহাবিদ্যালয় খনত প্ৰচণ্ড জোৱাৰৰ সৃষ্টি কৰা সকলে নিৰ্ব্বাচনৰ পিছত বিষয়ববীয়া হৈ, মহাবিদ্যালয় চৌহদ গছকিবলৈ সময় উলিয়াব নোৱাৰা হোৱাৰ সলনি নিৰ্ব্বাচিত সকলে অন্ততঃ পৰৱৰ্তী নিৰ্ব্বাচনৰ সময়লৈ সেই জোৱাৰৰ গতি অটুত ৰাখিব। যাৰ জৰিয়তে মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কিছু পৰিমাণে হলেও সম্ভৱ হব। মহাবিদ্যালয় ছাত্ৰ সন্থাও সমলোচনাৰ উৰ্দ্ধত থাকিব। ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰী সকলেও নিশ্চয় সজাগ ভূমিকা গ্ৰহণ কৰিব।

বিজ্ঞান শাখাৰ উন্নয়ন, উপাধ্যক্ষ নিযুক্তিকৰণ, প্ৰেক্ষাগৃহ নিৰ্মাণ, চাইকেল আস্থান স্থাপন, ছাত্ৰাবাস-ছাত্ৰীনিবাস নিৰ্মাণ আদি প্ৰায় একুৰি দাবীৰে বছৰটোৰ বেছিভাগ সময় ছাত্ৰ সন্থাৰ তৰফৰ পৰা মহাবিদ্যালয়

কৰ্ত্তৃপক্ষ, চৰকাৰ কৰ্তৃপক্ষ, স্থানীয় বিধায়ক তথা বিভাগীয় মন্ত্ৰীৰ সতে যোগাযোগ কৰি হেঁচা প্ৰয়োগ কৰি থকাৰ মূৰকত জনজাতীয় ছাত্ৰী নিবাস নিৰ্মাণ, বিজ্ঞান শাখাৰ গবেষণাগাৰ স্থাপন, শ্ৰেণীকোঠা দুটামান নতুনকৈ নিৰ্মাণ আদি কিছুমান কাম হৈছে, বেছি ভাগ হোৱা নাই। কৰ্তৃপক্ষই যে ইচ্ছাকৃত কৰা নাই তেনেও নহয়; কিন্তু চাইকেল আস্থান নিৰ্মাণৰ লেখিয়া সাধাৰণ অভাৱবোৰ পূৰণ কৰাত কৰ্তৃপক্ষই অহেতুক পলম কৰাটো পৰিতাপজনক। অৱশ্যে কিছুমান ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষৰ আশানুৰূপ সহাঁৰি আৰু স্থানীয় বিধায়ক হিচাপে শ্ৰীযুত থানেশ্বৰ বড়োদেৱৰ সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সামৰণিত আমি পুনৰ ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ভাতৃ-ভগ্নীসম আমাৰ বন্ধু-বান্ধৱীলৈ অভিনন্দন জ্ঞাপন কৰিছোঁ। ১৯৮৮ চনত একুৰি পাঁচ বছৰ পূৰ্ণতাৰে ৰূপালী-জয়ন্তী উৎসৱ উদ্‌যাপন কৰিবলৈ উদ্যত হোৱা ৰঙিয়া মহাবিদ্যালয় অঞ্চলটোৰ চুকে-কোণে জ্ঞানৰ উজ্জ্বল জ্যোতি চটিয়াই আগত দিনবোৰত দেশৰ ভিতৰতে শিক্ষাৰ বিশাল আকাশত সূৰ্য্যসম হৈ উদ্ভাসি উঠক— এই আশাৰে—

জয় আই অসম

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

জয়তু সদৌ অসম ছাত্ৰ সন্থা

তাৰিখ :
ইং ৩০/১২/৮৭

শ্ৰীদীপক দাস
উপ-সভাপতি



# সহকাৰী সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

## ( বিজ্ঞান শাখা )

দেশ আৰু জাতিৰ অস্তিত্বৰ সংগ্ৰামত প্ৰাণ আঁহুতি দিয়া অসমৰ মহান শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ইং ১৯৮৬-৮৭ চনৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ পবিত্ৰ পতাকাৰ তলৰ পৰা নিৰ্ব্বাচিত কৰি মোক সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে সংগ্ৰামী বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছো।

সহঃ সাধাৰাণ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই যিমানখিনি কৰিম বুলি ভাবিছিলো সিমানখিনি কৰিব নোৱাৰিলো; ক্ষমতাৰ সীমাৱদ্ধতাৰ কাৰণেই। সেয়া হলেও মই কাৰ্য্যকাল ছোৱাত ছাত্ৰ-ছাত্ৰী সকলৰ স্বাৰ্থৰ হকে কাম কৰিবলৈ চেষ্টাৰ ক্ৰুটি কৰা মনত নপৰে। তাৰোপৰি মহাবিদ্যালয় ছাত্ৰ সন্থাৰ "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ", "সৰস্বতী পূজা", "পবিত্ৰ মহৰম পৰ্ব্ব", "নৱাগত আদৰণি সভা", "বিশ্বকৰ্মা পূজা", "বাথৌ পূজা" আদি বিভিন্ন উৎসৱত সাধাৰণ সম্পাদকৰ প্ৰতিটো কামতে যৎপৰোনাস্তি সহায়-সহযোগ কৰিছিলোঁ।

বছৰটোত সদৌ অসম ছাত্ৰ সন্থাৰ দ্বাৰা ঘোষিত অসম আন্দোলনৰ সমূহ কাৰ্য্যসূচী সফলতাৰে পালন কৰাত সহায়-সহযোগ কৰাৰ উপৰিও আজি এই প্ৰতিবেদনৰ জৰিয়তে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ সংগ্ৰামী বন্ধু-বান্ধৱী তথা এই ক্ষেত্ৰত মহাবিদ্যালয় ছাত্ৰ সন্থাক কাৰ্য্যসূচী সফলতাৰে পালন কৰি তোলাত সহায়-সহযোগ আগবঢ়োৱা বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অভাৱ অভিযোগৰ ক্ষেত্ৰত বিশেষকৈ, বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ কিছু অভাৱ পৰিলক্ষিত হয়। অৱশ্যে বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ অভাৱ অভিযোগ হোৱাটো স্বাভাৱিক। কিয়নো ৰঙিয়া মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্ত্তন কৰা বেছি বছৰ হোৱা নাই। ( কিন্তু অতিশয় পৰিতাপৰ কথা হৈছে অসমৰ বুকুত নামজ্বলা মহাবিদ্যালয়বিলাকৰ ভিতৰত ৰঙিয়া মহাবিদ্যালয়খনো কোনোগুণেই কম নহয় তেনেকুৱা খ্যাতনামা মহাবিদ্যালয়খনে আজি প্ৰতিষ্ঠাপন হবৰ ২৩-২৪ বছৰ হৈয়ো পলমকৈ

বিজ্ঞান শাখাৰ প্ৰৱৰ্ত্তন কৰিবলগীয়া হৈছো।) যিকি নহওক কৰ্তৃপক্ষই ৰঙিয়া মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্ত্তন কৰি ছাত্ৰ-ছাত্ৰীৰ অভাৱ অভিযোগ দূৰ কৰা নাই বুলি কবলৈ গ'লে নিশ্চয় মোৰ ডাঙৰ ভুল কৰা হব। কিয়নো বিজ্ঞান শাখা প্ৰৱৰ্ত্তন কৰাৰ লগে লগে বহু গৰাকী শিক্ষাগুৰু নিয়োগ কৰি আৰু উন্নত ধৰণৰ বিজ্ঞানাগাৰ নিৰ্মাণ কৰি বিজ্ঞানাগাৰৰ সাঁ-সজুলি আদি সকলোবোৰ যোগান ধৰি ছাত্ৰ-ছাত্ৰীসকলক সুবিধা কৰি দিলে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে উপকৃত হবলৈ সক্ষম হয়। কিন্তু কিছুমান মহাবিদ্যালয়ত শ্ৰেণীকোঠা সাঁ-সঁজুলি আৰু বিজ্ঞানাগাৰ পলমকৈহে হোৱা দেখা যায়। এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয় কৰ্তৃপক্ষক ধন্যবাদ জনাইছো।

প্ৰতিবেদনৰ সামৰণিত আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি সু-শিক্ষা আৰু সৎ-পৰামৰ্শ দি সু-পথেৰে অগ্ৰসৰ হোৱাত সহায় কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শ্বহীদ সকলক পুনৰ সুঁৱৰিছো।

অজ্ঞাত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিছাৰিছো

ৰঙিয়া মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছোঁ।

"জয় আই অসম"

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

শ্ৰীৰতি ৰাম বড়ো

সহকাৰী সাধাৰণ সম্পাদক (বিজ্ঞান)



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন
## ইং ১৯৮৬-৮৭ চন

আমাৰ অনাগত ভৱিষ্যতৰ বাবে যি সকলে নিজৰ বৰ্তমানক উচৰ্গা কৰি অমৰ হ'ল ; সেই সকল মহান ছহিদলৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ।

অসম চুক্তি ৰূপায়নকে ধৰি ৰাজ্যখনৰ সামগ্ৰিক সমস্যাকে ধৰি যিটো সময়ত ৰঙিয়াত ৰেলৱে ডিভিজন স্থাপনৰ দাবীত ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সুদৃঢ় আন্দোলন, মহাবিদ্যালয়ত সীমাহীন অভাৱ-অভিযোগ, সমস্যা; ঠিক তেনে এক মুহূৰ্ত্ততে মোক মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাংস্কৃতিক সম্পাদকৰ দায়িত্ব ন্যস্ত কৰা হৈছিল। সমস্যা সমূহৰ মাজত আৰু সময়ৰ অভাৱত গতানুগতিকতাৰ সীমা অতিক্ৰম কৰিব নোৱাৰাৰ অক্ষমতাক মই নতশিৰে স্বীকাৰ কৰিছোঁ।

দায়িত্ব গ্ৰহণৰ প্ৰাক্ মুহূৰ্ত্ততে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত সাংস্কৃতিক প্ৰতিভা বিকাশ কৰাৰ হেতু উৎসাহ যোগোৱাৰ বাবে ভাবিছিলোঁ কিবা কৰিম। চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ ; অথচ, আশাবোৰ, পৰিকল্পনাবোৰ— ব্যৰ্থ প্ৰেমিকৰ স্বপ্ন হৈ ৰ'ল। আশা ৰাখিছোঁ পৰৱৰ্তী দিনবোৰত গতানুগতিকতাৰ সীমা অতিক্ৰম কৰি, মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাংস্কৃতিক বিভাগ পৰিচালিত হব। তাৰোপৰি বিগত ছ'বছৰীয়া গণ আন্দোলনক উপহাস কৰা সকলৰ অলীক সপোন "অসম চুক্তি" স্বাক্ষৰ কৰাৰ জৰিয়তে চুৰমাৰ হৈ যোৱাৰ দৰে আশা ৰাখিছোঁ ৰঙিয়াত প্ৰস্তাৱিত ৰেলৱে ডিভিজন স্থাপনত বাধাৰ সৃষ্টি কৰা অসম বিদ্বেষী চক্ৰটোৰ অপকৰ্মইও এদিন অসমৰ ওচৰত নতশিৰে আঠু লব।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত পৰামৰ্শ আৰু সহযোগিতাৰে মোক চিৰঋণী কৰা দীপক দা, সীমান্ত দা, ৰমণী দা, নীলা দাৰ লগতে হলধৰ, হীৰেন, নৃপেন, সমীন, অতুল, ত্ৰৈলোক্য, চম্পা, জুতিকা, অঞ্জলী, সবিতা আৰু সাবিত্ৰী আদি বন্ধু-বান্ধৱীসকল অন্তৰত আজীৱন সজীৱ হৈ ৰব। ইতি—

জয় আই অসম

শ্ৰীদশৰথ কলিতা

ভাঃ প্ৰাঃ সাংস্কৃতিক বিভাগৰ সম্পাদক

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ইং ১৯৮৬–৮৭ চন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ বুকুত অসম মাতৃৰ হকে যি সকল অমৰ বীৰ শ্বহীদে আত্মাহুতি দিলে সেই সকলৰ মহান ত্যাগক শ্ৰদ্ধাৰে সুঁৱৰিছো।

ৰঙিয়া মহাবিদ্যালয়ৰ মোৰ শুভাকাংখী সকলৰ শুভাশীষ আন্তৰিকতাৰে শিৰত লৈ তেখেতসকলৰ হৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ "সমাজসেৱা" বিভাগৰ সম্পাদকৰ দায়িত্ব পালন কৰাৰ সময় ছোৱাত অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো।

এই বছৰ " বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত বিভিন্ন কাম কৰাৰ উপৰিও ৰাষ্ট্ৰীয় সেঁৱা আঁচনিৰ সৌজন্যত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ–ছাত্ৰী সকলৰ সহযোগত এটি তিনিদিনিয়া সমাজসেৱা শিবিৰ ইং ৯/৭/৮৭ ৰ পৰা ইং ১১/৭/৮৮ তাৰিখলৈকে অনুষ্ঠিত কৰা হয়, মহাবিদ্যালয় চৌহদত সেইকেইদিন চাফ চিকুণ আৰু বৃক্ষৰোপন আদি কৰাৰ উপৰিও মহাবিদ্যালয়ৰ পৰা পাঁচ কিলোমিটাৰ দূৰৰ পুৰ সীতাৰা গাঁৱত বানপানীয়ে উটুৱাই নিয়া প্ৰায় ৪০ মিটাৰ দীঘল বাঁহৰ দলং এখন নতুনকৈ নিৰ্ম্মাণ কৰা হয়। এই শিবিৰতে শ্ৰীৰমেশ পাটোৱাৰীক এই বছৰৰ ৰঙিয়া মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ সমাজ সেৱক হিচাপে ঘোষণা কৰা হয়।

আন আন বছৰৰ দৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সমাজসেৱা' শিৱিৰ ইং ২৩/৭/৮৭ তাৰিখৰ পৰা ২৮/৭/৮৭ তাৰিখলৈ উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। শিবিৰত আমাৰ মহাবিদ্যালয়ৰ পৰা ছয়জনীয়া এটি দলে অংশ গ্ৰহণ কৰে আৰু এই শিবিৰত হোৱা প্ৰত্যেকটো অনুষ্ঠানতে আমাৰ মহাবিদ্যালয়ৰ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা সকলে পাৰদৰ্শিতা দেখুৱায়।

সদৌ শেষত সমূহ বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয় আই অসম
শ্ৰীলিখন শৰ্ম্মা
সম্পাদক, সমাজ সেৱা বিভাগ
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা



# গুৰু খেল বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন
## ইং ১৯৮৬–৮৭ চন

প্ৰতিবেদনৰ আৰম্ভণিতে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা আৰু বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

কাৰ্য্যকালৰ অৰ্দ্ধেক সময় অতিবাহিত হৈ যোৱাৰ পিছত মহাবিদ্যালয় ছাত্ৰ সন্থাৰ নিৰ্দ্দেশ মৰ্মে গুৰু খেল বিভাগৰ ভাৰপ্ৰাপ্ত সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি, কাৰ্য্য পৰিচালনা সফলভাৱে কিমান কৰিব পাৰিছোঁ তাৰ বিচাৰ ছাত্ৰ সমাজৰ হাতত। কিন্তু মই উল্লেখ নকৰি নোৱাৰোঁ যে আমাৰ মহাবিদ্যালয়ত খেল বিভাগটো নামতহে চলাই থকা হৈছে। খেল- ধেমালিৰ বাবে প্ৰয়োজনীয় সা-সামগ্ৰী একেবাৰে নাই বুলিব পাৰি। আনহাতে থকা নিম্নতম খেলাৰ সামগ্ৰীখিনিৰো দুৰাৱস্থা বৰ্ণনাতীত। যাৰ ফলত প্ৰতিভাশীল খেলুৱৈ সকলক আমি উৎসাহ দিব পৰাকৈ একো কৰিব পৰা নাই। আজি বিশ্ববাসীক বিভিন্ন খেল-ধেমালিয়ে আকৰ্ষিত কৰাৰ লগে-লগে খেলৰ মানদণ্ড বৃদ্ধি আৰু প্ৰকৃত খেলুৱৈৰ প্ৰতিভা স্বীকৃতিৰ মূলতে সেই সকল খেলুৱৈৰ প্ৰচেষ্ঠা আৰু বিভিন্ন স্থানৰ পৰা পোৱা উৎসাহ আৰু প্ৰেৰণাই নিশ্চয় মূল। আমাৰ মহাবিদ্যালয়তো এনে খেলুৱৈ নিশ্চয় ওলাব; কিন্তু আমি উলিয়াব পৰা নাই। মহাবিদ্যালয় কৰ্তৃপক্ষই এই ক্ষেত্ৰত যথেষ্ঠ ভূমিকা লব লাগে।

আনহাতে, ছাত্ৰ-ছাত্ৰী সকলেও থকা সামগ্ৰী তথা সুবিধাখিনিৰ জৰিয়তে কৰিব পৰা খিনি কৰাত অৱহেলা কৰাতো শুভ-লক্ষণ নহয়।

অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত দেশৰ এন্ধাৰ বিনাশ কৰি, প্ৰভাতৰ আশাৰে নিজৰ জীৱন আঁহুতি দিয়া মহান শ্বহীদ সকললৈ মোৰ প্ৰতিবেদনৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

সদৌ শেষত অজ্ঞাত ভূল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা
জয় আই অসম
মঃ জাকিৰ হুচেইন
ভাৰপ্ৰাপ্ত সম্পাদক,
গুৰু খেল বিভাগ।
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

বিঃ দ্ৰঃ— বিশেষ অসুবিধাৰ বাবে লঘু খেল বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন প্ৰকাশ কৰিবপৰা নহ'ল। সেয়েহে মই পাঠক বৃন্দৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

সম্পাদক

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

পাতনিতে অসমৰ জাতীয় শ্বহীদ সকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। মোক ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে যিসকল বন্ধু-বান্ধবীয়ে সদৌ অসম ছাত্ৰ সন্থাৰ পবিত্ৰ পতাকাৰ তলৰপৰা তেওঁলোকৰ বহমূলীয়া ভোটেৰে বিজয়ী কৰি মহাবিদ্যালয়খনক সেৱা আগবঢ়োৱাৰ সুযোগ কৰি দিলে, সেই সকলৰ ওচৰত আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ।

